# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২১/০৩/২০২৩ মঙলবাৰ

আজি ইংৰাজী ২১-০৩-২০২৩ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিবেশন ৰাতিপূৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ১২১, সন্মানীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো মোৰ বিষয় নহয়, এইটো personal department ৰ মই জনাইছিলোঁ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আগতে আপুনি আমাক জনাইছিলে যে প্ৰশ্নটো যদি বেলেগ এটা বিভাগলৈও যায়, সেইটো বিভাগলৈ আমি পঠিয়াই দিম যাতে .... (হুলস্থুল)....

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ আপোনাৰ উত্তৰতো GAD লৈকে পঠোৱা হৈছে, আপুনি উত্তৰটো পাব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ ইয়াৰ ওপৰত supplementary আছিল।

**মাননীয় অধ্যক্ষ** ঃ নালাগে, supplementary question ৰ উত্তৰ কোনে দিব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া হলে Rule 49 ত পিছত আনিব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ আমাৰ কিছুমান প্ৰশ্ন তেনেকুৱা হৈ থাকে, যে বিভাগ বিলাকে concern নহয় বুলি পঠিয়াই দিয়ে। তেতিয়া সেই প্ৰশ্নটো not related হয়, যদিও প্ৰশ্নৰ list ত থাকে। সেই কাৰণে বিধান সভাৰ ফালৰ পৰা মুখ্য সচিব ডাঙৰীয়া আৰু প্ৰধান সচিব সকলকলৈ আলোচনা কৰিছিলো যে কোনো প্ৰশ্ন not related বুলি নপঠিয়াই, যিসকলে প্ৰশ্নটো পাই তেওঁলোকে concern department ক পঠিয়াই দিব লাগে আৰু concern department য়ে উত্তৰটো বিধায়ক ডাঙৰীয়ালৈকে পিছত হলেও দিব লাগে। গতিকে মই ভাৱো সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই নিশ্চয়কৈ প্ৰশ্নটো concern personal department লৈ পঠিয়াই দিছিল আৰু personal department য়ে উত্তৰটো দিলে। কিন্তু কথাটো যিহেতু GAD ক সুধিছিলে, Supplementary GAD য়ে কব নোৱাৰিব।

ঠিক আছে। ইয়াৰ পিছৰ প্ৰশ্ন নং ১২২। সন্মানীয় সদস্য শ্ৰী দিগন্ত কলিতা।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে সকলোৱে জানে বিশেষকৈ শিশু সৰবৰাহৰ লৈ পেলাই আমাৰ অসমত আৰু ভাৰতবৰ্ষত বিভিন্ন ঠাইত ঘটনা বিলাক ঘটি আছে। এই সম্পৰ্কত মই বিধান সভাৰ মজিয়াত প্ৰশ্ন কৰিছিলো, উত্তৰো পাইছো। মই মাত্ৰ কবলগীয়া দুটা কথা ইয়াতে কবলৈ বিচাৰিছোঁ।

অসমত ৩.৪৫ কোটি জনসংখ্যা আছে, তাৰে ভিতৰত ৪.৫ লাখ শিশু আছে। শিশু সকল

হ'ল আমাৰ দেশৰ ভৱিষ্যত। শিশু সকলক লৈ ভৱিষ্যতে কেনেকৈ আগবাঢ়ি পাৰো, তাৰে আমি চিন্তা চৰ্চা কৰো। আমি যেনেকৈ নিজৰ লৰা-ছোৱালীসমূহক সুৰক্ষিত কৰি ৰাখিব বিচাৰো, ঠিক তেনেকৈ আমি অসমত থকা লৰা-ছোৱালীখিনিক সুৰক্ষিত কৰিব বিচাৰো। মই খুব দুখেৰে কৈছো যে পাঁচখন ৰাজ্যৰ ভিতৰত অসমৰো এটা স্থান আছে শিশু সৰবৰাহৰ ক্ষেত্ৰত আৰু অসম তৃতীয় স্থানলৈ পৰিগণিত হৈছে। সকলোকৈ ডাঙৰ কথা এই শিশুৰ ভিতৰত ৭৯ শতাংশ মহিলা (ছোৱালী) আৰু ২১ শতাংশ পুৰুষ আছে। মই কব বিচাৰিছো যে ইমান ঘটনা বৃদ্ধি হৈছে, এই ক্ষেত্ৰত বিশেষকৈ আমাৰ ওচৰতে আন্তৰাষ্ট্ৰীয় ভাৱে বাংলাদেশ, ভূটান আছে আৰু দ্বিতীয়তে ওচৰতে অন্য ৰাজ্য মেঘালয়, অৰুণাচল, পশ্চিম বংগ আছে। এই বিলাকত লৰা-ছোৱালীবিলাকক শিশু সৰবৰাহৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হৈছে আৰু আমাৰ সমষ্টিৰ বিধায়কসকলেও এই বিলাক জানে। আমি বিচাৰিছো যেনেকৈ বাল্য বিবাহৰ ওচৰত চৰকাৰে ব্যৱস্থা লৈছে, ঠিক তেনেকৈ ইয়াৰ ওপৰতো এটা special ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু সকলো বিধায়কক মই অনুৰোধ কৰিছো যে নিজৰ নিজৰ সমষ্টিত এইটো লৈ অলপ সজাগতা হ'ব লাগে। মই পবিত্ৰ বিধান সভাত মন্ত্ৰী মহোদয়ক কৈছে যে আমি যাতে শিশু সৰবৰাহৰ ক্ষেত্ৰত high allert যিবিলাক অঞ্চল আছে, সেইবিলাক লাগিলে সন্মানীয় বিধায়কক লৈ অলপ পৰিভ্ৰমন কৰিব লাগে, কাৰণ তেতিয়া এটা awarness য়ো হ'ব। মই আশা কৰিছো যাতে এনেকুৱা ধৰণৰ ব্যৱস্থা আমাৰ চৰকাৰখনে লৈছে আৰু ল'ব। তাতোকৈও ডাঙৰ কথা যে শিশু সৰবৰাহৰ ক্ষেত্ৰত চৰ অঞ্চল আৰু বাগিছাত প্ৰায় target ৰ ঠাই হিচাপে ইতিমধ্যে চিহ্নিত কৰা হৈছে। সেই কাৰণে মই অনুৰোধ কৰিছো যে এই যিবিলাক ব্যৱস্থা হাতত লৈছে, সেই ব্যৱস্থা বিলাকত ইতিমধ্যে UNICEF য়ে ও যথেষ্ট সহযোগিতা কৰিছে। মই আজি পবিত্ৰ বিধান সভাত কব বিচাৰিছো যে এই ক্ষেত্ৰত আমাৰ অঞ্চলবিলাকত সভা পাতি awarness কৰিছো।

মোৰ প্ৰশ্ন এইটোৱে যাতে ইয়াৰ ওপৰত মন্ত্ৰী মহোদয়ৰ জৰিয়তে আৰু মাননীয় মুখ্যমন্ত্ৰী নেতৃত্বত নিশ্চয় এটা ব্যৱস্থা হ'ব বুলি মই আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী দিগন্ত কলিতা ডাঙৰীয়াই এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন সদনত উত্থাপন কৰিছে। তেখেতে তেখেতৰ ব্যক্তিগত প্ৰচেষ্টাত প্ৰশ্নটো উত্থাপন কৰিছে যদিও সামগ্ৰীক ভাৱে ৰাজ্যখনকো চুই গৈছে।

তেখেতৰ কথাখিনি অতি গুৰুত্বসহকাৰে আমি সকলোৱে গ্ৰহণ কৰিছো। ইতিমধ্যে এই ক্ষেত্ৰত আৰক্ষী বিভাগয়েও যথেষ্টখিনি প্ৰচেষ্টা গ্ৰহণ কৰিছে। তথাপিও মই এই বিষয়ে কিছু কথা কবলৈ আগবাঢ়িছো যে অসম চৰকাৰে Anti Human Trafficking Unit আৰু Special Juvenile Police Unit শক্তিশালী ৰূপত গঢ় দিবলৈ প্ৰশিক্ষণ আদি কৰি অন্যান্য সা-সুবিধা আগবঢ়াই আহিছে আৰু উচ্চ পৰ্য্যায়ৰ বিষয়াৰ তত্বাৱধানত এনেধৰণৰ অপৰাধৰ অনুসন্ধান প্ৰক্ৰিয়া সুনিশ্চিত কৰিছে। শিশু সৈতে জড়িত সকলো ধৰণৰ অপৰাধ ৰোধ কৰিবলৈ চৰকাৰ খন বন্ধ পৰিকৰ। প্ৰতিখন থানাতে ASI, বা তেওঁৰ ওপৰৰ বিষয়াক Child Welfare Police Officer হিচাপে শিশু ভূক্তভোগী বা দোষী সকলৰ ব্যৱস্থা গ্ৰহণ বাবে এটা special Juvenile police unit গঠন কৰা হৈছে। ইয়াৰ লগত মহিলা আৰক্ষীৰ লগতে দুই গৰাকী সমাজসেৱী বিলাককো সদস্য হিচাপে লোৱা হৈছে। আনহাতে এজন DSP, Addl. SP ক মুৰব্বী হিচাপে লৈ Anti Human Trafficking Unit গঠন কৰা হয় আৰু উদ্ধাৰ কৰা শিশু সকলক সংশ্লিষ্ট জিলাৰ child welfare committee সন্মুখত হাজিৰ কৰা হয়। Child Welfare Committee য়ে চালি

জাৰি চাই, উদ্ধাৰ হোৱা শিশু পৰিয়ালক ঘুৰাই দিয়ে অথবা চৰকাৰী বেচৰকাৰী শিশু গৃহত ৰখাৰ নির্দেশ দিয়ে।

মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক ডাঙৰীয়াই যিখিনি কথা কৈছে, মই নিজেও বাক্সাত এনেকুৰা ধৰণৰ বলি হোৱা শিশু জালুকবাৰী শিশু গৃহত নিজে দেখিছিলো। যিসকল শিশু উদ্ধাৰ হৈছিল, সেই উদ্ধাৰ হোৱা শিশু সকলক মই নিজে সুধিছিলো যে তোমালোকে কিয় বহিঃৰাজ্যত গুছি গৈছা। মই দেখিলো মাননীয় অধ্যক্ষ মহোদয়, যে অসমৰ কেইখনমান জিলা যেনে শোণিতপুৰ, বৰপেটা, বিশ্বনাথ চাৰিআলি, কামৰূপ গ্ৰাম্য, ওদালগুৰি, ধুবুৰী, লক্ষীমপুৰ, ধেমাজী, যোৰহাট, ইয়াৰে কিছু সংখ্যক শিশুক অসমৰ বাহিৰলৈ কিছুমান দূস্কৃতিকাৰী মানুহে লৈ যায়। ইয়াৰ কাৰণো কিছু আছে, ইয়াৰে এজন শিশুয়ে মোক কৈছিল যে তেওঁ ডাক্তৰ এজনৰ ঘৰত আছিল, তাৰ পিছত মোক কলে যে মোক মায়ে পঠিয়াছে। তাৰ হয়তো দৰিদ্ৰতাৰ এটা প্ৰধান কাৰণ হ'ব পাৰে বা সেই অঞ্চলৰ অনগ্ৰসৰতা। এনেকুৰা বিলাক কাৰণতে দূস্কৃতিকাৰী লোকসকলে সেই পৰিয়াল বিলাকত প্ৰলোভিত কৰে। সেই প্ৰলোভিত হোৱাৰ কাৰণতে সেই শিশুসকলক তেওঁলোকৰ লগত বাহিৰলৈ পঠিয়াই। গতিকে ইয়াৰ কাৰণে এটা সামাজিক ডাঙৰ এটা সজাগত লাগিব যিটো আমাৰ বিধায়ক ডাঙৰীয়াই কৈছে। আমি সেই কথাখিনি লগে লগে চালি জাৰি চাই উপাযুক্ত ডাঙৰীয়াক নির্দেশ দিছিলো যে তেনেকুৰা ধৰণৰ যিবিলাক স্পর্শকাতৰ এৰিয়া আছে, এই এৰিয়া বিলাকত সজাগত বৃদ্ধি কৰিব লাগে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ সজাগ নামৰ এখন আঁচনি আছে, ইয়াত যিবিলাক NGO আছে, বা শিশু সুৰক্ষা সমিতি আছে, পঞ্চায়তৰ যিসকল লোক আছে, সকলোৱে মিলি পেলাই, সেই অঞ্চল বিলাকত সজাগত সৃষ্টি কৰিব লাগে। গতিকে মই বিধান সভাৰ পবিত্ৰ মজিয়াত সকলোকে অনুৰোধ জনাইছো, ইতিমধ্যে আমি বিভিন্ন ধৰণে এই লোক সকলক সজাগ কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰিছো, আপোনালোকেও আপোনালোকৰ সমষ্টিত যদি এনেকুৰা ধৰণৰ কিবা ঘটনা পাই, তেতিয়া হলে লগে লগে আৰক্ষী বিভাগক খৰৰ দিব পাৰে, শিশু সুৰক্ষা সমিতি আছে, এই শিশু সৰক্ষা সমিতিয়ে লগে লগে গৈ তেওঁলোকে ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰে। Show moto case দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গতিকে মই পুনৰবাৰ বিধায়ক ডাঙৰীয়াক এইটোৱে আশ্বস্থ কৰিব বিচাৰিছো যে চৰকাৰখন সজাগ আৰু ভৰিষ্যতেও আমি এই ক্ষেত্ৰত দৃঢ় ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ দিগন্ত কলিতা ডাঙৰীয়াই কোৱা মতে ২০২১ চনৰ চেনচাচ মতে আমাৰ অসমত ২০৩ জন হিউমেন ট্ৰেফিকিং হৈছে। প্ৰথমতে টেলেংগনাত ৩৪৭ টা, মহাৰাষ্ট্ৰত ৩২০ টা । অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে যে কৰিমগঞ্জত স্পেচিয়েল এড'পশ্বন চেন্টাৰ আছিল, এবছৰ আগতে এইখন শিলচৰলৈ লৈ যোৱা হৈছে । মই যোৱাবাৰ বিধান সভাৰ অধিবেশনতো বাইদেউক অনুৰোধ জনাইছিলো, তাৰ পিছতো আজি প্ৰায় এবছৰ আগতে এইখন শিলচৰলৈ লৈ যোৱা হৈছে । চৰকাৰে এই বিষয়টোত এপ্ৰুভেল দিব লাগিছিল, কিন্তু আজি পৰ্য্যন্ত এপ্ৰুভেল নিদিলে । ইয়াত কোৱা হৈছে যে মানৰ সৰবৰাহ বন্ধ কৰিব লাগে। কিন্তু আমাৰ এখন চেন্টাৰ ইয়াৰ পৰা উঠাই লোৱা হৈছে । সেয়েহে মই মন্ত্ৰী বাইদেউক অনুৰোধ জনাব বিচাৰিছো যে- সোনকালে এইটোত এপ্ৰুভেল দিবলাগে যাতে এইখন আকৌ কাৰ্য্যক্ষম কৰিব পাৰে ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)** ঃ মই গোটেই কথাখিনি চালিজাৰি চাই নিশ্চিত ভাবে ব্যৱস্থা

গ্ৰহণ কৰিম ।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং- ১২৩ । এতিয়া মাননীয় সদস্য শ্ৰী কৰিম উদ্দিন বৰভূএগ্ৰা।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰী কৰিম উদ্দিন বৰভূএগ্ৰা,( সোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অতি দুখেৰে জনাব বিচাৰো যে সদনত যি উত্তৰ দিয়া হৈছে সেই খিনি এশ শতাংশ ভুল উত্তৰ দিয়া হৈছে । লিখিত উত্তৰ খিনি পঢ়ি চালেই গম পোৱা যায় যে তথ্য খিনি ভুল। CC Block road construction completed in Financial Year 2021-22. বাচকান্দি ব্লকত তিনিটা, নৰচিংপুৰ ব্লকত তিনিটা আৰু মোৰ সমষ্টি সোণাই ব্লকত শূণ্য দেখুওৱা হৈছে । আকৌ তলত গৈ দেখুওৱা হৈছে Assesment on the rural road connectivity. Assesment construction of CC road তাত দেখুওৱা হৈছে সোণাই ব্লকত দহটা সম্পুৰ্ণ হৈছে। সেয়েহে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো সোণাই ব্লকৰ যি দহটা পথ সম্পূৰ্ণ হৈছে সেই কেইটাৰ নাম দিব পাৰিব নেকি ?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য জনে দহটা ৰাস্তাৰ নামখিনি আগতে বিচৰা নাছিল। আগতে কোৱা হ'লে দিব পাৰিলোহেতেন । পৰৱৰ্ত্তী সময়ত নামখিনি দি দিম।

**শ্ৰী কৰিম উদ্দিন বৰভূএগ্ৰা, (সোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সদনৰ মজিয়াত দায়িত্ব সহকাৰে কৈছো যে যিখিনি তথ্য দিছে সেইখিনি সম্পূৰ্ণ ভুল তথ্য দিছে। মই যিহেতুকে সেই সমষ্টিৰে বিধায়ক গতিকে মই সকলো খিনি জানো । সেয়েহে মই মন্ত্ৰী মহোদয়ক সদনত আশ্বাস দিব কৈছে যে বিষয়া-কৰ্মচাৰী সকলে ভুল তথ্য দি আপোনাকো মিচলিড কৰিছে লগতে সদনকো মিচলিড কৰিছে । গতিকে অধ্যক্ষ মহোদয় আপুনি তদন্ত কমিটি এখন গঠন কৰি দিয়ক আৰু চলিত অধিবেশনতে সাত দিনৰ ভিতৰত ৰিপোৰ্ট দাখিল কৰিবলৈ দিয়ক । সদনত এনেকুৱা মিছা তথ্য দিব নাপায় ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই নিজেই সন্মানীয় বিধয়াক জনৰ লগত স্পট ভেৰিফিকেশ্যনট যাম আৰু যদি ভুল তথ্য দিছে আমি নিশ্চয় বিভাগীয় বিষয়া সকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিম ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । এতিয়া প্ৰশ্ন নং-১২৪। শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ উত্তৰ সদনৰ মজিয়াত দিয়া আছে ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্ন সমূহৰ লিখিত উত্তৰত দিছে যে বৰপেটা জিলাত ২০২১-২২ বৰ্ষত যিখিনি এম জি এনৰেগাৰ আঁচনি অনুমোদন জনাইছিল পৰৱৰ্ত্তী সময়ত সেইখিনি বন্ধ কৰি ৰাখিলে । কিন্তু তাৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে লিখিছে যে ২০২১-২২ বিত্তীয় বৰ্ষৰ মাৰ্চ মাহৰ শেষৰ পাঁচ দিনত ২২৭৬ সংখ্যক

আঁচনিৰ বিপৰীতে ২০০ কোটি টকা অনুমোদন দিয়াৰ বাবে সেই আঁচনি সমূহ বন্ধ কৰি দিয়া হৈছে । অৰ্থাৎ বৰপেটা জিলাত ২০২১-২২ বিত্তীয় বৰ্ষত দুই হাজাৰৰ ওপৰত আঁচনি দিয়াৰ কাৰণে বিভাগে তাত বিসংগতি দেখা পাইছে । সেয়েহে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ২০২১-২২ বিত্তীয় বৰ্ষত এইখন অসমত বৰপেটা জিলাৰ বাহিৰেও কাৰ্বি আংলং জিলাত ৪৮৫৯ খন আঁচনিত অনুমোদন জনোৱা হৈছে । লক্ষিমপুৰ জিলাত ৩৭৮০, কোকৰাঝাৰ জিলাত ৩৪৯৩, বাক্সা জিলাত ৩৩৭২, বিশ্বনাথ, শোণিতপুৰ, নলবাৰী আৰু চিৰাং আদিত প্ৰায় ৩০০০ খন আঁচনি অনুমোদন জনোৱা হৈছিল । অৰ্থাৎ বৰপেটা জিলাতকৈ অসমৰ বাকী আঠখন জিলাত তিনি হাজাৰৰ ওপৰত আঁচনি অনুমোদন জনোৱা হৈছিল । কিন্তু বৰপেটা২৮০৬ খন আঁচনিৰ অনুমোদন কিয় বন্ধ কৰিব লগীয়া হ'ল এই কথাটো মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো দ্বিতীয়তে, ২০২২-২৩ বিত্তীয় বৰ্ষত এম জি এনৰেগা আঁচনিৰ নামত ১৮৩১.৪৩৯০ হাজাৰ টকা তেওঁলোকে খৰচ কৰিছে । অৰ্থাৎ এক হাজাৰৰ ওপৰত খৰচ কৰিছে । কিন্তু মাননীয় অধ্যক্ষ মহোদয় , অসমত যিমান জবকাৰ্ড আছে তাত যদি আমি এশ দিনৰো কাম দিও প্ৰায় দহ হাজাৰৰ ওপৰত ব্যয় কৰিব লাগে এটা বিত্তীয় বৰ্ষত। গতিকে বৰ্তমান বিত্তীয় বৰ্ষ শেষ হওঁ হওঁ অৱস্থা । এনে ক্ষেত্ৰত কিয় এক হাজাৰ কোটিৰ ওপৰত ব্যয় কৰিবলগীয়া হৈছে এটা বিত্তীয় বৰ্ষত। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা বিত্তীয় বৰ্ষ শেষ হওঁ হওঁ অৱস্থাত বিভাগে কিয় মাত্ৰ এক হাজাৰ কোটিৰ ওপৰত ব্যয় কৰিবলগীয়া হৈছে সেই কথাটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃমাননীয় বিধায়ক জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই আগতেও এই কথাটো উলিয়াইছিল আৰু মই উত্তৰো দিছিলো। বৰপেটাৰ কথাটো হ'ল একেবাৰে শেষৰ সময়ত মাত্ৰ চাৰি দিনৰ ভিতৰত দুশ কোটি টকাৰ কাম ধৰিলে । কিন্তু ভাৰত চৰকাৰৰ যিটো নিৰ্দেশনা আছে , সেই মৰ্মে গাওঁ সভা কৰিব লাগে, অনুমোদন জনাব লাগে কিন্তু সেই বিলাক নকৰি হঠাৎ যেতিয়া দুশ কোটি টকা দেখিলে তেতিয়া ভাৰত চৰকাৰে আপত্তি দেখুৱালে আৰু কামসমূহ বন্ধ কৰিবলৈ নিৰ্দেশ দিলে । কিন্তু লগতে এইটোও ক'লে যে পৰৱৰ্ত্তী বিত্তীয় বৰ্ষত গাওঁ সভা কৰি এই আঁচনিখিনি ল'ব পাৰিব । আমি এম জি এনৰেগাৰ তালিকাখন চালে আমি দেখা পাওঁ যে স্পীল অভাৰৰ কাম হৈছে ৭১৯ টা, চলিত কাম আছে ৮৫৪ টা আৰু সমষ্টি হিচাপে চালে গড় হিচাপত চালে ১৮.৮ কোটি টকাৰ কাম কৰিছো । ষ্টেট এভাৰেজৰ কাম যদি আমি এনৰেগাৰ ফালৰ পৰা চাওঁ, তেতিয়াহ'লে বেছিকৈ কৰিছো । ২০২১-২২ বিত্তীয় বৰ্ষত আমি বৰপেটা জিলাত আমি খৰচ কৰিছো ১৯৮ কোটি টকা। ঠিক তেনেকৈ ধুবুৰীত কৰিছো ১৫০, নগাওঁত ১৪৮, ২০২২-২৩ বিত্তীয় বৰ্ষত নগাওঁত কৰা হৈছে ১১৬, বৰপেটাত ৯৭ আৰু দৰং জিলাত ৯৪ কোটি টকা। প্ৰতি বছৰে দেখা যায় যে ধুবুৰী বৰপেটা আৰু নগাওঁ জিলাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানত থাকে । গতিকে সেই দুশ কোটি টকা দিয়া হ'লে সৰ্বকালৰ ৰেকৰ্ড হ'লহেতেন। তাৰ কাৰণে ভাৰত চৰকাৰে কৈছে যে তিনি দিনৰ ভিতৰত দুশ কোটি টকাৰ কাম কৰাটো যুক্তি সংগত কথা হোৱা নাই । সেই কাৰণে বন্ধ কৰি দিয়া হৈছে । তথাপি আপুনি যদি কয় পৰৱৰ্তী সময়ত নিয়ম অনুসৰি আমি কামখিনি ল'ম ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই উত্তৰটো দিছে কিন্তু কথাটো হ'ল গাওঁসভাৰ জৰিয়তে এম জি এনৰেগাৰ আঁচনি সমূহত এটা বিত্তীয় বৰ্ষত

অনুমোদন জনাব লাগে । বৰপেটা জিলাত নিয়মমাফিক প্ৰতিটো ব্লকৰ পৰা আঁচনি সমূহ দিয়া হয় । কিন্তু গ্ৰামোন্নয়ন বিভাগে আঁচনি সমূহত অনুমোদন নিদিয়াকৈ গোটেই বছৰটো ৰৈ থাকে আৰু শেষৰ অন্তিম কেইদিনত আঁচনি সমূহৰ অনুমোদন দিয়ে । ২০২১-২২ বিত্তীয় বৰ্ষত বৰপেটা জিলাত অনুমোদন জনোৱা আঁচনিৰ সংখ্যা হ'ল ২৮০৬ খন । ২০২১-২২ বিত্তীয় বৰ্ষৰ শেষৰ পাছ দিনত দিছে ২২৭৬ খন। গোটেই বছৰত মাত্ৰ পাঁচশ আঁচনিৰ ওপৰতহে অনুমোদন দিছে। বাকীখিনিত নিদিলে । বাকীখিনি আঁচনিত অনুমোদন নিদিয়াৰ বাবে বৰপেটা জিলাৰ জনপ্ৰতিনিধি বা বৰপেটা জিলাৰ ৰাইজ দায়ী নেকি । অনুমোদনৰ এই কথাবিলাক বিভাগেহে চাব লাগে । সেয়েহে মাননীয় অধ্যক্ষ মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো গোটেই বিত্তীয় বৰ্ষটোত মাৰ্চ মাহৰ শেষৰ সময়চোৱাত মাত্ৰ চাৰিশ বা পাঁচশ আঁচনিৰ ওপৰত কিয় অনুমোদন জনালে? আঁচনি সমূহত অনুমোদন জনাওতে মাননীয় মন্ত্ৰী মহোদয়ে বা সংশ্লিষ্ট বিভাগৰ শীৰ্ষ বিষয়া সকলে কিয় প্ৰশ্ন নকৰিলে যে বিত্তীয় বৰ্ষৰ শেষৰ ফালে নিদি আপোনালোকে বিত্তীয় বৰ্ষৰ আৰম্ভণিতে আঁচনি সমূহ কিয় নিদিলে ? বৰপেটা জিলাৰ গ্ৰামোন্নয়ন বিভাগক কিয় প্ৰশ্ন নকৰিলে যে বিত্তীয় বৰ্ষ শেষ হ'বলৈ হ'ল, আপোনালোকে কিয় আঁচনিখনৰ অনুমোদন দিয়া নাই । আৰু মোৰ প্ৰশ্ন হ'ল বাকী আঠখন জিলাত যদি ২,৩,৪ হাজাৰ আঁচনি ৰূপায়ণ কৰাৰ অনুমোদন জনাওতে যদি ৰেকৰ্ড নহয় তেতিয়া হ'লে বৰপেটা জিলাৰ ২৮০৬ টা আঁচনিত অনুমোদন জনাওতে কি ধৰণৰ ৰেকৰ্ড হ'ব। আপুনি কি বুজাবলৈ চেষ্টা কৰিছে আৰু আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আজিৰ তাৰিখলৈকে যদি আমি গোটেই অসমৰ তথ্যখিনি চাওঁ, আমি প্ৰত্যেক জবকাৰ্ডত ১০০ দিনৰ কাম দিয়াটো বাধ্যতামূলক। মাননীয় মন্ত্ৰী মহোদয়ৰ হাতত তথ্য আছে নে নাই নাজানো আজিৰ তাৰিখত জবকাৰ্ডৰ ডিমাণ্ড দিয়া বন্ধ, কোনোবাই কাম বিচাৰি গলে কাম দিব নোৱাৰে। মাননীয় মন্ত্ৰী মহোদয়ে আজি আশ্বস্ত কৰিব পাৰিব নেকি, আজি এই বিধান সভাৰ জৰিয়তে অসমৰ জৱকাৰ্ড holder ক কথা দিব পাৰিব নেকি? যে তেওঁলোকে যদি পঞ্চায়তত কাম বিচাৰি যায়, ১৫ দিনৰ ভিতৰত কাম দিব পাৰিব নে নাই আৰু শেষত মাননীয় মন্ত্ৰী মহোদয়ক এটা তথ্য দিম যে আজিৰ তাৰিখত অসমৰ মুল জৱকাৰ্ডৰ 0.23% job card হে ১০০ দিনৰ কাম পাইছে। ইয়াতকৈ আৰু পুতৌ লগা কাম হ'ব নোৱাৰে। গতিকে এই বিভাগৰ জৰিয়তে গাওঁৰ উন্নতি কৰিব লাগিব Job card holder ৰক আমি কাম দিব লাগিব। গতিকে এনেকুৱা অৱস্থাৰ পৰা বিভাগক মন্ত্ৰী ডাঙৰীয়াই কেতিয়া ভাল দিশত লৈ যাব আৰু কেতিয়া বিভাগীয় বিষয়া সকলে ভালকৈ কাম কৰিব।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে ক'লো যে আজি যদি বৰপেটা জিলাত কাম নাথাকিলেহেঁতেন, তেতিয়া কথাটো বেলেগ। যিহেতু ২০২১-২২ বৰ্ষত আমি ইতিমধ্যে wage আৰু materials ধৰি ১৯৮ কোটি টকা তাত ইতিমধ্যে খৰচ কৰা হৈছে আৰু সেই সময়ত যদি তাত ২ শ কোটি খৰচ হ'লহেঁতেন ৩৯৮ কোটি টকা। তাৰে বিপৰীতে বাকী জিলাসমূহত যদি চাওঁ, আপোনাৰ এই কথাষাৰ যদি মই গ্ৰহণযোগ্য বুলি ভাৱো, তেতিয়াহ'লে বাকী জিলাসমূহত যিখিনি কাম কৰিছে, তেতিয়াহ'লেতো আপোনাৰ মতেতো কাম হোৱা নাই বুলি ক'ব লাগিব। আমি ৯ হাজাৰ কোটি টকা MGNREGA ৰ জৰিয়তে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ আশীৰ্বাদত আমি পাইছো আৰু নিশ্চিত ৰূপত অসমৰ GDP ৰ ক্ষেত্ৰতে হওঁক বা আমাৰ যিসকল job card holder তেওঁলোকৰ নিশ্চিত ৰূপত এইটো সহায় হৈছে। যিমানখিনি job card আছে, মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনি ভাল

পাব, আমি জানো যে বাগান অঞ্চলত সাধাৰণতে সকলো চাহ শ্ৰমিক মানুহে দুখীয়া। আমি বিভাগৰ পৰা instruction দিছো যে প্ৰত্যেকটো বাগানত থকা house holder ৰ ঘৰে ঘৰে গৈ job card কৰাইছো। আমি তেওঁলোকক কৈছো ১০০ দিনৰ কাম নললেও অন্ততঃ ৫০-৬০ দিনৰ কাম লওঁক বছৰেকত ২০ হাজাৰ টকা পাব। তাৰ পিছতো আমি job card কৰিছো। তেওঁলোকে ডিমাণ্ড দিয়া নাই। তেওঁলোকে যদি ডিমাণ্ড নিদিয়ে, তেতিয়া আমি কামটো কৰিব নোৱাৰো।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** ডিমাণ্ড দিয়ে, কিন্তু ডিমাণ্ড দিব নিদিয়ে। বিভাগৰ ফালৰ পৰা লিখিতভাৱে একো নিদিয়ে, মৌখিকভাৱে কৈ দিয়ে যে ডিমাণ্ড আপোনালোকে গ্ৰহণ নকৰিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো আমাৰ লগত ব্লকত বহক, job card holder ৰ লগত একেলগে মিটিং কৰিম, বিষয়াসকল থাকিব, কি কি আসোঁৱাহ আছে, তেনেকুৱাভাৱে তেওঁ ব্লকত এখন মিটিং কৰক। অসমৰ যিকোনো ব্লকে একেলগে কথা পাতি কি কি বিসংগতি আছে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ আগত আমি উদঙাই দিম।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সেইখিনি MGNREGA ত এখন আঁচনি আছে IBS (Individual Benefit Scheme) মই যেতিয়া ব্লক সমূহত যাওঁ আৰু পঞ্চায়তৰ কাৰ্য্যালয়ত যাঁও। পঞ্চায়তৰ কাৰ্য্যালয়ত গৈ IBS scheme আপোনালোকে কিমান দিছে। যেতিয়া সোধো, তেতিয়া তেওঁলোকে কয় IBS ৰ কাৰণে কোনো ধৰণৰ মানুহে যোগাযোগ কৰা নাই। সেইটোতো ultimately demand. আমি যদি IBS scheme ত তেওঁলোকৰ পৰা application পালোহেঁতেন, কিন্তু আমি যিমানখিনি পাব লাগিছিল খুব বেছি ১০ শতাংশহে পাইছো সেইখিনি আমি কৰিছো। গতিকে মই বিধায়ক ডাঙৰীয়া, আপোনাৰ লগতে সমূহ বিধায়ক সকলক আহ্বান জনাইছো আপোনালোকে মহিলা সৰলীকৰণকে আদি কৰি বিভিন্ন ধৰণৰ কাম কৰাৰ ক্ষেত্ৰত IBS scheme ৰ জৰিয়তে যাতে scheme দিয়ে, তেতিয়া অন্ততঃ job card holder সকলে কিছু benefit পাব আৰু এইক্ষেত্ৰত মই সহযোগ কৰাৰ কাৰণে আহ্বান জনাইছো আৰু যিটো time frame আপোনালোকৰ lobby ত দি দিছো। কেতিয়া গাওঁসভা হয়, কেতিয়া scheme হয়, details টো সকলোকে দি দিছো চাই ল'ব।

মাননীয় অধ্যক্ষ ঃ প্ৰশ্ন নং-১২৫, শ্ৰীতেৰছ গোৱালা।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীতেৰছ গোৱালা, (দুলীয়াজান)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে মই বিচৰা প্ৰায় তথ্য পাইছো। দুলীয়াজান বিধান সভা সমষ্টিৰ ২০২১ চনৰ ভোটাৰ তালিকামতে ১ লাখ ৬০ হাজাৰ ভোটাৰ। তাৰ ভিতৰত প্ৰায় ১ লাখ ২১ হাজাৰ ৭ শ ৮৪ গৰাকীক বিনামূলীয়া চাউল দিয়াৰ কাৰণে ধন্যবাদ জনাইছো। মোৰ আগৰ এটা প্ৰশ্ন আছিল তাত মোক জনাইছিল যে, ৫৫ হাজাৰ ৰেচন কাৰ্ড আছে আৰু বৰ্তমান মোক ৪১ হাজাৰ ৪ শ ৭১ টা দিছে। এই বিষয়ে পিছত মন্ত্ৰী মহোদয়ক verify কৰিবলৈ অনুৰোধ জনাইছো। দুলীয়াজান সমষ্টিৰ নাগৰিকৰ বা সমষ্টিবাসীৰ এতিয়াও আধাৰ কাৰ্ড নাই। বিশেষকৈ চাহ বাগিচাত। চাহ বাগিচাত আধাৰ কাৰ্ড বনাওতে যিহেতু biometric ব্যৱস্থাতো আছিল, পাত চিঙি চিঙি এই biomatric নাইকিয়া হৈ যোৱাৰ কাৰণে তাত গ্ৰহণ কৰা নাই। মই ভাৱো যে যিহেতু আধাৰ কাৰ্ডসমূহ হোৱা নাই আধাৰ কাৰ্ডসমূহ

special আৰু right কৰিব পাৰি নেকি এইটো ব্যৱস্থা গ্ৰহণ কৰিব নেকি তাৰ বাবে মই অনুৰোধ জনালো। যিহেতু ভাৰতীয় নাগৰিক হ'বলৈ হ'লে ভোটাৰ লিষ্টখন বা কাৰ্ডখন আমাৰ প্ৰথম প্ৰমাণ পত্ৰ। গতিকে চাহ বাগিচা অঞ্চলত বহুতৰ ভোটাৰ কাৰ্ডত নাম নাই। তেওঁলোকে BL ৰ ওচৰত বাৰে বাৰে আৱেদন কৰে কিন্তু নাকচ হৈ যায়। যিহেতু এইটো election department ৰ related. মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাম যে এই বিষয়টো election department ৰ লগত কথা পাতি ইয়াৰ এটা ব্যৱস্থা গ্ৰহণ কৰে আৰু বিশেষকৈ দুলীয়াজান বিধান সভা সমষ্টিৰ আধাৰ কাৰ্ড নথকা, ভোটাৰ কাৰ্ড নথকা সকলক যাতে এই কাৰ্ডখিনি বনাই দিয়াৰ ব্যৱস্থা কৰে তাৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যদি সমগ্ৰ অসমৰ ডাটা যদি চাওঁ তেতিয়াহ'লে আমি দেখিছো, যে আমাৰ ৰেচন কাৰ্ড যিমানবোৰ আছে, আমাৰ প্ৰায় ৫৫ লাখ ৬৮ হাজাৰ ৮০৬ খন ৰেচন কাৰ্ড আছে। তাৰ ভিতৰত আমি দেখিছো যে, almost 99% আধাৰ seeded ইতিমধ্যে হৈছে আৰু আমি সেই আধাৰ seeded হোৱাৰ পাছত দেখিছো যে আমাৰ প্ৰায় হিতাধিকাৰীৰ ক্ষেত্ৰতো দেখিছো 96% তথাপিও যদি এইটো সমষ্টিত জানো শ্ৰী ৰূপজ্যোতি কুৰ্মীয়ে এদিন এনেকুৱা সমস্যাৰ কথা কৈছিল। তাৰ পাছত মই director ৰ লগত কথা পাতি এই সমস্যাটো সমাধান কৰি দিছো। এতিয়াও যদি তেনেকুৱাকৈ আধাৰ seeded কৰিব লগা আছে পৰিয়ালৰ যিকোনো এজন মানুহ থাকে, বাকী তেখেতেওঁ কৰি ল'ব পাৰিব। এই ক্ষেত্ৰত মই বাগানৰ যিখিনি মানুহ আছে। যদি RGI block কৰা নাই তেতিয়াহ'লে আমি সেইখিনি কৰি দিব পাৰিম। আৰু কিবা কাৰণত যদি block ও আছে, যিহেতু আমাৰ NRC ৰ যিখন list ওলাইছিল সেইবোৰত কিছু block আছে, তেতিয়াহ'লে চাউলৰ ক্ষেত্ৰত বঞ্চিত নহয় এইটো। মই এইটো ব্যক্তিগতভাৱে শ্ৰী ৰূপজ্যোতি কুৰ্মীক যেনেকৈ সহায় কৰিছিলো আপোনাকো এই ক্ষেত্ৰত সহায় কৰি দিম।

**শ্ৰীতেৰছ গোৱালা, (দুলীয়াজান)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহুতে আধাৰ অলপ পলমকৈ দিলে তেওঁলোকৰ seeding হোৱা নাই। মই এইটো এটা verify কৰিবলৈ অনুৰোধ জনালো। দুলীয়াজান সমষ্টিৰ আধাৰ দেৰিকৈ agent ৰ ওচৰত জমা দিলে। গতিকে আহোতে হয়তো পলম হ'ল যাৰ কাৰণে হোৱা নাই। এইটো চাই লবলৈ অনুৰোধ জনালো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো যিহেতু GAD Department ৰ, মইও চাওঁ। কি সমস্যা আছে। আমি চাই দিম। কিন্তু মই আপোনালোকক জনাব বিচাৰিছো মাননীয় অধ্যক্ষ ডাঙৰীয়া, অতি শীঘ্ৰে আমি ৪০ লাখ ব্যক্তিক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা আগ্ৰহ কৰিছিল, পৰামৰ্শ দিছিল যিহেতু বহু মানুহৰ নাম delete হ'ল আৰু ৰেচন কাৰ্ডৰ পৰা পৰিহাৰ কৰিলে বা delete ওহৈ গ'ল। এতিয়া আমাৰ ৪০ লাখ পুনৰ তেনেকুৱা মানুহক নতুন ৰেচন কাৰ্ড দিয়াৰ কথা কৈছে আৰু সেই ৰেচন কাৰ্ডৰ লগত অতিৰিক্তভাৱে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মুখ্যমন্ত্ৰী আয়ুষ্মান কাৰ্ডও দিব। গতিকে আগন্তুক দিনত এই কামবোৰ চলি আছে। গতিকে আমিও এতিয়া ৪০ লাখক দিব পৰা হোৱা নাই। পূৰ্বতে NFS ত আছিল ১ লাখ। এইটো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আঢ়ৈ লাখ কৰি দিছে। আঢ়ৈ লাখ কৰি দিয়াৰ পাছতো এতিয়াও ৪০ লাখ হিতাধিকাৰী আমাৰ হাতত আহি পৰা নাই। ৩৭ লাখ মানহে আহিছে। গতিকে এই ক্ষেত্ৰত তেওঁলোকে আমাক প্ৰশাসনক সহায় সহযোগ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰীয়ে ৰাজ্যত যিসকলৰ ৰেচন কাৰ্ড নাছিল, তেওঁলোকক ৰেচন কাৰ্ড দিয়াৰ ব্যৱস্থা কৰাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। এই ৰেচন কাৰ্ডত application কৰাৰ বাবে কেইবাটাও যোগ্যতা ধৰি দিছে। তাৰ ভিতৰত অন্যতম আছিল, আধাৰ কাৰ্ডৰ অধিকাৰী হ'ব লাগে। আমি সকলোৱে জানো NRC উন্নতি কৰাৰ সময়ত বহু মানুহৰ আধাৰ কাৰ্ডত তেওঁলোকে যেতিয়া application কৰিছিল আধাৰ কাৰ্ড তেওঁলোকৰ হোৱা নাই। কিন্তু তেওঁলোক আধাৰ কাৰ্ড পোৱাৰ যোগ্য। আধাৰ কাৰ্ড নোহোৱাৰ বাবে তেওঁলোকে ৰেচন কাৰ্ডৰ বাবে এপ্লিকেশ্যন কৰিব পৰা নাই। মই ভাৱো যে ইয়াৰ বাবে এই পৱিত্ৰ বিধান সভাৰ সকলো সদস্যৰ উত্তৰত বহুতো মানুহ আহিছে। কিন্তু এটা কথা আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক কৈ থওঁ যে ভাৰত চৰকাৰৰ Ministry of Literature Information Technology বিভাগে যোৱা ১১-১২-২০২২ চনৰ এটা নোটিফিকেশ্যন কৰিছিল আৰু সেই নোটিফিকেশ্যনত তেওঁলোকে কৈছে যে যিসকল মানুহে আধাৰ কাৰ্ডৰ এপ্লিকেশ্যন কৰিছে, কিন্তু পেণ্ডিং আছে তেওঁলোকে চৰকাৰৰ বিভিন্ন বেনিফিচিয়াৰী স্কীমৰ ক্ষেত্ৰতে হওঁক বা বিভিন্ন কাম-কাজত তেওঁলোকে জড়িত হ'ব পাৰে। তেওঁলোকক কোনেও আঁতৰাই ৰাখিব নোৱাৰে। কিন্তু ৰেচন কাৰ্ডৰ ক্ষেত্ৰত এটা কথা দেখা গৈছে যে যিসকল মানুহৰ এন. আৰ. চি. উন্নীতকৰণৰ সময়ত আধাৰ কাৰ্ড পোৱা নাই তেওঁলোকৰ ৰেচন কাৰ্ডৰ এপ্লিকেশ্যন জমা লোৱা হোৱা নাই। এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা ল'ব? কেন্দ্ৰীয় চৰকাৰৰ যি নিৰ্দ্দেশনা আছে, সেইখন মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ পঠিয়াই দিছো। আশা কৰিছো আধাৰ কাৰ্ড নোহোৱাৰ বাবে ৰেচন কাৰ্ডৰ ক্ষেত্ৰত যিসকল লোকৰ অসুবিধা হৈছে তেওঁলোকৰ প্ৰতি বিহীত ব্যৱস্থা গ্ৰহণ কৰি এইখন চৰকাৰে সহায় কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো যিহেতু আধাৰ কাৰ্ডৰ ক্ষেত্ৰত এন. আৰ. চি., এইটো আমি ব্লক কৰি ৰখা নাই। এইটো আৰ. জি. আই. এ ব্লক কৰি ৰাখিছে। কিন্তু এই কথাটো ঠিক যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই কথাষাৰ কৈছে যে এন. আৰ. চি. ত নাম থাকক বা নাথাকক সেইটো ডাঙৰ কথা নহয়, কিন্তু কোনো মানুহে যাতে ৰেচনৰ পৰা বঞ্চিত নহয়। তাৰ কাৰণে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই কাৰণে অসমত এজনো মানুহ ভোকাতুৰ বা ৰেচন নোহোৱাকৈ থাকিব নোৱাৰে। তেওঁৰ কিবা কাৰণত ৰেচনত আধাৰ লিংক নহ'ব পাৰে কিন্তু আজি আধাৰৰ কাৰণে আমি ব্যৱস্থা কৰিছো আৰু ভাৰত চৰকাৰক এই বিষয়টো লৈ পত্ৰও লিখিছো যে এই ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দিয়ক। তেওঁলোকে আমাক জনাইছে যে আমাক তেওঁলোকে ৰেচনটো কৰি দিছে। তেওঁলোকে যিহেতু ৰেচনটো আমাক খুলি দিছে, সেয়েহে খাদ্যৰ ক্ষেত্ৰত আমাৰ কোনো অসুবিধা হ'ব নোৱাৰে। বাকী যিটো কাৰিকৰী অসুবিধা আছে, সেইটো ভাৰত চৰকাৰে চাই আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-১২৬। ছামছুল হুদা ডাঙৰীয়াই কওক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ছামছুল হুদা(পূব বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মিশ্যন অমৃত সৰোবৰ আঁচনিৰ ওপৰত এটা প্ৰশ্ন কৰিছিলো। ৰাজ্যখনৰ ভিতৰত তিনি হাজাৰ সাত টা অমৃত সৰোবৰৰ আঁচনি কৰা

হ'ব। তাৰে ভিতৰত ৭৫ টাকৈ প্ৰত্যেক জিলাতে কৰা হ'ব। আমাৰ পূৱ বিলাসী পাৰা সমষ্টিৰ ভিতৰত বিলাসীপাৰা ব্লকত ষোল্ল টা আৰু চাপৰ ব্লকত চৌত্ৰিশ টা এনেকুৱা অমৃত সৰোবৰৰ আঁচনি লোৱা হৈছে। তাৰ ভিতৰত গুণগুণীখাতা, বাঘডুবা, বাইশপাৰা আদি এনেকুৱা দহটামান আঁচনি ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে বুলি ব্লক ডেভেলপমেণ্ট অফিচাৰে মোক জনাইছে। অমৃত সৰোবৰৰ আঁচনিত এটা কথা উল্লেখ আছে যে তাত বিজ্ঞানসন্মত ভাৱে মীন পালন কৰা হ'ব আৰু বৃক্ষৰোপণ কৰা হ'ব। যি দহটামান আঁচনি ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে তাত মই দেখিবলৈ পাইছো যে তিনি-চাৰি দিন কৈ জে চি বি লৈ কেৱল অলপ অলপকৈ মাটি কাটি মাটিখিনি ওপৰলৈ তোলা হৈছে আৰু এইটো সম্পূৰ্ণ কৰা বুলি কাগজে-কলমে দিছে। তেন্তে এইটো কেনেকৈ বিজ্ঞানসন্মত ভাৱে মীন পালন কৰা হ'ল আৰু বৃক্ষৰোপণ কৰা হ'ল? মই অনুৰোধ জনাম যে আপুনি আমাৰ যিখিনি অমৃত সৰোবৰৰ আঁচনি ইতিমধ্যে সম্পূৰ্ণ হোৱা বুলি কৈছে, সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয় জ্ঞাত নে, যদি জ্ঞাত, তেন্তে তিনি-চাৰি দিনকৈ জে চি বি লৈ কেৱল অলপ অলপকৈ মাটি কাটি কামখিনি সম্পূৰ্ণ কৰা হ'ল।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অমৃত সৰোবৰৰ আঁচনি খন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সপোনৰ প্ৰজেক্ট আৰু এই সপোনৰ প্ৰজেক্টটোক তেওঁ এটা সফল ৰূপ দিবলৈ ওলাইছে। সেয়েহে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰথম দিনাখনৰ পৰা যেতিয়াই মোক লগ পায়, তেতিয়াই ইয়াৰ বিষয়ে সোধে আৰু মই নিজেও ফিজিকেলি কেইবাখনো জিলাত এই আঁচনিখন চাই আহিছো। অহা বাইশ তাৰিখে মই চিৰাঙলৈ যোৱাৰ কথা। এই যিটো কথা কৈছে যে মাটি খান্দিছে, মাটিতো খান্দিবই লাগিব। আমাৰ ইতিমধ্যে অমৃত সৰোবৰৰ আঁচনিৰ বাবে ২,৭৫৮ টা Site Finalise হৈছে। ধুবুৰী জিলাত ৮৩ টা আঁচনিৰ ভিতৰত ২২ টাৰ কাম চলি আছে আৰু ৪১ টাত ইতিমধ্যে মাটি খন্দাৰ কাম সম্পূৰ্ণ হৈছে। ইয়াত যিহেতু দুটা আঁচনি আছে, মুখ্যমন্ত্ৰী গ্ৰাম সমগ্ৰ যোজনাৰ অধীনত আমাৰ খন্দা কামটো হয় আৰু পৰৱৰ্তী সময়ত থ্ৰী লেয়াৰত বৃক্ষৰোপণৰ কাম হ'ব। থ্ৰী লেয়াৰ বৃক্ষৰোপণৰ পিছত তাত আমাৰ সৌৰ চাকি থাকিব, পতাকা উত্তোলন স্থলী থাকিব আৰু ১৫ আগষ্ট তাৰিখে আমি তাত পতাকা উত্তোলন কৰিম। এইটো দুটা কাৰণত কৰা হৈছে-মৎস্য পালনৰ লগতে Water Hervasting, জলসংৰক্ষণ যাতে আমি কৰিব পাৰো। সেইটোৰ কাৰণে এই বিষয়টো ৰখা হৈছে। ইয়াৰ লগতে ইক'লজিকেল বেলেঞ্চৰ কাৰণে কৰা হৈছে। আগতে আমাৰ অসমত বহু পক্ষী অহা দেখা গৈছিল। এতিয়া পানীৰ কাৰণতে হওক বা বিভিন্ন কাৰণতেই হওক এই পক্ষীবোৰ নহা হ'ল। আগন্তুক দিনত ছাইবেৰীয়াৰ পৰা আদি কৰি বিভিন্ন ঠাইৰ পৰা অমৃত সৰোবৰত এই পক্ষীবোৰ আহিব। ধুবুৰীত যদি এনেকুৱা হৈ আছে, আমি চাম। কাৰণ যিসক লে এতিয়ালৈকে খন্দা কাম সম্পূৰ্ণ কৰিছে, তেওঁলোকক ত্ৰিশ শতাংশ পেমেণ্টো দিয়া নাই। আমাৰ অমৃত সৰোবৰৰ আঁচনিৰ ক্ষেত্ৰত কোনেও গাফিলতি কৰিব নোৱাৰে, সেইটো নিশ্চিত।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। আপোনাৰ দ্বিতীয় পৰিপূৰক প্ৰশ্ন আছে নেকি?

**শ্ৰী ছামছুল হুদা, (পূব বিলাসীপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে ত্ৰিশ শতাংশ পেমেণ্টো দিয়া নাই, সেইটো ভাল কথা। কেইটামান আঁচনিত এশ শতাংশ কাম সম্পূৰ্ণ হোৱা দেখা গৈছে। তথাপিও আমি আশা ৰাখিম আমাৰ চৰকাৰ আৰু মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ যি আশা মিশ্যন অমৃত সৰোবৰৰ আঁচনিৰ জৰিয়তে যাতে পূৰণ হয়। অমৃত

সৰোবৰৰ আঁচনিৰ লগতে আমাৰ ধুবুৰী জিলাত পঞ্চায়তৰ বিভিন্ন আঁচনিৰ ক্ষেত্ৰত খেলিমেলি হোৱা দেখা গৈছে আৰু সেই বিষয়ে যাতে আমাৰ মন্ত্ৰী মহোদয়ে ভালদৰে লক্ষ্য ৰাখে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এশ শতাংশ সম্পূৰ্ণ হোৱা মানে যিটো খন্দা কাম, সেইটো সম্পূৰ্ণ হৈছে। অমৃত সৰোবৰৰ আঁচনিৰ কাম সম্পূৰ্ণ হোৱা নাই। তথাপিও যদি কিবা তেনেকুৱা অভিযোগ আছে মই নিজে বিধায়ক মহোদয়ৰ লগত যাম।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ যদি তেনেকুৱা কিবা অভিযোগ আছে মাননীয় মন্ত্ৰী মহোদয় লিখিতভাৱে দিব পাৰে। এতিয়া আমিনুল ইছলাম (কনিষ্ঠ) ই কওক।

**শ্ৰী আমিনুল ইছলাম, (কণিষ্ঠ, মানকাচাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অমৃত সৰোবৰ আঁচনিটো অসমৰ কাৰণে কিমান Viable ? মানকাচৰ সমষ্টিত অমৃত সৰোবৰ নামৰ ৭০ তকৈ অধিক কাম চলি আছে। আমাৰ অঞ্চলটো যথেষ্ট Low Land. বছৰৰ সাত-আঠ মাহ মান পানীৰ তলত থাকে আৰু Low Land ৰ মাজতে Population Density ৯৮০ আৰু গোটেই অসমতে হৈছে প্ৰায় তিনিশ। আমাৰ তাত ঠাইয়েই নাই, এফালে বাংলাদেশ আৰু আনফালে মেঘালয় আছে। তাতে এফালৰ পৰা অমৃত সৰোবৰ আঁচনি খান্দি গৈ আছে। তাত Water Hervasting ৰ প্ৰয়োজন নাই। কাৰণ আমাৰ পৰ্যাপ্ত পৰিমাণৰ পানী আছে। আমাৰ অঞ্চলটোত ঘৰ বনাবলৈ ঠাই নাই। সেয়েহে য'ত দৰকাৰ আছে তাত কৰিলে লাভ হ'ব। আমাৰ অঞ্চলটোৰ কাৰণে এটা বিশেষ ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি দক্ষিণ শালমাৰাৰ মানকাচৰ অঞ্চলটোত ৭৫ টা লৈছো আৰু তাৰ ইতিমধ্যে ৩৯ টা সম্পূৰ্ণ হৈছে আৰু ১৩ টাৰ কাম চলি আছে। মই আগতে কৈছোৱেই যে মৎস্য পালনৰ লগতে Water Hervasting, জলসংৰক্ষণ কৰা হ'ব। আপোনাৰ তাত যি ৭৫ টা হ'ব তাত মৎস্য পালন হ'ব। আপোনাৰ অঞ্চলটো নদীৰ কাষত ভাল ভাল মাছ আছে। সেইটো বেলেগ কথা।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ, মানকাচাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অঞ্চলটোত ঘৰে ঘৰে পুখুৰী, বহু বিল আৰু নদী আছে। আমাক খেতি আৰু ঘৰ বনাবলৈহে মাটি লাগে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ঘৰৰ বাবে যাৰ মাটি আছে আৰু কোনোবা যদি ভূমিহীন আছে, ভূমিৰ কাৰণে ৰাজহ বিভাগত আবেদন কৰিলে নিশ্চয় পাব। এনেকুৱা ধৰণৰ কথা বাঘবৰৰ বিধায়কে মোক কৈছে যে আমাৰ মন্দিয়া ব্লকত এতিয়া কৰিব নালাগে। কিন্তু, বাঘবৰৰ যিটো সমস্যা, সেইটো আপোনাৰ তাত নাই। এইখিনি হ'লে নিশ্চিত ৰূপত আপোনাৰো লাভ হ'ব। ১হেক্টৰ মাটিহে, খুব বেছি নহয়। ১হেক্টৰ মাটি হ'ল ৭.৫ বিঘা মাটি। গতিকে, ৭.৫ বিঘা মাটিক যদি ৭৫ ৰে multiply কৰো তেন্তে সিমান বেছি মাটি নাযায়। বৰঞ্চ আপোনাৰ সমষ্টিত বেছি লাভ হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ১২৭। শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰী ৰণজিৎ দাস,(মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, মোৰ উত্তৰটো পালো। 14th

Finance ত Tied, Untied Fund ইত্যাদিত চৰকাৰে কিছুমান নিয়ম নীতি বান্ধি দিছে। সেইমতে, চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানখিনিৰ কাম হৈ আছে। তাত আমাৰ ক'বলগীয়া একো নাই। কিন্তু মোৰ মন্ত্ৰী মহোদয়লৈ প্ৰশ্নটো হ'ল- এতিয়া আপোনালোকে যি গাইডলাইন বনাই দিছে, আপোনালোকৰ NREGAৰ কামটো হোৱা নাই, ১৫% ৰ কিবা আছে, একোটা পঞ্চায়তত ২০ টাকৈ স্কীম ল'ব লাগে আৰু ক'লে যে সেইটো স্কীম নহয়, সৰু সৰু ৰাস্তা আছে। এতিয়া যদি এই গাইডলাইনটো সলনি কৰি অন্তঃত সৰু সৰু ৰাস্তাবোৰ নলয়, তেন্তে গাঁৱৰ প্ৰকৃত উন্নয়ন নহ'ব বুলি ভাৱো আৰু এইটো কেৱল মোৰ কথাই নহয়, প্ৰত্যেকজন বিধায়কৰ একেই সমস্যা। আনহাতে, বিত্ত বিভাগৰ এটা OMত কৈছে যে SOPD, RIDF ৰ যিখিনি Interest Fund আছে, সেইখিনি ঘূৰাই দিব লাগে। যদিও বিত্ত বিভাগৰ পৰা কোৱা হৈছে, কিন্তু বিত্ত বিভাগৰ পৰা কোনো নিৰ্দেশ অহা নাই। মই মন্ত্ৰী মহোদয়ক ক'ব বিচাৰো আপোনালোকৰ আইন আৰু নিয়ম এফালে, আৰু আনফালে আমি যদি চাওঁ আমি কেতিয়াবা .....interruptions.....

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কৰক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, আমি কেতিয়াবা ৰাস্তালৈ গৈ কাম চলি থকা দেখো। সেই কামটো $14^{th}$ Finance, $15^{th}$ Finance একোৰেই নহয়, Interest Fundৰ কাম চলি থাকে। মই ভাৱো মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা স্পষ্ট উত্তৰ দিব লাগে আৰু এই Interest Fund খিনিয়েই ব্যয় কৰি আছে, তাৰ তথ্য আমাৰ লগত আছে, এই ক্ষেত্ৰত কি ব্যৱস্থা ল'ব মই সদ্ উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ দাস, ( মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে আমি সমগ্ৰ অসমতে $14^{th}$, $15^{th}$, $5^{th}$ & $6^{th}$ Finance ৰ ৮,১৬১ কোটি টকা ব্যয় কৰিছো। সেইখিনি ব্যয় কৰিবলৈ যাওঁতে বিধায়কসকলে অনুমোদন জনায় কাৰণ তাত বিধায়কসকল থাকে। আপুনি ৰাস্তাৰ ক্ষেত্ৰত যিখিনি কথা ক'লে সেইখিনি ইতিমধ্যে সদনৰ বিধায়কসকলে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক জনাইছে। আমাৰ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখন হোৱাৰ পিছতে চোম গছ, চন্দন গছ plantation ৰ concept কৰা হৈছিল আৰু MGNREGA ত সেইটো যাতে large scale ত আমি কৰিব পাৰো, তাৰ বাবে কিছুদিনৰ বাবে ৰাস্তাবোৰ ধৰা হোৱা নাছিল। পিছত, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে Finance Commission ৰ পৰা, Devolution Fund ৰ পৰা যিমান টকা থাকে, তাৰ পৰা ২৫% ৰাস্তা কৰিব পাৰিব আৰু MGNREGA ত ১৫% কৰিব পাৰিব। আপোনালোক বাজেটৰ Vigilance Committee ৰ Chairman যিহেতু, বাজেটত কিমান টকা আহিব, কিমান টকা আছে আৰু ১৫% ক'ত ক'ত ৰাস্তা কৰিব লাগিব সেইটো আপোনালোকে ধৰিলে নিজেই কৰিব পাৰিব। এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে SOPD ত ধৰিছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়,আমাৰ কথাটো হ'ল যে ১৫% টো বহুত কম হয়। ১৫% ত আমি কৰিব নোৱাৰিম। আনহাতে, Interest Fund বোৰ যে আছে তাৰ কোনো গাইডলাইন নথকাৰ বাবে সিহঁতে জধে-মধে খৰচ কৰে। গতিকে, এই Interest Fund ৰ ক্ষেত্ৰত আপুনি কিবা এটা সিদ্ধান্ত লওঁক। সৰু টকা হ'লেও তাৰ ওপৰত চকু থাকেই। একো হিচাপ নোহোৱাকৈ কোনোবাই কাম কৰি টকাখিনি উঠাই লৈ যায়।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মই ১৫% ৰাস্তাৰ কথা যিটো ক'লো, সেইটোৰ ক্ষেত্ৰত যদি আপোনালোকে mind apply কৰে তেন্তে ৰাস্তাৰ পৰিমাণটো বঢ়াব পাৰিব। ইয়াত যিহেতু wages আৰু materials ৰ কথা আছে,আপুনি যদি wage ৰ কাম বেছিকৈ ধৰে, land development যদি বেছিকৈ ধৰে, তেন্তে ইয়াত automatically ৪০% বাঢ়ি যাব। এইবাৰ মোৰ সমষ্টিত ৩৫ টা ৰাস্তা ধৰিছো। মই আৰু ইমানখিনি কথা ক'ব নোৱাৰো, আপোনালোকে বুজি পায়। Interest ৰ যিটো কথা ক'লে, সেই ক্ষেত্ৰত, OM এখন আছে, কিন্তু চৰকাৰৰ কোনো গাইডলাইন নাই। গতিকে, মই আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ লগত আলোচনা কৰি ইয়াৰ ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ৰফিকুল ইছলাম .........Interruptions.....

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** 14th Finance ৰ টকাটো বঢ়াই দিব লাগে। এইটো আমাৰ সকলো বিধায়কৰে দাবী। আমাৰ সদনৰ দাবী......Interruptions............

**শ্ৰীমতী নন্দিতা দাস, (বকো)ঃ** চাৰ, মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেইটো practical হোৱা নাই। এনেকুৱা কথা ক'লে ব্লকে আমাৰ কথা মানি নল'ব .......Interruptions.....

**মাননীয় অধ্যক্ষঃ** Practical, impractical, বিভাগে বিষয়টো কৰি আছে। মন্ত্ৰীয়ে উত্তৰটো দি দিলে। তেওঁ যি কৈছে সেইটোৱেই উত্তৰ .........Interruptions.....

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে তাত ক'বলগীয়া একো নাই। কথাটো হৈছে যে আমাৰ বিধায়কসকলৰ যি সমস্যা, সমষ্টিৰ যি সমস্যা, সেইখিনি মন্ত্ৰীক ক'লো। অন্ততঃ ৰাস্তাৰ ক্ষেত্ৰত 14th আৰু 15th Finance ৰ টকাৰ percentage টো বঢ়াই দিব লাগে .....interruptions.....

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়ে নিশ্চয় বিবেচনা কৰিব। ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 14th আৰু 15th Finance ৰ যিহেতু গাইডলাইন আছে আৰু গাইডলাইন মতেই কাম কৰিব লাগে, তাত গাঁৱলীয়া ৰাস্তাবোৰ কৰাৰ ব্যৱস্থা নাই, ....Interruptions...মানে আছে, কিন্তু কৰিব দিয়া নাই। যাৰ কাৰণে সমস্যাবোৰ ৰৈ গৈছে। বৰপেটাৰ কথাও ইতিমধ্যে আহিছে যে যোৱা এটা বছৰৰ গোটেই scheme খিনি cancel হ'ল। মাননীয় মন্ত্ৰী মহোদয়ে কিছুমান জিলাৰ লগত তুলনা কৰিছে যে সেই জিলা কেইখনত বৰপেটা জিলাৰ সমানে হৈ আছে। ধুবুৰী, বৰপেটা, নগাওঁ -এই জিলা বিলাকৰ জনসংখ্যা প্ৰায় ১৯-২০ লাখ, যিহেতু ডাঙৰ জিলা, ছয়-সাতটা সমষ্টি লৈ একোখন জিলা, গতিকে দুটা সমষ্টিৰ জিলাৰ লগত তুলনা কৰিলে সঠিক নহ'ব। বাক্সা, চিৰাং, ওদালগুৰি বা বজালীৰ লগত যদি তুলনা কৰে, য'ত দুটাকৈ সমষ্টি, ৫ লাখকৈ জনসংখ্যা, ইয়াক যদি ২০ লাখ জনসংখ্যাৰ জিলাৰ লগত তুলনা কৰি সমানে কাম হৈছে বুলি কয়, তেন্তে ই সঠিক নহ'ব। বিশেষকৈ আমাৰ বৰপেটাত যোৱা বছৰ যিহেতু গোটেই scheme খিনি cancel হ'ল, তাত land development, field development, school field development, ৰাস্তা এই বিলাকেই বেছি আছিল, সেইকাৰণে বৰপেটাৰ গাঁৱৰ বাবে যাতে এইখিনি বস্তু বিশেষভাৱে বিবেচনা কৰা হয় আৰু বৰপেটাৰ মাটি, ৰাস্তাৰ বাবে ১৫% নহৈ অতিকমেও ৫০% যাতে allow কৰে। মন্ত্ৰী মহোদয়ে নিজেই বৰপেটাৰ প্ৰতিনিধি, তেখেতে জানেই।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, মই ইতিমধ্যে কৈছোৱেই । MGNREGA ত materials ৰ উদাহৰণ যদি দিওঁ, আমি ২০১৯-২০ বৰ্ষৰ পৰা ২০২০-২১ বৰ্ষত materials ত ১৩৭ কোটি টকা payment কৰিছো। তাৰ ভিতৰত ৯ কোটি ৩১ লাখ টকা বৰপেটা জিলাত খৰচ কৰিছো। ঠিক তেনেকৈ, ২০২১-২২ বৰ্ষত যদি চাওঁ, আমি materials ত ১২৮ কোটি টকা খৰচ কৰিছো। যিহেতু ১৫% টো কম হয় বুলি কয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম বা আলোচনা কৰিম যে এই percentage টো যাতে অলপ বঢ়াই দিয়ে কাৰণ Internal Road connectivity...interruptions..... আমি এইটো চাম।

**মাননীয় অধ্যক্ষঃ** ৰফিকুল ইছলাম ডাঙৰীয়া।

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** বৰপেটাত যোৱা বছৰখিনি যিহেতু cancel কৰিলে, সেইখিনি পৰ্যায়ক্ৰমে অলপ বেছিকৈ ল'ব লাগে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ এইবাৰ গাওঁ সভাত সেইখিনিয়েই ধৰিব। আপোনালোকে দি দিব, গাওঁ সভাত ধৰি দিব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া প্ৰশ্ন নং ১২৮- জিতু গোস্বামী..interruptions..

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ )ঃ** চাৰ, এটা supplementary। আজি দিয়ক চাৰ, মই কোনো দিন supplementary সোধাই নাই।

**মাননীয় অধ্যক্ষঃ** এতিয়া হৈ গ'ল। নিয়মৰ বাহিৰত যাব নালাগে।

মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী জিতু গোস্বামী, (বঢ়মপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সুধিছিলো যে বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত কিছুমান গাওঁ পঞ্চায়ত কেইবাটাও ব্লকত সিচৰিত হৈ আছে, এইটোৰ পুনৰ নিৰ্ধাৰণ কেতিয়া হ'ব? মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰত আমি গম পালো যে লোকসভা আৰু বিধান সভা সমষ্টিৰ de-limitation প্ৰক্ৰিয়া চলি থকা কাৰণে নিৰ্বাচন আয়োগে এইটো বন্ধ ৰাখিছে। তাত আমাৰ কোনো আপত্তি নাই। কিন্তু, মহোদয়ক এটাই অনুৰোধ জনাম, যেতিয়াই এই ব্লকবিলাক পুনৰ নিৰ্ধাৰণ কৰিব, কিছুমান ব্লকত ডাঙৰ ডাঙৰ ২০-২২ টালৈকে পঞ্চায়ত থাকে, সেইবিলাক ব্লকত প্ৰশাসনিক অসুবিধা হয় আৰু যিহেতু ডাঙৰ পঞ্চায়ত, ultimate কাম একো নহয়, সেইকাৰণে এটা ব্লকত যাতে maximum ১০ টাকৈ পঞ্চায়ত ৰাখে। তাৰ বাবে মই মন্ত্ৰী মহোদয়ৰ পৰা প্ৰতিশ্ৰুতি বিচাৰিছো আৰু এটা কথা মই তেখেতক ক'ব খুজিছো যে আমাৰ বঢ়মপুৰ সমষ্টিৰ যিসমূহ ব্লকত পঞ্চায়ত আছে, তাৰে এজন পঞ্চায়ত সচিবে তিনিটাকৈ পঞ্চায়তৰ দায়িত্বত আছে। যাৰ কাৰণে কেতিয়াবা যদি বিধায়কজনেও পঞ্চায়তত সোমায়, মই নিজে গৈ পাইছো কয় যে সচিব আজি সিটো পঞ্চায়তত আছে। তেতিয়া আমাৰ কৰিবলগীয়া একো নাথাকে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত সচিব সকলক কেতিয়া নিযুক্তি দিব আৰু সোনকালে নিযুক্তি দি আমাৰ প্ৰক্ৰিয়াটো আৰম্ভ কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ব্লক পুনৰ নিৰ্দ্ধাৰণ বা পুনৰ গঠনৰ কথাটো আমাৰ বিভাগে গুৰুত্ব সহকাৰে চিন্তা-চৰ্চা কৰি আছে আৰু অকল চিন্তা-চৰ্চা কৰাই নহয়, প্ৰায় তিনি চাৰি বছৰ ধৰি এই কথাটো লৈ আমি এখন

মেপ বনাইছো। আমাৰ এটা ইচ্ছা আছে যে প্ৰায় ৪০ খন মান নতুন ব্লক কৰিলে আমাৰ administration ৰ কামটো ভাল হ'ব। এতিয়া আমি যদি উদাহৰণস্বৰূপে বাঘবৰ সমষ্টিৰ মন্দিয়া ব্লকটো চাওঁ, তাত ২৮ টা পঞ্চায়ত মিলি এটা ব্লক হৈ আছে। ঠিক তেনেকৈ চিপাঝাৰত আছে ২৫ টা, লাহৰিঘাটতো আছে। গতিকে ইমান এটা ডাঙৰ ব্লক এজন BDO ই চলোৱাটো সম্ভৱ নহয়। সেইকাৰণে এই বিষয়টোৰ ওপৰত আমি এইবাৰেই কিবা এটা চিন্তা কৰিছিলো। কিন্তু delimination ৰ কাৰণে থমকি ৰবলগীয়া হ'ল। লগতে,পঞ্চায়তৰ সচিবৰ যিটো কথা ক'লে, তাৰবাবে আমি Direct Recruitment Board ত এই বিষয়টো দিছো। আগন্তুক দিনত তেওঁলোকে নিশ্চিতভাৱে বিজ্ঞাপন দিব বুলি আমি আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী পৰমানন্দ ৰাজবংশী।

**শ্ৰী পৰমানন্দ ৰাজবংশী, (চিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে আমাৰ চিপাঝাৰ সমষ্টিত মাথো এটা ব্লক আছে আৰু তাত ২৫ টা গাওঁ পঞ্চায়ত আছে। ইতিমধ্যে সেই অঞ্চলৰ ৰাইজে প্ৰায় ৫০ বছৰ ধৰি এটা দাবী কৰি আহিছে। সেই দাবীটো হৈছে যে চিপাঝাৰ সমষ্টিত ২ টা ব্লক হ'ব লাগে। দুটা ৰাজহ চক্ৰ আছে- চিপাঝাৰ ৰাজহ চক্ৰ আৰু পথৰুঘাট ৰাজহ চক্ৰ। পথৰুঘাট ৰাজহ চক্ৰৰ ৰাইজে প্ৰায় ১৮ বিঘা মাটি সংৰক্ষণ কৰি ৰাখিছে কাৰণ ঐতিহ্যমণ্ডিত পথৰুঘাটৰ সেই ঠাইত যদি এটা ব্লক কৰা হয়, আমি নিজে কাম কৰি গম পাইছো যে ২৫ টা গাওঁ পঞ্চায়তৰ কাম কৰি কিমান অসুবিধা হৈছে কাম-কাজখিনি কৰাৰ ক্ষেত্ৰত। গতিকে আজিৰ এই পবিত্ৰ সদনত মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে চিপাঝাৰ সমষ্টিত যি ২৫ টা গাওঁ পঞ্চায়ত আছে তাক দুভাগ কৰি দুটা ব্লক কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Principle হ'ব লাগিব। অকল চিপাঝাৰ হ'লেই নহ'ব। Delimination ৰ প্ৰক্ৰিয়াটো শেষ হোৱাৰ পাছত য'ত more than 20 or 25 আছে, তেনেকুৱা এটা Principle লৈ যিকেইটা আওঁতাত পৰে সেই গোটেইসমূহ আমি একেলগে কৰিম বুলি আশা ৰাখিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-১২৯, শ্ৰী ৰূপেশ গোৱালা।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ডুমডুমা বিধানসভা সমষ্টিত মুঠ ১৫ খন পঞ্চায়ত আছে আৰু তাৰ বিপৰীতে মাত্ৰ ৫ গৰাকী পঞ্চায়ত সচিব আছে। ৫ গৰাকী পঞ্চায়ত সচিব থকাৰ কাৰণে অলপ আগতে যিটো কথা জিতু গোস্বামী ডাঙৰীয়াই ক'লে, আমি গ'লে তেওঁলোকক কেতিয়াও লগ নাপাওঁ। কাম-কাজবিলাক বৰ লেহেম হৈছে আৰু লগে লগে চৰকাৰী flagship programme বিলাকো আছে, সেইবিলাক পঞ্চায়ত সচিব বিলাকে দায়িত্ব ল'ব লাগে, যাৰ বাবে সপ্তাহত তিনি দিন তেওঁলোকে জিলালৈ যাবলগীয়া হয়। এই অসুবিধা থকাৰ কাৰণে আমাৰ পঞ্চায়ত অঞ্চলত যিমান ক্ষীপ্ৰতাৰে কাম কৰিব লাগে, সেইটো কৰিব পৰা নাই।

এই পঞ্চায়ত সচিবৰ নাটনিটো পূৰ কৰিবৰ কাৰণে বিভাগে কিবা নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব নেকি ? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ডুমডুমা যিটো সমষ্টি বা ব্লক, হাপজান আৰু কাকপথাৰ আৰু তাত ১৫ টা GP আছে, তাত ৫ টা Regular GP আছে আৰু বাকীসমূহ আমি dual charge ত দিছো। ঠিক তেনেকৈ অকল ডুমডুমাতে নহয়, আমি যদি সমগ্ৰ অসমখন চাওঁ, ইয়াত মুঠ GP আছে ২১৯৭ আৰু তাৰ ভিতৰত Regular GP Secretary আছে ১১৩৮ টা। বাকী ১০৫৯ টা আমি dual charge ত চলাই আছো। প্ৰথমতে আমি Direct Recruitment Board ত দিছিলো যদিও GP Secretary ৰ কাৰণে Commerce Graduate লাগে, হয়তো সুকীয়াকৈ বিজ্ঞাপন দিব বুলি আশা ৰাখিছো আৰু আমি Assam Direct Recruitment Commission ক এই বিষয়ে দুই তিনিবাৰ আমাৰ বিভাগৰ পৰা চিঠি দিছো। আগন্তুক দিনত মুখ্যমন্ত্ৰী ডাঙৰীয়াকো এই বিষয়টো অৱগত কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক আগতেও কৈছিলো যে মোৰ তাত ১০ টাৰ ভিতৰত ৮ টাৰে Secretary নাছিলে। তিনিটা জোৰা-টাপলি মাৰি মোক দিছে। কিন্তু বাকী দুটাত পালে আহিব বিচৰা মানুহ আছে। মই Commissioner ৰ ওচৰত গৈছো, ইতিমধ্যে বহুত notification ওলাল। কিন্তু মোৰ কেইটা ওলোৱা নাই। গতিকে তাৰ বাবে ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অমৃৎ সৰোবৰ, PMAY আদি যিহেতু বিভিন্ন কাম চলি আছে, working season হোৱাৰ কাৰণে আমি GP Secretary ক সলনি কৰা নাই। এতিয়া আমাৰ টকাৰ ইমান flow আহিছে, যোৱাকালি ২৪০০ কোটি টকা আহিছে PMAY কাৰণে। ভাৰত চৰকাৰৰ পৰা সদায় আমাক Fund release কৰি আহিছে। প্ৰায় ১৩,০০০ কোটি টকাৰ ভিতৰত এতিয়ালৈ আমি ১০,৬২৩ কোটি টকা পাইছো। যিহেতু এতিয়া MGNREGA, PMAY আদিৰ কাম চলি আছে, গতিকে এই মাহটো যাব দিয়ক তাৰ পিছত আমি ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৩০, শ্ৰী নজৰুল হক, তেখেত অনুপস্থিত। প্ৰশ্ন নং ১৩১, শ্ৰীবিদ্যাসিং ইংলেং, তেখেত্ৰে অনুপস্থিত। এতিয়া প্ৰশ্ন নং ১৩২, শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কামৰূপ জিলাৰ যিটো প্ৰশ্ন মই কৰিছো উত্তৰটো পাইছো। কিন্তু এই উত্তৰটো লৈ অকল মইয়ে নহয়, দক্ষিণ কামৰূপৰ প্ৰতিজন ব্যক্তিয়ে হয়তো অন্তৰত দুখ পাব। দক্ষিণ কামৰূপ জিলাৰ ক্ষেত্ৰত যিটো sub-committee গঠন কৰা হৈছিলে, আমি সেই কেবিনেট sub-committee ৰ ৰিপোৰ্টটো বিচাৰিছিলো। এই কেবিনেট

sub-committee ৰ ৰিপোৰ্টটো দিছে যে for administrative expediancy in the interest of public service, the Governor of Assam is pleased to merge the administrative District of South Kamrup Dictrict with the original undivided District of Kamrup. তাৰমানে এইখন জিলাৰ লগত পুৰণি জিলাখন merge কৰি দিছে। মই ভাৰো আমাৰ জিলাখন গঠন কৰিছিলে ৰাইজৰ বিপুল দাবীত। দক্ষিণ কামৰূপ জিলা স্থগিত কৰাৰ পাছতো কেইবাখনো নতুন জিলা চৰকাৰৰ ফালৰ পৰা ঘোষণা হ'ল। কিন্তু কি কাৰণত, কি যুক্তিত, কি justification ত দক্ষিণ কামৰূপ জিলা স্থগিত কৰা হ'ল, এইটো চৰকাৰৰ ফালৰ পৰা জানিব বিচাৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিন আগতে যিহেতু যি দুখন জিলা আছে, সেই দুখন পূৰ্বৰ জিলাৰ লগত সংলগ্ন কৰিছো। তথাপি যদিও কিছুমান মহকুমাৰ ইচ্যু আছিলে, সেইকাৰণে আমি মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াক সভাপতি দি অজন্তা বাইদেউ ডাঙৰীয়াণী আৰু পিয়ুস হাজৰিকাক সদস্য হিচাপে দি আমাৰ সমিতি গঠন কৰি দিছো আৰু সেই সমিতিখনে আগন্তুক দিনত এইবোৰ বিষয় চিন্তা-চৰ্চা কৰিব।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়,এইটো Inter State border related হৈ আছে। তাত dispute হৈ থাকে। যদি আমাৰ প্ৰশাসনিক কাম-কাজ বিলাকৰhead quarter বিলাকৰ inter State border ৰ ওচৰত থাকে, তেতিয়া নিশ্চয় চৰকাৰৰো সুবিধা হ'ব। এফালৰ পৰা মাইটী ব্ৰহ্মপুত্ৰ বৈ গৈছে, বৃহৎ এটা অঞ্চল, তিনিটা ফুল ফ্লেজেড সমষ্টি আছে, অফিচ আছে, কাৰ্য্যালয় আছে , চাইনবোৰ্ড এতিয়াও মৰাই আছে দক্ষিণ কামৰূপ জিলাৰ। DC office, SP office ও আছে। গতিকে দক্ষিণ কামৰূপ জিলা লাগে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (পঞ্চায়ত ও গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মই কৈছোৱেই যে তাত Cabinet Sub-Committee আছে, তাত আপুনি এখন Application দিব, আমি আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Question hour is over. এতিয়া শ্ৰী ফণীধৰ তালুকদাৰ।

**শ্ৰীফনীধৰ তালুকদাৰ, (ভবানীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক মেম্বাৰছ আৱাৰত ক'বলৈ সুযোগ দিয়া বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো । মোক তিনিটা বিভাগৰ ওপৰত ক'বলৈ দিছিল- সেইকেইটা হ'ল কৃষি বিভাগ , লোক নিৰ্মাণ বিভাগ আৰু পৰ্য্যটন বিভাগ । আমাৰ ভবানীপুৰ অঞ্চলটো মূলতঃ দুই খন নদীৰ মাজত অৱস্থিত। পূব ফালে আছে পহুমাৰা নদী আৰু পশ্চিম ফালে আছে পল্লা নদী । এই নদী দুখন ভুটানৰ পৰা বৈ আহিছে আৰু মোৰ সমষ্টিৰ দুয়োফালে বৈ সৰুক্ষেত্ৰী সমষ্টিৰ মাজেৰে বৈ গৈছে । এই অঞ্চলৰ আশী শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰে তিনিটা অংশ আছে । উত্তৰ অঞ্চলটো আমাৰ বিটিআৰ অঞ্চল পৰে । তাৰে ছয়টা ভিচিডিচি আমাৰ বিটিআৰ অঞ্চলত পৰে । ইয়াৰ প্ৰচুৰ পৰিমাণে ৰবি শস্য উৎপাদন হয় ধান হয় আৰু প্ৰচুৰ পৰিমাণে তামোল - পান উৎপন্ন হয় । অসমৰ ভিতৰতে সৰ্ব্বাধিক নেমু টেঙা উৎপাদন হয় এই অঞ্চলটোত কিন্তু দেখা গৈছে অসম চৰকাৰে নেমুৰ ওপৰত কোনো ধৰণৰ প্ৰচেচিঙ ইউনিট বা সংৰক্ষণ কৰিব ব্যৱস্থা আজিলৈকে কৰা নাই । ২০২১ চনৰ ইলেকশ্যনত মুখ্যমন্ত্ৰী মহোদয়ে নিজে

এই অঞ্চলত আহি নেমুখিনি চাই গৈছিল আৰু প্ৰতিশ্ৰুতি দিছিল যে আমি নেমুৰ ওপৰত এটা প্ৰচেচিঙ ইউনিট কৰিম । কিন্তু আজিলৈকে কোনো ব্যৱস্থা লোৱা নাই । আমি জানো জম্মু কাশ্মীৰত যথেষ্ট পৰিমানে ফল উৎপাদন হয় । আগতে সেইবিলাকৰ বহুখিনি গেলি পচি নষ্ট হৈ গৈছিল, কিন্তু প্ৰচেচ ইউনিট কৰি সেই খিনি সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিলে - ড্ৰাইফুট কৰি বিক্ৰীৰ ব্যৱস্থা কৰি অৰ্থনীতি টনকিয়াল কৰিবলৈ সক্ষম হৈছে । ঠিক তেনেদৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাকো নেমুখিনিৰ বাবে প্ৰচেচিং ইউনিট কৰি সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি আমাক প্ৰতিশ্ৰুতি দিছিল । এই নেমুখিনি ৰাখিবৰ বাবে আৰু এই অঞ্চলত উৎপাদিত শাক পাচলিখিনি ৰাখিবৰ বাবে আনন্দপুৰ বজাৰ অঞ্চলত এটা কোল্ড ষ্ট'ৰেজ আৰু এটা ভৰাঁল ঘৰ নিৰ্মাণ কৰিম বুলি কৈছিল, কিন্তু আজিলৈকে কোনো কাম আগবঢ়া নাই । মই চৰকাৰক অৱগত কৰিব খুজিছো আমাৰ এই বিটিআৰ অঞ্চলত বজাৰৰ কোনো সুবিধা নাই । দুখন পুৰণিকলীয়া ডাঙৰ বজাৰ আছিল - আনন্দ বজাৰ আৰু ৰূপহী বজাৰ । এই বজাৰ দুখনত আধুনিক বজাৰ ব্যৱস্থাৰ কোনো সা সুবিধা আজিলৈকে হৈ নুঠিল । বজাৰ দুখনত আহিবলৈও কোনো সুচল বাট পথ নাই । সেই কাৰণে আমাৰ কৃষকখিনি বজাৰৰ সুবিধা লাভৰ ক্ষেত্ৰত বঞ্চিত হৈ আছে । এই বিষয়ে মই আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়া আৰু পশুপালন মন্ত্ৰী ডাঙৰীয়াকো বহু কেইবাৰ ব্যক্তিগতভাবে কৈছো, কিন্তু কাৰ্য্যত কোনো ব্যৱস্থা লোৱা নাই । আমাৰ এটা ডায়েৰী প্ৰজেক্ট আছে । ১৯৯৫ চনত এই প্ৰজেক্টটো হৈছিল । ৰূপালী জয়ন্তীও হৈ গ'ল । এপ্ৰোক্সিমেট শেষ হ'ল, কিন্তু আৰম্ভ নহ'ল । মাননীয় সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈ থকা কালত তেখেতক বহু বাৰ অনুৰোধ কৰাৰ পিছত ফাইনেলী এই প্ৰজেক্টটো চলাবৰ বাবে ৫ কোটি টকা চেংশ্যন দিলে। এই টকাটো বৰপেটা জিলাত পৰি থাকিল মই চেষ্টা কৰি বজালী জিলাত আনিলো । মই ভেটেৰীনেৰী মন্ত্ৰী ডাঙৰীয়াক গোটেই প্ৰজেক্টৰ কথা ক'লো । তেখেতে কনচালটেন্ট নিযুক্ত কৰিলে। কনচালটেন্টে প্ৰজেক্ট ৰিপোৰ্ট দিলে, কিন্তু টেণ্ডাৰখন হৈ নুঠিল আৰু কামো আৰম্ভ নহ'ল । দুগ্ধ উৎপাদনত আমাৰ বজালী জিলা এক নম্বৰত আছে, গতিকে এই দুগ্ধ প্ৰজেক্টটো অতি সোনকালে আৰম্ভ কৰিব লাগে । ভবানীপুৰ সমষ্টিৰ মধ্য অংশত হ'ল- হাথিনাপুৰ জিপি, চাউলাগুৰি জিপি আৰু দেউলাপাৰা জিপি । সভাপতি মহোদয় এইটো এটা বানপীড়িত অঞ্চল, দুখন নদীৰ মাজত অবস্থিত অঞ্চল । আমাৰ ইয়াত পহুমাৰা নদীয়ে প্ৰতিবছৰে ভাঙে । এইবাৰ আমাৰ ইয়াত মথাউৰি বহু ডাঙৰকৈ বনাইছে আৰু জিও বেগ দিছে, তাৰ বাবে মই জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো । আমাৰ তাত টেকেলাজান বুলি এখন গেট আছে । গোটেই পানীখিনি এই গেটেৰে ওলাই আহি পহুমাৰা নদীত পৰে । গতিকে এই টেকেলাজান গেটখন পুনৰ নিৰ্মাণ কৰি দিয়াটো অত্যন্ত প্ৰয়োজনীয় কাৰণ গেটখন মৰি গ'ল যদিও পানীখিনি বান্ধি ৰাখে আৰু তাৰ ফলত এপ্ৰিলৰ পৰা অক্টোবৰলৈ এই তিনিটা জিপি পানীৰ তলত থাকে । ইয়াৰ কৃষকে শালি খেতি কৰিব নোৱাৰে । গতিকে কৃষি মন্ত্ৰী মহোদয়ক এই গেটখন পুনৰ নিৰ্মাণৰ বাবে অনুৰোধ জনালো। মোৰ লোক নিৰ্মাণৰ ওপৰতো ক'বলগীয়া আছে । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অনুগ্ৰহত ২০২১-২২চনত আমাৰ প্ৰায়খিনি কাম হৈ গ'ল । কেৱল দুটা ৰাস্তা আছে । সাউদৰভিঠাৰ পৰা মানস অভয়াৰণ্যলৈ যোৱা ৰাস্তাটো একেবাৰে জৰাজীৰ্ণ অৱস্থা হৈছে । গতিকে মানস অভয়াৰণ্যলৈ পৰ্যটকসকলে বৰপেটা ৰোড হৈ ঘূৰি যাব লাগে । গতিকে এই ৰাস্তাটো এই বাজেটতে সোনকালে নিৰ্মাণ কৰি দিব লাগে । ভবানীপুৰ সমষ্টিত প্ৰতিবছৰে মথাউৰি ভাঙে । মই এই বিষয়ে জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক জনাইছিলো । নেশ্যনেল হাইৱেৰ - ৰাজাঘাটত এখন দলং আছে । এই দলঙৰ দৈৰ্ঘ্য ৯৬ মিটাৰ । এই দলংখন

পহুমাৰা নদীত এখন ৰাল দিয়াৰ নিচিনা হৈছে অৰ্থাৎ তলত গুছি গৈছে যাৰ বাবে পানীখিনি যাব নোৱাৰা হৈছে । পানীখিনি ধৰি ৰাখে। যেতিয়া পানী বেছি হয় পানীটো ওভতি আহি আমাৰ মথাউৰি ভাঙি দিয়ে যাৰ ফলত পাটাছাৰকুছি আৰু ভবানীপুৰ সমষ্টিত ক্ষতি হয়। গতিকে ৰাজাঘাটৰ দলংখন যাতে ওপৰলৈ উঠাই আনি পুনৰ নিৰ্মাণ কৰে এইটো মই অনুৰোধ জনালো। মোৰ সমষ্টিৰ বাকী ৰাস্তাবিলাক মুখ্যমন্ত্ৰী মহোদয়ৰ পকী পথ আঁচনিত বৰ্ত্তমান শেষ হোৱাৰ উপক্ৰম হৈছে ।

**সভাপতি, (শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা)** ঃ আপোনাৰ সময় শেষ হৈছে।

**শ্ৰীফণীধৰ তালুকদাৰ, (ভৱানীপুৰ)** ঃ সভাপতি মহোদয়, আমাৰ কথাটো হ'ল পৰ্য্যটক স্থলীৰ যথেষ্ট পৰিমাণে ইয়াত চাহিদা আছে। আপোনালোকে জানে যে মানস অভয়াৰণ্য ভৱানীপুৰ সমষ্টিৰ উত্তৰ প্ৰান্তত ভূটান সীমান্তত লাগি আছে আৰু পৰ্য্যটন স্থলৰ যথেষ্ট সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ আমাৰ কবি শৈলেন ৰাজখোৱাই লিখিছিল অসমৰ কাথিগুৰি বৰাকৰ মথুৰাগুৰি অসমৰ বৰপেটা ধাম চাই যোৱা নাৰৰীয়া বাটৰুৱা পৰাণ জুৰাই যোৱা ফুৰি যোৱা হৰিকুৰ নাম, এই হৰিকুৰ নামৰ ধ্বনিত আমাৰ ৭ খন সত্ৰ। ভৱানীপুৰ সমষ্টিত ৭ সত্ৰ প্ৰথম মাধৱদেৱে লখিমপুৰৰ নাৰায়ণ পুৰৰ পৰা নাৱৰে আহি উপস্থিত হৈছিল বৰপেটাৰ চিনপৰা ভেটিত। আৰু গুৰু জনাইও আহি কোচ ৰজাৰ আশ্ৰয়ত বৰপেটাত আশ্ৰয় লৈছিল। আৰু বৰপেটাৰ পৰাওঁ মাধৱদেৱ আৰু মাধৱদেৱৰ শিষ্য গোপাল আতা দেৱো আহি ভৱানীপুৰ নামটো তেতিয়াই দিয়া নাম। এই ভৱানীপুৰতে ৭ খন স্থাপন কৰিছিল। কোচ ৰজা নৰনাৰায়ণৰ দিনত ২৩০০ বিঘা মাতি গোপাল আতা সত্ৰত তেতিয়াতে দি গৈছিল আৰু তেতিয়াৰ পৰা গোপাল আতা সত্ৰ ভৱানীপুৰ সত্ৰ, ক লবাৰী সত্ৰ সেই ১৫১৬ চনৰ পৰা চলি আছে। ইতিমধ্যে কালি আমাৰ বিধায়ক মহোদয়ে কৈছিল যে এই সত্ৰ বিলাক এতিয়া বৰ্তমান minority ৰ দখলত আছে আৰু ইতিমধ্যে আপোনালোকে শুনিছে ভাল খৱৰ এক মাহ আগতে আমাৰ এই সত্ৰৰ মাটি বহুত পৰিমাণে উদ্ধাৰ কৰা হৈছে। এতিয়া আমাৰ পৰ্য্যটক মন্ত্ৰী মহোদয়ক অনুৰোধ জনাঁও আমাৰ যিহেতুকে গুৱাহাটীৰ পৰা বেছি দূৰত নহয়, মাত্ৰ ১৮০ কি. মিটাৰ দূৰত্বত মানস অভয়াৰণ্য। ইয়াৰ পৰা বিভিন্ন পৰ্য্যটক মানসলৈ যায়। যোৱাৰ সময়ত আমাৰ এনেকুৱা অৱস্থা যে গুৱাহাটীৰ পৰা এক বা দেৰ ঘন্টা যোৱাৰ পিছত মানুহৰ শৌচ-পেচাব লাগে, চাহ একাপ খাবলৈ মন যায়। গতিকে আমাৰ পৰ্য্যটক স্থলীৰ শৌচ-পেচাব কৰা টয়লেট থকা।

**সভাপতি, (শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা)** ঃ মাননীয় সদস্য সময় দিছিল ১০ মিনিট, আপোনাৰ এতিয়া ১৪ মিনিট হ'ব।

**শ্ৰীফণীধৰ তালুকদাৰ, (ভৱানীপুৰ)** ঃ এক মিনিট কম। গতিকে পৰ্য্যটক মন্ত্ৰী মহোদয়ক জনাও যে আমাৰ যিকোনো প্ৰকাৰে ভৱানীপুৰ সমষ্টি পৰ্য্যটক স্থলী হিচাপে এটা আমাৰ আই বি প্ৰশান্তি লজ ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে ব্যক্তিগতভাৱে তেখেতক মই ১০ বিঘা মাটি দিছোঁ। দেখুৱাইছো ৰাষ্ট্ৰীয় ঘাইপথৰ ওচৰত। গতিকে মানুহসকলে গৈ অন্তত তাত অলপ সময় জিৰণী ল'বলৈ সুবিধাৰ কাৰণে মাননীয় মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা দেৱ আছেই, তেখেতক বহুতদিন অনুৰোধ কৰি আছো যে অন্তত পৰ্য্যটক স্থলী হিচাপে বটদ্ৰৱা ইত্যাদি ইত্যাদি হ'ল।

**সভাপতি, (শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা)** ঃ মাননীয় সদস্য আপোনাৰ হ'ল, মন্ত্ৰীয়ে উত্তৰত ক'ব।

**শ্ৰীফণীধৰ তালুকদাৰ** ঃ গতিকে আমাৰ ইয়াতেও কিবা এটা কৰিব বুলি আশা ৰাখিলো আৰু এই সুযোগতে মোক দুষাৰ ক'ব দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰি বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**সভাপতি, (শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা)** ঃ ধন্যবাদ। এতিয়া শ্ৰীআব্দুৰ ৰহিম আহমেদ, মাননীয়

সদস্য আপোনাৰো সময় ১০ মিনিট, যাতে সময়টো আপোনালোকে অলপ পালন কৰে।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ, (বৰপেটা)** ঃ মাননীয় সভাপতি ডাঙৰীয়া, মোৰ সমষ্টি বৰপেটা সদৰ সমষ্টি আপোনালোকে জানে সত্ৰ নগৰী হিচাপে পৰিচিত। মোৰ সমষ্টিত ১৩ টা পঞ্চায়ত ৪ টা ভিচিডিচি আৰু দুখন টাউন লৈ গঠিত। ইয়াতে সদৰ সমষ্টি যদিও অত্যন্ত দুখৰে কব লগা হৈছে যে আমাৰ সমষ্টি প্ৰায় সংখ্যক গাওঁ অঞ্চলৰ ৰাস্তা-ঘাটৰ অত্যন্ত শোচনীয়া অৱস্থা। বহু কেইখন দলঙৰ এতিয়াও দৰকাৰ। স্বাস্থ্যৰ ক্ষেত্ৰতো যথেষ্ট গুৰুত্ব দিব লগীয়া আছে। প্ৰায় গোটেইকেইটা বিভাগতে যথেষ্ট খিনি অসুবিধা আমাৰ সমষ্টিত আছে। তথাপিতো যিহেতুকে তিনিটা বিভাগৰহে কথা কোৱাৰ সুযোগ দিছে, প্ৰথমে মই আমাৰ স্বাস্থ্য বিভাগত কেইটামান প্ৰস্তাৱ আগবঢ়াব খুজিছোঁ। মই বক্তব্যৰ আৰম্ভণিতে যোৱা ২২ অক্টোবৰ তাৰিখে আমাৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ শৰ্মা দেৱ আমাৰ মাজৰ পৰা বিদায় লৈছে, তেখেতৰ আত্মাৰ চিৰশান্তিৰ কামনা কৰিছোঁ আৰু তেখেতৰ স্মৃতি চিৰযুগমীয়া কৰাৰ কাৰণে যি বৰপেটা সত্ৰত দীৰ্ঘদিন তেখেতে আছিল, গতিকে তেখেতৰ নামত মই PWD বিভাগৰ পৰা এখন আই বি বনোৱাৰ বাবে দাবী উৎথাপন কৰিছোঁ। বৰপেটাৰ কেইবাখনো সত্ৰৰ খুব জৰজীৰ্ণ অৱস্থা। সুন্দৰদিয়া সত্ৰ, পাটবাউসী সত্ৰ, দামোদেৰৰ সত্ৰ এনেকুৱা এই সত্ৰ সমূহৰ আন্তঃগাঁথনিৰ যথেষ্ট অভাৱ আৰু বাকী কেইখন সত্ৰৰো যথেষ্ট অসুবিধা আছে। গতিকে প্ৰত্যেকটো সত্ৰৰে আমাৰ গুৰুজনাৰ তেখেতৰ আদৰ্শৰ প্ৰতি চৰকাৰ খন যিহেতু সদাশীল, গতিকে মই ভাৱো যে অতিসোনকালে এইখিনি চাৰ্ভে কৰি প্ৰত্যেকখন সত্ৰৰে আন্তঃগাঁথনিৰ যি উন্নয়নৰ কাম আছে এই খিনি কৰিব বুলি মই আশা কৰিছোঁ। মই প্ৰথমতে স্বাস্থ্য বিভাগৰ কথাত আহিছো যে বৰপেটাত যদিও আমাৰ ফকৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ খন আছে আপোনালোকে জানে যে আগতকৈ যথেষ্ট সংখ্যক ৰোগী বাঢ়িছে। আগত যদি অ'পিডি আঢ়ৈশ, তিনিশ ৰোগী আছিল এতিয়া হাজাৰৰ পৰা বাৰশলৈ হৈছে। গতিকে ইয়াত Super Speciality Department ৰ দৰকাৰ, আমাৰ ইয়াতে নাই। Neurology, Nephrology Department এতিয়াও নাই। গতিকে এই বিভাগ বোৰ অতি সোনকালে আৰম্ভ কৰিবলৈ মই চৰকাৰক দাবী উত্থাপন কৰিছোঁ। আমাৰ হাউলীৰ চি এইচ চি খন এফ আই লৈ উন্নীত কৰাৰ কথা মই আগতে দোহাৰিছো আৰু এতিয়াও মই এই কথাটো দাবী উত্থাপন কৰিছোঁ। আমাৰ গৰৈমাৰী অত্যন্ত জনবহুল অঞ্চল। তাত গৰৈমাৰী Public Health Centre এখন আছে, সেই খন চি এইচচি লৈ উন্নীত কৰাৰ কথা ইয়াতে উত্থাপন কৰিলোঁ। আমাৰ হাজোপাৰা Health and Wellness Centre আৰু গান্ধাৰীপাৰা Sub-centre আছে এই দুখনৰ PHC লৈ উন্নীত কৰাৰ কাৰণে মই দাবী উত্থাপন কৰিছোঁ। NHM ৰ অধীনত ২৬-০২-২০২১ তাৰিখতে আমাৰ তাত নাঙলপুৰ নামৰ প্ৰেমোদা পি এইচ চি এখন আৰম্ভ কৰা হৈছিল কিন্তু বৰ দুখৰ বিষয় tender হৈ যোৱাৰ পিছত tender cancel হ'ল গতিকে মই ভাৱো যে বিভাগৰ কি গাফিলতি আছে সেইটো অলপ চোৰচিতা কৰি পুনৰাই সেই পি এইচ চি খনৰ কাম আৰম্ভ কৰিব লাগে। দ্বিতীয়তে Water Resource বিভাগত কেইটামান প্ৰস্তাৱ আগবঢ়াৱ খুজিছো। আপোনালোকে জানে যে আমাৰ সমষ্টিটো যদিও সদৰ সমষ্টি এফালে ব্ৰহ্মপুত্ৰ এফালে আমাৰ বেঁকী নদী আনফালে পল্লানদী, চাউলখোৱা নদীয়ে যথেষ্টখিনি গৰাখহনীয়া আৰু বানপানীৰ এটা পৰিৱেশৰ সৃষ্টি কৰে আৰু সময়ে সময়ে যথেষ্ট অসুবিধা হয়। কাৰণ বৰপেটা সমষ্টি কৃষি প্ৰধান অঞ্চল আৰু আমি জানো তাত অসমৰ ভিতৰত আটাইতকৈ মাছৰ খেতি হয়। গাৰলাপাৰা পঞ্চায়তত। গতিকে ইয়াতে আমাৰ হাউলীৰ National Highway পথৰ পৰা পল্লা নদীৰ কাষে কাষে দঙৰকুচীলৈ যোৱা যিটো মথাউৰি আছে সেইটো মথাউৰি বানপানীৰ সময়ত ডুব যায় আৰু গোটেই

হাউলী অঞ্চল, বৰপেটাত যিটো হাউলীৰ state Highway এই গোটেইখিনি দুবী যায় আৰু এই অঞ্চল গোটেইখিনি পানীয়ে ডুবাই পেলায়। যাৰ কাৰণে এই অঞ্চলটোত আটাইতকৈ বেছি মাছৰ উৎপাদন হয়, গতিকে লাখ লাখ টকা কৃষকৰ অনিষ্ট হয়। গতিকে মই আশা কৰো আপোনাৰ যোগেদি আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক কওঁ যে আমাৰ এই মথাউৰিৰ কামটো পকীকৰণ কৰি এটা স্থায়ী বানপানী নিয়ন্ত্ৰণ কৰাৰ কাৰণে এটা ব্যৱস্থা কৰিব বুলি অনুৰোধ কৰিলো। জয়পুৰ নুন মাটিৰ পৰা বানিয়াৰাৰ পৰা মজিদ তিনিআলিলৈ কুমলীপাৰা জি পি লৈ এই বেকী নদীৰ পাৰটো যথেষ্ট খহনীয়াৰ সৃষ্টি কৰিছে ইয়াতেও খহনীয়া নিয়ন্ত্ৰণ কৰাৰ কাৰণে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই আশা কৰিছোঁ। আপোনালোকে জানে যে আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই কৈছিল বৰহী সত্ৰ যে, বৰহীৰ পৰা আমাৰ বাঘবৰ সত্ৰলৈ মাজত আমাৰ বৰপেটা সমষ্টি আমাৰ ৫ কিঃমিঃ আছে। গতিকে এই ব্ৰহ্মপুত্ৰৰ পাৰখিনিও পকী মথাউৰি কৰি দিয়ে, তেতিয়া হ'লে আমাৰ দক্ষিণ অঞ্চলৰ মানুহখিনি যথেষ্ট উপকৃত হ'ব। নখাণ্ডা নদীৰ ব্ৰীজৰ কাষত যথেষ্ট গড়াখহনীয়াৰ অসুবিধা হৈছে। গতিকে বিভাগে গুৰুত্ব দিব বুলি আশা ৰাখিছো। এইবাৰ মই লোক নিৰ্মাণ বিভাগক এটা প্ৰশ্ন কৰিছিলো, মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে যে, যদিও মোৰ সদৰ সমষ্টি অত্যন্ত দুখৰ কথা এতিয়াও ৪৯ খন ৰাস্তা পকীকৰণ কৰিবলৈ বাকী আছে আৰু ৮৩ কিঃমিঃ বুলি দেখুৱাইছে। প্ৰকৃত সত্য কথাটো হৈছে যে, এই সংখ্যা ১০০ ৰ অধিক হ'ব। গতিকে মই উল্লেখযোগ্য কেইটামান ৰাস্তাৰ নাম ক'ম আৰু কেইখন মান ব্ৰীজ আমাৰ অনুমোদন দিছে ইয়াৰ উপৰিও অনুমোদন দিয়া ব্ৰীজকেইখন হৈছে বাটাৰপুৰ, নাজিৰ পথ, ঘোড়ামাৰা, হাতীৰোড, ডাবালিপাৰা পৰা বানিয়াৰা ৰোড, কুমলীপাৰা আৰু গৰৈমাৰী ৰোড এই যিকেইটা সংলগ্ন ব্ৰীজ খালী আৰু বিটিএডিত আছে হাল্লাৰ পাম আৰু উত্তৰ কালঝাৰ ৰোড এই সংলগ্ন ব্ৰীজ কেইটা অনুমোদন দিছে। ইয়াৰ উপৰিও ৰোড ভায়া, মাজাৰ গাঁও, পহুমৰা টেমুৰা ৰোড, ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ ৰোড, কদমবৰী ভায়া ৰোড, হাউলী, জয়পুৰ নুনমাটি ৰোড এই কেইটা সংযোজী ব্ৰীজ আৰু পাল্লা নদীত জাপাইলাপাৰাত এখন ব্ৰীজৰ অত্যন্ত দৰকাৰ আছে। আমাৰ যদি বিকল্প পথ হৈ যায়, হাউলী আউট পোষ্টৰ পৰা বগাইজান পাৰা হৈ আজাল স্কুলৰ সন্মুখেদি আমাৰ ডিপি চেন্টাৰ হৈ খানবান্দা হৈ বৰপেটা মেডিকেল কলেজলৈকে এই ৰাস্তাটো যদি পুনৰ নিৰ্মাণ কৰি দিয়ে আৰু চাউলখোৱা নদীৰ ওপৰত এখন ব্ৰীজ বনাই দিয়ে, গোটেই বৰপেটা সমষ্টিৰ লগতে সৰভোগ সমষ্টি এই মানুহখিনি যথেষ্ট উপকৃত হ'ব। এতিয়ালৈ যিবিলাক মুখ্য মুখ্য পথ আছে PMGSY ৰ অধীনত কিয় নাহিলে আৰু কিয় পকীকৰণ নহ'ল মই এই কথাটো বুজি নাপাওঁ। গতিকে আমাৰ প্ৰত্যকটো GP ৰ মুখ্য পথ বিলাকৰ নাম লিপিবদ্ধ কৰি আছো। এইখিনি মই জমা দিম। মই যদিও ১৫ কিঃমিঃ ৰাস্তা পাইছো আৰু ১৫ কিঃমিঃ ৰাস্তাৰ লিষ্ট দিছিলো মই আশা কৰো সেই লিষ্টটো অনুমোদন কৰি দিয়ে বৰপেটা সদৰৰ ৰাইজ বহু উপকৃত হ'ব। SC/ST বিভাগৰ ফালৰ পৰা ৰাস্তাৰ প্ৰস্তাৱ দিছিলো সেইখিনি বিভাগক মই জমা কৰি দিম। ৰাস্তাৰ নাম কেইটা ক'ব খোজা নাই কাৰণ ১০০ ৰ ওপৰত ৰাস্তা আছে মই লিখি আনিছো, এইখিনিও মই জমা দি দিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী পোনাকণ বৰুৱা।

**শ্ৰী পোনাকণ বৰুৱা, (চাবুৱা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, চাবুৱা বিধান সভা সমষ্টিত ১৬ খন গাঁও পঞ্চায়ত আৰু এখন পৌৰ সভাৰে গঠিত। বৃটিছে গঢ়া চাবুৱা পুৰণি নাম থকা সমষ্টি । সেই হিচাবে উন্নয়নৰ যাত্ৰাত যিধৰণে আগবাঢ়িব লাগিছিল, তেনেধৰণে আগবঢ়া নাই। প্ৰথমতে চাবুৱাৰ

বানগড়াখহনীয়া সমস্যা তাত ৫ খন পঞ্চায়ত বানগড়াখহনীয়া কৰলত। চাবুৱা বিধান সভা সমষ্টিৰ তিনিচুকীয়া জিলাৰ গটং, গুইৰীজান আৰু শান্তিগৰালী। ডিব্ৰুগড় জিলাৰ বিন্ধাকটা আৰু বালিজান এই ৫ খন পঞ্চায়ত ব্ৰহ্মপুত্ৰৰ দাতিকাষৰীয়া এই অঞ্চল সমূহ যোৱা ১৯৮৯ চনৰ পৰা বানগড়াখহনীয়াত প্ৰবল ভাবে আক্ৰান্ত হৈছে। ১৯৮৯ চনৰ পৰা বানগড়াখহনীয়াৰ ফলত এই অঞ্চলৰ জীৱন যাত্ৰা ব্যহত হৈছে। ১০ কিঃমিঃ ভিতৰলৈ সোমাই আহিছে। ১০ কিঃমি সোমাই অহাৰ ফলত চাবুৱা বিধান সভা সমষ্টিৰ বালিজান গাঁও পঞ্চায়ৰ ৯ নম্বৰ যি ৰংমলা ওৱাৰ্ড সম্পূৰ্ণ ৰূপে গ্ৰাস কৰিছে। এতিয়া ৰংমলা ওৱাৰ্ড ইতিহাস। ৰংমলা চাহ বাগিচাত থকা মোডী চাহ বাগিচাৰ ফেক্টৰী সহ এজোপা চাহ গছ নাই। সম্পূৰ্ণ ৰূপে বানপানীত জাহ গ'ল। সাপকাটা চাহ বাগিচা ৯০ শতাংশ জাহ গ'ল। তাত থকা ৰাজহ গাঁও কৃষি ভূমি জাহ গ'ল। বিধাকতা পঞ্চায়তৰ টেঙাবাৰী, গেৰেকী, নেপালী আদি অঞ্চল বানপানীত সাংঘাটিক ধৰণে ক্ষতিগ্ৰস্ত হৈছে। গুৰিজান পঞ্চায়তৰ এৰাজান অঞ্চল বানত ক্ষতিগ্ৰস্ত হৈছে। আমাৰ কৈলায়া পথাৰ অঞ্চলত যোৱাটো বছৰত ২৪ টাকৈ বাসগৃহ তাত থকা বিদ্যালয় ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। মিৰিগাঁৱত থকা সাংস্কৃতিক ভৱন অন্যান্য ধৰ্মীয় অনুষ্ঠান সমূহ ইতিমধ্যে ব্ৰহ্মপুত্ৰত বুকুত জাহ গৈছে। বানগড়াখহনীয়াত ডিব্ৰুচৈখোৱা অধিকাংশ অঞ্চল ব্ৰহ্মপুত্ৰত বুকুত জাহ গৈছে। জলসম্পদ বিভাগে জনোৱা মতে লুইত, দিবাং, চিয়াং, নদী বিনাকাটা ভূলুকাত আৰম্ভ হৈ ব্ৰহ্মপুত্ৰ তাৰ পৰা আৰম্ভ হৈছে। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ যি ঘৰৰ ভেটি তাৰ পৰা ১০০ মিটাৰ আতৰত ব্ৰহ্মপুত্ৰ নদী আৰম্ভ হৈছে। নদী সাধাৰণেতে পূবৰ পৰা পশ্চিমলৈ বয়। নদী উত্তৰৰ পৰা দক্ষিণলৈ বৈ গৈছে। চাবুৱা বিধান সভা সমষ্টিত ৫ খন পঞ্চায়তত আহি নদীয়ে খুন্দা মাৰিছে। ১৯৮৯ চনৰ পৰা ধাৰাবাহিক ভাবে খহনীয়া হৈ আছে। এই খহনীয়া প্ৰতিৰোধ কৰিবৰ বাবে যোৱা সময়ছোৱাত চৰকাৰ বিলাকে বিশেষকৈ কংগ্ৰেছ চৰকাৰে এটা পদক্ষেপ হাতত নল'লে। যোৱা সময়ছোৱাত আমাৰ চৰকাৰে জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়া আছিলে এতিয়া মাননীয় পিযুষ হাজৰিকা ডাঙৰীয়াই এই অঞ্চলটো ৰক্ষা কৰিবৰ বাবে বিভিন্ন ধৰণে আঁচনি গ্ৰহণ কৰিছে। এনে পৰিস্থিতিত যোৱা চৰকাৰৰ সময়ত আমাৰ জলসম্পদ মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়া আছিল আৰু বৰ্তমানৰ জলসম্পদ মন্ত্ৰী ডাঙৰীয়াই আমাৰ এই অঞ্চলটো ৰক্ষা কৰিবৰ কাৰণে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। গতং নতুন গাঁৱৰ পৰা বালিজানলৈকে, চাবুৱাসমষ্টিৰ কথা কৈছো মুঠ ২০.৫ কিঃ মিঃ দৈঘ্যৰ ভিতৰত জলসম্পদ বিভাগে নতুন গাৱৰ পৰ্যটন প্ৰজেক্ট-১ সুৰক্ষাবান গুইজানৰ ব্ৰহ্মপুত্ৰ - অনন্তনলাৰ সৃষ্ট খহনীয়া প্ৰতিৰোধ মটক ৰজা সৰ্ব্বানিন্দ সিংহৰ মৈদাম সুৰক্ষা আৰু সৌন্দৰ্য্যবৰ্ধন আঁচনি, ৰঙাগড়া চাহবাগিচাৰ কল ঘৰ সুৰক্ষা আঁচনি, দিনজান সামৰিক চাউনী সুৰক্ষা আঁচানি, মুকুল গাওঁ, খালগাওঁ সুৰক্ষা আঁচনি, ব্ৰহ্মপুত্ৰ দ্বাৰা ভীষণ ভাবে ক্ষতিগ্ৰস্থ পুখুৰীজান অঞ্চলক সুৰক্ষাৰ বাবে মেৰামতিৰ কাম যুদ্ধকালিন তৎপৰতাৰে কৰি আছে। এই বৃহৎ অঞ্চলটোৰ সুৰক্ষাৰ বাবে আৰু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ লুইট, ডিব্ৰু, অনন্ত নলা, ডিবাং, চিয়াং আদিৰ আগ্ৰাসীৰোধ প্ৰতিৰোধ কৰিবলৈ চৰকাৰে কৰা ফলপ্ৰসু কাৰ্য্যব্যৱস্থাৰ বাবে মই পূৰ্বৰ জলসম্পদ মন্ত্ৰী শ্ৰীকেশৱ মহন্ত ডাঙৰীয়াক , মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়া আৰু জলসম্পদ মন্ত্ৰী শ্ৰীপিযুষ হাজৰিকা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। এইখিনিতে মই মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ চাবুৱা বিধান সভা সমষ্টিৰ ৫ খন গাওঁ পঞ্চায়তৰ গতং পঞ্চায়ত নতুন গাৰৰ পৰা বালিজান চাহ বাগিচালৈ নদী কাষৰীয়া ২০.৫ কিঃ মিঃ ভিতৰত বৰ্তমানেও ১১,৩০০ মিঃ বিপদজনক ভাবে উন্মুক্ত হৈ আছে, অধ্যক্ষ মহোদয় মই আপোনাৰ

জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো, যে মই পূৰ্বতে ক'লো নদীখন আৰু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহে পূৱৰ পৰা পশ্চিমলৈ নহয়, দক্ষিণলৈ বোৱাৰ কাৰণে মথাউৰিৰ পাৰত আহি খুণ্ডা মাৰিছে, যাৰ কাৰণে উন্মোক্ত অঞ্চল সমূহ বিপদজনক হৈ আছে। যি ঠাইত ামি সুৰক্ষাৰ কাৰণে কাম কৰিছো তাতো আক্ৰমণ হৈছে, গতিকে তাৎক্ষণিক ভাৱে, জৰুৰী ভাবে এই অঞ্চলটো সুৰক্ষাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে ডাঙৰ আঁচনি গ্ৰহণ কৰি এই অঞ্চলৰ ৰাইজক যাতে উপাকাৰ কৰে, তাৰ কাৰণে মই অনুৰোধ জনাব বিচাৰিছো। মই ২য়টো বিষয়লৈ যাব বিচাৰিছো, এইটো বান খহনীয়াত জৰিত এটা কথা। এইটো মই বন বিভাগৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো, মাননীয় মন্ত্ৰী মহোদয় ইয়াত আছে। দধিয়া লাইকা অসমৰ মানুহে বোধহয় নুশুনা নাম নহয়। ডিব্ৰুচৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত থকা এখন বনগাওঁ, সৰু সৰু বনগাওঁৰ সমষ্টি দধিয়া লাইকা। ১৯৫০ চনৰ বৰভুঁইকপৰ পাছত দধিয়া লাইকাত বিশেষকৈ জোনাই আৰু নেফা এই অঞ্চলৰ পৰা এই লোকসকলক আনি তাত সংস্থাপিত কৰা হৈছিল। আৰু তাৰ ১০০ শতাংশ লোকে মিচিং জনগোষ্ঠীয়। এটা সময়ত শস্য কৃষি পথাৰ, মাছ, দুগ্ধ উৎপাদন আদিৰে পৰিপুৰ্ণ দধিয়া লাইকাত ১৯৮৯ চনৰ পৰা মই পূৰ্বতে কোৱাৰ দৰে গড়াখহনীয়াৰ ফলত প্ৰৱল বানপানীৰ ফলত জনজীৱন ব্যতিব্যস্ত হৈ উঠিছে। দধিয়া লাইকা এটা সময়ত মিচিংৰ ঐনিতম সুৰত দধিয়া লাইকা নাচি উঠিছিল। মনপ্ৰাণ নাচি উঠে দধিয়া লাইকা বুলি কলে। কিন্তু যোৱা সময়চোৱাত দধিয়া লাইকা বেদনা শুনিলে আপোনাৰ বুকু কঁপি উঠিব। তেওঁলোকৰ বহি বিশ্বৰ লগত যোগাযোগৰ কোনো পথ নাই। একমাত্ৰ নাৱেই তেওঁলোকৰ অহা যোৱা কৰাৰ মুল আহিলা। তাত কোনো ধৰণৰ পোহৰৰ ব্যৱস্থা নাই। ৰাস্তা ঘাটৰ ব্যৱস্থা নাই। বছৰৰ ৪-৫ টা মাহ তেওঁলোকে বানপানীত চাংঘৰত থাকে। তেওঁলোকে মাটি দেখা নাপায়। মৃতদেহ সৎকাৰ কৰিবলৈ তেওঁলোকে বাহিৰলৈ ওলাই আহিব লাগে। বানপানীৰ লগত যুজি যুজি তেওঁলোক অভ্যস্ত হৈ গৈছে। মহিলা সকলক তেওঁলোকে বাহিৰলৈ পথাই দিয়ে আৰু পুৰুষ সকল বানপানীৰ লগত তাতে যুজি থাকে। জনজীৱন অতি ব্যতিব্যস্ত হৈ পৰিছে। দধিয়া লাইকাৰ মুঠতে ১,৪৮০ টা পৰিয়াল। এই ১,৪৮০ টা পৰিয়ালৰ লোকক এই মুহূৰ্তত পুনৰ সংস্থাপন কৰাটো আমাৰ চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য। দধিয়া লাইকা যিহেতু বনভূমিত আছে, সেইখন যিহেতু ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰা হ'ল, গতিকে ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰাৰ লগে লগে তাত মানুহ থাকিব নোৱাৰে চৰকাৰীভাবে। আইনগত ভাবেও নোৱাৰে, গতিকে এই লোক সকলক পুনৰ সংস্থাপিত কৰাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো।

দধিয়া লাইকা বনগাৱৰ বাহিৰৰ গৰমজান এৰাসুটি এই অঞ্চলৰ লোক সকলক অসম গণ পৰিষদ চৰকাৰ থাকোতে গুইজান আনি সংস্থাপিত কৰা হৈছিল। ৯০ টা পৰিয়াল আজিও সেই লোকসকল তাতে আছে। সেইসকল লোককো পুনৰ সংস্থাপিত কৰাৰ কাৰণে ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনালো। মই পিছৰ বিষয়টোলৈ যাব বিচাৰিছো, অধ্যক্ষ মহোদয় সেইটো হৈছে চাবুৱা পৌৰ সভা। চাবুৱা পৌৰ সভাৰ সমস্যা সম্পৰ্কত মই ক'ব বিচাৰিছো, চাহ যোগ বোৱা সমান চাবুৱা। চাবুৱাত বৃটিছ সকলে ১৮৩৫ চনৰ পৰা চাহখেতি আৰম্ভ কৰাৰ কাৰণে চাবুৱা নাম হ'ল। আৰু সেই চাবুৱাক ভিত্তি কৰি চাবুৱা চহৰ গঢ় লৈ উঠিল। খুব পুৰণি চহৰ, সৰু চহৰ কিন্তু সমস্যা অনেক। সময় যিহেতু কম মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাব বিচাৰিছো। ১৯৬১ চনত চাবুৱা নগৰ সমিতি গঠন হৈছিল। চাৰিটা ৱাৰ্ডেৰে গঠিত চাবুৱা নগৰ সমিতি ২০২১ চনত ১০ ৱাৰ্ড বিশিষ্ট হৈ চাবুৱা পৌৰসভালৈ উন্নীত হয়।

বয়সৰ লেখেৰে যথেষ্ট পুৰণি পৌৰ সভা যদিও চাবুৰা পৌৰসভাৰ আন্তঃগাঁথনি দুৰ্বল, উন্নয়নহীন, পিছপৰা আৰু অপৰিকল্পিত, সাধাৰণতে এখন চহৰ, এখন  পৌৰসভা থাকিলে ইয়াৰ আওঁতাৰ ভিতৰত যি যি থাকিব লাগে, তাৰ ৯৫ শতাংশ চাবুৰা পৌৰ সভাত নাই। পৌৰ সভা হলেও চাবুৰা পৌৰ সভাৰ নিজস্ব ভুমি খুবেই কম. যাৰ বাবে আয়ৰ উৎসও তেনেই সীমিত। আয়ৰ উৎস হিচাবে কেৱল মাত্ৰ চাবুৰা দৈনিক বজাৰত থকা দোকান সমূহৰ ভাড়া, এখন দৈনিক বজাৰ, এখন সাপ্তাহিক বজাৰৰ নিবিদাৰ জৰিয়তে প্ৰাপ্ত  ৰাজহ, গৃহ কৰ আদিতে সীমিত। সৰু চহৰ চাবুৰাৰ সমস্যা কিন্তু অনেক। পূৰ্বৰ চৰকাৰসমূহৰ দিনত চাবুৰা চহৰক পৰিকল্পিতভাৱে আগুৱাই নিবলৈ পুঁজিৰ যোগান ধৰা নহ'ল। পুঁজিৰ যোগান ধৰিলেওঁ সেই বিলাকত সীমাহীন দুৰ্নীতি সংঘটিত হ'ল। মিত্ৰজোঁট চৰকাৰ গঠনৰ পাছত নতুন চিন্তা পৰিকল্পনা আগবঢ়াই নিবলৈ আমি কিছু ক্ষুদ্ৰ প্ৰয়াস কৰিছো। সম্প্ৰতি চাবুৰা চহৰত লোকনিৰ্মাণ বিভাগৰ সৌজন্যত এটি অত্যাধুনিক অতিথিশালা নিৰ্মান কৰি থকা হৈছে। চাবুৰাৰ সাংস্কৃতিক বিকাশৰ বাবে চাবুৰা চহৰত টাউন হল নিৰ্মান কাৰ্য্য চলি আছে। চিগনেচাৰ আঁচনিৰ অধীনত ষ্টেডিয়াম নিৰ্মাণ কাম চলি আছে। উপাধ্যক্ষ মহোদয় মই জনাবলৈ পাই সুখী হৈছো, অসম গেছ কোম্পানীৰ সহযোগত চাবুৰা আৰু ইয়াৰ দাতি কাষৰীয়া ৰাইজক পাইপ যোগে ঘৰে ঘৰে ৰন্ধন গেছৰ যোগান প্ৰক্ৰিয়া ইতিমধ্যে চলি আছে। এখন বিকশিত চহৰ হিচাপে চাবুৰা চহৰক আগবঢ়াই নিবলৈ, চাবুৰা কলেজ পথ বহলীকৰণ আঁচনি গ্ৰহণ কৰিব লাগে। যাৰ বাবে প্ৰয়োজনীয় ভূমি অধিগ্ৰহণ আৰু পুজিযোগানৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সম্প্ৰসাৰিত চাবুৰা পৌৰ সভা এলেকাত এখনি উদ্যান প্ৰতিষ্ঠা কৰিব লাগে। গ্ৰন্থ অধ্যয়ন আৰু এটি বিদ্যায়তনিক সাংস্কৃতিক পৰিবেশ গঢ়িবলৈ, পুথিভঁড়াল, ই লাইব্ৰেৰী প্ৰতিষ্ঠা গ্ৰহণ কৰক চাহ উদ্যোগৰ ২শ বছৰীয়া ইতিহাসত অসমৰ ভিতৰতে চাবুৰাৰ যোগদান সৰ্বাধিক। চাবুৰা চহৰত চৰকাৰীভাৱে চাহ নগৰী হিচাপৈ ঘোষণা কৰা হওঁক। আৰু ইয়াৰ বিকাশৰ বাবে পুঁজি যোগান ধৰা হওঁক। চাবুৰা এতিয়া এখন বৰ্ধিত চহৰ। জনসংখ্যা বাঢ়িছে, ব্যৱসায় বানিজ্যও বাঢ়িছে। গতিকে সম্প্ৰসাৰিত চাবুৰা পৌৰ সভা এলেকাৰ উপযুক্ত স্থানত  নতুন দোকান ৰেষ্টুৰেন্ট আদি নিৰ্মাণৰ ব্যৱস্থা কৰক। চাবুৰা চহৰ পৰিয়াল সমূহলৈ বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা নাই,  যোগানৰ ব্যৱস্থা হ'ব লাগে। অতি স্পৰ্শকাতৰ বিষয় চহৰৰ পানী নিষ্কাষণ কৰিবলৈ কোনো ধৰণৰ বিজ্ঞানসন্মত নলা নৰ্দমাৰ ব্যৱস্থা নাই। যাৰ ফলত ঘৰুৱা ব্যৱহৃত পানী বৰষুণৰ পানী মিলি এক অস্বাস্থকৰ পৰিবেশ চাবুৰা চহৰত সদায় বিৰাজমান। চাবুৰা চহৰৰ  সকলো ধৰণৰ পানী নিষ্কাষন কৰিবলৈ বিজ্ঞানসন্মত নলা নৰ্দমাৰ  নিৰ্মাণৰ বাবে ব্যৱস্থা ল'ব লাগে। চাবুৰা চহৰৰ সমগ্ৰ অঞ্চলৰ নিৰাপত্তাৰ CCTV কেমেৰা স্থাপন কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয় জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ আশা কৰিম। ধন্যবাদ

**মাননীয় উপাধ্যক্ষ** - ধন্যবাদ, এতিয়া সমসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়,  সদস্য ঘন্টাৰ যোগেদি সন্মানীয় বিধায়ক ফণীধৰ তালুকদাৰ ডাঙৰীয়াই তেখেতৰ সমষ্টি সম্পৰ্কীয় কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ উৎথাপন কৰিছে। PWD বিভাগক কেন্দ্ৰ কৰি  মই তাৰ উত্তৰ ক'বলৈ আৰম্ভ কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, ভৱানীপুৰ সমষ্টিৰ সন্মানীয় বিধায়ক ফণীধৰ তালুকদাৰ ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ এটা জলন্ত সমস্যা হিচাপে উত্থাপন কৰা ৰাজাখাট অঞ্চলৰ পহুমৰা নদীৰ ওপৰত NH - 31 ৰ NH A I নিৰ্মাণ কৰি উলিওৱা নতুন দলং খনৰ যোৱাবছৰ পলয়ংকাৰী বানপানী সময়ত বানপানীৰ সৰ্বোচ্চ সীমা HFLA গ্ৰেডাৰ স্পৰ্শ কৰাৰ ঘটনাতিৰ লোকনিৰ্মাণ বিভাগৰ দৃষ্টিগোচৰ

হৈছিল, আৰু বিষয়টো ইতিমধ্যে NHAI অৱগত কৰা হৈছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ব্ৰীজখন অসম চৰকাৰৰ নহয়, NH AI ৰ । গতিকে PWD বিভাগে NHAI ক এই বিষয়ে অৱগত কৰিছে। লগতে মাননীয় বিধায়ক মহোদয়ে উল্লেখ কৰা পহু মৰা নদীৰ ওপৰত অৱস্থিত মুঠ ৭খন দলংৰ দৈঘ্যৰ স্থিতি সম্পৰ্কে অৱগত কৰিব বিচাৰো, যে কঁঠাল মুৰি ঘাটৰ দলংখনৰ দৈঘ্য১৬২ মিঃ বৰলাঘাট দলংৰ দৈঘ্য১৬২ মিঃ, এন এইচ ১৫২ ভতন্ত মহিতৰা হৈ যোৱা পথৰ ওপৰৰ দলঙৰ দৈৰ্ঘ্য ১২৮ মিটাৰ, টিহু-পালহা শিমলবাৰীৰ পৰা শিমলাগুৰিলৈ যোৱা পথৰ ওপৰৰ দলঙৰ দৈৰ্ঘ্য ১২৮ মিটাৰ, আনহাতে কদমতল, টুকুৰাকুছিৰ পৰা ৰূপহীলৈ যোৱা পথৰ ওপৰত অৱস্থিত আৰু বৰকুৰ হাঠিনাপুৰ পথৰ অৱস্থানত বহুমুৰা নদীৰ প্ৰস্থ কম হোৱা হেতুকে দলং খনৰ দৈৰ্ঘ্য কমে ৯৬.৬০ মিটাৰ আৰু ১০২.৬০ মিটাৰ হৈছে, য'ত দলঙৰ দৈৰ্ঘ্য নদীৰ প্ৰস্থত কৈ বেছি। উল্লেখযোগ্য যে টুকুৰাকুছি ৰূপহী পথত অৱস্থিত ৯৬.৬০ মিটাৰ দৈৰ্ঘ্যৰ দলঙখন ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা ২০ কিলোমিটাৰ উজনিত অৱস্থিত। ইয়াৰ উপৰি জনাওঁ যে ওপৰত উল্লেখিত ৭ খন দলঙৰ কোনোখনতে যোৱা বছৰ বানপানীৰ সময়ত HFL য়ে দলঙৰ Grider স্পৰ্শ কৰিব পৰা নাই, দলঙৰ এপ্ৰোচ চিঙিব পৰা নাই আৰু দলং সমূহত পৰ্য্যাপ্ত পৰিমাণৰ vertical clearance ৰখা আছে। উল্লেখিত ৭ খন দলঙৰ ক্ষেত্ৰত বানপানীৰ সময়ত থাকিব লগীয়া পথ আৰু দলঙৰ স্থিৰতা সংক্ৰান্তীয় কাৰিকৰী চৰ্ত সমূহ পালন কৰা হৈছে।

ইয়াৰ উপৰিও প্ৰাকৃতিক কাৰণত ভৰিষ্যতে প্ৰয়োজন হ'লে দলঙৰ sub-structure ৰ উচ্চতা বঢ়াই vertical clearance বঢ়োৱাটো অভিযান্ত্ৰিক প্ৰযুক্তিৰ দিশৰ পৰা সম্ভৱ। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই এতিয়া সন্মানীয় বৰপেটাৰ বিধায়ক শ্ৰী আব্দুল ৰহিম আহমেদ ডাঙৰীয়াই উত্থাপন কৰা পি ডব্লিউ ডি বিভাগ আৰু জলসম্পদ বিভাগৰ উত্তৰ সমূহ সদনত জনাব বিচাৰিছো। বৰপেটা বিধান সভা সমষ্টিৰ পঞ্চায়ত আৰু গাওঁ উন্নয়ন কমিটি অনুযায়ী উল্লেখ কৰা ৫৫ টা পথ এতিয়ালৈকে কোনো আঁচনিৰ অধীনত অনুমোদিত হোৱা নাই। ইতিমধ্যে তেখেতে কৈছে এইবাৰ যথেষ্ট ৰাস্তা তেখেতৰ সমষ্টিত আমাৰ বিভাগৰ পৰা অনুমোদন দিয়া হৈছে। পথ সমূহৰ ভিতৰত ভেল্লা গাওঁ পঞ্চায়তৰ অধীনস্থ ক্ৰমিক নং ২ আৰু ৩ ত উল্লেখিত পথ দুটা PMGSY ৰ অধীনত ভৰিষ্যতে বিবেচনাৰ বাবে DRRP ত তালিকাভুক্ত হৈ আছে। সেইদৰে বাহমূৰা গাওঁ পঞ্চায়তৰ অধীনস্থ ২,৩ আৰু ৪ নং কেওঁটকুছি গাওঁ পঞ্চায়তৰ অধীনস্থ ১ নং আৰু ৩ নং, ভেল্লা গাওঁ পঞ্চায়তৰ অধীনস্থ ১ নং দংৰা গাওঁ পঞ্চায়তৰ অধীনস্থ ৩ আৰু ৪ নং আজাদ গাওঁ পঞ্চায়তৰ অধীনস্থ ১ নং এই পথ কেইটা মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনিৰ বাবে প্ৰাথমিক পৰ্য্যায়ৰ বাচনি তালিকা (candidate Road List) ত অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু পৰৱৰ্ত্তী পৰ্য্যায়ৰ জিলা পৰ্য্যায়ৰ কমিটিয়ে আৰু ৰাজ্যিক পৰ্য্যায়ৰ কমিটিৰ বাচনিৰ মঞ্জুৰী তালিকাত তাতকৈ অধিক অগ্ৰাধিকাৰৰ পথ থকা বাবে এই পথখিনি ২০২২-২৩ বৰ্ষত অনুমোদন কৰাব পৰা নগ'ল। বিতং তালিকা মই আপোনাক দিয়াৰ ব্যৱস্থা কৰিম। তথাপিও মাননীয় বিধায়ক মহোদয়ে উল্লেখ কৰা পথ কেইটাৰ প্ৰয়োজনীয়তা লোক নিৰ্মাণ বিভাগে পৰীক্ষা কৰি চাব আৰু ভৰিষ্যতে ৰূপায়ণ হ'ব লগীয়া কোনো আঁচনিৰ নীতি অনুসৰি সম্ভৱ হ'লে অনুমোদনৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সন্মানীয় বিধায়ক মহোদয়ে উল্লেখ কৰা বৰপেটা সত্ৰ, পাটবাউসী সত্ৰ, দামোদৰ দেৱ সত্ৰ, কমাৰকুছি সত্ৰ আৰু সুন্দৰী দিয়া সত্ৰ সমূহৰ আন্তঃগাঁথনি উন্নয়ণৰ কাম লোক নিৰ্মাণ বিভাগৰ হাতত নাই। হিলাপাকৰি পুৰণা ভৱনটো বৰ্তমান জৰাজীৰ্ণ অৱস্থাত আছে। ভৰিষ্যতে এইটো নিৰ্মাণৰ কাৰণে প্ৰচেষ্টা লোৱা হ'ব। হাউলিৰ লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন ভৱনটো বৰ্তমান ব্যৱহাৰৰ উপযোগী হৈ আছে আৰু বৰ্তমানে ব্যৱহাৰ

কৰি থকা হৈছে। নতুন বৰপেটা টাউনত বৰপেটা বুঢ়া সত্ৰাধিকাৰ স্বৰ্গীয় বশিষ্ঠদেৱ শৰ্মাৰ নামত কোনো পৰিদৰ্শন ভৱন নিৰ্মাণৰ আঁচনি বৰ্তমানলৈ লোৱা হোৱা নাই। বৰপেটা জিলাৰ জিলা প্ৰশাসনৰ জৰিয়তে সত্ৰ সমূহৰ উন্নয়ণ মূলক কাম হাতত লোৱা হৈছে। উক্ত কামৰ তালিকা আজি ইয়াতেই আপোনাক সদনত দিয়াৰ ব্যৱস্থা কৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক গৰাকীয়ে জলসম্পদ বিভাগৰো সমস্যাৰ বিষয়ে উপস্থাপন কৰিছে। মই তেখেতক এটা এটাকৈ উত্তৰ দিব বিচাৰিছো। তেখেতৰ প্ৰথম প্ৰশ্নৰ উত্তৰত যিহেতু পল্লা নদীত জলসম্পদ বিভাগৰ কোনো মথাউৰি আদি নাই, গতিকে Road cum Embankment প্ৰস্তাৱ এই মূহূৰ্ত্তত লোৱা হোৱা নাই। দ্বিতীয় প্ৰশ্নটোৰ উত্তৰ জলসম্পদ বিভাগে নুনমাটি,জয়পুৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ সুৰক্ষাৰ বাবে বেকী নদীৰ বাওঁপাৰত protection of L/B of Noonmati, Gilajhari, Katlijher, Hajipara, Deolipara and its adjoining areas from the erosion of river Beki, নামৰ ২৮,৭৯,৪২,০০০.০০ টকাৰ এখন আঁচনি টি এ চি ৰ অনুমোদন লাভ কৰিছে। আমি পুঁজি সাপেক্ষে অতি সোনকালে কাম কৰিবলৈ যত্ন কৰিম। তৃতীয় প্ৰশ্নৰ উত্তৰ উপাধ্যক্ষ ডাঙৰীয়া হ'ল - জলসম্পদ বিভাগে বহৰিৰ পৰা বাঘবৰলৈ মথাউৰিৰ উন্নীতকৰণ আৰু সৰলী কৰণৰ বাবে এখন আঁচনি প্ৰস্তুত কৰিছে। ডক্ৰেশ্বৰৰ পৰা চকাবাউসী অঞ্চল সন্নিবিষ্ট হৈ আছে। এই আঁচনিখন হ'ল R/S to B/dyke from Bahari to Baghbar including protection of Bahari and its adjoining areas along with channelization of river Brahmaputa and reclamation of eroded land within the reach(Review). Estimated Amount Rs. 5,13,14,18,500.00/উপাধ্যক্ষ ডাঙৰীয়া, তেখেতৰ চতুৰ্থ প্ৰশ্নৰ উত্তৰ হ'ল ন-খান্দা নদীৰ ন-খান্দা দলঙৰ পৰা পানী খাইটি জানলৈ (ভেৰালদই চিলাপথাৰ) জলসম্পদ বিভাগৰ কোনো মথাউৰি আদি নাই। গতিকে এই অংশত গড়াখহনীয়া আঁচনিৰ প্ৰস্তাৱ লোৱা হোৱা নাই। যদিও গড়খহনীয়া তীব্ৰ হয় সেয়েহে আমি নিশ্চয়কৈ কাম কৰিবলৈ চেষ্টা কৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চম প্ৰশ্নৰ উত্তৰ হ'ল ভেলেঙী নদীৰ কুমাৰকুছি সত্ৰৰ পৰা মাজৰ গাওঁ আৰু নঙালকুৰ হৈ আগৰ জানলৈ কোনো গড়াখহনীয়া প্ৰতিৰোধী প্ৰস্তাৱ লোৱা হোৱা নাই। কাৰণ এই অংশত কোনো বান প্ৰতিৰোধী মথাউৰি আদি নাই। তেখেতে যদিও লিখিত ভাৱে কোৱা নাছিল, মই শুনি আছিলো, তেখেতে অনুসূচিত জাতিৰ প্লেনৰ পৰা ৰাস্তাৰ চেংচনৰ কাৰণে কৈছিল। আমাৰ যি নিয়ম আছে ৪০ শতাংশ ইন হেবিটেড চিডল কাষ্ঠ এৰিয়া থাকিব লাগে, যদি আমাৰ ক্ৰাইটেৰিয়াটো ফুলফিল কৰিব লাগে, ভৱিষ্যতে তেখেতৰ সমষ্টিত ACSP ৰ অধীনত ৰাস্তাৰ চেংচন দিবলৈ প্ৰচেষ্টা চলাম। মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া সন্মানীয় বিধায়ক শ্ৰী পোনাকন বৰুৱা ডাঙৰীয়াৰ যি জলসম্পদ বিভাগ কেন্দ্ৰীক প্ৰশ্নৰ উত্তৰ দিব বিচাৰিছো। তেখেতৰ সমষ্টিত মই দুমাহ মানৰ আগতে গৈছিলো যেতিয়া আমাৰ ডিব্ৰুগড়ত কেবিনেট অনুষ্ঠিত হৈছিল। মই মন্ত্ৰী হোৱাৰ পৰা মই তিনিবাৰ মান তেখেতৰ সমষ্টিলৈ গৈছিলো। তেখেতৰ সমষ্টিত যথেষ্ট কাম চলি আছে। মই এটা এটা কৈ পঢ়িম। তথাপিও মই কওঁ তেখেতৰ সমষ্টিত ব্ৰহ্মপুত্ৰখন ১০ কিলোমিটাৰ পৰে।

**শ্ৰী পোনাকণ বৰুৱা, (চাবুৱা)** ঃ ১০ কিলোমিটাৰ নহয়, ২০ কিলোমিটাৰ পৰে।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী)ঃ** তেখেতৰ তাত ১০ কিলোমিটাৰ গড়াখহনীয়া হৈ আছে যদিও ৮ কিলোমিটাৰ মথাউৰিৰ কাম ইতিমধ্যে চলি আছে। কেৱল ২ কিলোমিটাৰৰ কামহে বাদ পৰি আছে আৰু সেইখিনিও অতি সোনকালে কৰি দিয়াৰ চেষ্টা কৰা হ'ব। তথাপিও মাননীয় উপাধ্যক্ষ

মহোদয়, মই বিস্তৃতভাৱে ক'ব বিচাৰিছো যে চাবুৱা বিধান সভা সমষ্টিৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া প্ৰৱণ অঞ্চলৰ মুঠ দৈৰ্ঘ্য হ'ল ১০ কিলোমিটাৰ আৰু এটা অঞ্চল হ'ল নতুন গাওঁৰ পৰা গুইজানলৈ সেইটো হৈছে ৩. ৫০ কিলোমিটাৰ, গুইজানৰ পৰা দিনজান সেনা চাউনীলৈ ৭.০০ কিলোমিটাৰ। মুঠ ১০.৩ কিলোমিটাৰ অঞ্চলৰ ব্যাপকভাৱে আক্ৰান্ত অঞ্চলসমূহৰ ২ খন দুৰ্যোগ প্ৰশমন পুঁজিৰ আৰু এখন NESIDS শিতানৰ পুঁজিৰে মুঠ ২.৩৭৫ কিলোমিটাৰ অংশত খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে। ইয়াৰ উপৰি ADB ৰ ঋণৰ পুঁজিৰে আন ৩ কিলোমিটাৰ অংশত (গুইজানৰ পৰা খামটি গাওঁলৈ) ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা অঞ্চলত খহনীয়া প্ৰতিৰোধ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। হয়তো অহা বছৰ সেই কামৰ আৰম্ভ কৰিব পাৰিম। এইবছৰেই আমি working season টো লাষ্ট বুলি কওঁ, কিন্তু নৱেম্বৰ-ডিচেম্বৰত এই কামটো কৰিব পাৰিম। যাৱতীয়া অনুমোদন সাপেক্ষে কাম আৰম্ভ কৰা হ'ব আৰু অনুমোদনৰ কামখিনিৰ প্ৰস্তুতি পূৰ্ণভাৱে চলি আছে। বৰ্তমানে উন্মুক্ত অংশ সমূহত খহনীয়া পৰিলক্ষিত হোৱা নাই, হ'লে তাৎক্ষণিক ভাৱে ব্যৱস্থা লোৱা হ'ব। চাবুৱা বিধানসভা সমষ্টিৰ ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া আক্ৰান্ত অঞ্চলৰ মুঠ দৈৰ্ঘ্য হ'ল ১০ কিলোমিটাৰ। ইয়াৰে দিনজান সেনা ছাউনিৰ পৰা মুলুক ঘাটলৈ ৪.৭২৫ কি.মি. অঞ্চলত প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ পুঁজিৰে খহনীয়া প্ৰতিৰোধৰ কাম দ্ৰুত গতিত চলি আছে। ইয়াতে সেনা বাহিনীয়ে আমাক ১২৫ কোটি টকা প্ৰদান কৰিছে। তাত পূৰ্ণ গতিত কাম চলি আছে। মুঠৰ ওপৰত অহা দুই মাহৰ ভিতৰত সম্পুৰ্ণ কৰিব পাৰিম। ইয়াৰ নামনিত দুৰ্যোগ প্ৰশমন বিভাগৰ পুঁজিৰে ৰূপায়ণ কৰা কেইবাখনো আচঁনিৰে ৩.৩২৫ কি. মি. অঞ্চলৰ খহনীয়া প্ৰতিৰোধ ব্যৱস্থা সম্পুৰ্ণ হৈছে। এই অঞ্চলৰ নামনিত NABARD ৰ পুঁজিৰে ১.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ আন এখন আঁচনি দ্ৰুতগতিত চলি আছে। এই আঁচনিখন সম্পূৰ্ণ হোৱাৰ পাছত ৭.৮ কি. মি. অঞ্চলত খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা সম্পূৰ্ণ হ'ব। বাকী থকা ২.২০ কি.মি. থাকিব, আমি সেইখিনি কৰিবলৈ অতি সোনকালে যত্ন কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, চাবুৱা সমষ্টিৰ সন্মানীয় বিধায়ক পোনাকন বৰুৱা ডাঙৰীয়াই Municipal Board ক লৈ যিবিলাক কথা কলে, মোৰ কবলগীয়া হ'ল যে ৰাস্তা ঘাট, নলা - নৰ্দমা, Municipal Board ত নিৰ্মাণ কৰাৰ দায়িত্ব PWD বিভাগৰ তাত আছে। ইতিমধ্যে PWD বিভাগে বিভিন্ন Municipal অঞ্চলৰ পৰা কোন কেইটা ৰাস্তা ঘাট, নলা-নৰ্দমা কৰিব লাগে, তাৰ খতিয়ান লৈ আছে। তেখেতে PWD ক স্থানীয় ভাৱে যদি গোটেই যোগান ধৰিব পাৰে, ৰাস্তা ঘাট, নলা-নৰ্দমা কৰি দিয়াৰ ব্যৱস্থা আমি কৰি দিব পাৰিম।

পৌৰসভা এলেকাত পাৰ্কৰ কথা কৈছে, তাত আমাৰ আপত্তি নাই। তেখেতে যদি প্ৰস্তাৱ দিয়ে, প্ৰস্তাৱটো যদি আমাৰ যিটো criteria আছে, সেইমতে হয়, তেতিয়া আমাৰ পাৰ্ক কৰি দিয়াত আপত্তি নাই।

চাবুৱাত চাহ নগৰী কৰিব লাগে। কিন্তু সেই ব্যৱস্থাটো আমাৰ হাতত নাই। কোনটো বিভাগে কৰিব, উদ্যোগ বিভাগে কৰিব চাগে, আপুনি তেখেতৰ লগত যোগাযোগ কৰক আৰু চাবুৱা এলেকাত উপযুক্ত স্থানত নতুন দোকান, ৰেষ্টুৰেন্ট আদি নিৰ্মাণৰ বাবে ব্যৱস্থা কৰক বুলি কৈছে।

ব্যৱস্থা আমি কৰিব নোৱাৰো, Municipality ক আমি পুজি দিওঁ, Municipality

য়ে পুজিৰে নিজৰ নিজৰ য'ত যি সুবিধা লাগে কৰি ল'ব পাৰে। Municipality ৰ নিজস্ব revenue আছে, তাৰ বাহিৰেও বহুখিনি পইচা Municipality ক দিয়া হয়। আপোনাৰ জ্ঞাতাৰ্থে মই জনাব পাই ভাল পাম যে Municipality ৰ ২০২২-২৩ বৰ্ষত property tax collection আছিল প্ৰায় ১৩.৫০ লাখ টকা। তাৰ উপৰিও demolition fund ৩০ জানুৱাৰী তাৰিখে ৫২ লাখ টকা দিয়া গৈছে, demolition fund energy ৰ কাৰণে ৫ লাখ টকা 15th Finance Commission tied grant 1st & 2nd installment মিলি প্ৰায় ১.৩২ কোটি টকা, 15th FC tied grant 1st installment 60 lakh, 15th FC untied grant ১.০৩ কোটি টকা। টকা বহুখিনি দিয়া গৈছে, আৰু ভৱিষ্যতেও আপোনালোকৰ Municipality ভাল কৰাৰ কাৰণে যিটো ব্যৱস্থা লাগে চৰকাৰৰ তৰফৰ পৰা 15th FC, SOPD আৰু বাকী যিবিলাক আঁচনি আছে, তাতো পইচা দিয়া হ'ব। Urban Infrastructure Develoment Fund ৰ জৰিয়তেও পইচা দিয়া হ'ব। নগৰ আৰু চহৰক ভাল কৰাৰ কাৰণে পইচাৰ কোনো অভাৱ নাই। অভাৱ হৈছে যে Municipality বোৰে যেতিয়া ভালকৈ কাম কৰা আৰম্ভ কৰে, Utilization Certificate আমি পাম, তেতিয়া নতুনকৈ পইচা দিয়া হয়। এবাৰ পইচা দিয়াৰ পিছত পাঁচ বছৰ ছয় বছৰ Utilization Certificate নহাৰ কাৰণে বহুত ঠাইত সমস্যা হৈছে যে পইচাবোৰ আমি ভাৰত চৰকাৰৰ পৰা আনিব নোৱাৰো। কিন্তু মই দেখিছো যে যোৱা এক, ডেৰ বছৰত কামৰ স্থিতি বোৰ খুৱ ভাল হৈছে। নতুনকৈ reassessment হৈছে, নতুনকৈ কামবোৰ হোৱা আৰম্ভ হৈছে আৰু মই ভাৱো নতুন উদ্যম আৰু নতুন আশাৰে আমি আগবাঢ়িলে, মই ভাবো যে অহা দিনবোৰত ভাল এটা পৰিৱেশ Municipality বোৰত বনাই ল'ব পাৰিম।

চাবুৱাত মই নিজেও গৈছো, খুব ভাল চহৰ ডিব্ৰুগড় আৰু তিনিচুকীয়াৰ মাজত, এফালে ৰে'ল লাইন আছে, নেচনেল হাইৱে আছে, চাৰিওফালে চাহ বাগান আছে। তাৰ মাজত থকা এটা Municipality উন্নত হোৱা, ভাল হোৱাতো সকলোৱে আমি কামনা কৰো। ইয়াৰ ক্ষেত্ৰত পোনাকণ বৰুৱা ডাঙৰীয়াই যিখিনি প্ৰস্তাৱ দাঙি ধৰিছে, তাত আমাৰ বিভাগৰ পৰা যিখিনি কৰিব লগীয়া আছে, সেইখিনি কৰিম, তাত কোনো দ্বিমত ল'ব নালাগে আৰু মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে বিধায়ক ডাঙৰীয়াক মই আশ্বস্ত কৰিব খুজিছো যে Municipality বোৰ্ডক ভাল কৰাৰ কাৰণে যিখিনি কথা উত্থাপন কৰিছে, এইখিনি আমি আগবঢ়াই লৈ যাম।

লগতে জলসিঞ্চন বিভাগক লৈ পশুমৰা জলসিঞ্চন প্ৰকল্পৰ যিখিনি কথা ভৱানীপুৰ সমষ্টিৰ বিধায়ক ডাঙৰীয়াই কলে, এই প্ৰকল্পটো ১৯৭৮ চনত আৰম্ভ হৈছিল আৰু ২০০৮ চনত ইয়াৰ কাম সম্পূৰ্ণ হ'ল, তাৰ অৰ্থটো হ'ল প্ৰায় ৩০ বছৰ সময়ত এই প্ৰকল্পটো সম্পূৰ্ণ হ'ল। ইয়াত B1,B2, B3 ৰ নামৰ তিনিটা কেনেল আছে। B1 আৰু B2 জৰিয়তে খেতি পথাৰত পানী যোগান ধৰি থকা হৈছে। এই প্ৰকল্পটোৰ মুঠ জলসিঞ্চন ক্ষমতা ৮ হাজাৰ হেক্টৰ। বৰ্তমানৰ বতৰত ১ হাজাৰ হেক্টৰ আৰু সৰিয়হৰ বতৰত ৪৫০০ হেক্টৰ কৃষিভূমিত পানী যোগান ধৰা হৈ আছে। B3 কেনেলৰ ১২৭০ মিটাৰ ক্ষতিগ্ৰস্থ হৈ থকা কাৰণে মেৰামতি কৰিব লাগে বুলি এটা প্ৰস্তাৱ আহিছে। ৰূপহীজান উখলা আৰু অন্যান্য নদীত SOPD পুঁজিৰ অধীনত restoration of Rupohi Irrigation Scheme নামেৰে এটা নতুন প্ৰকল্প গ্ৰহণ কৰা হৈছে। আঁচনিৰ কাম সম্পূৰ্ণ হ'লে প্ৰায় ৩৫০০ হেক্টৰ কৃষি ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিম। জলসিঞ্চন ব্যৱস্থাটো ভাল কৰাৰ কাৰণে প্ৰত্যেক জিলাত irrigation masterplan বনোৱাৰ কাম ইতিমধ্যে আগবাঢ়ি আছে। পিছত যিমান কাম হ'ব irrigation masterplan ৰ জৰিয়তে হ'ব। সন্মানীয় বিধায়ক সকলে নিজৰ সমষ্টিৰ, নিজৰ

জিলাৰ irrigation masterplan ত বস্তুবিলাক সোমাই ললে ভাল হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক অব্দুৰ ৰহিম আহমেদ ডাঙৰীয়াই আজি Member Hour ত তেখেতে স্বাস্থ্য বিভাগৰ কিছু কথা দাঙি ধৰিছে। তেখেতে বিশেষকৈ চাৰিটা কথা কৈছে যদিও মই কিছুমান কথা কবলৈ বিচাৰিছোঁ, ২০১২ -১৩ চনত ৰাষ্ট্ৰ স্বাস্থ্য অভিযান অসমৰ দ্বাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে যিটো প্ৰস্তাৱ হৈছিল, তাত এই স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ বাবে মাটি উপলব্ধ নোহোৱাৰ বাবে প্ৰস্তাৱটো তেতিয়া প্ৰত্যাহাৰ কৰিছিল। মই বিভাগীয়ভাৱে দিয়া তথ্যৰ ওপৰত ভিত্তি কৰি কৈ আছো। এইটো বহুত পুৰণা কথা আছিল। এতিয়া তেখেতসকলে দিশাৰ বৈঠকত আলোচনা কৰি বুনিয়াদি স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ দিছে। গতিকে বুনিয়াদি স্বাস্থ্য কেন্দ্ৰ এতিয়া নিৰ্মাণ কৰিবলৈ লৈছো। এইটো তেখেতৰ পৰামৰ্শমতে আমি তাত অগ্ৰাধিকাৰ দিম। এইটোত বিশেষ অসুবিধা নাই। অসুবিধা থাকিলেও যিহেতু প্ৰয়োজন আছে, আমি অগ্ৰাধিকাৰ দিম।

বাকী হাউলি CHC, FRU লৈ উন্নত কৰিব লাগে, এই কথা কৈছে। এতিয়া হাউলি CHC তাৰ লগতে ইফালে আছে বৰপেটা FRU, ১৫ কি. মি. দূৰত আছে বৰপেটা মেডিকেল কলেজ। গতিকে এইখিনিতে হস্পিতাল নোহোৱা নহয়। এইখন মই অকন মান মাননীয় বিধায়কৰ লগত কথা পাতি লম, কোনটো লোকেচনত কৰিলে ভাল হয়। এনেকৈ তৎক্ষণাত এটা উত্তৰ দি দিয়া উচিত নহ'ব। গতিকে মই সন্মানীয় বিধায়কজনৰ সৈতে কথাটো পাতি এই বিষয়টোত কোনখন হস্পিতাল উন্নত কৰিলে তাত সকলোৰে কাৰণে ভাল হয়, এই কথাটো চাই ল'ব লাগিব। তাৰ পিছত গবৈমাৰী যিখন আছে, গতিকে ইয়াতে CAC খন উন্নতি আৰু আন্তঃগাঁথনি সম্পৰ্কে ইয়াত যদি কিবা মেৰামতিৰ কাম আছে, এইটোৱে কৈছে। এই কথাকেইটা তেতিয়াহ'লে মই পোণপতীয়াকৈ আপোনাক কৈ থকা উচিত নহ'ব। আপোনাৰ সমষ্টিত কোনটো কি কৰিব লাগে, কি কৰিব নালাগে কিন্তু কৰাৰ কি প্ৰয়োজন কি আছে, এই কথাকেইটা চাই ল'ব লাগিব। চাই লৈ আমি ঠিক কৰি ল'ম।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি এবাৰ মন্ত্ৰীৰ চেম্বাৰত যাব।

**শ্ৰীকেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী) ঃ** গতিকে এইখিনিয়েই কথা আৰু আপুনি যিটো Health and Welltness Centre ৰ হাউলীৰ চাব-চেণ্টাৰ উন্নত কৰাৰ কথা কৈছে, এইটো আছে। এইখিনি হ'ব। ঠিক আছে, এইটোৱে ভাল হ'ব। আপোনাৰ লগত বহি এই গোটেই কথাখিনি setting কৰি ল'ম, কোনটো কি হয়।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী।

**শ্ৰীঅতুল বৰা, (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভবানীপুৰ সমষ্টিৰ সন্মানীয় বিধায়ক শ্ৰীফণীধৰ তালুকদাৰ ডাঙৰীয়াই Members Hour ত অন্যান্য বিষয়ৰ লগতে কৃষকৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ বিভাগৰ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। ৰাজ্যখনৰ অন্যান্য ঠাইৰ লগতে ভৱানীপুৰ সমষ্টিৰ উত্তৰ অঞ্চলটোতে আন শস্যৰ লগতে নেমু খেতি যথেষ্ট আমি এই কথা অকপটে স্বীকাৰ কৰো যে, যদিও আমাৰ ৰাজ্যখনত যথেষ্ট নেমু উৎপাদন হৈছে। কিন্তু বজাৰৰ সমস্যা আছে। কিন্তু সদনৰ মজিয়াত জনাবলৈ পাই সুখী হ'ম যে ৰাজ্যখনত উৎপাদিত নেমুৰ বহিঃৰাজ্যলৈকে নহয়, বিদেশৰ বজাৰলৈয়ো গৈছে। বাৰ্মিং হামলৈ গৈছে, ডুবাই লৈ গৈছে। বিভিন্ন ঠাইলৈয়ো পঠোৱা হৈছে। যি নেমুৰ খেতি হৈছে, আমি সেই নেমু কেনেদৰে বাহিৰলৈ

পঠাব পাৰো তাৰ কাৰণে বিভাগৰ তৰফৰ পৰা ব্যৱস্থা ল'ম। ইতিমধ্যে APART ৰ জৰিয়তে আমি এই কামখিনি কৰি আছো, APART য়েও এই কামখিনি কৰিছে আৰু কাজি নেমুৰ যিহেতু চাহিদা বিশেষ বেছি আছে আৰু সেইবাবে আমি দিল্লী NCR আমি লক্ষ্য হিচাপে লৈছো। যিহেতু বৰ্তমান নেমুৰ দাম যথেষ্ট হৈ আছে গতিকে মে', জুন মাহৰ পৰা অসমৰ বাহিৰৰ বজাৰৰ বাবে কাম আমি আৰম্ভ কৰিম। ইতিমধ্যে মাৰ্কেটিঙৰ প্ৰমোছনৰ বাবে দিল্লীৰ Pelican Agency ক দায়িত্ব দিয়া হৈছে। এই Agency টোৰে দিল্লীৰ NCR ৰ লগতে পুনে, দিল্লী, হায়দৰাবাদ আৰু বেংগালুৰুত কাম আৰম্ভ কৰিছে আৰু আমি নেমু উৎপাদন কৰা বেছিক আমি FPC ৰ Pack house ৰেহাই মূল্যত বনাবলৈ আমি সুবিধা আমি দিম আৰু নেমু উৎপাদন কৰা যিবিলাক গোট আছে, মহিলা কৃষক সকলক বিশেষকৈ পৰ্য্যায়ক্ৰমে দিম প্ৰচেচিঙৰ প্ৰশিক্ষণ দিম আৰু অহা মাহৰ শেষৰ ফালে আমি এই কামখিনি আৰম্ভ কৰিম আৰু ইয়াৰ উপৰিও ইতিমধ্যে ছয়গাওঁত এটা প্ৰচেচিং ইউনিট কৰিছো ইয়াৰ সুবিধাও ল'ব পাৰে আৰু উদ্যান শস্য, খাদ্য সংশাধন বিভাগৰ তৰফৰ পৰা ৰাজ্যখনত ৪০ শতাংশ ৰাজ সাহাৰ্য্যযুক্ত প্ৰচেচিং ইউনিট বহুৱাৰ পৰিকল্পনা কৰা হৈছে গতিকে ইয়াৰ সুবিধাও আমাৰ স্থানীয় যিসকল খেতিয়ক আছে আমাৰ সন্মানীয় বিধায়ক গৰাকীয়ে যদি সহায় কৰে তেতিয়াহ'লে নিশ্চয় এই ক্ষেত্ৰত স্থানীয় ভাৱে নেমু খেতি কৰা ব্যৱসায়ীসকল আগবাঢ়ি আহিব আৰু আমি যি processing unit ৰ কথা কৈছো ৪ কোটিৰ পৰা ৮ কোটি পৰ্য্যন্ত ইয়াৰ প্ৰকল্প ব্যয় হ'ব আৰ ৫০ শতাংশ ৰাজ সাৰ্হায্য থাকিব আৰু অন্যহাতে তেখেতে এটা Milk Processing plant ৰ কথা কৈ আছে মোকো ব্যক্তিগতভাৱে লগ ধৰিছিল। কাৰণ আপোনালোকে জানে যে বৰপেটাৰ পৰা ভাগ হৈ এখন নতুন জিলা হৈছিল। আমি এই কামখিনি কৰোতে অলপ অসুবিধাৰ সন্মুখীন হৈছো যিহেতু কামটো হাতত লোৱা হৈছে, সেই কামখিনি কৰিবৰ কাৰণে আমি ব্যৱস্থা লম। কাৰণ আপোনালোকে জানে যে, ৰাজ্যখনত গাখীৰ উৎপাদনৰ কাৰণে চৰকাৰে ইতিমধ্যে কেতবোৰ নতুন পৰিকল্পনা কৰিছে। ডায়েৰী বিভাগৰ জৰিয়তেও ৰাজ্যখনৰ defunct হৈ থকা Milk Processing Plant কেইটা আৰু নতুন কেইবাটাও সৰু সৰু Milk Processing Plant বহুৱাবলৈ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ উপৰিও NDDB ৰ জৰিয়তে কাছাৰ, ডিব্ৰুগড় আৰু যোৰহাটত প্ৰায় ১ লাখ লিটাৰ সংশোধন কৰিব পৰা Milk Processing Plant হ'ব। গতিকে তাত যিটো Plant বনোৱাৰ আঁচনি আছিল, সেইটো কাৰ্য্যক্ষম কৰি তুলিবৰ কাৰণে আমি খুব সোনকালে আমি ব্যৱস্থা গ্ৰহণ কৰিম। ইয়াৰ ওপৰিও কেইখনমান মাৰ্কেটৰ কথা কৈছে। হয়, আমাৰ ৰাজ্যত মাৰ্কেটৰ অভাৱে আমাৰ কষক সকলক যথেষ্ট সমস্যাত পেলায় আৰু সেইকাৰণে আমি APART ৰ জৰিয়তে ৰাজ্যখনত ১০০ খন মাৰ্কেট আমি কৰিব বিচাৰিছো। গতিকে তেখেতে যিকেইখন বজাৰৰ কথা কৈছে, সেই বজাৰ কেইখনো অন্তৰ্ভূক্ত কৰিব পাৰে নেকি আমি চিন্তা কৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী পৰ্য্যটন বিভাগ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানী সদস্য শ্ৰী ফণীধৰ তালুকদাৰ ডাঙৰীয়াই Members Hour ৰ জৰিয়তে বিভিন্ন বিভাগৰ লগতে পৰ্য্যটন বিভাগলৈ দৃষ্টি আকৰ্ষণ কৰি কিছু কথা উল্লেখ কৰিছে। নিশ্চয়কৈ তেখেতৰ সমষ্টি ভৱানীপুৰ এনেকুৱা এটা অঞ্চল য'ত পৰ্য্যটনৰ যথেষ্ট সম্ভাৱনা আছে আৰু আমি অতি গৌৰৱেৰে এটা কথা ক'ব পাৰো যে অসমৰ এনে কোনো অঞ্চল নাই যি অঞ্চলত পৰ্য্যটনৰ সম্ভাৱনা নাই। অসমৰ ১২৬ টা সমষ্টি ১২৬ টা সমষ্টিতে পৰ্য্যটনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰা বা আকৰ্ষণ কৰিব পৰা সমল আমাৰ সকলো

ঠাইতে আছে। গতিকে বিধায়ক সকলে নিজৰ নিজৰ অঞ্চলত পৰ্য্যটনৰ আন্তঃগাঠনি উন্নয়ন হোৱাতো নিশ্চয়কৈ বিচাৰে আৰু আমিও সেই লক্ষ্যৰে পৰ্য্যটন বিভাগেও কিছু কাম আমি আগবঢ়াই লৈ গৈ আছো। মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰাৰ দৰে যদিও আমি ভাৱো যে শ্বহীদ খৰ্গেশ্ব তালুকদাৰৰ নামেৰে ভৱানীপুৰ বিখ্যাত বা ভৱানীপুৰৰ কথা কওঁ, কিন্তু তাৰ আগতেওঁ ষষ্ঠদশ শতিকাৰ পৰা গোপালদেৱৰ দিনাৰ পৰা সেই অঞ্চলৰ এক ঐতিহ্য আছিল। বৈষ্ণৱ সত্ৰীয়া সংস্কৃতি বা সত্ৰ সংস্কৃতিৰ এক তীৰ্থস্থান আছিল। মহাপুৰুষ শংকৰদেৱ, মহাপুৰুষ মাধৱদেৱৰ পিছত ভক্তি আন্দোলনক আগবঢ়াই নিয়া গোপালদেৱে নাজিৰাৰ পৰা আহি তাতেই ভৱানীপুৰ সত্ৰ স্থাপন কৰিছিল, তাৰ ওচৰতে কালজাৰ সত্ৰ স্থাপন কৰিছিল। গতিকে এই সত্ৰ দুখনৰ মাজেৰে গোটেই সেই অঞ্চলটোত ভক্তি আন্দোলন বা বৈষ্ণৱ সংস্কৃতি ব্যপাৰ এক ষষ্ঠদশ শতিকাৰ পৰাই তাৰ আকৰ্ষণ বা তেনেকুৱা ধৰণৰ পৰ্য্যটনৰ কেন্দ্ৰৰ সম্ভাৱনা আছে। তাৰ লগে লগে একেবাৰে গাত লাগি আছেমানাহ অভয়াৰণ্য। গতিকে মানাহ অভয়াৰণ্যলৈ অহা যোৱা কৰোতে অন্ততঃ ভৱানীপুৰৰ সেই অঞ্চলটোৰ সেই সম্ভাৱনাটোক আমি নুই কৰিব পৰা নোৱাৰো। আমাৰ বিধায়ক ডাঙৰীয়াই কেইদিনমান আগৰ পৰাই বা প্ৰথমৰ পৰাই মোক এটা আগ্ৰহ প্ৰকাশ কৰি আছে যে তেখেতৰ সমষ্টিত, এটা পৰ্য্যটন নিবাস বা আমি য'ত বিভিন্ন ঠাইত প্ৰশান্তি ল'জ ইত্যাদি কৰিছিলো তেনেকুৱা এটা ল'জৰ আগ্ৰহ প্ৰকাশ কৰি আছিল আৰু আজি তেখেতে কৈছে। কিন্তু মই তেখেতৰ লগতে সন্মানীয় সদস্য সকলক এটা কথা জনাবলৈ আগ্ৰহ প্ৰকাশ কৰিছো যে যোৱা সময়ত আমি বিভিন্ন ঠাইত এনেকুৱা ধৰণে প্ৰশান্তি লজ বা এনেকুৱা ধৰণৰ tourist lodge কিছুমান কৰিছিলো।

মাননীয় উপাধ্যক্ষ মহোদয়,আমাৰ বিধায়ক ডাঙৰীয়াই কেইদিনমান আগৰ পৰাই বা প্ৰথমৰ পৰাই এটা আগ্ৰহ প্ৰকাশ কৰি আছিল যে তেখেতৰ সমষ্টিত এটা পৰ্যটন নিৱাস বা আমি বিভিন্ন ঠাইত প্ৰশান্তি ল'জ কৰিছিলো, তেনেকুৱা এটা লজ তেওঁৰ অঞ্চলত কৰিবলৈ আজিও কৈছে। মই তেখেতৰ লগতে সকলো সন্মানীয় সদস্যসকলক এটা কথা জনাবলৈ আগ্ৰহ প্ৰকাশ কৰিছো যে যোৱা সময়ত আমি বিভিন্ন ঠাইত এনেকুৱা ধৰণৰ প্ৰশান্তি লজ বা ট্যুৰিষ্ট লজ কিছুমান কৰিছিলো। কিন্তু আমি দীঘলীয়া দিনৰ অভিজ্ঞতাৰ পৰা এটা কথা অনুমান কৰিলো যে আমি যেতিয়া লজবিলাক কৰো তেতিয়া খুব কম সংখ্যক দুই বা তিনি বা চাৰিটা ৰুমৰ লজ কৰি লওঁ। কিন্তু প্ৰেক্টিকেলি এই ল'জবোৰ সম্ভৱ নহয়। কাৰণ পি ডব্লিউ ডি বা অন্য বিভাগে ল'জ বনাই তাত কোনো অসুবিধা নাই, কাৰণ তেওঁলোকৰ ষ্টাফ থাকে। কিন্তু আমি ট্যুৰিজিম বিভাগে যদি এনেকুৱা ল'জ কৰি লওঁ আমি তিনি-চাৰিজন মানুহ ৰাখি ল'জ টো চলাব নোৱাৰো আৰু প্ৰেক্টিকেলি কোনো ব্যক্তিগত খণ্ডক লীজ আউট কৰি আমি চলাব নোৱাৰো কাৰণ কোনো ব্যক্তিগত খণ্ডই দুই বা তিনি বা চাৰিটা ৰুমৰ লজ এটা ল'ব নোখোজে। Economically এইটো Viable নহয়। এতিয়া আমাৰ চৰকাৰৰ সিদ্ধান্ত হ'ল যে P.P.T. Mode ত ডাঙৰ ডাঙৰ হোটেলসমূহক আমি যিমান চাপোৰ্ট দিব লাগে আমি দিম। আজি বহু ডাঙৰ ডাঙৰ আন্তৰ্জাতিক কোম্পেনী আৰু অসমৰ বিভিন্ন কোম্পেনী, তাজ, হায়াট আদিয়ে আগ্ৰহ প্ৰকাশ কৰিছে । মাটি, ইলেক্ট্ৰিচিটি তথা অন্যান্য আন্তঃগাঁথনিৰ চাপোৰ্ট দিছো যাতে এনেকুৱাধৰণৰ লজ বা হোটেল গঢ়ি উঠে। আমি বহু ঠাইত যেনে-শদিয়া আদিত সৰু সৰু লজ আৰু প্ৰশান্তি লজ বনাইছো কিন্তু আমি সেইবোৰ চলাব পৰা নাই। সেইকাৰণে আমি লজৰ এই ধাৰণাৰ পৰা আঁতৰি আহিছো আৰু তাত P.P.T. Mode ত কোনোবা ব্যক্তিগত খণ্ডই যদি আগবাঢ়ি আহে তেওঁলোকক তেনেকুৱাধৰণৰ সুবিধা দিবৰ বাবে প্ৰস্তুত আছো। চৰকাৰীভাৱে আমি তেনেকুৱা সুবিধা দিব পাৰো। এতিয়া আমি লজৰ সলনি Way

Side Amenties বিলাক ডেভেলপ কৰিবৰ কাৰণে চেষ্টা কৰি আছো। য'ত হাইৱেৰ ওচৰত বা বিভিন্ন অঞ্চললৈ যাঁওতে ৰাস্তাৰ কাষত Way Side Amenties বোৰ প্ৰয়োজন হয়। বিভিন্ন সময়ত শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ আৰু ধাবা আদিৰ প্ৰায়োজন হয়। এনেকুৱা ধৰণৰ Way Side Amenties বোৰ ডেভেলপ কৰি আছো। মানাহ যোৱাৰ ৰাস্তাত নলবাৰীত আমি এটা Way Side Amenties ডেভলপ কৰিছো আৰু কেইদিনমান আগতে মাননীয় সদস্য জনে এটা কথা কৈছে যে তেখেতৰ এটা অঞ্চল আছে তাত প্ৰায় দহ-ওঠৰ বিঘা মাটি বেদখল মুক্ত কৰিছে। মই আগ্ৰহ প্ৰকাশ কৰিছো যে আমাৰ এ. টি. ডি চি. বিভাগক এই মাটিখিনি দিয়ক আমি তাত Way Side Amenties ডেভেলপ কৰিম। যিয়ে ল'জৰ অভাৱ কিছু পৰিমাণে পূৰণ কৰিব। তাত আমি শৌচাগাৰ-প্ৰস্ৰাৱাগাৰ আৰু ধাবা আদিৰ ব্যৱস্থা কৰিব পাৰো। এনেকুৱা ধৰণৰ বহু বেদখল মাটিত আমি এনেকুৱা ব্যৱস্থা কৰিছো । আজি যদি আপোনালোকে মায়ঙলৈ যায়, তাত এনেকুৱা বেদখল পৰি থকা মাটি মুক্ত কৰি ডাঙৰ আন্তঃগাঁথনিৰ স্বদেশ দৰ্শন গঢ়ি তুলিছো। আপুনি সেই মাটিখিনি আমাক দিয়ক, আমাৰ বিভাগে ইতিমধ্যে উপায়ুক্তৰ লগত যোগাযোগো কৰিছে। আপুনি এইক্ষেত্ৰত আগভাগ ল'ব আৰু আমি সেইধৰণৰ Way Side Amenties ডেভেলপ কৰিব পাৰিম। পৰ্য্যটনৰ ক্ষেত্ৰৰ লগত এগ্ৰিকালচাৰৰ কথা কঁওতে কৈছে যে আমি নিজেও জানো যে সেই অঞ্চলত এগ্ৰো ট্যুৰিজিমৰ এটা ডাঙৰ সম্ভাৱনা আছে। আপুনি কৃষিমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি লওঁক। কাৰণ তাত নেমুৰ এটা ডাঙৰ বজাৰ আৰু বহু উৎপাদক আছে। তাত যিহেতু অন দ্যা ৰে মানাহ অভয়াৰণ্য আছে, সেয়েহে এগ্ৰো ট্যুৰিজিমলৈ ডেভেলপ কৰাৰ ডাঙৰ সম্ভাৱনা আছে আৰু আমি পৰ্য্যটন বিভাগে এই ক্ষেত্ৰত যিখিনি কৰিবলগীয়া আছে সেইখিনি কৰাত চেষ্টা-ত্ৰুটি নকৰো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় মন্ত্ৰী পৰিৱেশ আৰু বন বিভাগ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য পোনাকন বৰুৱাই ডাঙৰীয়া লাইকা, দধিয়াৰ ক্ষতিগ্ৰস্ত অঞ্চলৰ লোকৰ পুনৰ সংস্থাপন সম্পৰ্কত যিটো বিষয় ইয়াত উপস্থাপন কৰিছে তাৰ উত্তৰত আমি ক'ব বিচাৰিছো যে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানখন ১৯৯৯ চনত ৰাষ্ট্ৰীয় উদ্যান হিচাবে স্বীকৃতি পাইছিল। কিন্তু এই উদ্যানখনৰ ভিতৰত লাইকা আৰু দধিয়া নামৰ দুখন ফৰেষ্ট ভিলেজ আছে আৰু সেই কেইখন ১৯৫০-৫১ চনৰ পৰা বনগাঁও হিচাবে স্বীকৃতি পাইছে। এই দুখন গাঁৱৰ লাইকাত ৫৭২ টা আৰু দধিয়াত ৯০৮ টা মিচিং জনজাতি পৰিয়ালে বসবাস কৰি আছে। এইটো সঁচা ক্ৰমান্বয়ে বানপানী আৰু গড়াখহনীয়া হৈ থকাৰ ফলত এই গাঁওকেইখনৰ বাসিন্দা সকলৰ বাবে নতুন মাটি মোকলাই কিছু পৰিমাণে ৰাষ্ট্ৰীয় উদ্যানখনত ক্ষয়-ক্ষতি হোৱা পৰিলক্ষিত হৈছে। যদিও বন বিভাগৰ কৰ্মচাৰী সকলে নিতৌ নিয়মীয়া টহলদাৰী চলাই আছে, যোৱা ২০১৯ চনৰ পৰা এই দুখন গাঁৱৰ স্থানান্তৰৰ বাবে প্ৰক্ৰিয়া আৰম্ভ হৈছিল। পুনৰ এটা লোকপিয়ল কৰি ডিগবৈ বন সংমণ্ডলৰ অধীনত নাংফাই আৰু পাহাৰপুৰ সংৰক্ষিত বনাঞ্চলত মুঠ ২০৩৮ হেক্টৰ ভূমি পুনঃসংস্থাপনৰ বাবে বনমন্ত্ৰালয়লৈ প্ৰস্তাৱ পঠিওৱা হৈছে। সেই অনুসৰি মাৰ্চ ২০২১, MoEFCC নতুন দিল্লীৰ পৰা In principle stage one approval আৰু Conservation Act 1919 অনুসৰি দিয়া হৈছে। বৰ্তমানলৈ বিশেষকৈ লাইকা গাঁৱৰ বাসিন্দাসকলক পুনৰ সংস্থাপনৰ প্ৰচেষ্টা চলি আছে। ইতিমধ্যে ১০৯ টা পৰিয়ালক নাংফাই সংৰক্ষিত বনাঞ্চলত পুনৰ সংস্থাপন কৰা হৈছে। লগতে সমান্তৰালভাৱে কেন্দ্ৰীয় বন মন্ত্ৰালয়ালৈ ফাইনেল এপ্ৰোভেলৰ বাবে পঠিওৱা হৈছে। ডিব্ৰুগড় জিলাৰ

অন্তৰ্গত দধিয়া বন গাঁও লোকসকলক লখিমপুৰ জিলাৰ পাভ বনাঞ্চলত পুনৰ সংস্থাপন দিয়াৰ ঠাইটুকুৰাত যোৱাৰ বাবে অমান্তি হোৱাত তেনেস্থলত এতিয়ালৈকে কোনো ধৰণৰ বিকল্পৰ বাবে উৰ্দ্ধতম কৰ্তৃপক্ষৰ লগত সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। বিত্তীয় বৰ্ষ ২০২২-২৩ ত Reclamation and Rehabilitation ৰ বাবদ সাত লাখ টকা তিনিচুকীয়া বন্য প্ৰাণী সংমণ্ডলত আৱণ্টন দিয়া হৈছে। লগতে এৰা সুঁতি গৰম জান, মিৰি গাঁও, কয়লাপথাৰ, গেলেকী, টেঙাবাৰী, ৰায়দান আদি গাঁওসমূহৰ জৰীপ আৰু জৰীপৰ প্ৰতিবেদন দাখিল কৰাৰ বাবে চক্ৰবিষয়সকলক তিনিচুকীয়া জিলাৰ উপায়ুক্তই নিৰ্দ্দেশ প্ৰদান কৰিছে। প্ৰতিবেদন পোৱাৰ পিছত ভূমিহীন হিতাধিকাৰীসলক ভূমিৰ ব্যৱস্থা কৰিব পৰা যাব। এই ক্ষেত্ৰত বনবিভাগে ব্যৱস্থা গ্ৰহণ কৰি আছে। লাইকা ভিলেজৰ কাৰণে নাংফাই সংৰক্ষিত বনাঞ্চল আৰু পাহাৰপুৰ সংৰক্ষিত বনাঞ্চলত ২৩৮ হেক্টৰ মাটি দিয়াৰ বাবে আমি ভাৰত চৰকাৰৰ Ministry of Environment and Forest Climate Change বিভাগৰ পৰা ইতিমধ্যে আমি ক্লিয়াৰিফিকেশ্যন পাইছো। দধিয়া বনগাঁৰৰ ৰাইজৰ বাবে পোহা সংৰক্ষিত বনাঞ্চলৰ ১৩৫ হেক্টৰ মাটি এতিয়া প্ৰপোজেল ষ্টেজত আছে আৰু ভাৰত চৰকাৰৰ পাৰ ক্লিয়াৰেঞ্চ পোৱাৰ পিছতেই Rehabilitation ৰ ব্যৱস্থা কৰিব পৰা যাব। আপোনাৰ জৰিয়তে মই মাননীয় সদস্য জনক জনাব বিচাৰিছো আৰু তেওঁৰ এই ক্ষেত্ৰত সহায় বিচাৰিছো যে দধিয়া গাঁৰৰ লোকসকল তাৰ পৰা উঠি যাবলৈ ইচ্ছুক নহয়। গতিকে মাননীয় সদস্য গৰাকীয়ে তেখেতসকলক এই ক্ষেত্ৰত অনুৰোধ কৰিব বুলি আশা কৰিলো।

**শ্ৰী পোনাকণ বৰুৱা, (চাবুৱা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, দধিয়াৰ লোকসকলক নাওঁবৈচা সমষ্টিৰ আধাখোলা নামৰ ঠাই এটুকুৰাত মাটি দিবৰ বাবে প্ৰস্তাৱ কৰা হৈছিল। ৯০ জন লোকক সেই অঞ্চলটো পৰ্যৱেক্ষণ কৰাইছিলো আৰু মই নিজেও গৈছিলো। কিন্তু দধিয়া যেনেকুৱা ঠাই আধাখোলাও তেনেকুৱা বানপানী হোৱা ঠাই। গতিকে তেওঁলোকৰ কথা হ'ল যে প্লাৱিত অঞ্চল পৰা আকৌ প্লাৱিত অঞ্চললৈ নাহে। গতিকে বিকল্প ভূমিৰ তাৎক্ষণিকভাৱে যাতে ব্যৱস্থা কৰা হয়, তাৰ বাবে মই অনুৰোধ জনালো। তাত থাকিব পৰা অৱস্থা নাই। বছৰৰ তিনি-চাৰি মাহ তেওঁলোকে মাটি দেখা নাপায় আৰু তেনেকুৱা এটা ঠাইত তেওঁলোকে বিপদজনক ভাৱে আছে। তেওঁলোকক উদ্ধাৰ কৰাটো আমাৰ মানৱীয় দায়িত্ব।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দধিয়াৰ আমি যিমানখিনি জানো আমাৰ কহা ৰিজাৰ্ভ যিখিনি আমি দধিয়াৰ মানুহখিনিৰ কাৰণে কৈছো ইমান বানপিড়ীত অঞ্চল নহয়। তেওঁলোকে আচলতে য'ত বসবাস কৰি আছে, তাতে থাকিব বিচাৰি আছে। দ্বিতীয়তে এই ৰিজাৰ্ভ ফৰেষ্টত আমি যেতিয়া মানুহ বহুৱাম, কেৱল আমি কৰিলে নহ'ব। ভাৰত চৰকাৰৰ ইয়াৰ অনুমতি লাগিব। আমি ভাৰত চৰকাৰৰ পৰা এই সম্পৰ্কে অনুমতি লৈছো। আমি যদি বেলেগ এটা অঞ্চলৰ পৰা আকৌ অনুমতি ল'বলগীয়া হয়, তেতিয়া বহু সময় লাগিব। মই বিচাৰিছো যে মাননীয় সদস্য গৰাকী সেই সমষ্টিৰ বিধায়ক তেওঁ সেই মানুহখিনিক বুজাওক। আমিও বুজাইছো যাতে তেওঁলোকে স্থানান্তৰিত হোৱাত কোনো আপত্তি নকৰে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৩। আমাৰ Private Members' Bill ত Bill introduction আছে। প্ৰথমতে, "The Development Councils for Aborginals, Scattered Communities of Barak Valley under Separate Directorate at Barak Valley Bill, 2023" । শ্ৰী কৰিম উদ্দিন বৰভূঞা ডাঙৰীয়াক

বিধেয়কখন উত্থাপন কৰাৰ  বাবে সদনৰ সন্মতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী কৰিম উদ্দিন বৰভুঞা, (সোনাই)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Development Councils for Aborginals, Scattered Communities of Barak Valley under Separate Directorate at Barak Valley Bill, 2023" বিধেয়কখন উত্থাপন কৰিব বিচাৰিছো। এই বিধেয়কখন বৰাক উপত্যকাৰ বিভিন্ন আদিবাসী আৰু OBC, ক্ষুদ্ৰ  জনজাতিৰ, যিবোৰ  বৰাক উপত্যকাৰ   তিনিখন প্ৰশাসনিক জিলাত অৱস্থিত আছে। এইবোৰ সম্প্ৰদায়ৰ সুকীয়া সামাজিক আৰু সাংস্কৃতিক ঐতিহ্য আছে। তেওঁলোকে যুগ যুগ  ধৰি বৰাক উপত্যকাত বসবাস কৰি আছে। এওঁলোক দৰিদ্ৰ আৰু এওঁলোকৰ আৰ্থ-সামাজিক বিকাশৰ অভাৱ। বিশেষকৈ, বৰাক উপত্যকাৰ পৰা বিধান সভা তথা সংসদতো তেওঁলোকৰ কোনো প্ৰতিনিধিত্ব নাই। এই কাৰণে তেওঁলোকৰ যি ঐতিহ্য, তেওঁলোকৰ যি পৰিচয়, সেইটো আজি challenge ৰ সন্মুখত আহি থিয় দিছে। তেওঁলোকৰ সাংবিধানিক পৰিকাঠামোৰ ভিতৰত এনে প্ৰতিটো সম্প্ৰদায়ৰ নিম্নতম অংশগ্ৰহণ,  তেওঁলোকৰ নিজৰ আৰ্থ-সামাজিক, শৈক্ষিক আৰু জাতিগত উন্নয়নৰ বাবে অসম আৰু বৰাক উপত্যকাত বসবাস কৰা সম্প্ৰদায়সমূহৰ এই ঐতিহ্য সংৰক্ষণ, উন্নয়ন আৰু overall development ৰ বাবে আইনৰ দ্বাৰা এখন উন্নয়ন পৰিষদ কৰি separate Directorate বৰাক উপত্যকাত স্থাপন কৰাৰ বাবে এই বিলখন আনিছো। তাত থকা জাতি-জনগোষ্ঠী- বৰ্মন, ডিমাছা কছাৰী সম্প্ৰদায়, মণিপুৰী সম্প্ৰদায়, বিষ্ণুপ্ৰিয়া মণিপুৰী সম্প্ৰদায়, বড়ো সম্প্ৰদায়, কোঁচ-ৰাজবংশী  সম্প্ৰদায়, মাইমাল সম্প্ৰদায়, খাচী-জয়ন্তীয়া সম্প্ৰদায়, হালাম সম্প্ৰদায়- তেওঁলোকৰ আকৌ বাৰটা sub-tribe আছে, ৰংমেই নাগা সম্প্ৰদায়, কাবুই নাগা সম্প্ৰদায়, ত্ৰিপুৰা সম্প্ৰদায়, চাইক্ৰিয়ান সম্প্ৰদায়, মাৰ সম্প্ৰদায়, কুকী সম্প্ৰদায়, নিজলুচাই সম্প্ৰদায়, ৰংলাং সম্প্ৰদায়, কিৰানশেখ সম্প্ৰদায়, চিৰো সম্প্ৰদায়, গাৰো সম্প্ৰদায়, চাকমা সম্প্ৰদায়, দেপৰমথ সম্প্ৰদায়, যেনি সম্প্ৰদায়, ইত্যাদি কেইবাটাও Tribe  আৰু sub-tribe মিলি ২৩ টা উপ-জাতি আছে। তেওঁলোকৰ বাবে এটা পৃথক Directorate আৰু গোটেই সম্প্ৰদায়ৰ বাবে Development Council ৰ প্ৰয়োজন আছে। তাত তেওঁলোকৰ education, health care, tradition and culture, connectivity এই গোটেইখিনি এক কৰি তেওঁলোকৰ কেনেকৈ overall development কৰা যায় তাৰ বাবে চিন্তা কৰিব লাগে। এই সৰু scattered community ৰ কোনোটো সম্প্ৰদায়ত তিনি হাজাৰকৈ  জনসংখ্যা আছে। তেওঁলোকে নিজৰ সংস্কৃতি, নিজৰ সমস্যাখিনিক লৈ গুৱাহাটীত আহি ইয়াৰ পৰা কি আদায় কৰিব একো নাজানে। সেয়েহে, বৰাক উপত্যকাত এটা পৃথক Directorate ৰ প্ৰয়োজন আৰু গোটেই সম্প্ৰদায়ৰ বাবে  Development Council কৰিব লাগে। তাত এজন Section Officer দিব লাগে। মই গোটেই বিলত সকলোখিনি কথা আনিছো। আমাৰ দলৰ সদস্য ১৫ জন। মই ধন্যবাদ পোৱাৰ বাবে নহয়, বিলখন মানৱিক দৃষ্টিকোণৰ পৰা scattered আৰু .. interruptions.....

**মাননীয় অধ্যক্ষঃ** আপুনি বিলখন move কৰক।

**শ্ৰী কৰিম উদ্দিন বৰভুঞা, (সোনাই)ঃ** এতিয়া মই এই বিলখন সদনৰ মজিয়াত দাঙি ধৰিলো। মই ১২৬ জন বিধায়কক আহ্বান কৰিম যে  মানৱিক দৃষ্টিকোণৰ পৰা এই বিলখন যাতে পাছ কৰে আৰু ই আইনত পৰিণত হয়।

**শ্ৰী কৃষ্ণেন্দু পাল, (পাথাৰকান্দি )ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজ কৰিম উদ্দিন বৰভূইঞা যে

বিল উত্থাপন করেছেন বিশেষ করে বরাক উপত্যকা এটি শান্তির দিক।

**মাননীয় অধ্যক্ষঃ**- এখনও উত্থাপন করেনি। করার জন্য চাইছে।

**শ্রী কৃষ্ণেন্দু পাল, (পাথারকান্দি)ঃ**- বরাক উপত্যকায় বিভিন্ন ভাষাভাষী জনগোষ্ঠীর লোক আমরা বসবাস করি। বরাক উপত্যকায় বিশেষ করে মার রিয়াং, রাংলং, বিষ্ণুপ্রিয়া মনিপুরি, মেইথাই, ডিমাসা, কার্বি, হালাং জনগোষ্ঠীর মানুষ আছে। আজ উনি যে প্রস্তাব এনেছেন আমি আশ্চর্য্য একটি কথা দেখে যে সবার আগে আমি উনাকে একটি বলতে চাই আজ যাদের কথা বলছেন এই পরিবর্তনের সরকার আসার আগে ওনারা কি অবস্থায় ছিলেন ওনাদের ঘর বাড়ি জ্বালিয়ে এই পাহাড় বনাঞ্চল এলাকা থেকে বের করে দেওয়া হয়েছিল। খাসিয়া জনগোষ্ঠী আমাদের পাথারকান্দি এলাকায় হই লামছড়া একটি জায়গা আছে।যে এলাকা থেকে ওনারা পালিয়ে গিয়েছেন। এই এলাকা দখল করে দেওয়া হয়েছে। ইচাবিল চা বাগান যে বাগান বাঁচলেই বরাক বাঁচবে। বরাক উপত্যকাতে কোন ইন্ডাস্ট্রি নেই। যেখানে চা বাগান দখল করে দেওয়া হয়েছে। ইভিকসন করার যে প্রস্তাব নেওয়া হয়েছিল সঙে সঙে ওনারা সবাই দলবদ্ধ হয়ে এখানে গিয়ে ৪,৫টি ঘর ভেঙে দিয়েছিল। ওনাদের চাল ডাল দেওয়ার ব্যবস্থা করা হয়েছিল ইভিকশন যাতে না হয়। আজ চা বাগান লোকদের কথা চিন্তা করলেন না। চড়াই, রিয়াং,হালাং, সেকাচেফ, রাংলই মার কমিউনিটি ওনাদের কথা চিন্তা করলেন না। ওনারা রাজনীতি করছেন। আমার মনে হচ্ছে এখনে একটি চক্রান্ত। কারন বরাক উপত্যকায় আমরা সব ভাই-ভাই।

**শ্রী আমিনুল ইছলাম, (মানকাছাৰ)ঃ** অধ্যক্ষ মহোদয়, Bill খন lay হোৱাই নাই।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** Please sit down.

**শ্রী আমিনুল ইছলাম, (মানকাছাৰ)ঃ** অধ্যক্ষ মহোদয়, Tribals ৰ ক্ষেত্রত সমস্যাটো কি এই কথাটো স্পষ্ট কৰক .. interruptions.. আপত্তিটো ক'ত?

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** সকলো বহক। মোক ক'বলৈ দিয়ক।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** আমাৰ মাননীয় সদস্যগৰাকীয়ে Private Members' Bill এখন আনিছে। মই আপোনাক ( *মাননীয় সদস্য শ্রী কৰিমউদ্দিন ভূঞাক উদ্দেশ্যি*) অনুৰোধ কৰিয়েই আছিলো যে বিলখন আপুনি উত্থাপন কৰাৰ কাৰণে সদনৰ অনুমতি বিচাৰি প্রস্তাৰ দিয়ক। তেখেতে বিলখনৰ ওপৰত explanation দিলে, কোনো আপত্তি নাই। ইয়াৰ ওপৰত তেখেতে (*মাননীয় সদস্য কৃষ্ণেন্দু পালক উদ্দেশ্যি*) ক'ব বিচাৰিলে, মই তেখেতক ক'ব দিছো। গতিকে, তেখেতৰ কথাটো শুনাৰ পিছত আমাৰ introduction হৈ যাব, যদি কাৰো আপত্তি নাথাকে, একেবাৰতে move কৰিলে একেবাৰতে মই সদনৰ সন্মতি .. interruptions.. মই চিষ্টেমটো কৈ আছো। চিষ্টেমৰ ওপৰত তেখেতসকলে কৈছে যে বিল উত্থাপন হোৱাই নাই, আলোচনা কিয়? ঠিক আছে, এইটো সঁচা কথা। মই কৈছো যে Bill Introduction কৰিবলৈ যাওঁতে কোনোবাই এই বিলৰ ওপৰত ইয়াৰ introduction খিনি দিওঁতেই কয়, তেতিয়াতো ক'বই লাগিব। গতিকে ইয়াৰ ওপৰতহে মই সদনৰ সন্মতি বিচাৰিম যে সদনে কি কৰে?মই সেইকাৰণে কৈছিলো যে আপুনি সদনত Introduction ৰ permission টো বিচাৰক।

-----------------------interruption -----

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** Consideration stage ত হে কথাবিলাক আহে। গতিকে Introduction টো হৈ লওক।

**মাননীয় অধ্যক্ষ ঃ** সেইকাৰণে মই প্ৰথম experience ৰ কাৰণে, আপোনালোকে মোক পিছত অভিযোগ কৰিব যে কথাটো ক'ব দিয়া নাই।

**শ্ৰী বিজয় মালাকার,(রাতাবাড়ি সমষ্টি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় সদ্যসকে জিজ্ঞেস করতে চাই মাননীয় সদস্য যে বিল এনেছেন এই বিলের সঙে ট্রাইভ্যালসদের কথা বলেছেন আমরাও ট্রাইভ্যালসদের উন্নতি হোক চাই। কিন্তু ট্রাইভ্যালসদের সঙে উনি যে ফিসারম্যানকেও ঢুকিয়েছেন, মুসলিমদেরকে ঢুকিয়েছেন। ফিসারম্যান ও ট্রাইভ্যালসদের সঙে কি সম্পর্ক? আমি উনাকে অনুরোধ করব ওনারা যারা এখানে আজ এই বিলে সাইন করেছেন ওনাদের কাছে আপনার মাধ্যমে আমি অনুরোধ করব আমাদের অঞ্চলের ট্রাইভ্যালস ভাই বোনদের জায়গা জমি যেভাবে দখল করেছেন আমার একটি অনুরোধ থকবে সবার কাছে ওনারা সবাই মিলে যাতে ট্রাইভ্যালসদের যদি সত্যিকার অর্থে ভালো চাই তাহলে সবার আগে যাতে ওনারা জায়গা জমি যেগুলো দখল করেছেন এগুলো উদ্ধার করে দেন। আমি মনে করি ওনাদের নিজের স্বার্থের জন্য এই বিল এনেছেন।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। ------হুলস্থুল-------

**মোঃ আমিনুল ইছলাম, (মানকাচাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সদনৰ ৰুল ভঙ্গ কৰিছে. ------হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** মই থিয় হৈ আছো, আপোনালোক বহক। সন্মানীয় বিধায়কসকল, সন্মানীয় বিধায়কজনে যিহেতু আজি Private Member's Bill,তেখেতৰ তৰফৰ পৰা এটা বিল ইয়াত উত্থাপন কৰাৰ কাৰণে আনিছে, তেওঁ এতিয়া Bill introductory ৰ কথাখিনি ক'লে যে কি কাৰণে তেওঁ বিলখন আনিব বিচাৰিছে। এতিয়ালৈকে বিলখন উত্থাপন হোৱাই নাই কিন্তু সেইটো সময়তে অন্য পক্ষৰ পৰা সেই বিলখনৰ ওপৰত মন্তব্য দিলে আৰু তেওঁলোকে বিৰোধ কৰি ক'লে। সকলোৰে কথাবোৰ আমি শুনিবই লাগিব। গতিকে এইফালে যি ক'লে হৈ গ'ল আৰু কিয় কৈ থাকিব লাগে? কমলাক্ষ্য দে পুৰকায়স্থ এটা সনামনীয় পাৰ্টীৰ বিধায়ক হৈ আছে। গতিকে তেখেতেও তেখেতৰ মন্তব্য এই বিষয়ত ক'ব। আমিনুল ডাঙৰীয়াও ক'ব। আপোনালোকে এক মিনিট কৈ ক'ব। এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, প্ৰতিটো দলৰে এজন এজনকৈ ক'বলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** প্ৰতিটো দলৰ এজনকৈ সদস্যকে ক'বলৈ দিম।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মা থেকে মাসির দরদ বেশি। বিষয়টি এরকম দাড়িয়েছে। অধ্যক্ষ মহোদয়, আমি যে কথাগুলো বলব যা সত্যি

সেটাই বলব।   so for Assam concern আমরা একদিকে ভুক্তভোগী যে বিপ্লব শর্মার কমিটি,কে খিলঞ্জিয়া আজ অবধি নির্ধারিত হয়নি। একবার গিয়েছে দিল্লিতে, আবার পাঠানো হয়েছে। কনস্টিটিউশনের সঙে খিলঞ্জিয়ার সংঙা নির্ধারন করতে বিশ্রী একটি পরিবেশ সৃষ্টি হয়েছে। সেই সময় এই বিলটি উত্থাপন করা যুক্তিযুক্ততা মোটেই নেই আমি মনে করি। আমার ব্যক্তিগত অভিমত যে আমাদের আসাম বিভিন্ন জাতি জনগোষ্ঠীর দেশ এবং আমার পলিটিক্যাল মাইলেজ দেওয়ার কথা নয় যে বিল এনে আমি মাইলেজ দেব। যে বিলে আমাদের মধ্যে বিভেদ সৃষ্টি করবে, যে বিলে আমাদের মধ্যে হিংসা সৃষ্টি করবে আঘাত সৃষ্টি করবে আমরা সেই বিল মানি না। এবং আমি বলছি এই বিল আমাদরে দলের তরফ থেকে বলছি এই বিল উত্থাপন করার দরকার নেই এবং লাস্ট একটি কথা বলছি যদি এখানে খিলঞ্জিয়ার কথা বলা  হয়েছে। আমি মনে করি ট্রাইভেলদের জন্য, আদিবাসী ওয়েলফেয়ার বোর্ড একটি আছে।  যেহেতু ওদের জন্য আলাদা বোর্ড আছে আমাদের মিনি সেক্রেটারিয়েটে একটি আলাদা ব্রাঞ্চ করা হোক আমাদের আপত্তি নেই। দরকার হয় কাউন্সিল করা হোক । আমাদের নাথ যোগী সম্মেলন কাউন্সিল আছে। আমাদের ফিসারম্যান ডেভেলপমেন্ট কাউন্সিল আছে। আরও **২০**টি কাউন্সিল করা হোক । প্রত্যেকটি জনগোষ্ঠীর একটি কাউন্সিল করা হোক এবং যদি কাউন্সিল করা হয় তাহলে এই জনগোষ্ঠীর উপর ফকাস করা সম্ভব হবে। তাই আমাদের মধ্যে বিভেদ সৃষ্টি করে লাভ নেই । আমরা চাই সুষ্ঠ পরিবেশ। আমরা চাই আসামের সব জাতি জনগোষ্ঠী মিলে  এবং ট্রাইভেলদের উন্নতি সেটাই আজকের দিনে কামনা করাছি।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো হ'ল যে যিখন বিল উত্থাপন হৈছে, সেই কথাটোক লৈ এটা ৰাজনৈতিক বাতাৱৰণৰ সৃষ্টি হৈছে। এতিয়া বৰাক ভেলীত এই ১৬ টা জনগোষ্ঠী আছে আৰু এই ১৬ টা জনগোষ্ঠীৰ উন্নয়নৰ কাৰণে এখন বিল আহিছে। বিলখনৰ সম্পৰ্কত যেতিয়া আলোচনা-বিলোচনা হ'ব তেতিয়া নিশ্চিতভাৱে আমি আলোচনা-বিলোচনা কৰিম। মোৰ দুখো লাগিছে, অসমত বিভিন্ন জনগোষ্ঠীৰ কাৰণে বিভিন্ন কাউন্সিল কৰা হৈছে আৰু এইবিলাক চলিও আছে। তেওঁলোকৰ উন্নয়নৰ কাৰণে কিছুমান পদক্ষেপ আশানুৰূপ নহলেও তেখেতসকলৰ বাবে লোৱা হৈছে। কিন্তু বিলখন অহাৰ লগে-লগে বিশেষকৈ বৰাকভেলীৰ বিধায়কসকলে যিধৰণে reaction প্ৰকাশ কৰিছে, আলোচনালৈ যোৱা ভাল। তাতে তেওঁলোকে তেওঁলোকৰ বক্তব্য তুলি ধৰিব পাৰে। এইটো পৰম্পৰা নহয় যে বিল এখন উত্থাপন কৰাৰ লগে লগে এটা হুলস্থুল পৰিৱেশ সৃষ্টি কৰি দিয়াৰ বাবে মই দুখ পাইছো আৰু বিষয়টো অলপ গভীৰভাৱে তেওঁ ব্যাখ্যা কৰক আৰু  ব্যাখ্যা কৰাৰ পাছত আমি নিশ্চিতভাৱে গভীৰভাৱে আলোচনা কৰিবই পাৰো। এইধৰণৰ ব্যৱস্থা  আমাৰ অসমত ইতিমধ্যে বাহাল আছে। মই এইখিনি কথাকে ক'লো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী কৌশিক ৰয়।

**শ্ৰী কৌশিক রাই , (লক্ষীপুর)ঃ** বরাক উপত্যকায় আমি যে সমষ্টি থেকে রিপ্রেজেন্ট করি লক্ষীপুর সমষ্টি, সেখানে সবচেয়ে বেশি ১৩ শতাংশ ট্রাইব্যাল লোক বসবাস করে। এখানে আমরা দেখেছি একিটি বিল এসেছে। এই বিলে বিভিন্ন জাতি, ভাষাগোষ্ঠীর কথা বলা হয়েছে। কিন্তু ইতিমধ্যে বরাক উপত্যকাতে ৫টি কাউন্সিল আছে। বরাক  ভ্যালি হিলস ট্রাইভ ডেভেলপমেন্ট কাউন্সিল, খাসি জয়ন্তিয়া ডেভেলপমেন্ট কাউন্সিলস, মনিপুরি ডেভেলপমেন্ট কাউন্সিল, বিষ্ণুপ্রিয়া ডেভেলপমেন্ট কাউন্সিল , বর্মন ডিমাসা ডেভেলপমেন্ট কাউন্সিল। এই  পাঁচটি ডেভেলপমেন্ট

কাউন্সিল আছে। যেভাবে একটি বিল আনা হয়েছে এবং এই বিলের পিছনে জনগোষ্ঠীকে এগিয়ে দেওয়া নয় জনগোষ্ঠীকে শক্তিশালী করা নয় এই জনগোষ্ঠীদের মধ্যে রাজনীতি করার একটি চক্রান্ত শুরু হয়েছে। আমি একটি কথা মনে করে দিতে চাই ঠিক এরকমই একটি চক্রান্ত ২০০২ সালে হয়েছিল। ২০০২ সালে সম্ভবত আমার মনে আছে ২৮ আগষ্ট এই চক্রান্ত হয়েছিল। এই চক্রান্তের ফলে প্রায় বরাক উপত্যকাতে মার এবং ডিমাসাতে ক্লেস হয়েছিল এবং এই ক্লেসে ২৮ জন লোকের মৃত্যু হয়েছিল। এবং সেই চক্রান্ত আবার শুরু হয়েছে। বরাক উপত্যকার যে শান্তির দিক সেখানে হিন্দীবাসী, চা বাগান, বাঙালি, মার, ডিমাসা, খাসিয়া, জয়ন্তিয়া বিভিন্ন ভাষাগোষ্ঠীর মানুষ একসঙে সবাই বসবাস করে। এখানে বলা হয়েছে prior to 1947। এখানে অনেক বাঙালি লোকও আছেন, এখানে অনেক চা বাগিচার লোক ও রয়েছেন। এজন্য এই বিলে রাজনৈতিক উদ্দেশ্য সেখানে ব্যবহার করা হয়েছে। এবং আমি এইউডিএফর সদস্যদেরকে বলছি যারা এত বেশি ট্রাইব্যাল জনজাতিদের জন্য দরদ দেখাচ্ছেন, কোথায় হারিয়ে ছিলেন আপানারা আদিত্য লাংথাসার মত একজন বিধায়ককে। আজ কি হল আপনাদের।সেইজন্য এইউডিএফ দল বরাক উপত্যকার বিভিন্ন জাতিভাষার লোকদের মধ্যে বিদ্বেষ মনোভাব সৃষ্টি করার চেষ্টা করছে। আমি মনে করি এখানে যে ডাইরেক্টরি কাউন্সিল আছে সেই কাউন্সিগুলি কিভাবে সক্ষম করা যায় সেই কাজ করা আমাদের প্রয়োজন। বরাক উপত্যকাতে কোন ট্রাইভ্যাল এরিয়া নেই যেখানে বিদ্যুৎ ছিল জলের ব্যবস্থা ছিল কিন্তু আজকের দিনে সরকার প্রত্যেকটি জায়গায় বিদ্যুতের ব্যবস্থা জলের ব্যবস্থা করে দিয়েছেন।

**মাননীয় অধ্যক্ষ ঃ** হ'ব --- এতিয়া আমিনুল ইছলাম (কনিষ্ঠ)

**শ্রীআমিনুল ইছলাম, (মানকাছাৰ)** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ প্ৰতিটো জাতি জনগোষ্ঠীক কেনেকৈ আগুৱাই লৈ যাব পাৰি, তেখেতসকলৰ স্বাৰ্থ কেনেকৈ সুৰক্ষিত কৰিব পাৰি,এই ক্ষেত্ৰত তেখেতে সদনত যথেষ্ট বক্তব্য দি আহিছে । আজি আমি সৰ্ব্ব ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চ্চাৰ ফালৰ পৰা বিল উত্থাপন কৰিছো । বৰাক ভেলীৰ যিখিনি আনৰিপ্ৰেজেন্টটেটিভ কমিউনিটি যিখিনিক আদিবাসী বুলি কোৱা হৈছে বা যিখিনিক আমি ভূমি পুত্ৰ বুলি দাবী কৰো । সেই মানুহৰ কাৰণে এখন চেপাৰেট বিল অনা হৈছে । তেখেতসকলে কৈছে তাত নিৰ্য্যাতিত হৈছে বা অধিকাৰৰ পৰা বঞ্চিত হৈছে - কিন্তু ট্ৰাইবেলৰ বাবে বিল অনাটোত আপত্তিটো কি ? মই এইটো বুজি পোৱা নাই । তেখেতসকলে এইক্ষেত্ৰত চাজেশ্যন দিব পাৰে যে এনেকুৱা হ'ব লাগে বা তেনেকৈ কৰক । কিন্তু তেখেতসকলে বৰাক ভেলীৰ ক্ষেত্ৰত যেনেকৈ আপত্তি কৰিছে এইটো বিভেদকামী হোৱা নাই নেকি? বিজেপি চৰকাৰৰ এইটো ষ্টাইল নেকি যে ট্ৰাইবেলসকলৰ বাবে ব্ৰেকটো আমি দাবী কৰিবই নোৱাৰো ।

হুলস্থূল- কাৰো মাত শুনা নাযায়

**মাননীয় অধ্যক্ষ ঃ** প্লিছ --- বহক । হৈছে - পইন্টটো ৰেইজড কৰিলে । হ'ব - বহক ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী,খিলঞ্জীয়া ,জনজাতি, বিশ্বাস ও সংস্কৃতি ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগ বা ডিপাৰ্টমেন্টৰ কাম কাজ ৰূপায়ণ কৰাৰ বাবে দুটা ডাইৰেক্টৰেট বা সঞ্চালকালয় সৃষ্টি কৰা হয় । আমাৰ সাংবিধানিকভাবে জাতি - জনজাতি অন্যান্য পিছপৰা শ্ৰেণী, পিছপৰা জনগোষ্ঠী আছে আৰু তেওঁলোকৰ কাৰণে ইয়াত নিৰ্দ্দিষ্ট বিভাগ আছে । এতিয়া জনজাতি পৰিক্ৰমা বুলি এটা বিভাগ আছে , আৰু ইয়াৰ অধীনত জনজাতি পৰিক্ৰমা সঞ্চালকালয় আছে । অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কাৰণে আমাৰ ডিপাৰ্টমেন্ট অব চোচিয়েল জাষ্টিচ এণ্ড

এমপাৱাৰমেন্ট আছে । আৰু তাৰ অধীনত এটা সঞ্চালকালয় আছে । অনুসুচিত জাতি জনজাতি , ওবিচি গোটেইখিনিকে সানমিহলি কৰি কোনো ডাইৰেক্টৰেট অসমত নাই বা থাকিবও নোৱাৰে । তিনি - চাৰিটা ডিপাৰ্টমেন্টক লৈ এটা ডাইৰেক্টৰেট হ'ব নোৱাৰে । গতিকে এই গ্ৰাউণ্ডতে এইধৰণৰ সানমিহলি ডাইৰেক্টৰেট কোনোধৰণে গ্ৰহণযোগ্য নহয় । দ্বিতীয়তে অসমৰ কোনো নিৰ্দিষ্ট অঞ্চলক লৈ বেলেগ এটা ডাইৰেক্টৰেট সম্ভৱ নহয় । বৰাকে হওক বা কোনো পাৰ্ব্বত্য এলেকাৰ বাবে সুকীয়া সঞ্চালকালয় গ্ৰহণযোগ্য নহয় । তৃতীয়তে ইয়াত উল্লেখ কৰা জনগোষ্ঠীসমূহৰ কাৰণে কেৱল জন জাতিয়েই নহয় অন্যান্য পিছপৰা শ্ৰেণীৰ অৰ্ন্তভূক্ত মনিপুৰীসকলৰ কাৰণেও পাছখনকৈ ডেভল'পমেন্ট কাউনচিলে কাৰ্য্যনিৰ্বাহ কৰি আছে । চৰকাৰে এই ডেভল'পমেন্ট কাউন্সিলসমূহক শক্তিশালী কৰি তুলিছে । ইতিমধ্যে , আমাৰ ডেভল'পমেন্ট কাউন্সিল আমাৰ আছেই তেনেস্থলত আৰু এখন সঞ্চালকালয় কৰাৰ কোনো প্ৰয়োজনীয়তা নাই । চতুৰ্থতে যিটো কথা ইয়াত উল্লেখ কৰা হৈছে যে বৰাকৰ পৰা গুৱাহাটীলৈ দূৰ হয় , আহোতে বহু কষ্ট হয় । সেই কাৰণে চৰকাৰে সিদ্ধান্ত লৈ শিলচৰত এটা মিনি চেক্ৰেটেৰীয়েট স্থাপন কৰিছে । ৫ খনকৈ ডেভল'পমেন্ট কাউন্সিল আছে । গতিকে ওপৰঞ্চিভাৱে আমাক সানমিহলি সঞ্চালকালয়ৰ প্ৰয়োজন নাই । এইটো এটা প্ৰশাসনিক দিশত গণ্ডোগলীয়া
আৰু অবাস্তৱ প্ৰস্তাৱ। গতিকে এই বিলখনত গ্ৰহণযোগ্যতা নাই ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ .... । এতিয়া আপুনি বিলখন উঠাই ল'বনে ?

**শ্ৰীকৰিম উদ্দিন বৰভূঞা, (সোনাই)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ক'ব লগা দুই এটা কথা আছে । এই বিলখনত মন্ত্ৰী ডাঙৰীয়াই কথা কৈছে, আগৰ যিকেইটা ডেভ'ল'পমেন্ট কাউন্সিল আছে - মাৰ - ডিমাচা কাউন্সিলেই হওঁক, মনিপুৰী কাউন্সিলেই হওক, বিষ্ণুপুৰীয়া মনিপুৰীয়ে হওক এই কেইটাত বছৰি ৩০ লাখৰ পৰা ৪০ লাখ পুঁজি দিয়া হয় । তাত তেওঁলোকে কি স্কীম ল'ব, তেওঁলোকৰ ডিউটি কি একো কেয়াৰ নাই । কেৱল এক্সিকিউটিভ অৰ্ডাৰ দি অকল পলিটিকেল ইন্টাৰেষ্টত ডেভল'পমেন্ট কাউন্সিল গঠন কৰি দিয়া হ'ল । মোৰ বিলখনত মই এইখিনিয়ে ক্লিয়েৰকৈ মেনশ্যন কৰিছো যে যিমান জাতি জনগোষ্ঠী আছে - অ' বিচিয়েই হওক,এচ টিয়েই হওক এই গোটেইকেইটা কমিউনিটিৰ কাৰণে এটা এটা কাউন্সিল কৰিব লাগে আৰু গোটেইকেইটা বিভাগ তাত ইনক্লুড কৰিব লাগে । ১৭-১৮ ৰ পৰা ২১ টা কাউন্সিল হ'ব লাগে । আৰু মিনি চেক্ৰেটেৰীয়েট যিটো আছে, তাত যদি এটা চেপাৰেট ডাইৰেক্টৰেট খুলি দি কি আপত্তি আছে । চৰকাৰখন হ'ল মানুহৰ সুবিধাৰ কাৰণে । এইটো অপৰাধ নেকি ? আজি তেওঁলোকৰ বিধান সভাত কোনো প্ৰতিনিধি নাই । কোনো এম এল এ - এম পি নাই । তেওঁলোকৰ হৈ মাতিব পৰা কোনো নাই বুলিয়েই তেওলোকৰ প্ৰতি আমাৰ ৰেচপনচিব্লিটি নাই নেকি ? আমাৰ এজন সদস্যই কৈছে যে তাত মাটি দখল কৰিছে । তেখেতে যিটো কমিউনিটিক ইনডিকেট কৰিছে, মই কওঁ বৰাকত মুছলমান মানুহৰ মাটিৰ সমস্যা নাই । মাটি নোহোৱা মানুহ নপাব। জনজাতি আৰু আদিবাসী মানুহৰ কাৰণে বিল উত্থাপনৰ বাবে আমাৰ বিজেপিৰ সদস্যসকলৰ আপত্তি কিয়? কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক সুধিব বিচাৰিছো আপুনি ট্ৰাইবেল মানুহক কিয় বেয়া পায়। কিহৰ আপত্তি ।

**মাননীয় অধ্যক্ষ ঃ** যি সকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে তেখেত সকলে কওঁক হয়, যিসকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো নহয়ৰ সপেক্ষে নহয়ৰ সপেক্ষে নহয়ৰ সপক্ষে প্ৰস্তাৱ নাকচ হ'ল।

এতিয়া Item no. 4.

মই কেৱল শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াক "দি আসাম চৰ-চাপৰি লেণ্ড্ ৰেগুলেশ্যন্ছ্

বিল, ২০২৩” খন সদনত উত্থাপন কৰিব।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই “দি আসাম চৰ-চাপৰি লেণ্ড্ ৰেগুলেশ্যন্ছ্ বিল, ২০২৩” খন সদনত উত্থাপন কৰিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে নে ? যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যিসকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সপেক্ষে হয়ৰ সপেক্ষে হয়ৰ সপক্ষে বিধেয়ক খন উত্থাপন হ'ল।

Item no. 5.

এতিয়া মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই “দি আসাম ডমেষ্টিক ওৱাৰ্কাৰ্ছ ( ৰেগুলেশ্যান অৱ ওৱৰ্ক এণ্ড্ চ'ছিয়েল চিকিওৰিটি) বিল, ২০২৩” খন সদনত উত্থাপন কৰিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছে নে ? যি সকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, যিসকল মাননীয় সদস্য-সদস্যাই বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয়ৰ সপেক্ষে হয়ৰ সপেক্ষে হয়ৰ সপক্ষে বিধেয়ক খন উত্থাপন হ'ল।

আমি অন্য এটা দিনত এই বিলৰ ওপৰত আলোচনা কৰিম।

এতিয়া Item no. 6. সংকল্প প্ৰস্তাৱ। সেই সংকল্প প্ৰস্তাৱ আমাৰ আগৰ এটা incomplete হৈ আছিল, আজি সেইটো complete কৰিম। ইতিমধ্যে উত্থাপন কৰাৰ লগতে সন্মানীয় সদস্য সকলে তাত ভাগ লৈছিল, আজি কেৱল উত্তৰদানটো আছে। গতিকে উত্তৰদানৰ আগতে মই পুনৰ ৫ মিনিট সময়ত এই প্ৰস্তাৱৰ সম্পৰ্কে অৱগত কৰিবৰ কাৰণে শ্ৰীহাফিজ বছিৰ আহমেদ বা অন্যান্য যি সকলে notice দিছিল যি কোনো এজনক মই হাউচত entitle কৰিবৰ কাৰণে অনুৰোধ জনালোঁ।

**শ্ৰীআমিনুল ইছলাম, (কনিষ্ঠ, মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো চৰ-চাপৰিৰ সম্পৰ্কে কথা এটা উত্থাপন কৰা হৈছিল বা Resolution এটা আহিছিল, মই এটা কথা প্ৰত্যক্ষ ভাৱে ক'ব বিচাৰিছো যে এই চৰ-চাপৰিৰ বিষয়টো ইয়াৰ আগতে বহুত আলোচনা হৈছে আৰু আজি উত্তৰ দিয়া সময়। এই সময়ত আকৌ কব দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমাৰ কথাটো হ'ল যে চৰ-চাপৰিৰ যি অৱস্থা বৰ্তমান ইয়াৰ আগত বহুত খিনি দাতা দিয়া হৈছে, আমি জনা মতে প্ৰায় ২৪ লাখতকৈ বেছি মানুহ চৰ-চাপৰিত থাকে। আমি দেখিছো যে এই চৰ-চাপৰিৰ মানুহৰ যি জীৱন ধাৰা আজি Education Sectorতে হওঁক, Road communication, Electricity, Health তে হওঁক, কোনো major, কোনো ডাঙৰ development ৰ কাম Char-Chaporiত কৰিব নোৱাৰোঁ। এই চৰ-চাপৰিত আজিৰ দিনত ২৫ লাখতকৈ অধিক মানুহ বাস কৰে। আজি roads ৰ কথা কবলৈ গলে তাত হয়তো নাৱৰ বাহিৰে connectivity কৰিব নোৱাৰে। ২৫ লাখ মানুহৰ কাৰণে শিক্ষাৰ ব্যৱস্থা কি অৱস্থাত আছে, তাত শিক্ষক সকল town অঞ্চলত থাকে, দূৰ দূৰৰ পৰা দিয়া হয়। মোৰ সমষ্টিৰ এটা কব বিচাৰিছোঁ, তাত মই তিনিজন শিক্ষক পাইছো ধেমাজিৰ, এজন মাজুলীৰ পাইছো, এইটো মূৰৰ পৰা সেইটো মূৰলৈকে, ultimately সেই অঞ্চলৰ আমাৰ মিচিং ভাই সকল, সেই বাংলাদেশৰ বোৰ্ডাৰৰ ওচৰত থাকিবলৈ

যথেষ্টখিনি ভয় কৰে। তেখেত সকলক হাটশিঙিমাৰী sub-division ত district head quarter ত ব্যৱস্থা কৰি দিয়া হৈছে, district head quarter ৰ পৰা যাঁওতে প্ৰায় ৩ ঘন্টা ৩.৩০ ঘন্টা যাব লাগে। এই ঠাইত কেনেকৈ শিক্ষাৰ ব্যৱস্থাবোৰ সম্পূৰ্ণ হ'ব এটা চিন্তিত বিষয়। তাত local শিক্ষক দিলে সেই সমস্যাটো সমধান হ'ল হেতেন। আজি শিক্ষাৰ ক্ষেত্ৰত যি অৱস্থা, road communicationৰ যি অৱস্থা, কিন্তু মোৰ সমষ্টিৰ চৰ অঞ্চলত হাজাৰ হাজাৰ কুইন্টল millet production হয়। সেইবিলাক আমি বজাৰত আনিবলৈ বি এচ এফ ক দেখুওৱা হয় যে আমি খেতি কৰিছো, তাৰ পৰা বজাৰলৈ আনিবলৈ বি এচ এফৰ জৰিয়তে, কাৰণ বাংলাদেশ বোৰ্ডাৰ মাজত ব্ৰহ্মপুত্ৰ নদী, সেইখিনিত যিহেতু তাঁৰৰ বেৰ নাই মুক্ত হৈ আছে, সেইখিনি চৰৰ মানুহ আহোতে বহুত অসুবিধাৰ সন্মুখীন হয়। ঠিক তেনেদৰে আজি স্বাস্থ্যৰ ক্ষেত্ৰত কোনো ডাঙৰ মেডিকেল চৰ অঞ্চলত নাই। এই মানুহৰ স্বাস্থ্যৰ অৱস্থা কি? আজি তেখেত সকলৰ এম এম আৰৰ অৱস্থা কি? তেখেত সকলৰ আই এম আৰ ৰ অৱস্থা কি? আজি দেখিছে স্বাস্থ্য বিভাগে যিখিনি পদক্ষেপ ল'ব লাগিছিল, তেখেত সকলে লব পৰা নাই। দুই চাৰিটা mobile Hospital দিয়ে দায়িত্ব শেষ কৰিছে। আমাৰ কথাটো এই স্বাস্থ্য বিভাগৰ জৰিয়তে আজি তেখেত সকলৰ আইৰণৰ অভাৱ, তাত ডাক্তৰ নাৰ্চৰ কেবিন নাই পি এইচ চি বিলাক আছে নে নাই তাত আমাৰ চাবচেন্টাৰৰ কাম হৈছে নে নাই আপোনালোকে দেখিলে আচৰিত হ'ব। তাৰ যিটো অৱস্থা অত্যন্ত দুখ লগা অৱস্থা। ঠিক তেনেকুৱাকৈ আজি Agriculture ত যদি যাঁও, সেই চৰৰ পৰা মেজৰ কৃষিৰ ক্ষেত্ৰত চাপোৰ্ট পাই আছো। আজি চৰৰ মানুহ খিনি কৃষিৰ জৰিয়তে যি বিলাক তাত উৎপাদন হৈ আছে অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত ব্যপক হাৰত পৰিষৰ যোগাই আছে। ঠিক এনেকুৱা এটা অৱস্থাত চৰ অঞ্চলৰ যিটো অৱস্থা এই অৱস্থাটো পৰিবৰ্তন কৰিবৰ কাৰণে আমি কি ব্যৱস্থা ল'ব পাৰো। ইয়াৰ আগতেও চৰৰ এটা vectorial বনোৱা হৈছিল, সেইটো কিন্তু কাৰ্যক্ষম হৈ থকা নাই। সেইটো কাৰ্যক্ষম হ'ব লাগে আৰু চৰৰ উন্নতিৰ কাৰণে শিক্ষাগত হওঁক, যাতায়াত ব্যৱস্থায়ে হওঁক, electricity ব্যৱস্থাই আজি ২৫ লাখ মানুহক চুব পৰা নাই, যদিও কিছু কিছু ঠাইত solar system ব্যৱস্থা কৰা হৈছিল আমাৰ কথা হ'ল যে অসমৰ বহুত চৰ আমি grid connectivity কৰিব পাৰোঁ। চৰৰ মানুহ খিনিক পঢ়াশুনাৰ ক্ষেত্ৰত ব্যৱস্থা কৰিব পাৰিম, যোগাযোগৰ ব্যৱস্থা কৰিব পাৰিম, শিক্ষাগত উন্নত কৰিব পাৰিম, স্বাস্থ্যৰ ক্ষেত্ৰত উন্নত কৰিব পাৰিম চৰকাৰৰ এটা বিশেষ দৃষ্টি তাত নিক্ষেপ কৰিব লাগে। মই ভাৱো চৰৰ মানুহৰ শিক্ষা, যোগাযোগৰ ব্যৱস্থা স্বাস্থ্যৰ, electricity সকলো দিশৰ পৰা আৰু কৃষকৰ ক্ষেত্ৰত এটা ব্যাপক পৰিবৰ্তন আনিব পাৰো সকলো দিশৰ পৰা তাত নিয়োগ কৰিব পৰা স্থল আছে, এই কাৰণে চৰকাৰে এটা special ব্যৱস্থা লৈ এই ২৫ লাখ চৰৰ মানুহক কেনেকৈ জীৱন ধাৰণ কেনেকৈ main stream ৰ লগত উঠাই আনিব পাৰি তেখেতৰ সকলৰ আজি বিবাহৰ কথা কৈ থকা হয়, population growth ৰ কথা কৈ থকা হয় আজি তেখেত সকলৰ child marriage ৰ কথা কৈ থকা হয়, যিখিনি issues আজি ইয়াত উত্থাপন হৈ আছে সেই child marriageৰ কাৰণে যিখিনি awarenessৰ কৰিব লাগে চৰৰ মানুহে সেইখিনি নাপায়। চৰৰ মানুহে যিখিনি স্বাস্থ্যৰ সুবিধা পাব লাগে সেইখিনি নাপায়। এই কথাবোৰৰ প্ৰতি special গুৰুত্ব দি তেখেত সকলৰ কাৰণে বিশেষ ব্যৱস্থা কৰিব বুলি আমি আশা ৰাখিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** Thank you. এতিয়া মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰত বাস কৰা লোক সকলৰ সা-সুবিধাৰ কল্যাণৰ বাবে যিটো প্ৰস্তাৱ সদনত দাঙি ধৰা হৈছে তাৰ উত্তৰত মই এইখিনিকে কব বিচাৰিছোঁ

যে আমাৰ অসমত যি সংখ্যালঘু উন্নয়ন বিভাগ আছে সেই সংখ্যালঘু উন্নয়ন বিভাগে চৰ অঞ্চলৰো উন্নয়নৰ বাবে কাম কৰি আহিছে। তাৰোপৰি স্বাস্থ্য বিভাগ বিশেষকৈ National Health Mission, Agriculture department and Education department.

মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগ আৰু শিক্ষা বিভাগে এই ক্ষেত্ৰত তেওঁলোকৰ দায়িত্ব সমূহ পালন কৰি আহিছে। বেলেগ এটা বিভাগ খুলিলে অসুবিধা ইমানে থাকে বিদ্যুৎ কাম বেলেগ বিভাগে কৰিব নোৱাৰে মুঠতে ASEB কৰিব লাগিব। স্বাস্থ্য ক্ষেত্ৰত ডাক্তৰ কোনো বিভাগে পঠাব নোৱাৰে, এটাই হ'ব পাৰে যে, বিভাগৰ ফালৰ পৰা আৰু অলপ বাজেট অতিৰিক্ত দিব লাগে। তাৰ বাদে বেলেগ বিভাগ কৰিলেও নাপায়। সেই কাৰণে লক্ষ্য উদেশ্য এইটো হ'ব লাগে। চৰৰ ক্ষেত্ৰত আমাৰ approached হ'ব লাগে যি বিলাক বিভাগ সেই বিভাগ সমূহে তাত অগ্ৰাধিকাৰ ভিত্তিত কাম কৰিব লাগে। ভূমি সংস্কাৰ হ'ব লাগে। জনসংখ্যা নিয়ন্ত্ৰন হ'ব লাগে। শিক্ষাৰ ব্যৱস্থা বাঢ়িব লাগে, good connectivity যাব লাগে। এই গোটেইবোৰৰ ক্ষেত্ৰত আমি একমত। ব্ৰহ্মপুত্ৰ চৰ বিলাক সদায় স্থায়ী নহয়। ব্ৰহ্মপুত্ৰ চৰ বিলাকৰ এটা Ecological aspect টো আছে। চৰত আমি যিমান মানুহ বহিম নদীখনৰ সোতঁত সিমানে প্ৰভাৱ পৰে। গতিকে এই সংক্ৰান্তত কনোৱাই নহয় কনোৱাই আমি সকলোৱে হবি সিদ্ধান্ত ল'ব লাগিব। আজিৰ দিনত মই এইটোকে আশ্বাস দিব বিচাৰিছো যে, চৰত থকা লোক সকলৰ আৰ্থ সামাজিক বিকাশৰ বাবে আমাৰ চৰকাৰে নিৰন্তৰ ভাবে কাম কৰি আছে, কৰি থাকিব। মই বিশেষকৈ সংখ্যালঘু যিবিলাক ৰাজনৈতিক নেতা তেওঁলোকৰ এটা বিশাল দায়িত্ব আছে যে জনসাধৰণৰ দৰিদ্ৰতা নিৰক্ষৰতাৰ ওপৰত প্ৰিমিয়াম কৰি তেওঁলোকৰ সমাজৰ সংস্কাৰৰ পথত নামি যে মানুহখিনি পিছপৰি থাকিলে সদায় আমাক ভোট দি থাকিব এই ধৰণৰ চিন্তাৰ পৰা ওলাই আহি মানুহখিনিক শিক্ষা, স্বাস্থ্যৰ পোহৰৰে বিকাশ কৰিবৰ বাবে কাম কৰিব লাগে। এচাম লোকৰ ধাৰণ আছে যে জনসংখ্যা বাঢ়ি থকা মানে আমাৰ ভাল আমাৰ ভোট বেংক হ'ব। আমি যদি এই কথাত মাত দিওঁ আমাৰ মাতৰৰ সকলে বেয়া পাব। আজি চৰত একেটা ঠাইত একোজনকৈ মাতৰৰৰ হাতত ১০০০ বিঘালৈ মাটি আছে। এচাম মানুহক আধুনিকতাৰ পৰা দূৰত ৰাখি যি ধৰণে শিক্ষা দিয়া হয়, সেই শিক্ষা ব্যৱস্থাটোৰ প্ৰতি পৰিৰ্বতন কৰিব লাগে। আমাৰ প্ৰত্যকজন বিধায়কে কলাক্ষেত্ৰ বা চিৰিয়াখানত ফুৰাবলৈ লৈ আহে মই কেতিয়াও চৰৰ যুৱক-যুৱতী সকলক আমাৰ কোনো বিধায়কে বাহিৰত লৈ অহা দেখা নাই। আমি ৰুলিং পাৰ্টীয়ে আলোচনা কৰিছিলো যে অসম বিধান চলি থকা সময়ত ১০০ পৰা ১৫০ লৰা-ছোৱালীক লৈ আহো। আমাৰ সংখ্যালঘু অঞ্চলত প্ৰতিনিধিত্ব কৰা বিধায়ক সকলেও অলপ innovative চিন্তা কৰক। চৰকাৰে সহায় কৰিব। এসমত মাদ্ৰাছা ডাইৰেক্টত শিক্ষক সকল টেবুলৰ ওপৰত বহে, ডাইৰেক্টৰ তলত বহে। মই নিজে শিক্ষা মন্ত্ৰী আছিলো। সমস্যাৰ সমাধান হ'ল outlook. মই সেই কাৰণে চৰ অঞ্চলত প্ৰতিনিধিত্ব কৰা বিধায়ক সকলক আজি চৰৰ নামত যেতিয়া চলাৰ যায় ১০০০টা তাত বহে ২০ টা। বাকী গোটেই চলাৰ নোহোৱা কৰি দিয়ে। চৰৰ মানুহক দিলো নিদিলেও কি যায়। এনেকুৱা ধৰণৰ দুৰ্নীতিৰ লগত চৰকাৰ জড়িত নাই। বিধায়ক সকল যদি ১০ টা বছৰ চৰৰ আৰ্থ সামাজিক বিকাশৰ বাবে নিৰন্তৰ কাম কৰে পৰিবেশ সলনি হ'ব। নতুন ডেকা চামক উলিয়াই আনিব লাগিব। Tea Student Hostel হৈছে, কিছুমান সমষ্টিত আমি ভাবো চৰৰ লৰা-ছোৱালীৰ বাবে হোষ্টেল বনাম। যাতে বাহিৰত আহি তেওঁলোকে পঢ়া শুনা কৰিব পাৰে। আজিৰ সদনৰ যিটো আলোচনা অকল ডাইৰেক্টৰত সীমাবদ্ধ নাথাকি আৰু মানুহক টকা খোৱা ৰাস্তা উলিয়াই নিদি আমি আচলতে কি ধৰণে বিকাশ কৰিলে চৰৰ আৰ্থ সামাজিক

সমস্যা সমূহ সমাধান হ'ব। আমাৰ চৰৰ ৰ বিধায়ক সকল একত্ৰিত হৈ আমাক যদি এখন পলিচি পেপাৰ বনাই দিয়ে যে এইখিনি ল'লে আমাৰ সমস্যা সমূহ সমাধান হ'ব। এই ক্ষেত্ৰত আপোনালোকৰ লগত কাম কৰিবলৈ আমি আগ্ৰহী। আমি কেনেধৰণে আঁচনি ল'ব পাৰো, আমি NHM ৰ জৰিয়তে কেনেধৰণে কাম কৰিব পাৰো। বাহিৰত ছাত্ৰ-ছাত্ৰীৰ বাবে হোষ্টেল কৰিব পাৰো। চৰৰ লৰা-ছোৱালীক excursion ব্যৱস্থা কৰিব পাৰো নেকি। আমাৰ APDCL কেনে ধৰণে দ্ৰুত বিদ্যুৎ কানেকশ্যন হ'ব পাৰে। ক'ৰোৱাত communication bottle neck আছে। লোক নিৰ্মাণ বিভাগৰ লগত কথা পাতি আমি ৪ খন আঁচনি যি পুঁজি পাওঁ, সেই পুঁজি আমি চৰ অঞ্চলৰ ৰাইজৰ বাবে সদৎ ব্যৱহাৰ কৰিব পাৰো নেকি। আমাৰ চিন্তা ধাৰাবোৰ সদায় যোগাত্মক হ'ব লাগে। চৰৰ ভিতৰৰ সমস্যা বিলাক আপোনালোকে বেছিকৈ জানে। আপোনালোকে আমাক ১০ দফিয়া বা ১২ দফিয়া এটা এক্সন প্লেন বনাই দিয়ক, এক্সন প্লেন বিলাক ঠিকাদাৰ কেন্দ্ৰীক নহে একেবাৰে মানুহৰ মাজত সোমোৱা। এতিয়া আমি Minority বৃত্তি এটা আৰম্ভ কৰিছো ৩১ মাৰ্চৰ আগতে আমি দিম। যিমান আবেদন আহিব লাগে সিমান নাই। আমি ২৬ হাজাৰ মানুহকে দিব পাৰিছো কিন্তু বহুত ছাত্ৰ-ছাত্ৰী Minority এলেকাত পঢ়ি আছে। বিধায়ক সকলে এতিয়ালৈ সেই আঁচনি বিলাক কোৱাই নাই। টিভি বিলাক ইমনা চৰৰ ভিতৰত নাচায়। চৰৰ কাৰণে যিখিনি আঁচনি বনাম সেইখিনি যাতে চৰৰ ৰাইজে গম পায় জৰিত হ'ব পাৰে তাৰ কাৰণে আপোনালোকে আমাক সহযোগিতা কৰক। আমাৰ চৰকাৰেও আপোনালোকৰ লগত সহায় কৰিব। আমাৰ সংখ্যালঘু মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াক বিধান সভাতে দায়িত্ব দিছো আপোনালোকৰ লগত ৪ পৰা ৫ বাৰ মান কথা পাতি আমি যেনেকৈ চাহ বাগিচাৰ ক্ষেত্ৰত এক্সন প্লেন বনালো আমি ৰিজাৰভেশ্যন দিয়া, বিদ্যুৎ যি আমি মাফ কৰিলো। এই বিলাক মোৰ চিন্তা নহয় মানুহৰ মনৰ চিন্তা বিলাকৰ ৰূপ দিছো। আমাৰ খিলঞ্জীয়া মুছলমান সকলৰ লগতো আমি বহিছিলো। তেওঁলোকে বহুত পৰামৰ্শ দিছে আমি সেই বিলাক লাহে লাহে ৰূপ দিম। চৰৰ কাৰণে আপোনালোকে চিন্তা-চৰ্চা কৰি আমাক পৰামৰ্শ দিয়ক আমি যিমান পাৰো সহায় সহযোগিতা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে আমি ভাল পাইছো। চৰ চাপৰিৰ মানুহক পিছপৰি থকা শ্ৰেণীৰ মানুহ বুলি যাতে ৰাজনীতি কৰা নহয় আমি বহুত আগৰ পৰা দেখি আহিছো। তাৰ বাবে আমি সংকল্প প্ৰস্তাৱ আনিছিলো। চৰৰ সা-সুবিধাখিনি পাই আছে নে নাই, সেইটো নিশ্চিত কৰিবলৈ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। এতিয়া এই চৰৰ মানুখিনিক এই গোটেই বিভাগৰ সা-সুবিধাখিনি পাই আছেনে নাই সেইটো নিশ্চিত কৰিবলৈ কোনোবা বিধায়ক বা তেখেতৰ নিজাববীয়াকৈ অলপ সহযোগ কৰিলে, কোনোবা এনজিঅ'ই কৰিলে, কোনো এলেকাত কোনোবা তেনেকুৱা এনজিঅ'ই নাই বা কোনোবা বিধায়কেও সহযোগ নকৰিলে, তেতিয়া হয় কি এই বিভাগবোৰৰ আঁচনি বিলাক চৰচাপৰি অঞ্চললৈকে জ্ঞাত নহয় আৰু এই বিলাক ঢুকি নাপায়। সেই কাৰণে এটা parental এনেকুৱা এটা চিষ্টেম আচলতে mechanism বিচাৰিছো। মুখ্যমন্ত্ৰী মহোদয়ৰ লগত সুৰ মিলাই আমি এইটো ক'ব বিচাৰিছো, যে এনেকুৱা এটা মেচিনেৰি লাগে যি মেচিনেৰিয়ে এইটো ensure কৰিব যে প্ৰত্যেক বিভাগৰ আঁচনি বিলাক কাম-কাজবিলাক চৰ অঞ্চলৰ মানুহে ঢুকি পাইছেনে নাই আৰু তেওঁলোকে সা সুবিধাসমূহ পাই আধুনিক জগতৰ লগত

খাপ খোৱাৰ এটা উপযুক্ত পৰিবেশ তেওঁলোকে পাইছেনে নাই তাৰ এটা parental organization লাগে, সেই কাৰণে আমি ৰিজ'লোশ্যনটো আনিছিলো। যদি আচলতে চৰকাৰী এটা মেচিনেৰী নাথাকে , কোনোবা বিধায়কে হওঁক বা কোনোবা এনজিঅ'ই হওঁক বা ব্যক্তি বিষেশে অলপ সহায় কৰিবলৈ । মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আমি এইটোৱে বিচাৰিছো, যে Directorate হওঁক বা নহওঁক চৰকাৰী ভাবে এনেকুৱা এটা কাউঞ্চিলে হওঁক বা এনেকুৱা এটা কৰিব লাগে যিটোৱে চৰ চাপৰিৰ সকলো বিলাক সমস্যা চাব জৰীপ কৰিব আৰু এই আঁচনি বিলাক ঢুকি পাইছেনে নাই এই সম্পুৰ্ণখিনি চোৱাচিতাৰ বাবে এটা চৰকাৰী ভাবে মেচিনেৰী হ'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়াক ইতিমধ্যেই নিৰ্দেশ দিছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি এই বিতৰ্কৰ লগত মই জৰিত নহয় এক মিনিটত মোৰ এটা অপিনিয়ন ক'ব বিচাৰিছো। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে যিটো কৈছে, Directorate,separate office ৰ তাত প্ৰয়োজন নাই। মই সেই ক্ষেত্ৰত ১০০ শতাংশই একমত। কিন্তু মুখ্যমন্ত্ৰী মহোদয়ক যিটো পলিচিৰ কথা কৈছে মোৰ থাউকতে মনলৈ অহা তিনি চাৰিটা বিষয়ৰ ওপৰত কম।

**মাননীয় অধ্যক্ষ** ঃ ইমান বহলাই ক'ব নালাগে।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ওপৰত পৰ্য্যাপ্ত শিক্ষানুষ্ঠান, টিচাৰ হোষ্টেল, গাৰ্লচ হোষ্টেল, আনকি গুৱাহাটীত যেনেকৈ টি ট্ৰাইবৰ কাৰণে কৰিছে, আৰু আন্ত গাঠনি উন্নয়ন, বিদ্যুত আৰু স্বাস্থ্য।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, তেখেতে ইতিমধ্যে এই কথাটো কৈছে। মন্ত্ৰী মহোদয়ক ইতিমধ্যে দায়িত্ব দিছে যে আপোনালোকৰ লগত কথা পাতি এই বিষয়ত সিদ্ধান্ত ল'বৰ কাৰণে। এতিয়া আপোনালোকৰ সংকল্প প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মই মুখ্যমন্ত্ৰী মহোদয়ৰ কথাৰ লগত সংগতি ৰাখি কৈছো, যে Directorate নকৰিলেওঁ হ'ব,

**মাননীয় অধ্যক্ষ** ঃ ইতিমধ্যে এই কথাটো কৈছে। মন্ত্ৰী মহোদয়ক ইতিমধ্যে দায়িত্ব দিছে যে আপোনালোকৰ লগত কথা পাতি এই বিষয়ত সিদ্ধান্ত ল'ব। এতিয়া আপোনালোকৰ সংকল্প প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ ঠিক আছে, সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ সংকল্প প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিলে, ধন্যবাদ। এতিয়া আমাৰ আইটেম নং৬ (খ) শ্ৰী ভূবন পেগু ডাঙৰীয়াই সংকল্প প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী ভূৱন পেগু, (সোনাই)** ঃ অধ্যক্ষ মহোদয় মই যিটো সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিম, সেইটো খুব উদ্বেগজনক বিষয় গোটেই ভাৰতবৰ্ষৰ কাৰণে আৰু ভাৰত ৰাষ্ট্ৰ কাৰণে এটা উদ্যেগজনক বিষয়. ইয়াকে কৈ মই বিষয়টো উত্থাপন কৰিব বিচাৰিছো। With regard sir, I would like to move this resolution under Rule 115, " It is on being perturbed by the systematic attack that has been engineered to malign India's global standing, that I would like to request this August House to move this resolution against the British Broadcasting Corporation's (BBC) malicious two-part documentary, the 'Modi Question'. Speaker Sir, On 17th February, 2023, the BBC released Part-I of a shameful

documentary 'through a false and fictitious portrayal of the events that occured in Gujrat on 2002 which was produced with the sole reason of attacking our Hon'ble Prime Minister and the Indian Republic. The BBC has peddled false narratives in stark ignorance of the Hon'ble Supreme Court's judgement dated 24th June, 2022 in this matter and has painted India's Judicial institutions as compromised and impartial bodies, which is a direct attack on the integrity of India's Judicial authorities. The BBC Documentary constitutes as absolute contempt of Court, as it has summarily dismissed and undermined the Court's reasoning and abilities. Speaker Sir, The BBC has also questioned the Country's free press, Judiciary and the legitimacy of its democratically elected majority government. Through its documentary, the BBC has grossly maligned India's political parties, judiciary, press, police officers, investigative agencies and religious communities. Through the continuing broadcast of its domentary, it has displayed its deeply rooted and institutionalised racism. It is disturbing to note that even 75 years after India's Freedom from ruinous colonial rule, the BBC seeks to continue to act as the true arbiter of India's internal issues, through its dubious journalism. Speaker Sir, The documentary aired by the BBC in February, appears to be a calculated attempt at recreating communal disharmony in India by broadcasting triggering visuals of violent crimes while repeatedly highlighting the purported involvement of religion and religious differences. The wounds left behind by the incidents in Gujrat have finally been mended after decade-long efforts and finally the Apex Court has put the issue to rest through its judgement delivered on 24th June 2022. Thus any attempt to rehash past incidents and create communal tensions, especially by motivated foreign groups who seek to benefit from such religious chaos, must be prevented, The narrative peddled by BBC in the documentary, riddled with false allegations and hollow aspersions, seeks to destroy the social fabric of India, that is diverse, democratic and harmonious. I request this House to recognises the dangerous agenda that has motivated this documentary. Speaker Sir, So as to preserve sovereignty and the foundation of India , I request this August House to adopt a Resolution demanding the strictest possible action against the British Broadcasting Corporation's (BBC)

malicious and dangerous agenda to instigate religious communities and flare religious tension and malign India's global standing by airing the malicious two-part documentary, the 'Modi Question." Speaker Sir, this is an attack on the true accents and very accents of being Indian citizen. It is a matter of National Importance and national pride. অধ্যক্ষ মহোদয় এই বিষয়টোম ২০০২ চনত। খুব দুখদায়ক আৰু মৰ্মান্টিক ঘটণা এটা ঘটিছিল। ভড্ৰাত ট্ৰেইনৰ ডবা জ্বলাই দিয়াৰ কাৰণে ২০০০ মান এটা অৰগেনাইজ গ্ৰুপে ২০০২ চনত যেতিয়া অযোধ্যাৰ পৰা ঘুৰি গৈ আছিল। ভড্ৰা ষ্টেশ্যনৰ সন্মুখত ট্ৰেইন ৰখাই পেট্ৰোল লগাই যেতিয়া জ্বলাই। এনেকুৱা এটা দুখ দায়ক দৃশ্য সেই আমি ৰাতিপুৱা লক্ষ্য কৰিছো। সেই দিনত আমি লক্ষ্য কৰিছিলো, তাত ৬০ জনতকৈও ওপৰৰ ৩০ জনকৈ মহিলা ১০ জনকৈ সৰু সৰু কণ কণ ল'ৰা-ছোৱালীৰ চাব নোৱাৰাকৈ জ্বলি যোৱা ডেডবডি যেতিয়া পিছদিনা প্ৰদৰ্শন হৈছে ঘৰে ঘৰে যেতিয়া গতাই দিছে-- সঁচাকৈয়ে মৰ্মান্তিক ঘটনা এটা। সেই ঘটনাক কেন্দ্ৰ কৰি এটা spontaneous reaction হৈ এটা সংঘৰ্ষৰ হ'ল। তাক কেন্দ্ৰ কৰি আজি ২০ বছৰ পাৰ হৈ গ'ল। ২০০২ চন, ২০ বছৰ পাৰ হৈ যোৱাৰ পিছত আজি সেই বিষয়ক কেন্দ্ৰ কৰি বি বি চি য়ে এতিয়া ডকুমেণ্টৰীটো প্ৰকাশ কৰাৰ কি উদ্দেশ্য হ'ব পাৰে। ২০০৫,২০১০ বা ২০১২ চনতো পাৰিলেহেঁতেন। কিন্তু এতিয়া ২০২২ আৰু ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহত ডকুমেণ্টৰী টো প্ৰকাশ কৰাৰ উদ্দেশ্যটো কি? ভালকৈ যদি অলপ অধ্যয়ণ কৰা যায় মাননীয় অধ্যক্ষ মহোদয়, আপুনি টাইমিং বোৰ যদি চায় এতিয়াৰ সময় ভাৰতবৰ্ষৰ ৰাষ্ট্ৰগুৰু হোৱাৰ সময়। এতিয়াৰ সময় আপোনালোকে যদি লক্ষ্য কৰে ২০২২ চনৰ ডিচেম্বৰৰ ১ তাৰিখে India ই G-20 Foram ৰ প্ৰেচিডেঞ্চীৰ দায়িত্ব লৈছে। এতিয়াৰ সময় মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত বিশ্বক নেতৃত্ব দিয়াৰ সময়, এতিয়াৰ সময় এই গোটেই বছৰটোত মাননীয় অধ্যক্ষ মহোদয়, আপোনোলোকে যদি লক্ষ্য কৰে India ই G-20 ৰ প্ৰেচিডেঞ্চীৰ দায়িত্ব লৈ ২০০ খন মিটিং ভাৰতবৰ্ষৰ ৫০ খনৰো অধিক চহৰত পৃথিৱীৰ সম্পৰ্কে, পৃথিৱীৰ অৰ্থনীতিক সঠিকভাৱে নেতৃত্ব দিয়া ক্লাইমেট চেঞ্জ, environment ৰ বিষয়খিনিক লৈ বিশ্বক নেতৃত্ব দিয়াৰ বিষয়বোৰৰ ওপৰত আলোচনা হৈছে আৰু এই G-20 ৰ ডেলিগেশ্যন ২০ খনতকৈও অধিক উন্নত ৰাষ্ট্ৰৰ ডেলিগেশ্যন ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত ভাৰতবৰ্ষৰ ঐতিহ্যৰ বিষয়ে, ভাৰতবৰ্ষৰ সংস্কৃতিৰ বিষয়ে গোটেই বিশ্বই গ্ৰহণ কৰিব। এই G-20 ৰ প্ৰেচিডেঞ্চীৰ মূল থিমটো যদি আমি চাওঁ বসুদেইৱা কুটুমৱাকম, one family one future. গোটেই বিশ্ব এক, এটা পৰিয়াল একেলগে আগুৱাই যোৱাৰ কথা কৈছে আৰু G-20 মানে পৃথিৱীৰ ৮০ শতাংশ জি ডি পি ক কন্ট্ৰোল কৰা দেশ সমূহৰ এটা ফ'ৰাম। ৭৫ শতাংশ গ্লোবেল ট্ৰেড কণ্ট্ৰোল কৰা এটা ফ'ৰাম, ৬০ শতাংশ ৱল্ড পপুলেশ্যনক একেলগে নেতৃত্ব দিয়া এটা ফ'ৰাম। এই ফ'ৰামক যেতিয়া নেতৃত্ব দিয়াৰ সময় ভাৰতবৰ্ষৰ আহিছে, সেইসময় এই বিষয়টো পুনৰ আনি ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ প্ৰতিচ্ছবিক ভাৰতবৰ্ষৰ প্ৰতিচ্ছবিক বিশ্বৰ সন্মূখত এটা নিকৃষ্ট ভাৱে প্ৰদৰ্শন কৰিব বিচৰা বি বি চি ৰ এই ডকুমেণ্টৰীক মই ভাবো যিমান পাৰে প্ৰত্যেকজন ভাৰতীয়ই, অকল ভাৰতবৰ্ষতে নহয় বিশ্বত থকা প্ৰত্যেকজন ভাৰতীয়ই এই ডকুমেণ্টৰীক condemn কৰিব লাগে। মাননীয় অধক্ষ্য মহোদয়, মই আৰু ৫ মিনিট সময় ল'ম। সঁচাকৈ চাবলৈ গ'লে আজিৰ সময় সপোন সপোন লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই কটন কলেজত পঢ়িছিলো। মোৰ চাবজেক্ট হিস্ত্ৰি আছিল। আমি যেতিয়া বিশ্বৰ ৰাজনীতি সম্পৰ্কে আলোচনা

কৰো ভাৰতবৰ্ষৰ ৰাজনৈতিক ষ্টেণ্ডিং , আমি তৃতীয় বিশ্বৰ এখন সাধাৰণ দেশ। Hard work country, developing nation আমাৰ কাৰ লগত তুলনা হয় পাকিস্থান, শ্ৰীলংকা, ম্যানমাৰ আদিৰ লগত। তেতিয়া নিউক্লিয়াৰ কিবা এটা আৱিস্কাৰ কৰিলেই আমাক ওপৰৰ পৰা দম দিয়ে, আমেৰিকাৰ পৰা দম দিয়ে। সেইসময়ত আমাৰ ৰাষ্ট্ৰৰ বিষয়ে আমি যেতিয়া চৰ্চা কৰো, পেপাৰে পত্ৰই দুনীৰ্তিৰ গৰাহত ১০ বছৰ ইউ পি আই চৰকাৰৰ দিনত লুণ্ঠন, ১ লাখ কোটি টকাৰ কেলেংকাৰী কমনৱেল্থ গেমচ্ ৰ ৬০ হাজাৰ কোটি টকাৰ কল্যাণ কেলেংকাৰী, লাখৰ ওপৰত, কোটি টকাৰ ওপৰত কেলেংকাৰী, বিধস্ত দেশ, বিধস্ত ইক'নমী, মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া আমি ভাবিছিলো কেতিয়া আমি আমেৰিকাৰ লগত ফেৰ মাৰিব পৰা, ইউৰোপৰ লগত ফেৰ মাৰিব পৰা পৰ্য্যায়লৈ গৈ পাম। আজি ভাৰতবৰ্ষ ৰাষ্ট্ৰ হিচাপে আগৰ দূৰ্বল ৰাষ্ট্ৰ হৈ থকা নাই। মুম্বাইত আক্ৰমণ হওঁতে অকল আমি পাকিস্থানৰ পৰা আক্ৰমণ কৰিছিল বুলি কেকাইছিলো। কিন্তু এতিয়া পুলৱামা, উৰিত যেতিয়া আক্ৰমণ হ'ল ডাইৰেক্ট পাকিস্থানৰ ভূমিত গৈ বোম্বিং হয়, চাৰ্জিকেল ষ্ট্ৰাইক হয়। আজি সেই দেশবোৰ ক'ত, যিবিলাক দেশৰ লগত আমি সেই সময়ত ডেভেলপিং নেশ্যন হিচাপে তুলনা কৰিছিলো। পাকিস্তানৰ আজি তুলনাই নহয়। পাকিস্তানে আজি খাদ্য-ইন্ধন যোগান কৰিব পৰা নাই। শ্ৰীলংকাৰ অৰ্থনৈতিক অৱস্থা আজি বিধস্ত ইক'নমি। তাৰ ৰাষ্ট্ৰপতি ৰাতিৰ ভিতৰতে পলাব লগীয়া হৈছে। সেইবোৰৰ লগত আমাৰ তুলনা নহয়। আজি আমাৰ কাৰ লগত তুলনা হয়। যেতিয়া ৰাছিয়া আৰু ইউক্ৰেনৰ মাজত যুদ্ধ চলি আছে তেতিয়া বিশ্বই আমাৰ ফালে চাই আছে যে ভাৰতে কিবা এটা পজিশ্যন ল'ব নেকি? মাজে সময়ে অলপ দম দিয়াৰ সুৰেৰে ক'ব চেষ্টা কৰিছিল যে ৰাছিয়াৰ তেল নিকিনো। আজিৰ তাৰিখত আমাৰ ৰাষ্ট্ৰ প্ৰধানে পজিশ্যন লৈছে। এটা সময়ত কিবা এটা হ'লে চাইনাৰ ভাবুকিত আমি চুপ চাপ থাকি যাওঁ। কিন্তু এতিয়া লাডাখতে হওঁক বা অৰুণাচলতে হওঁক আমি সন্মুখৰ পৰা যুঁজি আমাৰ বাউণ্ডেৰীৰ পৰা তেওঁলোকক পিছুৱাই দিবলৈ সক্ষম হৈছো। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ভাৰতে এটা চুপাৰ পাৱাৰৰ ফালে গৈ আছে। এতিয়া কৰ'ণাৰ পৰিবেশৰ সৃষ্টি হৈছিল আৰু যোৱা ১০০ টা বছৰৰ পিছত সকলোতকৈ ডাঙৰ মহামাৰীটোৱে হৈছে এই কৰ'ণা ভাইৰাচ। তেতিয়া বিশ্বই ভাৱিছিল ১৩০ কোটি জনসাধাৰণ থকা দেশ এখনে কেনেকৈ চম্ভালিব। কিন্তু ভাৰতে চীনতকৈ বহুত আগত বা ইউৰোপতকৈ বহুত আগত এই কৰ'ণা ভাইৰাচ মষিমুৰ কৰিবলৈ সক্ষম হৈছিল।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The discussion of the resolution shall be strictly limited to the subject of the resolution. আপুনি বি বি চি ৰ ওপৰত হে ক'ব লাগে। বাহিৰৰ কথা ক'ব নালাগে। চাৰ, ১২৫ ত লিখা আছে যে আপুনি ১৫ মিনিটতকৈ বেছি পাৰ হৈ গ'ল। No resolution will except with the permission of the speaker except 15 minutes in the duration.

**শ্ৰী ভূৱন পেগু, (জোনাই) ঃ** চাৰ, ৩০ মিনিট লিখা আছে। মই ও কিতাপখনত চাইছো, Move can 30 minutes.

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৫ মিনিট আছে চাৰ। আপুনি ৰিজ'লিউশ্যনটোৰ বাহিৰত যাব নোৱাৰে।

**শ্ৰী ভূৱন পেগু, (জোনাই) ঃ** চাৰ, মই বিষয়টো বি বি চি য়ে এই আক্ৰমণটোৰ ষড়যন্ত্ৰৰ পাছফালৰ গোটেই ঘটনাৰ কথাখিনি বুজাই আছো। নহ'লে বি বি চি য়ে ২০ বছৰৰ পিছত কি কৰিব। মাননীয় অধ্যক্ষ মহোদয়, ক'ভিডৰ কাৰণে ইউৰোপ য'ত থমকি ৰ'ল, আমেৰিকা য'ত থমকি ৰ'ল আৰু

চীনে আজিলৈকে এই কৰ'ণা ভাইৰাচৰ লগত যুঁজি আছে। আজি এবছৰ আগত ২২০ কোটি মানুহক ভেকচিনৰ ডাবল ড'জ দিয়াৰ পিছত এতিয়া India's Economy has crossed Great Britain Economy and has becomed the 5th largest economy in the world. তাতে আঁচল ট্ৰেজেডী বৃটেইনৰ, তাতে আঁচল ট্ৰেজেডী বি বি চি ৰ। গাত লাগিছে ২০০ বছৰ শাসন কৰা এই দেশখনে এতিয়া আমাক চাৰপ্লাচ কৰি 5th largest economy কেনেকৈ হ'ল? এই কথাটো তেওঁলোকে হজম কৰিব পৰা নাই। সেই উপনিবেষিক চিন্তা-ধাৰাটো এতিয়া এখেত সকলৰ ভিতৰত পৰা উদ্ভৱ হৈছে। ভেকচিনৰ ক্ষেত্ৰত যিখিনি নীতি হৈছে মই দীঘলীয়াকৈ নকওঁ। কংগ্ৰেছৰ সদস্যসকলে অধৈৰ্য্য হৈছে, মই কাৰণটো বুজি পাইছোঁ। এটা International conspiracy হৈ আছে ভাৰতৰ বিৰুদ্ধে।

(........সদনত হুলুস্থূল)

**মাননীয় অধ্যক্ষ** ঃ মই permission দিয়াৰ কাৰণে তেখেতে কৈছে। referrence ত কিছুমান কথা আহি পৰে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Rules Of Procedure ত যিটো আছে যে

Provided, no resolution shall be admissible which does not comply with the following. তাত (G) Point ত আছে it shall not refer to a matter which is not primarily concern the State Government. BBC আমাৰ concern নহয়।

(........সদনত হুলুস্থূল)

**মাননীয় অধ্যক্ষ** ঃ যেতিয়া আপোনালোকক কোৱাৰ সুযোগ দিয়া হ'ব, তেতিয়া আপোনালোকে point বিলাক ক'ব। এনেকৈ তৰ্ক কৰি থাকিলে সদনৰ সময় নষ্ট হ'ব। গতিকে আপোনালোকে বহক।

**শ্ৰীভুৱন পেগু, (জোনাই)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অলপ কৈ শেষ কৰিছো। এইটো খুব উদ্বেগজনক বিষয়। কিয়নো লণ্ডণৰ মাটিৰ পৰাই , গ্ৰেট বিটেইনৰ মাটিৰ পৰাই .........

(........সদনত হুলুস্থূল)

**মাননীয় অধ্যক্ষ** ঃ ইয়াত এজন সন্মানীয় বিধায়কে Resolution move কৰিছে। এই Resolution move কৰাৰ প্ৰয়োজনীয়তা কি আছে, তেখেতে সদনত বৰ্ণনা কৰিছে। বাকী সদস্যই যদি ইয়াৰ ওপৰত কিবা কব লগীয়া আছে, কব পাৰিব। তাৰ পিছতহে Resolutionটো পাছ হ'ব।

মাননীয় সদস্য শ্ৰীভুৱন পেগু ডাঙৰীয়াক বক্তব্য শেষ কৰিবলৈ দিয়ক।

(........সদনত হুলুস্থূল)

**শ্ৰীভুৱন পেগু, (জোনাই)**ঃ মাননীয় অধ্যক্ষ মহোদয়, সময়তো চাব, BBC য়ে ১৭ ফেব্ৰুৱাৰীত documentary release কৰিছে আৰু এই ষড়যন্ত্ৰ বৃটেইনৰ ভূমিৰ পৰা আৰম্ভ কৰিছে। আৰু বিৰোধী কংগ্ৰেছৰ নেতা এজনে ২ মাৰ্চত গৈ কৈছে Indian democracy নাইকিয়া হৈ গ'ল, ধ্বংস হৈ গ'ল।

(........সদনত হুলুস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ভূৱন পেগু ডাঙৰীয়াই সদনত এটা প্ৰস্তাৱ উত্থাপন কৰিছে। কংগ্ৰেছ আৰু এআইইউডিএফৰ পৰা যদি কিবা আছে, ক'লে

হ'ল, সেইটো সৰু কথা।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সন্মানীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো প্ৰস্তাৱ আনিছে ১১৫ অনুসৰি, আপুনি condition খিনি চাই ল'ব, মই বিশেষ নকওঁ। It shall not refer to a matter which is not primarily concern the State Government. আমি Primary matter নহয় কাৰণে আপত্তি কৰিছোঁ। আলোচনা প্ৰকৃততে হ'বই নালাগে। তথাপিও যিহেতু বিষয়টো উত্থাপন হৈছে, মই দুষাৰমান ক'ব বিচাৰিছোঁ।

প্ৰথম কথা হ'ব British Broadcasting Corporation বিশ্বজুৰি অন্যতম সমান ধৰ্মীয় বিশ্বাসযোগী সংবাদ মাধ্যম। BBC য়ে নিজৰ সততা হৈ নিজৰ প্ৰতিবেদনৰ প্ৰতি দায়বদ্ধতা ভাৰে গোটেই বিশ্বতে পৰিচিত। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াও ২০১৩ চনত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে দিয়া এটা ৰাজহুৱা বক্তব্যত সেই কথাখিনি কৈছিল। তেখেতে কৈছিল যে BBC দূৰদৰ্শন আৰু All India Radio ত কৈও অধিক বিশ্বাসযোগ্য। ৰাজহুৱা স্থানত এই কথাখিনি কৈছিল।

এতিয়া ২০১৩ চন আৰু এতিয়াৰ মাজত কি পাৰ্থক্য আছে। পাৰ্থক্য এনেকুৱা হৈছে যে সেই সময়ত নৰেন্দ্ৰ মোডী ডাঙৰীয়া গুজৰাটৰ মুখ্যমন্ত্ৰী আছিল, এতিয়া তেখেত আমাৰ দেশৰ প্ৰধানমন্ত্ৰী। BBC কিন্তু একে স্থানতে আছে। BBC হ'ল public corporation, চৰকাৰৰ control নাথাকে। তাত যাতে সত্য কথাখিনি কব পাৰে, বৃটিছ চৰকাৰেও তাক control নকৰে। সেই গতিকে যেতিয়া বৃটেইনৰ প্ৰধানমন্ত্ৰী Churchill আছিল, যুদ্ধৰ সময়ত তেখেতকো BBC য়ে সমালোচনা কৰা তথ্য পোৱা যায়। BBC য়ে এতিয়া গুজৰাটত হোৱা হিংসাত্মক ঘটনাক লৈ এখন তথ্য চিত্ৰ নিৰ্মাণ কৰিছে আৰু এখনৰ ফলত বহুত ধৰণৰ বিভিন্ন কথা হৈছে। বহুতে কৈছে এইখন বন্ধ কৰিব লাগে। Information Ministry য়ে য'ত য'ত উপলব্ধ হৈ আছিল, নাইকিয়া কৰি দিছে। বিভিন্ন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে এইবিলাক কিবা কিবি কৰি চাইছিলে, ইয়াৰ ফলত বহুতক এৰেষ্টও কৰা হৈছে। Presidency College, Hyderabad University, ভাৰতবৰ্ষৰ Jadavpur University, বিভিন্ন Unverisity ত হৈছে। অসমত অৱশ্যে এনেকুৱা হোৱা নাই। ২০১৩ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই BBC ক আটাইতকৈ বিশ্বাসযোগ্য সংবাদ মাধ্যম হিচাপে প্ৰতিষ্ঠিত কৰিছিল। কাৰণ ২০১০ চনত BBC য়ে 1984: A Sikh Story এখন তথ্যচিত্ৰ publish কৰিছিল, য'ত ১৯৮৪ চনত আমাৰ সেইসময়ৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ মৃত্যুৰ পিছত যেনেধৰণে হিংসাত্মক ঘটনা হৈছিল, তাৰ তথ্যখিনি সেই সময়ত দাঙি ধৰিছিল। এইখিনি কৰিছিল সেই ঘটনাৰ ২৬ বছৰ পিছত ২০১০ চনত। এই বিষয়টোলৈ BBC য়ে এখন documentary কৰিলে, ২০১৩ চনত সেই documentary খন তিনি বছৰ চলিলে। সেই সময়ৰ চৰকাৰে সেই documentary খনত বেয়া কথা আছে বুলি বন্ধ কৰা নাছিল যদিও কংগ্ৰেছৰে চৰকাৰ আছিল আৰু ২০১৩ চনত মোডী ডাঙৰীয়াই BBC প্ৰশংসা কৰিছিল আৰু সেইখিনি সম্ভৱ হ'ব পাৰিছিল, যিহেতু সেই সময়ৰ চৰকাৰে সত্যৰ সন্মুখীন হ'বলৈ সাহস কৰিছিল। কেতিয়াও কোনো ধৰণৰ সংবাদ প্ৰতিষ্ঠানে কিবা বাতৰি পৰিৱেশন কৰিলে, কিয় এনেকুৱা চৰকাৰ বিৰোধী বাতৰি পৰিৱেশন কৰিছে বুলি তেখেত সকলৰ পিছত ED, CBI এইবিলাক লগাবলৈ যত্ন কৰা নাছিল। ১৯৮৪ চনৰ বাবে সেইটো সত্য আৰু বৰ্তমান কি সত্য মাননীয় অধ্যক্ষ মহোদয়, নিজে গম পাই আছো। এই তথ্যচিত্ৰখনৰ পৰৱৰ্তী সময়ত ১৯৮৪ চনৰ পিছত কংগ্ৰেছে

নিজৰ দোষ স্বীকাৰ কৰিছিল আৰু এজন শীৰ্ষক ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী হিচাপে প্ৰতিষ্ঠিত কৰিছিল। কিন্তু অন্য এটা ৰাজনৈতিক দলে তেওঁলোকৰ দলৰ ফালৰ পৰা ২০০২ চনৰ পিছত যোৱা সময়ত এজনো সাংসদো নিৰ্বাচন কৰা নাই। যদিও আমাৰ দেশত সকলো সম্প্ৰদায়ৰ লোক আছে আৰু বিশেষ সম্প্ৰদায়ৰ কথা কৈছো, যাৰ বিষয়ে এই ঘটনাটো হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, এই telecast হোৱাৰ পিছত the raid at the BBC office by agencies immediately after the Broadcast has been case in many other cases is nothing but an attempt to warn media houses to following line.

A blatant way of censorship sensoring press freedom আমি যদি চাওঁ, In World Press Freedom Index 2022 list...

Norway top the index India plummet to the 150 position out of 180. অৰ্থাৎ সাংবাদিকতাৰ ক্ষেত্ৰত, স্বাধীনতাৰ ক্ষেত্ৰত ১৮০ খন দেশত আমাৰ ভাৰতবৰ্ষৰ স্থান ইতিমধ্যে তললৈ আহি ১৫০ পাইছে। The following ranking indicate the way the country is treating the media and how restriction have been imposed using symbolic and indicative means. যোৱা সময়ছোৱাত বহু সাংবাদিকৰ হত্যা হৈছে, বহুত কৰ্মীৰ হত্যা হৈছে। কিছুমান কথা প্ৰকাশ কৰাৰ বাবে এইবিলাকৰ বিষয়ে Bettering India আৰু বিভিন্ন কিতাপত পঢ়িবলৈ পোৱা যায়। আমি যি সময়ত বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা হ'ব বিচাৰো, সেইখিনি সময়ত আমি কিয় এখন documentary ত যিখিনি কথা আছে, সেইখিনিৰ বাবে চিন্তিত হ'ব লাগে আৰু যিখিনি কথা সেই documentory খনত আছে তাত আছে British Diplomat interview আৰু সেই সময়ত বিভিন্ন বাতৰি কাকতত যিবিলাক ফটো প্ৰকাশ পাইছিল, সেইখিনি সময়ত বা অন্যান্য যিবিলাক তথ্য আছিলে public domain ত থকা তথ্য বিলাকহে বেছিকৈ আছে। খালী British Diplomat সকলৰ interview খিনি secret আছিলে সেইখিনি উলিওৱা নাছিল। গতিকে এই কথাখিনি আমি যেতিয়া আমাৰ দেশৰ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম বুলি কওঁ, তেনে সময়ত আমি emergency ৰ সময়ত censorship হৈছিল সমালোচনা কৰো। বৰ্তমান সময়ত আমি যিহেতু এইবিলাক কথা কংগ্ৰছে কৰা কাম বুলি সমালোচনা কৰো, তেনে সময়ত এনেধৰণেৰে এটা সংস্থাক যি সময়ত বৃটেইনৰ কথাও এই সময়ত ওলাইছিল। তাৰ সংসদৰ মন্ত্ৰী সভাই কৈছে আমি বি বি চিক হস্তক্ষেপ নকৰো। আমি কিয় হস্তক্ষেপ কৰিব লাগে সেই গতিকে এই resolution টো অহা উচিত নহয় আৰু এই গোটেইবিলাক কথা থকাৰ কাৰণে ২০০২ চনত গোৱাত এখন অধিৱেশনত মোদী ডাঙৰীয়াই ৰাজধৰ্ম পালন কৰা নাই বুলি সেই সময়ত প্ৰধান মন্ত্ৰী সেই সময়ৰ বি, জে. পি নেতা বাজপেয়ী ডাঙৰীয়াই উল্লেখ কৰা কথাও মাধ্যমত আছে। সেইবিলাকৰ বিষয়টো ঠিক তেনেধৰণে Gujarat files Anatomy of a Cover Up Rana Ayub ৰ এখন কিতাপো আছে য'ত বহুখিনি চৰকাৰী তথ্যও আছে। হয় কথাটো যে আমাৰ Supreme Court য়ে এই ক্ষেত্ৰত এটা ৰায় দিলে। Supreme Court ৰ ওপৰত ৰায় নাই। কিন্তু আমি সেইবিলাক মন্তব্য দিব নাযাওঁ। নতুনকৈ এই যিটো resolution আহিছে, resolution টো গ্ৰহণযোগ্য নহয়। সেই গতিকে State ৰ concern নহয় কাৰণে আমি বিধান সভাত এই বিষয়টো লৈ আলোচনাৰ বাবে অনুমতি দিব নালাগে resolution টো নালাগে বুলি আপোনাক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** এটা party ৰ পৰা এজনেহে ক'ব। শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথা হ'ল এই বিষয়টো যিহেতু গুজৰাটৰ ২০০২ চনৰ এটা ঘটনাৰ ওপৰত documentary খন হৈছে আৰু গুজৰাটত সেই দলৰে চৰকাৰ আছে। আকৌ যি গৰাকী প্ৰধান মন্ত্ৰীৰ বিষয়ে এই documantary ত আহিছে, তেখেত গুজৰাটৰ মুখ্যমন্ত্ৰী আছিল, বৰ্তমান প্ৰধান মন্ত্ৰী আৰু ইতিমধ্যে এই documantary প্ৰকাশ হোৱাৰ পাচত আমি দেখিছো BBC ৰ কাৰ্য্যালয়ত দিল্লীত ED লগাইছে। ED বা তেওঁলোকে CBI য়ে ED লগাই, BBC ৰ কাৰ্য্যালয় তেওঁলোকে action লৈ আছে। এই ক্ষেত্ৰত অসম চৰকাৰে কিবা কৰিব লাগে আছে বুলি নাভাৱো আৰু আমাৰ এই documantary খন সাঙুৰি লোৱা নাই। গতিকে যিহেতু কেন্দ্ৰীয় চৰকাৰে ED লগাই তেওঁলোকে BBC ৰ কাৰ্য্যালিয় তেওঁলোকে action আৰম্ভ কৰিছে আৰু দ্বিতীয় কথাটো হ'ল যে যি কেন্দ্ৰীয় চৰকাৰে ক'ত কেনেকৈ ED লগাই কাক কি কৰিব লাগে আমি শিকাই দিব নালাগে, ভাৰতৰ আটাইতকৈ সফল শিক্ষা মন্ত্ৰী মনীষ ছিছোদিয়াই তেওঁ দিল্লী মডেলটো লৈ যোৱাটোৱে তেওঁৰ কাল হ'ল। সেই কাৰণে তেওঁৰ ওপৰতো লাগিছে। গতিকে আমাৰ কথা হ'ল যে এইটো আমাৰ অসম বিধান সভাৰ মূল্যবান সময় এতিয়ালৈকে এই বিষয়টো লৈ যিখিনি সময় গৈছে, আমি ভাৱো ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ কিছুমান বিষয় ইয়াৰ পাছতো আৰু আৰু কেইটামান resolution আছে, যিকেইটা আমাৰ ৰাজ্যৰ জনসাধাৰণৰ লগত সম্পৰ্ক থকা অতি গুৰুত্বপূৰ্ণ বিষয়। গতিকে, যিবিলাক বিষয় আলোচনা হ'লে ৰাজ্যখনৰ উন্নয়ন হ'ব, জনসাধাৰণে সকাহ পাব আৰু য'ত আমাৰ চৰকাৰে কৰিবলগীয়া কাম আছে। গতিকে BBC সংক্ৰান্তত যিটো Parliament য়ে বা Central Government য়ে action লৈ আছে। তাত আমি আমাৰ এই পৱিত্ৰ সদনৰ মূল্যবান সময় নষ্ট কৰাতো আমি ভাৱো যে উচিত নহয়। গতিকে সেই resolution টো খাৰিজ কৰি যাতে অধ্যক্ষ মহোদয়, আমাৰ পৰৱৰ্ত্তী ৰাজ্যখনৰ জনজীৱনৰ লগত সৰ্ম্পক থকা অনান্য সংকল্প প্ৰস্তাৱবিলাক আলোচনা কৰাৰ কাৰণে যাতে সুবিধা দিয়ে আৰু যাতে আমাৰ যিটো চৰকাৰে তাত কৰিবলগীয়া কিবা থাকিব, জনসাধাৰণ উপকৃত হয়, এই বিষয়ে মতামত দিলো।

**মাননীয় অধ্যক্ষঃ** শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো resolution আহিছে, মই এই resolution টো সদনত আলোচনা কৰাতো বিচৰা নাই, এই কাৰণে বিচৰা নাই এই বিষয়টো আমাৰ বিধান সভাৰ আওঁতাভুক্ত বুলি মই নাভাৱো। এনেকুৱা যদি বিষয় অনা যায় আৰু বহুত বিষয় আহিব পাৰে। এতিয়া বহুত কথা-বতৰা চলি আছে। আদানী, কাৰোবাৰ লগত relation যিধৰণৰ কথা-বতৰা এইবিলাক সকলো আহি যায়। আমি এটা বিতৰ্কত মাজত সোমাই যাম। BBC ৰ এই বিষয়টো এতিয়া Central Government য়ে tackle কৰি আছে। আমি কোনেও BBC ৰ এই documantary খন চোৱা নাই। বোধকৰো ভূৱন পেগু ডাঙৰীয়াই চালে কেনেবাকৈ, সেইকাৰণে তেওঁ resolution টো আনিছে। কেনেকৈ চাইছে মই নাজানো। আমাকো দেখুৱালে ভাল আছিল। ভূৱন পেগুৱে যদি দেখুৱাই আমি তেতিয়া মন্তব্য দিব পাৰিম। BBC য়ে কি কৈছে documantary খনত। ২০০২ চনৰ দাঙ্গাৰ কথা সৰ্বভাৰতত বিভিন্ন ধৰণে আলোচনা হৈছে। বহুত কিতাপ-পত্ৰ লিখা হৈছে। আমি যদি সেই বিষয়বিলাক টানি আনি এই বিধান সভাৰ মূল্যবান সময় নষ্ট কৰো আৰু বিতৰ্ক যাব আৰু যদি বিতৰ্কত যায় আদানিও যাব, আম্বানীও যাব। সেয়ে স্পষ্টভাৱে কৈছো, ভূৱন পেগু ডাঙৰীয়াই এটা অসাৰ বিষয় আনি আমাৰ

বিধান সভাৰ সময় নষ্ট কৰিব বিচাৰিছে। এই resolution ইয়াতে আলোচনা হোৱাতো নিতান্তই নিবিচাৰো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সন্মানীয় ভূৱন পেগু ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে, সন্মানীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই BBC ৰ Independence বা BBC ৰ গুণ আৰু গৰিমাৰ বিষয়ে সদনত উল্লেখ কৰিছে। আজিৰ যিটো resolution আহিছে তাৰ মূল তত্ব BBC ৰ গুণ আৰু গৰিমা নহয়। তাৰ মূল তত্বটো হ'ল যে ভাৰতৰ উচ্চতম ন্যায়ালয়ে এটা বিষয় ২০০২ চনৰ পৰা নিৰন্তৰভাৱে সকলো দিশ চৰ্চ্চা কৰাৰ পাছত তাক সামৰণি মৰাৰ পাছত বৰ্হিৰাজ্যৰ এটা সংবাদ প্ৰতিষ্ঠানে এটা ভাৰতৰ আভ্যন্তৰীণ বিষয়ৰ ওপৰত আছে নে নাই। আজি আমি এই সদনত এই কাৰণেই থিয় হ'বলগীয়া হৈছে This is connected to Assam also. Because this is related to the independence of Indian Judiciary It is not about BBC. It is about respecting Judiciary or Judicial Order.আজি গুজৰাটৰ ঘটনাক লৈ দীৰ্ঘদিন ধৰি বিতৰ্ক আছিল। মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই যোৱা ওঠৰ বছৰত এই বিষয়টোৰ ওপৰত এবাৰো মাত মতা নাছিল। কাৰণ তেখেতৰ মনত এটাই কথা আছিল ন্যায়পালিকাই যিধৰণে ইয়াক গতি দিব, সেই ধৰণেই বিষয়টো গৈ থাকিব। কিছুদিন আগতে চুপ্ৰিম কোৰ্টৰ এখন খণ্ডপীঠে, যিখন খণ্ডপীঠত জাষ্টিচ এ. এম খান আছিল, জাষ্টিচ দীনশে মহেশ্বৰী আৰু জাষ্টিচ ৰবি কুমাৰ আছিল। তেখেতসকলে অকল ৪৫০ পৃষ্ঠাৰ যিটো ৰায়, সেই ৰায়ত নৰেনন্দ্ৰ মোদী ডাঙৰীয়াক ক্লীন চিট দিয়াই নহয়, তেওঁলোকে এখোপ আগুৱাই গৈ They describe the entire episode as a political conspirency. তেখেতসকলে এই শব্দ ব্যৱহাৰ কৰিছিল যে ইয়াত কোনো ধৰণে মাননীয় প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়া বা সেই সময়ৰ গুজৰাটৰ ৰাজ্য চৰকাৰ জড়িত থকাৰ যিমান এলিগেশ্যন আছিল সকলো এলিগেশ্যন মিছা। বৰঞ্চ এই ন্যায়ালয়ৰ যিটো জাজমেণ্ট আছিল, সেই জাজমেণ্টে সেই কেচবোৰ pursue কৰা কেইবাটও এন জি অ' আৰু বিৰোধী ৰাজনৈতিক দলসমূহক ক্ষুৰধাৰ সমালোচনা কৰিছে। আজি আমাৰ সদনত দুই-তিনিটা কথা এৰি যাব নোৱাৰো। আজি আমি এটা Globalised foroumত বাস কৰো। প্ৰাইমেৰেলি কোৱা হৈছে যে অসম বিধান সভা এই বিষয়টো লৈ কণচাৰ্ণ নহয়। এটা কথা আমি বুজি পাব লাগিব যে কোন সময়ত BBC য়ে এই ডকুমেণ্টৰীখন প্ৰকাশ কৰিলে। যিটো সময়ত জি-২০ ৰ ডেলিগেশ্যন অসমলৈ আহিছিল, বা অসমত ৫ খনকৈ জি-২০ ৰ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল, যি সময়ত ভাৰতত জি-২০ ৰ আটাইতকৈ ডাঙৰ সভা অনুষ্ঠিত হৈছিল Timing could have been before the verdict of Supreme Court. চুপ্ৰিম কোৰ্টৰ এটা বিচাৰপীঠে গোটেই বিষয় বস্তুটো সামৰণি কৰাৰ পিছত আৰু ইয়াত এটা ৰাজনৈতিক ষড়যন্ত্ৰ বুলি অভিহিত কৰাৰ পিছত এই ডকুমেণ্টৰীখন তেওঁলোকে প্ৰকাশ কৰে। প্ৰকাশ কৰা সময়টো আছিল যেতিয়া ভাৰতে জি-২০ ৰ অধ্যক্ষতা কৰিবলৈ আগবাঢ়ি আহে । জি-২০ ৰ লগত অসমো কৰ'বাত নহয় কৰ'বাত জড়িত। কাৰণ জি-২০ ৰ ৫ খনকৈ বৈঠক অসমে হস্পিটেলিটি কৰাৰ দায়িত্ব অসমৰ ওপৰত আছিল। কিছু সময়ৰ বাবে ভূৱন পেগু ডাঙৰীয়াই বিশ্ব পৰিৱেশত ভাৰতৰ অকনমান গৌৰৱ গাঁথাৰ গুণগান কৰিছে। তাত আমি বেয়া পাবলগীয়া একো কথা নাই। আজি নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ৩০ কোটি মানুহক ভেকচিন দিয়া কথাটো সঁচা আৰু ইয়াত নহয় বুলি কোৱাৰ কোনো কথা নাই। জি-২০ ৰ অধ্যক্ষতাতো ভাৰত বা অসমে কৰিব

পৰাটো মোদী ডাঙৰীয়াৰ গৌৰৱ নহয়। ভাৰত বাসীৰ বাবে গৌৰৱ। এইবোৰ হৈছে Factual matter। আপোনালোকে চাওক যে বৃটিছে অসমকো ঔপনিবেষিকতাবাদৰ শাসনলৈ আনিছিল। আজি বৃটিছ ব্ৰডকাষ্টিং কোঅপাৰেশ্যনক আমি যিদৰে প্ৰশংসা কৰিছো তেওঁলোকে জালিয়ানাবাগৰ বিষয়ে কি কৈছে, পথৰু ঘাটৰ ৰণৰ বিষয়ে কি কৈছে, সেই সময়ত তেওঁলোকে কনকলতা বৰুৰা বা আমাৰ শ্বহীদ সকলক যেতিয়া ঢেকীয়াজুলিত নিৰ্দয়ভাৱে মৰা হৈছিল, সেই সময়ত তেওঁলোকে তেতিয়া বৃটিছ চৰকাৰক Criticised কৰিছিল নেকি? তেওঁলোকে মাজে মাজে কেতিয়াবা দুই-এখন ডকুমেণ্টৰী উলিয়ায়। এশটা কথা তেওঁলোকে ঔপনিবেষিকতাবাদৰ সপক্ষে ক'ব আৰু এটা বা দুটা কথা তেওঁলোকে অন্য ৰাষ্ট্ৰৰ সপক্ষে ক'ব আৰু আমি সেই কথাখিনিৰ জয়গান কৰিম। কিছুদিন আগলৈকে ভাৰত জি ডি পিৰ ফালৰ পৰা এঘাৰ নম্বৰত আছিল আৰু লাহে লাহে ভাৰতে বৰ্তমান পৃথিৱীৰ পঞ্চম ইক'নমি হিচাবে স্বীকৃতি পাইছে। এইটো মোদী ডাঙৰীয়াৰ বাবে ব্যক্তিগত গৌৰৱৰ কথা নহয়। ভাৰতৰ বাবে গৌৰৱৰ কথা। আমাৰ কিবা আভ্যন্তৰীণ ইচ্যু থাকিব পাৰে। মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কিবা দুটা ইচ্যুৰ কথা কৈছে। আমিও কম যে জৰ্জ সৰচে কাক পইচা দিছে। কিন্তু এইবোৰ আমাৰ মাজৰ ইচ্যু। কিন্তু আমি আমাৰ দেশৰ প্ৰধান মন্ত্ৰী এগৰাকী যাক চুপ্ৰিম কোৰ্টে ক্লীন চিট দিয়াৰ পিছত, তাৰ আগতে ধাৰণা থাকিব পাৰে। মাননীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই কৈছে যে ২০০২ চনৰ পৰাই মানুহৰ মনত বিভিন্ন ধাৰণাৰ সৃষ্টি কৰা হৈছে। তাত কাৰো বাধা নাই। কিন্তু চুপ্ৰিম কোৰ্টে ক্লীন চিট দিয়াৰ পিছত আৰু বন্ধ কৰাৰ পিছত আৰু যিটো খণ্ড বিচাৰপীঠত যদিও আমি চুপ্ৰিম কোৰ্টৰ জাজসকলৰ জাতি লৈ কেতিয়াও ক'ব নাযাও But it was a banch consist of Justice AM khan,Justice Maheswari, Justice CT Ravikumar.এই তিনিজনীয়া বেঞ্চে Conclusively বিষয়টো বন্ধ কৰাৰ পিছত বি বি চিয়ে কিয় ডকুমেণ্টৰী উলিয়ালে। আগতে কিবা উলিয়াইছিল আমি সেইবোৰ কেতিয়াও আলোচনা কৰা নাই। আন্তঃৰাষ্ট্ৰীয় বাতৰি কাকত আৰু মিডিয়াত মোদী ডাঙৰীয়াক বিভি ন্নধৰণে সমালোচনা কৰে। আজিও ৱাছিংটন পোষ্টত কিবা ওলাইছে আনকি অসমৰ কথাও ওলাই থাকে। আমি কেতিয়াও সদনত এইবোৰ বিষয় অনা নাই। কিন্তু This is all about India's Judiciary.চুপ্ৰিম কোৰ্টৰ এটা বিচাৰপীঠে গোটেই বিষয় বস্তুটো সামৰণি কৰাৰ পিছত আৰু ইয়াত এটা ৰাজনৈতিক ষড়যন্ত্ৰ বুলি অভিহিত কৰাৰ পিছত এই ডকুমেণ্টৰীখন তেওঁলোকে প্ৰকাশ কৰে। যেতিয়া ভাৰতে জি-২০ ৰ অধ্যক্ষতা কৰিবলৈ আগবাঢ়ি আহে ।আমেৰিকাই যেতিয়া হাক দিছে যে আপোনালোকে ৰাছিয়াৰ লগত এনাৰ্জি ডিল নকৰিব, সেই সময়তো কিন্তু ভাৰতে আমেৰিকাৰ পৰামৰ্শৰ পৰা দূৰত গৈ Independent Foreign Policy লৈ আজি আমি UNO'ৰ সকলো সভাতেই নিৰপেক্ষ হৈ আছো। We are neither takeing the side of America nor Russia আৰু আমি আমাৰ Independent Foreign Policy বিসৰ্জন দিয়া নাই। আজি গোটেই বিশ্বই মোদী ডাঙৰীয়াক এপ্ৰিচিয়েট কৰিছে যে আমেৰিকাৰ সন্মুখত থিয় হৈও ভাৰতে নিৰপেক্ষ বৈদেশিক নীতি অৱলম্বন কৰিছে। আপোনালোকে চিন্তা কৰক যে নৰেন্দ্ৰ মোদী ডাঙৰীয়াই আন্তঃ ৰাষ্ট্ৰীয় পৰ্য্যায়ত আজিৰ যুগত এটা গ্লোবেল ৰিকোগনিশ্যন দিছে, মিলেটক এটা আজি Global Recognition দিছে। ভাৰতৰ ভিতৰত ইচ্যু থাকিব পাৰে। যদি আমেৰিকাৰ পেপাৰ এখনত মোৰ কথা লিখে, সদনে অলপ সময়ৰ কাৰণে হলেও চিন্তা কৰিব যে অসম বিধান সভাত আলোচনা কৰিম যে আমাৰ মানুহ এজনৰ বিষয়ে আপোনালোকে কিয় ক'ব? আজি কংগ্ৰেছেই হওঁক বা ইউ ডি এফেই হওঁক মোদী ডাঙৰীয়াক

আমি যি সমালোচনা কৰো ইয়াতেই কৰো। আজি আপোনালোকে ৰাজ্যপাল মহোদয়ৰ ধন্যবাদ সূচক প্ৰস্তাৱটো আনিলে, বাজেট আনিলে আৰু আমাক থকা-সৰকা কৰিলে। আমিতো কোৱা নাই যে আপোনালোকে আমাক কৃটিচাইজ নকৰিব। ভাৰতীয় গণতন্ত্ৰই আলোচনাৰ সুযোগ দিয়ে কিন্তু আমি এটা নিয়ম মানি চলো যে, চুপ্ৰিম কোৰ্টে যদি কিবা এটা বিষয়ত Conclusively জাজমেণ্ট দিয়ে আমি সেই বিষয়টো আলোচনা নকৰো। কাৰণ আমি ন্যায়পালিকাক সন্মান কৰো। আজি বিষয়টো বি বি চিৰ স্বাধীনতা নহয়। Issue is all about independence of Indian judiciary and respect of Indian judiciary ভাৰতীয় ন্যায়পালিকাই সমগ্ৰ ঘটনাটোক সামৰণি মৰাৰ লগতে আৰু মোদী ডাঙৰীয়াৰ বিপক্ষে ৰাজনৈতিক ষড়যন্ত্ৰ বুলি কোৱাৰ পিছত আৰু অভিযোগ কাৰী সকলক সমালোচনা কৰা পিছত বি বি চি য়ে ডকুমেণ্টৰীখন উলিওৱাৰ কি প্ৰয়োজন আছিল? They want to challange the Indian judiciary or they want to challange India বা এইটোও হ'ব পাৰে যে আমাক যিখন দেশে শাসন কৰিছিল, সেই দেশখনক আমি অৰ্থনৈতিক ভাৱে পিছুৱাই পঞ্চম ইক'নমিত পৰিণত হ'লো। হয়তো আমি ২০২৭ চনৰ ভিতৰত চতুৰ্থ ইক'নমিলৈ পৰিণত হ'ব পাৰো। এইটো কোনো কংগ্ৰেছ, বি জে পিৰ জয়গাঁথা নহয়। এইটো গোটেই ভাৰতৰ জয়গাঁথা। ভাৰতৰ জয়গান গোৱাত আমাৰ আপত্তি কৰিবলগীয়া কি আছে। যিখন দেশে আমাক ঔপনিষকতাবাদৰ শাসনত ৰাখিছিল, সেই দেশৰ অৰ্থনীতিক আমি পিছুৱাই লৈ গ'লো। এতিয়া আৰু ভৱিষ্যত বাণী কৰা হৈছে যে ২০২৭ চনৰ ভিতৰত চতুৰ্থ ইক'নমিলৈ পৰিণত হ'ব পাৰো আৰু গ্ৰেজুৱেলি আমি তৃতীয় হ'ম। হয়তো আমাৰ জীৱন কালত এনেকুৱা এটা সময় আহিব আমি আমেৰিকা আৰু চীনকো পিছ পেলাম। আমি হয়তো জীয়াই নাথাকিব পাৰো।But these are India's story. These are decades India ভাৰতৰ ভাৱমূৰ্ত্তি ম্লান কৰিবলৈ বিচাৰিছে যাতে Foreign Investment does not come to India.আজি যিটো ধৰণে ভাৰতৰ সন্মান বাঢ়িছে সেইবিলাকত যাতে ভাৰত বহুদূৰ আগুৱাই নাযায়। We see the BBC Documentary as an international conspiracy against India. After the Supreme Court described it as political conspiracy, why BBC broadcasted this documentary? Particularly, when India was all set to assume the G-20 Presidency. We do not want to blame the Govt. of U.K. হয়, বিৰোধী দলপতিয়ে কৈছে যে Govt. of U.K. does not control BBC, it might be. We don't know what is the mechanism within that. But, we are not moving any resolution against the Govt. of U.K. We are moving the resolution against the British Broadcasting Corporation for defaming people of India, for defaming India's judiciary. They had unleashed an international conspiracy when India was assuming the Presidency of G-20 . মই সদনক অনুৰোধ কৰিম যে, আমি যিদৰে বৃটিছ ঔপনেশিকতাবাদৰ বিৰুদ্ধে থিয় হৈছিলো, ঠিক তেনেদৰে আজিও এটা বৈদেশিক Broadcasting Corporationয়ে ভাৰতৰ আভ্যন্তৰীণ বিষয়ৰ ওপৰত মাত মতাৰ যিটো প্ৰৱণতা, তাৰ বিপক্ষে থিয় হ'ব লাগে। Indian Broadcasting Agency এটাই কিবা কৰিছে, সেইটো বেলেগ কথা। But, today the British Broadcasting Agency knows that they will not come under judicial

scrutiny. আজি আন এটা Broadcasting Agency য়ে যদি বাতৰি কৰে তেন্তে তেওঁলোকে জানিব যে Supreme Court য়ে তেওঁলোকক প্ৰশ্ন কৰিব। গতিকে, BBC য়ে ব্ৰিটেইনত থকাৰ সুবিধা লৈ, Indian Judiciary য়ে তেওঁলোকক একো কৰিব নোৱাৰে, তাৰ immunity লৈ, they have unleashed a conspiracy against the people of India, Govt. of India. মই সকলো দলকে কৈছো যে আমি ভিতৰত কিয় সমালোচনা নকৰিম। আজি যদি মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ মনত ইচ্ছা আছে যে তেওঁ অমুকটো বিষয় উত্থাপন কৰিব খোজে, তেন্তে তেওঁ কৰিব পাৰে। যদি বিষয়টো অসমৰ লগত জড়িত, তেন্তে আমি তাতো ৰিপ্লাই দিম। আমি বাধা দিয়া নাই। আজি ভুৱন পেগু ডাঙৰীয়াই দেশৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত, ভাৰত তথা অসমৰ ৰাইজৰ self respect protect কৰাৰ বাবে resolution আনিছে। তাক আমি সমৰ্থন কৰিব লাগে। দেশৰ প্ৰধানমন্ত্ৰীক আমি সন্মান কৰিব লাগে। তেওঁ কেৱল বিজেপিৰ প্ৰধান মন্ত্ৰী নহয়। তেওঁ সকলোৰে প্ৰধান মন্ত্ৰী। প্ৰধান মন্ত্ৰীজনক সমালোচনা কৰাৰ আচল উদ্দেশ্য কি? ইয়াত ব্যক্তিকতো সমালোচনা কৰা নাই। BBC was criticizing an institution, not Narendra Modi, but the Prime Minister of India. Particularly at a time, when our P.M. was set to assume the Presidency of G-20. সেইবাবে মই সদনক অনুৰোধ কৰিম যে ভুৱন পেগু ডাঙৰীয়াৰ সংকল্প প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰিব লাগে। BBC কআমি এটা আজি message দিব লাগে যে You are not above Indian Judiciary. If Indian Judiciary has concluded the proceeding, you have no right to go against the Indian Judiciary, Youcan go against the Govt. of India. But, you can not go against the final judgement passed by the Supreme Court of India. That is the procedure. We maintain that kind of sanctity of our judicial institute. সেইকাৰণে এই প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে সদনত যাতে গ্ৰহণ কৰা হয় তাৰ বাবে মই আহ্বান জনাম।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা ক'লে, ইয়াত প্ৰকৃততে Resolution টোত BBC ৰ বিষয়েই আছে। আমি সেইটোৱেই কৈছো, গতিকে, BBC ৰ গুণ-গৰিমা বুলি কথা নহয়। আনহাতে, আমি সদনত উত্থাপন কৰিছিলো যে মহাৰাষ্ট্ৰৰ এজন বিধায়কে অসমীয়াসকলে কুকুৰ খায় বুলি কৈছে। তেতিয়া আমি ইয়াত Resolution ল'ব নোৱাৰিলো, আমাৰ অসমীয়াৰ গুণ-গৰিমা, অসমৰ মান মৰ্যাদা, সেইটো আমাৰ ইয়াত নহ'ল... interruptions....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মহাৰাষ্ট্ৰৰ বিধায়কজনৰ মন্তব্যক প্ৰতিবাদ কৰি মই মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰীলৈ চিঠি লিখিছো, মই তেওঁক কৈছো যে আপুনি তেখেতক statement টো withdraw কৰিবলৈ কওঁক। যদি statementটো সদনৰ ভিতৰত নহ'লহেঁতেন, আমিতো action লৈ ল'লোহেঁতেন। কিন্তু, সদনৰ ভিতৰত কোৱা কথাৰ ওপৰত police action নহয়। সেই বিষয়টো যদি আলোচনা কৰিব খোজে আমাৰতো কোনো আপত্তি নাই। We have not opposed... interruptions....

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** আমাক সেইদিনা আলোচনা কৰিব নিদিলে.. interruptions....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপুনি সেইটো ৰাজ্যপালৰ ভাষণৰ ক্ষেত্ৰত আনিলে কেনেকৈ হ'ব?... interruptions....

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** আমি adjournment motion আনিছিলো, আমাক আলোচনা কৰিব নিদিলে ... interruptions....

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া যদি এইখিনি গ্ৰহণ কৰা হয়, তেতিয়া হ'লে Article 19 (1) of the Constitution- Right to receive and dissiminate information- all citizens including the Press have the fundamental right to view, form an inferred opinion, critic, report on and lawfully circulate the contents of the documentary as right to freedom of speech and expression, incorporate the right to recieve and dissiminate information হয়। আনহাতে, মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান ভাৰতৰ Supreme Courtৰ মুখ্য ন্যায়াধীশ হৈছে - D.Y. Chandrachud । তেখেতে Bombay High Court ৰ judge হৈ থাকোতে Gujarat riot ৰ ওপৰত Chand Bujh Gaya নামৰ এখন documentary চিনেমা হৈছিল, সেইখন যেতিয়া কিছুমান মানুহে ban কৰিব লাগে বুলি কৈছিল, তেখেতে তেতিয়া যিটো ৰায় দিছিল, মই সেইটো উল্লেখ কৰি দিব বিচাৰো- In a democratic society, every citizen has a right to speak as indeed the right to know. Nothing can be destructive of the social fabric in a democratic society, then the attempt of those who govern to prevent access to information to those whose security depends upon the preseravtion of order. An environment in which human rights are respected, is nurtured by a vibrant flow of information and avenue for a critical assessments of the Governments. Justice Chandrachud wrote in the judgement which discarded the CBFC objection to the film on Gujarat Riots. Central Board of Film Certification য়ে যেতিয়া গুজৰাট সংঘৰ্ষৰ ওপৰত নিৰ্মিত এই ফিল্মখন ban কৰিছিল, তেতিয়া Justice Chandrachud ডাঙৰীয়াই এই judgement টো দিছিল। আমি Supreme Court ক সন্মান জনাওঁ বুলি পুনৰ বাৰ কৈছো, Supreme Court য়ে প্ৰায় ৪৫৬ পৃষ্ঠাজোৰা দিয়া ৰায়ত সকলোকে দোষমুক্ত কৰা হ'ল। কিন্তু, ৪৫৬ পৃষ্ঠাৰ ৰায়টো পঢ়োতে আমাৰ যিকোনো মানুহক সময় লাগিব লাগে। কিন্তু এনেকুৱা হৈছিল যে মহোদয়, তাত তিনিজন মানুহক গ্ৰেপ্তাৰ কৰিবলৈ ঘণ্টাৰ ভিতৰতে গুজৰাট আৰক্ষী বোম্বে গৈ পাইছিল। যেন তেওঁলোকৰ হয়তো Speed Reader আছে, নহ'লে ( expunged as per order of the Hon'ble Speaker) গতিকে, এই কথাটো এইকাৰণে ক'বলগীয়া হৈছে ..... interruptions....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, মই এই কথাটোত objection কৰো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** নিশ্চয় ..... interruptions....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** বিৰোধী দলপতি ডাঙৰীয়াই Supreme Court ৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মই Speed Reader আছে বুলি কৈছো

..... interruptions....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** নাই, আপুনি (expunged as per order of the Hon'ble Speaker) বুলি কৈছে। এইটো ডাঙৰ কথা। এই লাইনটো expunge হ'ব লাগে। কাৰণ (expunged as per order of the Hon'ble Speaker) বুলি কেনেকৈ ক'ব?

**শ্ৰী দেৱব্ৰত শইকীয়া,(বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, expunge কৰি দিয়ক। কোনো কথা নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। The line is expunged.

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, ৪৫৬ পৃষ্ঠা পঢ়িবলৈ সময় লাগিব লাগে, legal opinion, Law Department, Prosecution Branch. কিন্তু, তেখেতসকলে দুই-তিনি ঘণ্টাৰ ভিতৰতে তিনিজনমান ব্যক্তিক গ্ৰেপ্তাৰ কৰিছিল। গতিকে মই এই কথাটো ইয়াত উল্লেখ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই Chandrachud ৰ যিটো judgement পঢ়িলে, তাত প্ৰথমতেই every citizen বুলি আছে। BBC is not a citizen of India. এই গোটেই judgement টো citizen's rights ৰ ওপৰত ..... interruptions....

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** BBC ক ban কৰি দিলে citizen ৰ right নাইকিয়া হৈ যাব, মই সেইটোৰেই কৈছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** নহয়। ইয়াত তেখেতৰ judgement ৰ opening word টোৱেই হৈছে every citizen. মই judgement টো দেখা নাই। কিন্তু judgement টোৰ পৰিৱেশ দুটা। This judgement was before the judgement of the Supreme Court. But, Fundamental Rights, Article 19 is open for the citizen of India. Not for BBC. BBC can not defame India. মই আজিও কৈছো যে মনোৰঞ্জন ডাঙৰীয়াই যি ক'ব খুজিছে কওঁক, we respect that, ভৰত নৰহ ডাঙৰীয়াই মোডী ডাঙৰীয়াৰ ওপৰত কিবা ক'ব খুজিছে, we respect that. But, Freedom of Speech or any judgement will not extend to BBC. আমি international conspiracy ৰ ওপৰত কৈ আছো। আমাৰ বিষয়টো Freedom of Speech নহয়। ভূৰন পেগু ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছে, সেইটোৰ ওপৰত আমি কৈছো যে G-20ৰ সন্মুখত ভাৰতক internationally defame কৰাৰ কাৰণে this was a mock by BBC. Chandrachud ডাঙৰীয়াৰ judgement ত, he has not dealt about a foreign press. Foreign Press এটাই ভাৰতত G-20 ৰ seminar ৰ আগত বা G-20 ৰ Presidency ৰ আগত, Why you have brought a matter which was closed by the Supreme Court of India. ইয়াত তিনিটা বিষয় জড়িত- independence of judiciary, involvement of a foreign party and the third is that whether we allow a foreign press to defame India. These are the issues.

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** চাৰ Supreme Court ৰ judgement টোৰ কপি এটা দিলে ভাল হ'ব, তেতিয়া আমি সহায় কৰিম। ছুপ্ৰিম কোৰ্টে যিটো ban কৰিলে বুলি কৈছে, তাৰ কপি অনুগ্ৰহ কৰি সদনত দিবলৈ অনুৰোধ জনাইছো।

**माननीय अध्यक्षः** হ'ব...interruptions...

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)ঃ** চাৰ, BBC ৰ ওপৰত মাননীয় সদস্য ভূৰন পেগু ডাঙৰীয়াই যিটো resolution আনিছে, সেইটো State Government ৰ primarily concern নহয়। আমাৰ Rules of Procedure & Conduct of Business in Assam Legislative Assembly ৰ Rule 117 ত স্পষ্টকৈ লিখা আছে যে provided that no resolution shall be admissible which does not comply with the following conditions, namely, ইয়াত কেইবাটাও দিছে (a)(b)(c)(d)(e)(f)(g).(g) ত লিখা আছে যে it shall not refer to a matter which is not primarily the concern of the State Government. - -----হুলস্থুল-------

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** The entire thing primarily concerned people of Assam because International conspiracy is not against India.It includes people of Assam.

**শ্ৰী ভৰত নৰহ, (নাওঁবৈচা) ঃ** অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে সংবাদ মাধ্যমটো হৈছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। গণতন্ত্ৰ জীয়াই ৰাখিবলৈ হ'লে সংবাদ মাধ্যম লাগে। BBC সংবাদ মাধ্যমৰ এটা স্বতন্ত্ৰ সংস্থা। ইয়াৰ বিৰুদ্ধে যদি অসম বিধান সভাই resolution ল'ব খোজে সেইটো আমি সমৰ্থণ কৰিব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে Rule উনুকিয়াইছে। গতিকে মোকো কথা ক'বলৈ দিয়ক। Rule 117 ত কি আছে -"এই নিয়মাৱলীৰ উপবন্ধ সমূহ সাপেক্ষে কোনো এজন সদস্যই বা কোনো এজন মন্ত্ৰীয়ে সাধাৰণ সাৰ্বজনিক স্বাৰ্থৰ কোনো বিষয় সম্পৰ্কে সংকল্প প্ৰস্তাৱ উত্থাপন কৰিব পাৰিব।" 'সাধাৰণ সাৰ্বজনিক স্বাৰ্থ' এই কথাটোও আমি গুৰুত্ব প্ৰদান কৰিব লাগিব। ইয়াৰ উপৰিও কৈছে যে -"ই এনে এটা বিষয় সম্পৰ্কে উল্লেখ নকৰিব যি প্ৰধানতঃ ৰাজ্য চৰকাৰৰ বিষয় নহয়।" কিন্তু এতিয়া আপোনালোকে এইটো কি বিষয় হ'ব বুলি ভাৱে? যেতিয়া এটা কথা আহিছে সেইটো আপুনি নুই কৰিব নোৱাৰে যে এই যিটো বিষয় চলি আছে সেই বিষয়টো সাৰ্বজনিক স্বাৰ্থ নহয় বুলিওতো নুই কৰিব নোৱাৰে। যিজনে উত্থাপন কৰিছে তেওঁ কৈছে যে সংবাদ মাধ্যম চতুৰ্থ স্তম্ভ। গতিকে তেওঁলোকৰ সকলো কিবা কৰাটো অধিকাৰ আছে। কিন্তু গণতান্ত্ৰিক অধিকাৰ বা আনৰ অধিকাৰ খৰ্ব কৰাৰ অধিকাৰটো হ'ব নালাগে। গতিকে ইয়াৰ বিষয়ত আলোচনা হ'ব পাৰে, কিয় আলোচনা হ'ব নোৱাৰে? প্ৰতিজন নাগৰিককে সকলো অধিকাৰ দিয়া হৈছে।

-------interruption-----

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, BBC ৰ Documentary ৰ বিষয়ে ইয়াত ক'ব নোৱাৰে। -----হুলস্থুল---------আমাৰ মত দিয়াৰ অধিকাৰ নাই নেকি?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** Sir, everybody has the right to speak. আমাৰ মতামত নোলোৱাকৈ এনেভাৱে কৰিলে মই ভাৱো গণতন্ত্ৰৰ কাৰণে আটাইতকৈ

বেয়া কথা হ’ব।

**माननीय অধ্যক্ষ ঃ** হ’ব। এতিয়া যথেষ্ট তৰ্ক বিতৰ্ক হ’ল। মাননীয় বিধায়ক শ্ৰী ভুবন পেগু ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱটো গৃহীতকৰণ কৰাৰ সদনৰ সন্মতি আছেনে ? যিসকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওক নহয়। মই ভাৰো ‘হয়ৰ সাপেক্ষে’, ‘হয়ৰ সাপেক্ষে’, ‘হয়ৰ সাপেক্ষে’, সংকল্প প্ৰস্তাৱটো গৃহীত হ’ল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সংকল্প প্ৰস্তাৱটো গ্ৰহণ কৰাৰ বাবে সদনক ধন্যবাদ দিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আছে সংকল্প প্ৰস্তাৱ (গ), শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিব বিচাৰিছো। মোৰ প্ৰস্তাৱটো হ’ল -অসম চৰকাৰৰ কৰ্মচাৰীসকলে পূৰ্বৰে পৰা অৱসৰকালীন জীৱনৰ বাবে চৰকাৰী পেঞ্চন লাভ কৰি আহিছিল। কিন্তু ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পৰা শিক্ষক কৰ্মচাৰী সকলৰ বাবে অসমত পুৰণি পেঞ্চন ব্যৱস্থাৰ পৰিৱৰ্তে নতুন ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থা (NPS) হ’ল আৰু কৰ্মচাৰী সকলৰ অৱসৰকালীন জীৱনৰ সামাজিক সুৰক্ষা নাইকীয়া হৈ গ’ল। ফলত চৰকাৰী কৰ্মচাৰী সকলে ভৱিষ্যতৰ সুৰক্ষা বিচাৰি নতুন ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাৰ পৰিৱৰ্তে পুৰণি পেঞ্চন ব্যৱস্থা বিচাৰি আন্দোলন কৰা দেখা গৈছে। অসমৰ চৰকাৰী কৰ্মচাৰী সকলৰ ভৱিষ্যত সুৰক্ষাৰ বাবে আৰু জীৱনৰ কৰ্মঠ সময়খিনি চৰকাৰী তথা ৰাজহুৱা জীৱনৰ কাৰণে সমৰ্পণ কৰাৰ স্বীকৃতিস্বৰূপে অসমৰ সকলো চৰকাৰী কৰ্মচাৰী, শিক্ষকৰ বাবে পুৰণি পেঞ্চন ব্যৱস্থাৰ প্ৰৱৰ্তণ কৰাৰ প্ৰস্তাৱ অসম বিধান সভাত গ্ৰহণ কৰো আহক।

অধ্যক্ষ মহোদয়, মই মোৰ প্ৰস্তাৱটোৰ সপক্ষে যিখিনি বক্তব্য দাঙি ধৰিব লাগে সেয়া দাঙি ধৰিবৰ কাৰণে আগবাঢ়িছো। অধ্যক্ষ মহোদয়, আজিৰ দিনটোত অসমৰ মুঠ কৰ্মচাৰীৰ সংখ্যা ৪,০৩,৩০৬ জন। তাৰে পুৰণি পেঞ্চন ব্যৱস্থাত আছে ১,৪১,৫৩২ জন আৰু নতুন ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাত আছে ২,৬১,৭৭৪ জন। অসমত বৰ্তমান NPS প্ৰাপ্ত মানুহৰ সংখ্যা ৫,৭৫০ জন।

অধ্যক্ষ মহোদয়, মই ৫ বছৰ বিধায়ক হৈ থাকি তাৰ পাছত এটা পেঞ্চন লাভ কৰিম। কিন্তু অধ্যক্ষ মহোদয়, আমি বিধায়ক হৈ থকা অৱস্থাত ইয়াত যিসকল কৰ্মচাৰীয়ে কাম কৰি আছে বিধানসভাত, আমাৰ সন্মুখত আৰু আমাৰ চাৰিওফালে যিসকল কৰ্মচাৰীয়ে কাম কৰি আছে, তেখেতসকলৰ যদি appointment 2005 চনৰ 1 February ৰ পিছত হৈছে, তেতিয়াহ’লে তেখেতসকলে কিন্তু আমাৰ ইয়াত পেঞ্চন লাভ নকৰিব নতুন পেঞ্চন system অনুসৰি তেওঁলোকৰ নিৰ্দ্দিষ্ট পেঞ্চন নাথাকিব। গতিকে এজন বিধায়ক হিচাপে, এজন মন্ত্ৰী হিচাপে, এজন মুখ্যমন্ত্ৰী হিচাপে, এজন অধ্যক্ষ হিচাপে আমি সকলোৱে আচলতে এই কৰ্মচাৰীসকলৰ পুৰণি পেঞ্চন ব্যৱস্থাৰ জৰিয়তে নিশ্চিত পেঞ্চন দিয়াৰ ব্যৱস্থালৈ আমি সকলোৱে ঘুৰি যোৱা উচিত। NPS নো কি ? National Pension System, এটা Contributory Pension System. ইয়াত Pension পাবলগীয়া কৰ্মচাৰীজনে প্ৰতিমাহে নিজৰ দৰমহাৰ ১০ শতাংশ Pension ৰ বাবে কটোৱাব

লাগে আৰু চৰকাৰৰ ফালৰ পৰা ১৪ শতাংশ ধন তেওঁলোকৰ Pension ৰ কাৰণে দিয়া হয়। সেই ধন NSDL নামৰ সংস্থাটোৰ জৰিয়তে share বজাৰত বিনিয়োগ কৰা হয়। অৱসৰকালীন আৰ্থিক সুবিধাৰ বাবে নিজৰ দৰমহাৰ ১০ শতাংশ দিয়াৰ উপৰিও চৰকাৰে কৰ্মচাৰীৰ দৰমহাৰ ১৪ শতাংশ ধন অতিৰিক্তভাৱে তাত জমা দিয়ে। নিজৰ দৰমহাৰ ১০ আৰু চৰকাৰৰ চৈধ্য শতাংশ ধন শ্বেয়াৰৰ বজাৰত বিনিয়োগৰ ফলত আৰ্জিত ধন যিমান জমা হ'ব তাৰে সৰ্ব্বাধিক ষাঠি শতাংশ ধন ব্যক্তিজনক অৱসৰৰ সময়ত ঘুৰাই দিয়া হয় । বাকী চল্লিশ শতাংশ ধন শ্বেয়াৰ মাৰ্কেটত বিনিয়োগ কৰা হয় । তাৰ পৰা আহৰণ কৰা ধনৰ পৰা মাহিলী এটা পেনশ্যন দিয়াৰ ব্যৱস্থা কৰা হয় । পুৰণি যি পেনশ্যন চিষ্টেম আছিল তাৰ লগত নতুন পেনশ্যনৰ মৌলিক পাৰ্থক্য আছে । পুৰনি পেনশ্যন চিষ্টেমত কৰ্মচাৰীক পেনশ্যন দিয়াৰ দায়িত্ব চৰকাৰৰ আছিল কিন্তু নতুন পেনশ্যন চিষ্টেম এন পি এচত পেনশ্যন দিয়াৰ দায়িত্ব নিৰ্দ্দিষ্ট বিত্তীয় প্ৰতিষ্ঠানক দিয়া হ'ল । পুৰণি পেনশ্যন চৰকাৰে দি আছিলে - আচাম চাৰ্ভিচেছ পেনশ্যনচ ৰুল - ১৯৬৯ অনুসৰি আনহাতে নতুন পেনশ্যন এন পি এচ দিয়া হৈছে কেন্দ্ৰীয় চৰকাৰৰ এখন নোটিফিকেশ্যনৰ আধাৰত । আগৰ পেনশ্যনত শেষৰ মাহৰ যি দৰমাহা আছিল তাৰ পঞ্চাশ শতাংশ ধন পেনশ্যন আকাৰে কৰ্মচাৰীজনে লাভ কৰাটো নিয়ম আছিলে । কিন্তু যিটো নতুন পেনশ্যন চিষ্টেম হ'ল তাত পেনশ্যন নিৰ্দ্দিষ্ট পৰিমানৰ নহয় বজাৰৰ ওপৰত নিৰ্দ্দিষ্ট কৰি এটা অনিৰ্দ্দিষ্ট পৰিমানৰ পেনশ্যনহে লাভ কৰা দেখা গৈছে । মই কোনে কিমান পেনশ্যন পাইছে তাৰ এখন তালিকা গাই দিম । পুৰনি পেনশ্যনত কৰ্মচাৰীৰ পৰা কোনো টকা আদায় লোৱা নহৈছিল । কৰ্মচাৰী জনে যিহেতু গোটেই জীৱনৰ সময়খিনি যিহেতু ৰাইজৰ কাৰণে, সমাজৰ কাৰণে , ৰাজ্যৰ কাৰণে দিলে গতিকে তেওঁৰ বৃদ্ধ বয়সৰ চিকিউৰিটি, সামাজিক সুৰক্ষা দিয়াটো চৰকাৰৰ দায়িত্ব আছিল । এতিয়া এন পি এচ ব্যৱস্থাত কৰ্মচাৰীজনে দহ শতাংশ জমা দিব লাগে । আৰু চৰকাৰে চৈধ্য শতাংশ জমা দিব লাগে । আগৰ যি পুৰনি পেনশ্যন চিষ্টেম আছিল তাত সৰ্ব্বনিম্ন পেনশ্যনৰ পৰিমান আছিলে ছয়হাজাৰ টকা । এতিয়া যি তালিকা মোৰ লগত আছে তাত মাহিলী ছয় হাজাৰ টকাতকৈ বহু ক'ম টকা পোৱা বহু মানুহ আছে । পুৰণি পি এফ আৰু চি এফৰ ক্ষেত্ৰত ভবিষ্যনিধিৰ ব্যৱস্থা আছিলে । ইয়াৰে আগতীয়াকৈ ধন পুৰনি কৰ্মচাৰীজনে ল'ব পাৰিছিলে কিন্তু নতুন পেনশ্যন চিষ্টেমত এই ব্যৱস্থা নাই । মৰগীয়া বানচ বা গ্ৰেচুৰেটি পুৰনি ব্যৱস্থাত আছিলে নতুন ব্যৱস্থাত বিত্তীয় প্ৰতিষ্ঠানে গ্ৰেচুৰেটি নিদিয়ে । অৱশ্যে ৰাজ্য চৰকাৰে এখন নোটিছ উলিয়াই দিছে মোৰ হাতত সেই নোচিছখনো আছে য'ত এটা নিৰ্দ্দিষ্ট পৰিমানৰ গ্ৰেচুৰেটি দিয়াৰ কথা কোৱা হৈছে কিন্তু এতিয়ালৈকে অসমত গ্ৰেচুৰেটি দিয়াৰ কামটো যিধৰনে চলিব লাগিছিলে সেই ধৰনে চলা নাই । এতিয়া আমাৰ মুখ্যমন্ত্ৰীজনে কৈছিলে যে এন পি এচ টো আনিলে কেন্দ্ৰীয় চৰকাৰে । কিন্তু এইটো একেবাৰে ভুল অধ্যক্ষ মহোদয় , এন পি এচ চিষ্টেমটো আনিলে ভাৰতত - মিনিষ্ট্ৰি অফ ফাইনেন্স , ডিপাৰ্টমেন্ট অফ ইকোনোমিক এফেয়াৰচ- নোটিফিকেশ্যন নং- ০৫ / ০৭ / ২০০৩ ই চি ডি এণ্ড পি আৰ ডেইটেড ২২-১২-২০০৩

অৰ্থ্যাৎ সেই সময়ৰ বিজেপি নেতৃত্বাধীন চৰকাৰে নতুন পেনশ্যন চিষ্টেমটো আৰম্ভ কৰিছিল । ০৫-০১-২০০৪ তাৰিখৰ পৰা এই পেনশ্যন চিষ্টেমটো আৰম্ভ কৰা হ'ল আৰু বাধ্যতামূলকভাৱে আৰম্ভ কৰোৱা হ'ল । .অসমত ২০০৫ চনৰ ২৫ জানুৱাৰী তাৰিখৰ দিনা এই পেনশ্যন ব্যৱস্থাৰ কাৰণে জাননী জাৰি কৰা হৈছিল । দ্য ফাইনেন্স বাজেট ডিপাৰ্টমেন্ট চাৰ্কোলাৰ নম্বৰ - পি /২০০৩ পিটি - ২ / ১ ডেটেড- ২৫/ ০১ / ২০০৫ এই চাৰ্কোলাৰ অনুসৰি অসমত নতুন পেনশ্যন ব্যৱস্থা আৰম্ভ কৰা হ'ল ০১/ ০২ / ২০০৫ .তাৰিখৰ পৰা । অধ্যক্ষ মহোদয় এজন কৰ্মচাৰীক কিয়

পেনশ্যন দিয়ে এই সম্পৰ্কে বহু কথা কোৱা হয় । এই সম্পৰ্কে বহুতো কথা কোৱা হয় । আমি সকলোৱে জানো যে কৰ্মচাৰী জনৰ সামাজিক নিৰাপত্তা নিশ্চিত কৰিবলৈ পেনশ্যন দিয়া হয় । গোটেই জীৱন যিহেতু তেওলোকে সেৱা দিয়ে গতিকে সামাজিক সুৰক্ষা হিচাপে পেনশ্যন দিয়া হয় । ২০১৭ চনৰ দৰমহা আয়োগৰ হিচাপ অনুসৰি এটি সৰু পৰিয়ালৰ মাহিলী প্ৰয়োজন ১৪৫৩২ টকা । সেয়েহে নিম্নতম দৰমহা ১৫ ২০০ টকা কৰিব লাগে বুলি কোৱা হৈছিল । গতিকে এই পৰিমানৰ ধন যদি এজন কৰ্মচাৰীক দিয়া নহয় তেতিয়াহ'লে যিখিনি প্ৰয়োজন এই প্ৰয়োজনখিনি কৰ্মচাৰীজনে পূৰণ কৰিব নোৱাৰে । গতিকে মই আপোনালোকক দেখুৱাব খুজিছো যে নতুন পেনশ্যন চিষ্টেম হোৱাৰ পিচত কেনেকুৱা ধৰণে অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে পেনশ্যন পাবলৈ আৰম্ভ কৰিছে । মোক বিভিন্নজনে তথ্য দিছে - তাৰ ভিতৰত মই কেৱল এটা নাম আপোনালোকক গাই শুনাব বিচাৰিছো । মানুহজনৰ নাম ঠগিৰাম দাস । তেখেত এখন বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক । তেখেত ভেল্সাৰ স্কুলত চাকৰি কৰিছিল । ১৯৮৮ চনত তেখেত চাকৰিত যোগদান কৰিছিল । ২০১৩ চনৰ ১ জানুৱাৰীত তেখেত্তৰ চাকৰি ৰেগুলাৰাইজড হৈছিল । তেখেতৰ শেষৰ মাহৰ দৰমহা আছিল - ৪৮ ৩৩২ টকা । তেও অৱসৰ হৈছিল ২৮ ফেব্ৰুৱাৰী ২০১৯ ৰ দিনা । স্কুলখনৰ নাম আছিল আসাম এচ চি ৰেচিডেন্সিয়েল হাইস্কুল, ঢকুৱাখানা, লখিমপুৰ জিলা । তেও প্ৰথম মাহৰ পেনশ্যন পালে ১২৭৭ টকা । পেনশ্যন শ্লিপটো মোৰ লগত আছে । তেও এতিয়ালৈ গ্ৰেচুইটী পোৱা নাই । অধ্যক্ষ মহোদয়, আমি সকলোবে এই নতুন পেঞ্চন ব্যৱস্থাটোৰ বিষয়ে জানো । আমি এতিয়া দেখিছো যিবিলাক ৰাজ্যই নতুন পেঞ্চন ব্যৱস্থাটোলৈ গৈছিলে সেই ৰাজ্যবিলাকৰ পৰাও বহুতো ৰাজ্যই এতিয়া পুৰণি পেঞ্চন ব্যৱস্থালৈ ঘুৰি আহিছে । পশ্চিমবংগই পুৰনি পেঞ্চন নীতিতে থাকিল আৰু ৰাজস্থান, হিমাচল প্ৰদেশ, পঞ্জাৱ, ছত্তীশগড় আৰু ঝাৰখণ্ড ইত্যাদি ৰাজ্য পুৰনি পেনশ্যনত ঘুৰি আহিছে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়া ইয়াত উপস্থিত আছে । মুখ্যমন্ত্ৰী ডাঙৰীয়াই মাক দেউতাকক সেৱা জনাবৰ বাবে প্ৰণাম আঁচনি লৈছে । এতিয়া মাক - দেউতাকে বা কৰ্মচাৰীজনে যদি অৱসৰৰ পিচত ১২৭৭ টকা পেনশ্যন পায় তেও কেনেকৈ চলিব ? তেও নিজৰ বেমাৰ আজাৰৰ দৰৱ কিনিব নে পৰিয়ালটো চলাব ? যিটো পেনশ্যন পাব সেইটো হয়তো চাকৰি কালৰ ওপৰত নিৰ্ভৰ কৰি কিছু বাঢ়িব কিন্তু ই যথেষ্ঠ নহয় । তাতকৈ ডাঙৰ কথা এইটো যিহেতু শ্বেয়াৰ মাৰ্কেটৰ লগত জৰিত গতিকে মাৰ্কেট ডাউন হ'লে হয়তো এক টকাও পেনশ্যন নাপায় । এইটো বৰ ভয়ংকৰ হ'ব । গতিকে অধ্যক্ষ মহোদয় আমাৰ মুখ্যমন্ত্ৰী মহোদয়, ইয়াত উপস্থিত আছে মই আহ্বান জনাইছো যে, আহক - আমি আমাৰ কৰ্মচাৰী সমাজৰ সামাজিক সুৰক্ষাৰ বাবে পুৰনি পেঞ্চন ব্যৱস্থালৈ ওভতি যাওঁ ।

পশ্চিমবংগ, ৰাজস্থান, হিমাচল প্ৰদেশ, পঞ্জাৱ, ছত্তীশগড় আৰু ঝাৰখণ্ডই তেওলোকৰ কৰ্মচাৰীৰ বাবে যি পুৰনি পেনশ্যন ব্যৱস্থা কৰিছে আমিও বিচাৰো আমাৰ চৰকাৰেও আমাৰ কৰ্মচাৰীৰ বাবে সেই ব্যৱস্থা গ্ৰহণ কৰক । গতিকে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই এই সম্পৰ্কে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো ।

**माननीय अध्यक्ष ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়া ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ও পি এচ আৰু এন পি এচৰ বিষয়বস্তুটো সন্মানীয় সদস্য অখিল গগৈয়ে যিধৰনে উপস্থাপন কৰিছে তাৰ মাজত বহুখিনি ইনবিল্টইন লাইনচ আছে । প্ৰথম কথা এন পি এচ আঁচনিটো সেইসকলৰ বাবে প্ৰযোজ্য হয় যিয়ে ২০০৫ চনৰ পিচত চাকৰি কৰিছে । ২০০৫ চনত যোগদান কৰা প্ৰথমজন কৰ্মচাৰী ২০০৫ চনত অৱসৰ পাব। সেই

মূহুৰ্ত্তত আমি গম পাম যে- হোৱাট ইছ দা ইমপেক্ট অফ এন পি এচ অন এ লাইফ অফ এ এমপ্লই । আজি আমি যিখিনি উদাহৰণ আনিছো সেইখিনি ভেন্সাৰ স্কুলৰ শিক্ষক যিসকলে ২০১২ - ১৩ চনত চাকৰি প্ৰভিন্সিয়েলাইজড হৈছে । গতিকে আজি এন পি এচক লৈ যিটো আমি ধাৰণা কৰি আছো ভাৰতৰ অৰ্থনীতিবিদসকলে এইটো বিশ্বাস কৰে। নতুন যিসকল ল'ৰা-ছোৱালী আছে তেওঁলোকে OPS তকৈও বেছি pension পাব বা বেছি দৰমহা পাব। দ্বিতীয়তে, আমাৰ অসম চৰকাৰৰ কৰ্মচাৰীসকলে আমাক দাবী কৰিছিল যে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যাব লাগে। আজি Central Governmentৰ মতে pay scale দিছো, DA দিছোঁ। West Bengal চৰকাৰে Central Government ক follow নকৰে। আজি আমাৰ কৰ্মচাৰীয়ে 32% ডি এ পাই, West Bengal ৰ কৰ্মচাৰীয়ে 6% DA পায়। গতিকে আজি আমাৰ কৰ্মচাৰীসকলক Central Governmentৰ লগত একেলগে আগুৱাই লৈ যোৱাৰ বাবে সিদ্ধান্ত লৈছোঁ। কেন্দ্ৰীয় চৰকাৰে NPS কৰিলে আমিও কৰিছোঁ, OPS কৰিলে আমি OPS কৰিছো, Central Governmentয়ে আজি যি DA দিছে অহা কালি সেইখিনিকে আমি ডি এ দি দিছোঁ, আমি কতো কাট কূট কৰা নাই। অসমত আমি যিমানখিনি পাৰো parity আনিছো with the Central Government. গতিকে মই ভাৱো যে NPS আৰু OPS ৰ debateটো সেইদিনাখন full fledged এটা debate হ'ব যেতিয়া ২০০৫ আৰু ২০৩৫ চনৰ ভিতৰত আমি compare কৰিব পাৰিম। যিয়ে ৩০ বছৰ চাকৰি কৰিছে। আজি যি সকলৰ কথা আমি ইয়াত পাতি আছোঁ, সেইসকল হৈছে মাজত আহি চৰকাৰত সোমোৱা। ২০১২ বা ২০১১ বা২০১৩ বা ২০১৪ তে হওঁক, তেওঁলোকে পোৱা cheque খন সেইখন প্ৰমাণিক তথ্য নহয় যে এইখনে তথ্য হ'ব। আজি যিজন কনিষ্টবলে চাকৰিত যোগদান কৰিছে তেওঁ ৩০ বছৰ পিছত অৱসৰ ল'ব। 10% তেওঁৰ দৰমহাৰ পৰা কাটা গৈ আছে, 14% ৰাজ্য চৰকাৰে দিছে। বেলেগ চৰকাৰে ১০ শতাংশ দিছে আমি ১৪ শতাংশ দিছোঁ। বেলেগ ৰাজ্য চৰকাৰে gratuity দিয়া নাই আমি লগত gratuity দিছোঁ। ২০৩৫ চনত আমি সিদ্ধান্ত ল'ব পাৰিম যে NPS আৰু OPS ৰ gap কিমান আছে? দৰকাৰ হ'লে আমি gap খিনি ৰাজ্য চৰকাৰৰ পৰা দিব পাৰিম, so there will be lot of things which will evolve. আজি আমি ধৰি ল'ব পাৰো যে এজন পুলিচৰ ল'ৰাই আজি চাকৰিত যোগদান কৰিছে ২০৩৫ ত তেওঁ অৱসৰ লৈছে, তেওঁ NPSৰ পৰা cheque পাইছে 3000 টকা, Old Pension মতে চেক পাব লাগিছিল 6000 টকা, ৬০০০-৩০০০ বাকীখিনি State Government য়ে দিলেও হ'ব। গতিকে এই গোটেই কথাটো হ'ল it is a evolving subject. আজি যি সকলে এই বিষয়টো লৈ স্বাভাৱিকতে pension নাপালে আন্দোলন কৰিব আৰু কৰাতো স্বাভাৱিক, তাত মই কোনো আপত্তি নকৰো। কিন্তু তেওঁলোকৰ caseটো case low হ'ব নোৱাৰে। কাৰণ এতিয়ালৈকে ৩০ বছৰ সম্পূৰ্ণ চাকৰি কৰি অৱসৰ কৰা এজন মানুহো আমাৰ সন্মুখত নাই। ২০৩৫ চনতহে সেই মানুহ আমি বিচাৰি পাম। গতিকে মই ভাৱো যে entire hesitation is pre-mature. আমি সকলোৱে ইয়াত ন্যায় কৰিবৰ কাৰণে বহি আছো, অন্যায় কৰিবৰ কাৰণে বহা নাই। ২০৩৫ চনত যেতিয়া প্ৰথম কৰ্মচাৰীজন retire হ'ব we can make a judgment. যে এওঁ যদি OPS ত থাকিলহেঁতেন তেওঁ 12000 টকা পালেহেঁতেনঙ্গ এখেত আজি NPS ত থকা কাৰণে 9000 টকা পাইছে। আমি 3000 টকা দি দিলে হ'ল, so there will be a lot of method, lot of mechanism which will be evolve. Central Governmentয়ে constantly কাম কৰি আছে আমি কৰি আৰু যিবিলাক চৰকাৰে আজি OPS ত অহা বুলি কৈছে কোনো আহিব পৰা

নাই। আজি যে ২০০৫ ৰ পৰা টকাবোৰ জমা দিলে এতিয়া বেংকে সেই টকাবোৰ এৰি দিব নেকি? আজি যে প্ৰত্যেকজন কৰ্মচাৰীৰ নামত বেংকত টকা বোৰ জমা হৈ গ'ল তেওঁলোকটো এটা নিৰ্দিষ্ট সময়ৰ কাৰণে fix deposit কৰি আছে। এতিয়া ৰাজস্থান চৰকাৰক কেন্দ্ৰীয় চৰকাৰে কৈছে যে এইটো আপুনি বেংকৰ লগত কথা পাতক, টকাখিনিটো আমি ঘুৰাই দিব নোৱাৰো। ছত্তিশগড়কো সেইটো কৈছে, তেওঁলোকে ও পি এচ কাক দিছে আজিৰ পৰা অৱসৰ লোৱা মানুহখিনিক দিবৰ চেষ্টা কৰিছে তাকো electionৰ আগত। ইলেক্চনৰ পিছত কি হয় কোনেও নাজানে। যিমান কেইখন stateয়ে এই বিলাক OPS, NPS খেলা কৰি আছে তেওঁলোক হ'ল election ৰ আগৰ এনাউন্সমেন্ট। ইলেক্চনৰ পিছতটো সকলোৱে পাহৰি গৈছে। কোনো ৰাজ্যত মই শুনা নাই যে OPS NPS লোৱা মানুহে আজি কালি ও পি এচ পাই বুলি। এতিয়া এই গোটেই ঘটনা বিলাক এটা evolving আমাৰ সিদ্ধান্ত হ'ল কৰ্মচাৰী সকলে কেতিয়াবা Central Governmentৰ লগত  গলে লাভ হ'ব, কেতিয়াবা Central Governmentৰ লগত গ'লে বেয়া হ'ব। কিন্তু অসমত সদৌ অসম কৰ্মচাৰী পৰিষদৰ লগত কংগ্ৰেছ চৰকাৰৰ দিনতে আলোচনা কৰি এইটো সিদ্ধান্ত হৈছিল যে আমি  Central Government ৰ লগে লগে যাম। আৰু কেন্দ্ৰীয় চৰকাৰত ৰেল আছে,  ডাঙৰ ডাঙৰ organization আছে, তেওঁলোকেও কৰ্মচাৰী union সকলেটো পেঞ্চনৰ কথা নিশ্চয় চিন্তা কৰি আছে। তেওঁলোকৰ লগতটো Central Government ৰ কেতিয়াবা agreement হ'ব,  আৰু যিয়ে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ ক্ষেত্ৰত কৰিব stateয়ে adopt কৰি লম। আমিটো কেতিয়াও না কোৱা নাই। কিন্তু Central Governmentয়ে কি দৃষ্টিভঙ্গী লয় আমি চোৱা উচিত। কাৰণ আমি এটা সংসদীয় ব্যৱস্থাত আছোঁ। আজি কৈছে নহয় কংগ্ৰেছ চৰকাৰ, ২০০৫ ত টো কংগ্ৰেছ আছিল অসমত। বিজেপি নাছিল, মইটো নিজে কেবিনেটত আছিলোঁ। তৰুণ গগৈৰ দিনত সিদ্ধান্ত লোৱা হৈছিল যে অসমত আমি এন পি এচ লৈকে যাম। আজি এই গোটেই এন পি এচৰ সিদ্ধান্ত অসমত তৰুণ গগৈৰ চৰকাৰৰ দিনত বলবৎ কৰা হৈছিল। ২০০৪ ত এন পি এচ notify হৈছিল  immediate তাৰ পিছত মনমোহন সিংৰ চৰকাৰ আহিছিল, it was a consent sense at that point of time. যে আমি Government treasury ৰ পৰা OPS দিব নোৱাৰে। কাৰণ আজিৰ দিনত আমি ১১০০ কোটি টকা মাহত দিব লাগে।  এইটো যদি বাঢ়ি বাঢ়ি গৈ থাকে Hospitalত আমি ঔষধো কিনিব নোৱাৰিম। কিন্তু bankৰ সহায় লাগিব। কেনেকৈ বেংকৰ সহায় লাগিব আমি যদি টকা বেংকত  জমা দি থাকো 9% interest আমাৰ লগত যোগ হৈ থাকিব, retirementৰ দিনাখন আমি চাব পাৰো কৰ্মচাৰী জনে ১০০০ পাব লাগিছিল ৮০০ পাইছে। চৰকাৰে ২০০ দি দিলে লেঠাটো মৰি যাব। সেই কাৰণে এইটো ক্ষেত্ৰত আমি অপেন, কিন্তু মই এইটো ক্ষেত্ৰত বহুত বেছি আগবঢ়া নাই কাৰণ we are a small state আমি কি সিদ্ধান্ত ল'ব পাৰো? আমি Centralৰ ওপৰত dependent থাকিম। আমি সিদ্ধান্তই ললো কালি আকৌ আপুনিয়ে আমাৰ সদস্য সকলে কব medical কলেজ Engineering কলেজ, roads কৰক, loan নল'ব, loan কিয় লৈছে, একেবোৰ কথাই, তেতিয়াটো লোনটো আৰু বঢ়াই দিব লাগিব। আজি যদি এটকা লৈছো ২ টকা ল'ব লগিব। সেই কাৰণে আমি এখন সৰু ৰাজ্য কেন্দ্ৰীয় চৰকাৰৰ লগত আমি যাব লাগে। কেন্দ্ৰীয় চৰকাৰে কৰ্মচাৰী সকলক ভালে কৰিব, বেয়াটো নকৰে। আৰু আমাৰ মাত্ৰ ৪ লাখ কৰ্মচাৰী, কেন্দ্ৰীয় চৰকাৰৰ অকল চি আৰ পি এফ তে ৪ লাখ আছে, they have a institution of 2 crore employee. যদি দুই কোটি কৰ্মচাৰীৰ অন্যায় হয় সকলো ৰাস্তাত নামি নাহিব নেকি? সেই কাৰণে মই ভাৱো যে আমি ইয়াত proper evolution

ৰ কাৰণে ৰখিব লাগে। আজি যি গৰাকী ব্যক্তিৰ cheque ৰ কথা ইয়াত কোৱা হৈছে নিজেই কৈছে যে ২০১২ চনত চাকৰিত যোগদান কৰিছে। ২০০৫ চনত চাকৰিত যোগদান কৰা মানুহ ২০৩৫ চনত অৱসৰ হ'ব আমি evolution কৰিম, আমি evaluate কৰিম। মোৰ মনত এইটোকে সোমাই আছে যে difference টো যদি stateয়ে পে কৰি দিয়ে কৰ্মচাৰী সকলৰ প্ৰতি ন্যায় কৰা হব। যে NPSত যিটো পইচা তেওঁলোকে পালে যদি কম পায়, আমিটো বিশ্বাস কৰো এটকাও কম নাপায় বেছি পাব, কিন্তু কম পালে যদি ধৰি ললো মাহত ১৪ হাজাৰ টকাৰ কথা কোৱা হৈছে, এটা পৰিয়াল চলিবলৈ ১৪ হাজাৰ টকা লাগে। এন পি এচ ৰ পৰা চেক খন পালে ১২ হাজাৰ টকাৰ, ৰাজ্যই ২ হাজাৰ টকা top up কৰি দিলে হ'ল। তাত কাৰণে ব্যৱস্থাবোৰ পৰিবৰ্তন কিয় কৰিব লাগে। টকাখিনি bankত আছে আমি income পাই আছো, চৰকাৰৰ ক্ষতি হোৱা নাই। নহলে কেৱল চৰকাৰৰ পৰাই টকা যাব অলপ অলপ কৈ চৰকাৰে কৰ্মচাৰী জনৰ নামত বেংকত টকা থোৱাৰ কাৰণে 9% interest ও জমা হৈ আছে। সেই কাৰণে এই বিষয়টোৰ ওপৰত আমাৰ মুকলি মন। we are not against government employees, কিন্তু আলোচনা কৰাৰ proper timingটো আহা নাই। এতিয়া অকল আমি কাক আলোচনা কৰিব লাগে ২০১৪চনত চাকৰি সোমোৱা, ২০১২ত চাকৰিত সোমোৱা, ২০১৩, ২০১৭ ত চাকৰিত সোমোৱা, তেওঁলোকেটো proper picture টো নিদিব, proper picture কোনখিনিত পাম, যেতিয়া ২০০৫ চনত সোমোৱা মানুহ জনে ২০৩৫ ত অৱসৰ হ'ব, সেইখন cheque আমি চাব লাগিব। যে সেই চেক খন কিমান টকাৰ চেক? বোলে সেই চেক খন 30000 টকাৰ চেক, হ'ব লাগিছিল কিমান 40000 টকা, ৰাজ্যই ১০ হাজাৰ দিলে হৈ গ'ল। আমি মানুহ জনক ন্যায় কৰিবলৈহে। গতিকে এই ধৰণৰ বিভিন্ন কথা ভাৰত চৰকাৰৰ পৰ্য্যায়তো আলোচনা হৈ আছে অসমতো আলোচনা হৈ আছে আৰু আমি আজি একেলগে যাব লাগে। আজি বেংগলৰ কি অৱস্থা হৈছে? পেন্সনত পইচা দি থকাৰ কাৰণে DA দিব পৰা নাই। যোৱাকালি মমতা বেনাৰ্জীয়ে কি কৈছে যে মোক মাৰিলেও মাৰি পেলাওক মই DA দিব নোৱাৰো। সদনত কৈছে তেখেতে। কথাটো হৈছে টকাও কোনো প্ৰিন্ট কৰি দিব নোৱাৰে। আকৌ জিএছটি বঢ়াব লাগিব তেতিয়া আৰু মানুহৰ পৰা টকা ল'ব লাগিব। সেই কাৰণে এই বিষয় বস্তু বিলাক National platform ত আলোচনা হ'ব লাগে। মই সদনত আশ্বাস দিব পাৰো যে, We will go along with Central Government. কেন্দ্ৰীয় চৰকাৰে OPS আনিলে আমিও আনিম, কেন্দ্ৰীয় চৰকাৰে NPS আনিলে আমিও আনিম। That was a decision with কৰ্মচাৰী পৰিষদ। আমি কেন্দ্ৰীয় চৰকাৰৰ লগত একেলগে যাম। কেন্দ্ৰীয় চৰকাৰে DA দিলে আমিও একেলগে দিও। কেতিয়াবা ৩০ তাৰিখে ভয় লাগি যায় অহা মাহত কি হ'ব? এতিয়া মই শুনি আছো আৰু DA ৬ শতাংশ বৃদ্ধি কৰিব কেন্দ্ৰীয় চৰকাৰে। ৬ শতাংশ মানে মাহত ৩০০ কোটি টকা অধিক আমি দিব লাগে। We are standing by our commitment. আমি আজিলৈকে ক'তো গণ্ডগোল কৰা নাই। কৰ্মচাৰীৰ ক্ষেত্ৰত ব্যৱহাৰ একে সহনশীল বন্ধুত্বপূৰ্ণ। কৰ্মচাৰীৰ দুখত আমি দুখী সুখত সুখী। ২০৩৫ চনলৈকে লৈকে আমি ৰখিব লাগে। মই আমাৰ মাননীয় বিত্ত বিভাগক কৈছো যে, আপোনালোকে বিশ্লেষণ কৰিব। প্ৰথমে একেবাৰে গোটেই NPS পোৱা মানুহখিনিৰ লগত OPS ৰ গেপ কিমান হয়। ২৪ শতাংশ এমাউন্ট ৩০ বছৰ জমা কৰিব। সুদ পালে ২০ হাজাৰ টকা। OPS মতে পাব লাগিছিল ২২ হাজাৰ টকা বেংকৰ পৰা ২০ পাব আমি ২ হাজাৰ দি দিম। ৰাজ্যও বাচিব চৰকাৰো বাচিব। আজি ঝাৰখণ্ড, চট্টিশগড় সকলো ইলিকেশ্যনৰ আগত কৰা ঘোষণা। কোনো জিকা চৰকাৰে এই কথাটো ঘোষণা কৰা নাই। কংগ্ৰেছে

বহুত গেৰাণ্টি দিয়ে, বাটা কোম্পানীত জোতা কিনিলেহে গেৰাণ্টি দিয়ে। চৰকাৰত থাকোতে গেৰাণ্টীৰ কাম নাই, চৰকাৰ নাথাকোতে গেৰাণ্টী। মই কেইদিন মান আগতে মোডী ডাঙৰীয়া, অশোক গেহলট ডাঙৰীয়া আৰু মই নিজে একেলগে মুখ্যমন্ত্ৰীৰ বৈঠকত একেলগে ভাত খাইছিলো। মই সুধিলো গেহলট ডাঙৰীয়াক যে বেংকৰ পৰা পইচা বিলাক ঘূৰাই পালে নেকি? টকা ঘূৰাই পোৱা নাই। কৰ্মচাৰী জমা থকা টকা, ৰাজ্য চৰকাৰে দিয়া ১৪ শতাংশ টকা ২০০৫ ৰ পৰা আমি দি আছো। এটা টকাও যদি ঘূৰাই নাপাঁও আমাৰ কি অৱস্থা হ'ব? NPS and OPS ৰ ক্ষেত্ৰত যদি বহুত পাৰ্থক্য থাকে If, we pay the differential amount, everybody will be satisfied. ৰাজ্যখনেও নাকান্দিব, কৰ্মচাৰীজনৰ পৰিয়ালেও নাকান্দিব। আমাৰ কৰ্মচাৰী সকলেও হাঁহক আৰু প্ৰজা সকলেও হাঁহক। মই যিখিনি অফিচাৰৰ লগত কথা পাতো তেখেত সকল সুখী। যদি ৩০ বছৰ বেংকত জমা থাকে মিনিমাম সুদো এইটো টকাত পাম। ৩৫ ত যেতিয়া অৱসৰ ল'ব তেতিয়া যদি OPS ৰ সমান নহয় ভাৰতত ৰেল সেৱা, তেল সেৱা সকলো বন্ধ হৈ যাব। কিয় কৰ্মচাৰীৰ লগত অন্যায় কৰিব। অসমত আমি আজি ১০ ৰ পৰা ১৪ শতাংশ বৰঙনি কৰি আছো। কালি ভাৰত চৰকাৰে ক'ব ২০ শতাংশ বৰঙনি কৰক। যাতে সকলো সমান হৈ যায়। It is a evolving subject আমি ৰাজ্যৰ জনতা, ৰাজ্যৰ সুখ দুখৰ লগত থাকি আগবাঢ়ি যাব লাগিব। NPS ডাঙৰীয়াৰ লগত মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক কথা পাতি থাকিব দিছো। ভাৰত চৰকাৰৰো আমি National platform ত আলোচনা কৰি আছো। আমি কৰ্মচাৰী জনক অন্যায় কৰিব নোৱাৰো। আজি ১১০০ কোটি টকা পেন্সন দি আছো। মানুহৰ আয়ুস বৃদ্ধি হৈ আছে। এফালে প্ৰস্তাৱ আনিব ১০২২ কোটি টকা ঋণ কেনেকৈ হ'ল? টেক্স লগালে ক'ব কিয় পেট্ৰলৰ দাম কিয় ৫০ পইচাকৈ বঢ়ালে। আমি কৃষি বিশ্ববিদ্যালয়ত এইবাৰ বাজেটত আমি লিখিছো যে, ২০০ কোটি টকা পেন্সন ফাণ্ড কৰিম। প্ৰত্যক বছৰত ৩০ কোটি পেন্সন দিব লাগিছিল আজি ৪৫ কোটি দিবলগীয়া হৈছে। অহা বছৰ ৫৫ কোটি পেন্সন দিব লাগিব। সেই কাৰণে বাজেটত ক'লো ২০০ কোটি টকা এবাৰতে নি বেংকত থৈ দিয়ক। ২০ কোটি টকা সূদ পাব। ২০ কোটিৰ লগত ৰাজ্যই ২৫ কোটি টকা দিলেই হ'ব। কৰ্মচাৰীখিনিয়ে ন্যায় পাব। যোৱাকালি মহাৰাষ্ট্ৰই এখন কমিটি বনাইছে, বিভিন্ন ধৰণে NPS/OPS ৰ ওপৰত মন্থন চলি আছে। কেন্দ্ৰীয় চৰকাৰৰ লগত একেখন নাঁৱতে গৈ থাকিম, কৰ্মচাৰী সকলেও ন্যায় পাব, পৰিয়ালেও ন্যায় পাব, জনগণেও ন্যায় পাব। ধন্যবাদ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে যাতে এটা সঁচাকে Judicious সিদ্ধান্ত লয়। তাৰ বাবে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** প্ৰব্লেমটো হ'ল, যে ইয়াৰ ডিফাৰেঞ্চটো চাব লাগিব। freshly appointed মানুহ কোনো আমাৰ ওচৰত অহা নাই। কাৰণ তেওঁলোক অৱসৰ লব ২০৩৫ ত । এইবিলাক হৈছে মাষ্টাৰৰোলত কাম কৰা মানুহ পাছত গৈ ৰেগুলাৰাইজ হৈছে। গতিকে ১৫ বছৰত যদি ২০০০ টকাৰ চেক পাই, ৩০ বছৰত সেই চেকখনৰ ভেলু ৮ ০০০ টকা হ'ব। সেই কাৰণে আজি লুকুমাই বৰুৱা ডাঙৰীয়ানীয়ে হওঁক বা ঢকুৱাখানাৰ শিক্ষক গৰাকীয়ে হওঁক all are regulerised , not freshly appointed যদি ২০০৫ চনত নিযুক্তি হোৱা, পুলিচ কনিষ্ঠ্যবল এজন, আজি ধৰক এটা কথা মই নাজানো কোনে মাননীয় বিধায়ক গৰাকীক briefing কৰিছে। ভাৰতত কোনখন ষ্টেট আছে, য'ত নিজে ঢুকুৱাৰ লগে লগে আমি পুৰা ফেমেলিটোক পেঞ্চন দি থাকো as he is in Government job আজি আমাক চি এ জি য়ে কৃতিচাইজ কৰিছে যে এইটো কাম আপোনালোকে কিয় কৰি আছে। অৰ্থাৎ আজি যদি কোনোবা এজন ভগবানে

নকৰক কৰ্মচাৰী এজনৰ মৃত্যু হয়, তেওঁৰ পত্নীক আমি কোনটো দৰমহা দি আছো, as it he is in the job চাকৰিত নোহোৱাকৈ পুৰা দৰমহাৰ চেকখন পাই যায়। ইমানখিনি কাম কোনেও কৰা নাই। আপোন ঘৰ , আপোন বাহন এই বিলাক টো মই থলোৱেই। এইবাৰ আমি আনিছো, যে তেওঁলোকক কেচলেচ হেল্থ ফেচেলেটি দিম। গতিকে কৰ্মচাৰীৰ কাৰণে অসম চৰকাৰ নিৰন্তৰ ভাবে কাম কৰি আছে, তাত কোনো আপত্তি নাই। কিন্তু মোৰ এটা ৰিকুৱেষ্ট যে কোনো এটা বিষয়ৰ ওপৰত , মই ভাল পাইছো, যে অখিল গগৈয়ে চিৰিয়াচ বিষয় এটাৰ ওপৰত আলোচনা কৰিছে। মই আদৰণী জনাইছো, মোৰ কোনো বেয়া ভাৱ নাই। কিন্তু material has to reflect the factual situation of the ground. ত ২০০৫ ত নিযুক্তি পোৱা মানুহ এজনৰ কথা আমি আলোচনা কৰিলে, আলোচনাটো প্ৰতিনিধিত্বমুলক হ'ব। ৰেগুলাৰাইজ মানুহ এজনৰ কথা আমি যেতিয়া আলোচনা কৰিম বা ভেন্সাৰ স্কুলৰ শিক্ষক এজনৰ কথা আমি যেতিয়া আলোচনা কৰিম সেইটো প্ৰতিনিধিত্বমুলক ন'হব। হ'ব সেই মানুহজন কষ্টত আছে , এই মানুহ কেইজনক আপুনি চাই দিয়ক that can be a submission কিন্তু NPS /OPS ৰ ওপৰত যদি এটা বস্তুসন্মত আলোচনা কৰিব লাগে, তেতিয়া হলে ২০০5 ত নিযুক্তি পোৱা ব্যক্তি এজনৰ কথালৈ আমি আলোচনা কৰিব লাগিব। ৰেগুলাৰাইজ মানুহৰ আলোচনা কৰিলে, আমি factual situation টো appriciat কৰিব নোৱাৰিম।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয় মই এটা বাক্য ক'ব বিচাৰিছো, অধ্যক্ষ মহোদ, মুখ্যমন্ত্ৰী মহোদয়ে যিটো কথা কলে, এতিয়া যি ৫ হাজাৰ মানুহে এই পেঞ্চনটো পাই আছে, তেওঁলোকে , এওঁহে আটাইতকৈ বেছিকৈ পাইছে ১৫ বছৰ চাকৰি কৰি সেইটো হ'ল ২৬০০ টকা । প্ৰায় ১৫ বছৰ কাম কৰি তেওঁ ২৬০০ টকা পেঞ্চন পাইছে। এতিয়া যিখিনিয়ে পেঞ্চন পাইছে প্ৰথম ফ্ৰেজত তেওঁলোকক যিহেতু আপোনালোকে দিম বুলি কৈছে, তেওঁলোকক আৰু যিটো এমাউন্ট আৰুপাব লাগিছিল, সেইটো দিব লাগে, পেঞ্চনটো পালে, আমাৰ দিনত পাব লাগে মানে সেইটো অসম চৰকাৰৰ দিনত সেইটো অন্তঃত আপুনি কৰি দিয়াৰ ব্যৱস্থা কৰে, তেতিয়া হলে এইটো এটা ডাঙৰ ৰিলিফ এই মুহুৰ্তত হৈ যায়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতে কৈছো, যে there are different options which we will study in a run up to 2035 যে differential payment দিয়াটো এটা হ'ব পাৰে বা 14% ৰ ঠাইত state Government can contribute 20 % 25 % এই গোটেই কথা বিলাক আহিব এটা ৰাষ্ট্ৰীয় নীতিৰ মাজত। সেই কাৰণে মোৰ গোটেই কথাটো হ'ল, যে NPS /OPS ৰ বিতৰ্কটো আমাৰ কৰ্মচাৰী সকলেও national platform চলাই আছে । আমি কাকো বেয়া পোৱা নাই, বৰঞ্চ আমি আলোচনা কৰি আছো, এটা সময় আহিব দিয়ক যিটো সময়ত বিষয়টোৰ ওপৰত কথা পাতিম আৰু আজি বিশেষকৈ ভাৰতবৰ্ষৰ নিৰ্বাচনৰ প্ৰাকমুহুৰ্তত লোক সভাৰ নিৰ্বাচনৰ প্ৰাকমুহুৰ্তত যিটো সময়ত এটা কম্পিটিতিভ পলিটিকচ চলি আছে। গেৰাণ্টিৰ পলিটিকচ , কম্পিটিতিভ পলিটিকচ এই মুহুৰ্তত এই বিষয়টোৰ আলোচনাই কোনো এটা সম্যক ৰাস্তাত লৈ যাব নোৱাৰে। সেই কাৰণে মই ভাবো যে অসম চৰকাৰে কৰ্মচাৰী সকলৰ যিমান সমস্যা তাৰ প্ৰতি আমি সজাগ আৰু উপযুক্ত সময়ত আমি উপযুক্ত সিদ্ধান্ত আমি লম। ৰাজ্যৰ জনতাও সুখত থাকক, কৰ্মচাৰী সকলো সুখত থাকক। বাকী যিখিনি বিষয়ৰ কেচৰ কথা কৈছে সেইখিনি ময়ো অৱগত। কেন্দ্ৰীয় চৰকাৰৰ লগত মই কি

তেওঁলোকৰ মাৰ্গ দৰ্শন আহে, আমি তেনেকৈ আগবাঢ়িম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, আপুনি উইদ্ৰ কৰিব নে?

**শ্ৰীঅখিল গগৈ,(শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয় উইদ্ৰ নকৰোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। যিসকল সদস্য সদস্যা সংকল্প প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, সংকল্প প্ৰস্তাৱটো নাকচ কৰা হ'ল। এতিয়া শ্ৰী আব্দুল বাটিন খণ্ডকাৰ

**শ্ৰী আব্দুল বাটিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় ৰাজ্যখনৰ অন্যতম জলন্ত সমস্যা বান পানী আৰু গড়াখহনীয়া প্ৰতিৰোধৰ স্বাৰ্থত বিধান সভাত এই সন্দৰ্ভত এটা সংকল্প প্ৰস্তাৱ উপস্থাপন কৰিব বিচাৰিছো। প্ৰস্তাৱটো হ'ল এনেধৰণৰ অসমত ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী আৰু ইয়াৰ অৰ্ধশতাধিক উপনদীয়ে বাৰিষা কালত ৰাষ্ট্ৰীয় গড়তকৈ ৪ গুণ অধিক বানপানীৰ সৃষ্টি কৰি ৰাজ্যখনৰ শতকৰা ৩৯.৫৮ অঞ্চল প্লাৱিত কৰাৰ লগতে প্ৰতি বছৰে গড়ে ৮ হাজাৰ হেক্টৰকৈ মুঠ ৪.২ লাখ হেক্টৰ কৈ ভূমি গড়াখহনীয়াৰ কৱলত পেলাই ৰাজ্যখনৰ লাখ লাখ লোকৰ জীৱন আৰু সম্পত্তিৰ ক্ষতি সাধন কৰি আছে। সেয়েহে নাগৰিক জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ বাবে এই বানপানী আৰু গৰাখহনীয়াৰ সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষনা কৰি জলসম্পদৰ সঠিক ব্যৱহাৰৰ যোগেদি এই সমস্যা সঠিক আৰু স্থায়ী সমাধান কৰা হওঁক। এইটো মোৰ সংকল্প প্ৰস্তাৱ এই প্ৰস্তাৱ উপস্থা ন কৰোতে প্ৰাৰম্ভিক যিখিনি ভাষণ বা প্ৰস্তাৱৰ সমৰ্থনত মই কথাখিনি আগবঢ়াব বিচাৰিছো উপাধ্যক্ষ মহোদয়, অসমত এক বৃহৎ নদী নেটৱৰ্ক আছে। প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু বৰাক আৰু ইয়াৰ ৫০ টা মান উপনৈ আছে। সেই উপনদী সমুহেদি পাহাৰীয়া চুবুৰীয়া ৰাষ্ট্ৰ ভূটাণ, চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম আদিৰ পানী বৈ আহি ব্ৰহ্মপুত্ৰ আৰু বৰকত পৰে। বাৰিষাকালত এই নদীৰ নেটৱৰ্কে ব্যাপক বানপানীৰ সৃষ্টি কৰে। প্ৰতি বছৰে একাধিকবাৰ, বানপানীৰ সৃষ্টি হয়, প্ৰতি বছৰে অসমত ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত অধিক সময়ৰ বাবে আৰু অধিক তীব্ৰতাৰে বানপানীৰ হয়। এই বানপানীয়ে অসমৰ সম্পত্তিৰ বিস্তৰ ক্ষতি সাধন কৰে আৰু উন্নয়নত ব্যাপক প্ৰভাৱ পেলায়। উপাধ্যক্ষ মহোদয়, অসমৰ মুঠ মাটিকালিৰ ৭৮.৫২৩ লাখ হেক্টৰ । তাৰে ৩১.০৫ লাখ হেক্টৰ অঞ্চল বানৰ কৱলত পৰে। ই অসমৰ মুঠ মাটি কালিৰ ৩৯.৫৮ ভাগ অৰ্থাৎ মুঠ মাটিকালিৰ শতকৰা প্ৰায় ৪০ ভাগ। তাৰ বিপৰীতে আমাৰ দেশৰ ১০.২০ অঞ্চলহে বানপীড়িত অঞ্চল। অৰ্থাৎ ৰাজ্যখনৰ বানপীড়িত অঞ্চল ৰাষ্ট্ৰীয় বানপীড়িত গড় অঞ্চলতকৈ ৪ গুণ বেছি। লগতে আন ৰাজ্যৰ তুলনাত অসমত অধিক সময়ৰ বাবে আৰু অধিক তীব্ৰতাৰে বান পানী হয়। আনহাতে ৰাজ্যখনত ভূতৰ ওপৰত দানৰ পৰা দি গড়াখহনীয়াই কালৰূপ ধাৰণ কৰে। ৰাজ্যখনৰ গড়াখহনীয়াৰ সমস্যাৰ দৰে গভীৰ সমস্যা দেশৰ অইন ৰাজ্যত নাই। ৰাজ্যখনৰ ৭.৪০ শতাংশ অঞ্চল, মাটিকালি হিচাপে ৪.২৭ লাখ হেক্টৰ অৰ্থাৎ ৩২ লাখ বিঘাত কৈও অধিক ভূমি সম্পদ ইতিমধ্যে নদীৰ বুকুত জাহ গৈছে। ৰাজ্যখনৰ বছৰি গড়ে ৮ হাজাৰ হেক্টৰ ভূমি সম্পদ নদীৰ বুকুত জাহ গৈ আছে। গড়াখহনীয়াৰ প্ৰকোপত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহৰ প্ৰস্থ দিনক দিনে বাঢ়ি আছে। ব্ৰহ্মপুত্ৰ গড় প্ৰস্থ ৫.৪৬ কিঃ মিঃ। কিছুমান ঠাইত এই নদীৰ প্ৰস্থ ১৫ কিঃ মিঃ লৈকে হৈছে. এই গড়াখহনীয়াৰ ফলত ।ৰাজ্যখনত গৰাখহনীয়াৰ প্ৰৱনতা ইমানেই বেছি যে দেশৰ আন কোনো ৰাজ্যৰ লগত ইয়াৰ তুলনা নহয়। প্ৰতি বছৰে বানপানী আৰু গড়াখহনীয়াৰ ফলত ৰাজ্যখনে বিস্তৰ আৰ্থিক ক্ষয় ক্ষতিৰ সন্মুখীন হয়। শস্য, ৰাস্তা ঘাট, দলং

আদি সম্পদৰ  ক্ষতি সাধন হৈ আহিছে। স্বৰাজত্তোৰ অসমে বানপানীত গড়ে বছৰি ২ কোটি টকা ক্ষতিৰ সন্মুখীন হয়। আৰম্ভনিৰ বছৰ বিলাকত ক্ষতিৰ পৰিমান কম আছিল যদিও বৰ্তমান বছৰি ৭ শ ৮ শ কোটি টকাৰ ক্ষতি হয়। আনহাতে গড়াখহনীয়াৰ ফলত বছৰি  লাখ লাখ টকাৰ সম্পত্তি নদীৰ বুকুট জাহ যায়।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সদনত কোৰাম নাই।

**শ্ৰী আব্দুল  বাটিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কণ্টিনিউ কৰিম। উদাহৰণ স্বৰূপে ২০০২ চনত ২৭৪৮.৩৪ লাখ,  ২০০৩ চনত ৯৮৮৫.৮৩ লাখ, ২০০৪ চনত ৮৩৩৭.৯৭ লাখ টকাৰ সম্পত্তি নদীৰ বুকুত জাঁহ গৈছে। গৰাখহনীয়াত ইতিমধ্যে ৩০০০ তকৈও অধিক গাওঁ সম্পূৰ্ণৰূপে আৰু ৫০০ তকৈ ও অধিক গাওঁ আংশিক  ভাৱে নদীৰ বুকুত জাঁহ গৈছে। এই গৰাখহনীয়াৰ ফলত আনুমানিক ৩০ লক্ষাধিক লোক আশ্ৰয়হীন হৈ পৰিছে। এই আশ্ৰয়হীন লোকৰ মাজত সৰহ সংখ্যক সংখ্যালঘু সম্প্ৰদায়ৰ যদিও সংখ্যাগুৰু সম্প্ৰদায়ৰো একাংশ লোক আছে। এই আশ্ৰয়হীন হোৱা লোকক চৰকাৰে সংস্থাপন কৰিব পৰা নাই। তাৰ ফলত ৰাজখনত আভ্যন্তৰীন প্ৰবজন ঘটিছে। আভ্যন্তৰীন প্ৰবজনে সামাজিক অস্থিৰতাৰ সৃষ্টি কৰিছে। এই সমস্যা সমূহৰ মাজত ভূমি বেদখলো এটা ডাঙৰ সমস্যাৰূপে চিহ্নিত হৈছে। যাৰ ফলত উচ্ছেদৰ দৰে কাৰ্য্য চৰকাৰে হাতত ল'ব লগীয়া হৈছে। সমস্যাখিনিটো ক'লো, এতিয়া কি ধৰণৰ ক্ষতি হয় সেই কথাখিনিৰ এটা আভাস দিয়া হ'ল। সমাধান কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেনেধৰণে চেষ্টা কৰি আছে, ৰাজ্য চৰকাৰে সকলো ধৰণে চেষ্টা কৰি আছে যদিও সেয়া যথোপযুক্ত নহয়। ৰাজ্য চৰকাৰে বানপানী আৰু গৰাখহনীয়াৰ সমস্যা সমাধান কৰাৰ বাবে চেষ্টা কৰি আছে। RIDF,SOPD, FMBAP,AIRBMP, SDRF আদিৰ অধীনত কিছু আঁচনি হাতত লৈছে যদিও সেইয়া সমস্যাৰ তুলনাত এপাচি শাকত এটা জলকীয়া সদৃশ।

(সদনত থূলৰ অভাৰৰ বাবে কিছু সময়ৰ বাবে সময় ঘণ্টা বাজে)

**মাননীয় উপাধ্যক্ষ ঃ** লবীত যিসকল বিধায়ক আছে ভিতৰলৈ মাতক, কোৰাম নাই।

**শ্ৰী আব্দুল বাটিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, উদাহৰণ  স্বৰূপে অভয়াপুৰী উত্তৰ সমষ্টিৰ ২১ খন গাওঁ পঞ্চায়তৰ মাজত ২০ খন গাওঁ পঞ্চায়তেই বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰে। এইবেলি আই নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে  হাপাচাৰা, ভাণ্ডাৰা, বাঁশবাৰী-চালাবিলা, সৃজনগ্ৰাম, কাছাৰীপেটী আদি গাওঁ পঞ্চায়ত আৰু মানাহ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে নোৱাপাৰা, ডাঙাইগাওঁ, বাঁশবাৰী-চালাবিলা, গোলাপাৰা-বাংলাপাৰা, নাম্বাৰপাৰা-চাকলা, জপেয়া, ৰাঙাপানী আদি গাওঁ পঞ্চায়ত সামৰি ৩১ কোটি টকা ব্যয় সাপেক্ষে ৮ টাকৈ আঁচনি জিলা দুৰ্যোগ ব্যৱস্থাপনা কতৃপক্ষই মনোনীত কৰিছিল যদিও চৰকাৰে মাত্ৰ এটা আঁচনিহে অনুমোদন জনাবলৈ সমৰ্থ হৈছে। আনফালে AIRBMP আঁচনিৰ অধীনত কেৱল বেঁকী আৰু বুঢ়ীদিহিং নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ কামহে হাতত লৈছে। কিন্তু উজনি নামনিৰ নদী যেনে আই, মানাহ, গংগাধৰ, গদাধৰ, জীয়াভৰলী, গাইনদী, জীয়াধল, ভোগদৈ আদি কৰি কমেও পোন্ধৰখন মান নদীৰ আঁচনি হাতত ল'বলগীয়া আছিল। যোৱা ২০২২ চনৰ বানপানী আৰু গৰাখহনীয়াৰ তীব্ৰতাই প্ৰমাণ কৰিছে যে ৰাজ্যখনত বানপানী আৰু গৰাখহনীয়াৰ প্ৰতিৰোধৰ বাবে এক ব্যাপক কাৰ্য্যসূচী হাতত লোৱাৰ প্ৰয়োজনীয়তা আছে। এই ব্যাপক কাৰ্য্যসূচী হাতত লোৱাৰ বাবে যি পৰিমাণৰ অৰ্থৰ প্ৰয়োজন সেইয়া নিশ্চয়কৈ ৰাজ্য চৰকাৰে বহন কৰিব নোৱাৰে। সেইয়ে

এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ উদ্যোগৰ প্ৰয়োজন। গতিকে এই বানপানী আৰু গৰাখহনীয়াৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাতো অতিকৈ প্ৰয়োজন। ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি নদী সমূহৰ নদী সমূহৰ দুয়োপাৰৰ গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ লগতে যিবিলাক নদীত ক্ষুদ্ৰ জল বিদ্যুৎ প্ৰকল্প স্থাপন কৰা সম্ভৱ, সেই নদী বিলাকত ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰি জলসম্পদৰ সঠিক ব্য ৱহাৰৰ যোগেদি ৰাজ্যখনক শক্তি ক্ষেত্ৰত স্ব-নিৰ্ভৰশীল হোৱাৰ প্ৰয়োজন। আমাৰ ৰাজ্যখনৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে বানমুক্ত অসমৰ কাৰণে সংকল্প লৈছে আৰু তেখেতে আৰু সংকল্প লৈছে যে আমাৰ ৰাজ্যখন উন্নত ৫ খন ৰাজ্যৰ ভিত ৰত স্থান প্ৰাপ্ত কৰাব লাগে। গতিকে যদি এই বানপানী আৰু গৰাখহনীয়াৰ সমস্যাক যদি আমি সমাধান কৰিব নোৱাৰো, তেতিয়াহ'লে আমি উন্নত ৫ খন ৰাজ্যৰ মাজত আমাৰ ৰাজ্যখনক লৈ যোৱা সম্ভৱ নহ'ব। বানপানী আৰু গৰাখহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি স্থায়ী সমাধান কৰাৰ বাদে আৰু কোনো গত্যন্তৰ নাই। আমাৰ মাননীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই কৈছিল যে ৫ বছৰৰ ভিতৰত অসমৰ বানপানী সমস্যাৰ সমাধান হ'ব। গতিকে কেন্দ্ৰত যিহেতু অমিত শ্বাহ ডাঙৰীয়া আছে, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া আছে, তেখেত সকলে নিশ্চয় এটা চেষ্টা হাতত ল'ব যাতে ইয়াক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰি যথোপযুক্ত পুঁজি আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা আনি আমাৰ এই সমস্যাৰ স্থায়ী সমাধান কৰিব পাৰো। মাননীয় উপাধ্যক্ষ মহোদয়, বানপানী আৰু গৰাখহনীয়াৰ স্থায়ী সমাধান তথা জলসম্পদৰ সঠিক ব্যৱহাৰৰ বাবে এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ মোৰ এই প্ৰস্তাৱত সম্ভৱত বিধান সভাত উপস্থিত থকা প্ৰতিগৰাকী সদস্যই একমত হ'ব। কিয়নো এইটো ৰাজ্যখনৰ বাবে অন্যতম জলন্ত সমস্যা। প্ৰতিবছৰে শ কোটি টকাৰ আমাৰ সম্পদ নষ্ট কৰি আছে আৰু প্ৰতিবছৰে হৈ আছে। গতিকে মোৰ এটা বিশ্বাস যে এই বিধান সভাত উপস্থিত থকা কোনো এজন সদস্যই এই বানপানী আৰু গৰাখহনীয়াৰ স্থায়ী সমাধান নিবিচৰাকৈ থাকিব। সকলোৱে নিশ্চয় বিচাৰিব। গতিকে মই বিচাৰো যে এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰি উপযুক্ত পুঁজি ৰাষ্ট্ৰৰ পৰা আনি যেনেকৈ আপোনালোকে ঘোষণা কৰিছে ৫ বছৰত আমি বান মুক্ত কৰিম, বানমুক্ত কৰাৰ বাবে যাতে আপোনালোকে ব্যৱস্থা লয় তাৰ বাবে সদনৰ প্ৰতিগৰাকী ব্যক্তিক আপোনাৰ জৰিয়তে আহ্বান জনাই মোৰ এই সংকল্প প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য ইয়াতেই সামৰিছো।

**শ্ৰী আফতাব উদ্দিন মোল্লা, (জলেশ্বৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইতিমধ্যে বহুখিনি টকা আমাক দিছে। আমি এইটো অস্বীকাৰ নকৰো। জলসম্পদ বিভাগত ইতিমধ্যে জলেশ্বৰ সমষ্টিৰ খুব বেয়া পইণ্ট এটা আছিল চুপাৰীভিঠা। তাত বহুখিনি টকা দিছে, ইতিমধ্যে কামো চলি আছে। কিন্তু মোৰ সমষ্টিৰ এটা অংশ ধুবুৰী জিলাত পৰে। সেই অংশটোত বুঢ়াবুঢ়ীৰ থান বুলি এখন থান আছে। বহুত পুৰণা। সেই থানখন বানপানীৰ ইমান সন্মূখীন হৈছে আমি নিজাববীয়াকৈ বহুত চেষ্টা কৰি আছো কিন্তু আমি ৰখাব পৰা নাই। এইবাৰ ডি চি ক আমি ঠাইখিনি দেখাইছো। আপুনি নিজে যদি যাব নোৱৰেও বিভাগীয় কতৃপক্ষক পঠাই এই বুঢ়াবুঢ়ীৰ থানখন ৰখাৰ ব্যৱস্থা কৰিবলৈ মোৰ অনুৰোধ থাকিল।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য আব্দুল বাতিন খান্দকাৰ ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ সমৰ্থনত মই মাত্ৰ এক -দুই মিনিটতে মোৰ কথা শেষ কৰিম। ব্ৰহ্মপুত্ৰ, বৰাক আৰু বাকী উপনৈ সমূহ, মোৰ সমষ্টিত বেকী, মানাহ, চাউলখোৱা, ভেলেঙী,এই নদী বিলাক আছে। বিশেষভাৱে বেকী নদীৰ গৰাখহনীয়া সৰ্ব্বজনবিদিত। ইয়াৰ

বাবে বিশ্ব বেংকৰ এটা কাম চলি আছে। মথনগুৰি টু মইনবৰি, সৰভোগ সমষ্টি জনিয়া আৰু বাঘবৰ তিনিটা সমষ্টি সামৰি লৈ ৪০০ কোটিৰো অধিক টকাৰ কাম। ফাৰ্ষ্ট ফেজৰ ১০০ কোটিৰো অধিক টকাৰ কাম আৰম্ভ হৈছে। কিন্তু ৰাইজে সদায় জনাই যে যিধৰণৰ কামবোৰ হৈ আছে, আমিও লক্ষ্য কৰিছো আগতে আমিও ষ্টেটৰ পৰা কাম কৰিছো। এতিয়াৰ কামখিনি সন্তষ্টিজনক ভাৰে হৈ থকা নাই। যেনেকৈ কাম কৰি আছে মানুহে ধাৰণা কৰিছে যে সন্মুখত বাৰিষা আহিব আৰু দুমাহ পিছত এই কামখিনি উঠাই লৈ যাব। বিশ্ব বেংকৰ কাম আৰু ইমান টকাৰ কাম। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে তেখেতে দৃষ্টি ৰাখিব লাগে। মোৰ জনিয়া সমষ্টিৰ চলচলীয়া, মোৰামাৰী, বৰদাঙা আৰু কৰাৰপুং , ঠিক তেনেদৰে চৌধুৰী বজাৰ ৪-৫ টা পইণ্ট আছে, ইয়াৰ বাহিৰে বহুকেইটা গুৰুত্বপূৰ্ণ পইণ্ট বাকী আছে, সেইখিনি এই পৰিকল্পনাত নাই। আমাৰ কাউৰজাহীত বহুত গৰাখহনীয়া হৈছে। ঠিক এনেকৈ বহু ঠাইত এইদৰে গৰাখহনীয়াবোৰ হৈ আছে। মলাই পথাৰ, খাৰবালিকে আদি কৰি আৰু বাকী মহজিদ ভিঠা, চিকনি, জাহৰী মাৰী আদি অঞ্চলত গৰাখহনীয়া হৈছে, এই অঞ্চল বিলাক ইনক্লুড নাই। এইবিলাক ইনক্লুড কৰিব লাগে আৰু মন্ত্ৰী ডাঙৰীয়াই যাতে এইটোৰ ওপৰত অলপ দৃষ্টি দিয়ে। মানাহ, চাউলখোৱা, ভেলেঙীতো বহুত গৰাখহনীয়া আছে। সেইবিলাক গৰাখহনায়ী প্ৰতিৰোধ কৰাৰ বাবে যাতে ব্যৱস্থা লয়। বিশেষভাৱে বেকীৰ এই প্ৰজেক্টৰ ওপৰত দৃষ্টি দি ভালদৰে কাম হয়, তাৰবাবে অনুৰোধ জনাইছো।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী)** ঃ যোৱা বাৰ মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন সুধিছিলো যে বৰভাগৰ দুখুটীৰ মুখত ব্ৰহ্মপুত্ৰ বোৰ্ডে এখন শ্লুইচ গেট নিৰ্মাণ কৰিছিল। কিন্তু আধাৰুৱা হৈ থাকিল। এতিয়া মই কৈছো ব্ৰহ্মপুত্ৰ বোৰ্ডৰ পৰা নাইকিয়া কৰি ৰাজ্য চৰকাৰে কিবা এটা কৰক।

**শ্ৰী নিজানুৰ ৰহমান, (গৌৰীপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰীক জনাব খুজিছো, মন্ত্ৰী মহোদয়ে আগৰ বিধানসভাৰ প্ৰশ্নৰ উত্তৰত দিছিল, তেখেতে ভ্ৰমণো কৰিছিল ধুবুৰী বোৰ্ডাৰ এৰিয়াত লগতে মোৰ সমষ্টিৰ লগতে লাগি থকা বিনেশ্বৰৰ কমাটো চাই আহিল। একে অঞ্চলতে লাগি থকা মোৰ চেন্টিমাৰী, নালিয়া, গাইখোৱা, বৰাইবাৰী, এই অঞ্চলৰ কথাটো মই কৈছিলো আৰু মাননীয় মন্ত্ৰীয়ে আশ্বস্ত কৰিছিল যে মই গৈ চাম, আঁচনি লম। কিন্তু এই বিত্তীয় বৰ্ষত বিবেচনা নহ'ল। মই ব্যক্তিগতভাৱে লগ কৰিছো, মোৰ এটা আকুল অনুৰোধ যে মোৰ সমষ্টিত এটা বা দুটা আঁচনি কৰাৰ কাৰণে। কাৰণ আমাৰ গোলকগঞ্জ চহৰৰ নামনি অঞ্চলত গাইখোৱা গংঙাধৰ নদীয়ে খহনীয়া কৰি আছে।

**মাননীয় উপাধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ, সংসদীয় পৰিক্ৰমা ইত্যাদি)**ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে বা resolution আনিছে। কিন্তু মই এইটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে বানপানীক উপস্থাপন কৰিব খোজা নাই। আমি কেনেকৈ ইয়াক সম্পদলৈকে পৰিবৰ্তন কৰিব পাৰো তাৰ কাৰণে কাম কৰিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, আগতে এই বিভাগটো আছিলে বান নিয়ন্ত্ৰণ বিভাগ। আমি তাক জলসম্পদ বিভাগলৈকে পৰিবৰ্তন কৰিছো। ইয়াতে মোৰ আগতে সন্মানীয় সদস্য শ্ৰী বসন্ত দাস ডাঙৰীয়া, শ্ৰীকেশৱ মহন্ত ডাঙৰীয়া, শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া এই বিভাগৰ মন্ত্ৰী আছিল। মই কাকো সমালোচনা কৰা নাই। কিন্তু আগতকৈ এতিয়া দৃষ্টিভঙ্গী সলনি হৈছে।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া এই বছৰ প্ৰথমবাৰৰ কাৰণে অসম চৰকাৰে নিজৰ পুঁজিৰ ১ হাজাৰ কোটি টকা বান নিয়ন্ত্ৰণৰ কাৰণে জলসম্পদ বিভাগত দিয়াৰ ব্যৱস্থা কৰিছে। যোৱা বছৰ যদি

আমি চাওঁ, মই মন্ত্ৰী হিচাপে এই বিভাগত কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত প্ৰায় ১৩ শ কোটি টকাৰ কাম কৰিবলৈ সক্ষম হৈছো। এই বছৰ World Bank, অসম চৰকাৰৰ SOPD, RIDF কেন্দ্ৰীয় চৰকাৰৰ পুঁজি সকলো মিলাই প্ৰায় ১৭ শ কোটি টকাৰ কাম কৰিবলৈ সক্ষম হৈছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আগতে আমি জলসম্পদ বিভাগত টকা দিও ৪ শ, ৫ শ কোটি টকা। এই দৃষ্টিভঙ্গী সলনি হৈছে বুলি মই ইতিমধ্যে কৈছোঁ। এতিয়া প্ৰায় ১৭ শ কোটি টকালৈকে আমাৰ বিভাগৰ বাজেট আগুৱাই গৈ আছে। এই কথাটো দুই বছৰত হৈছে। অসমক আমি বানপানীৰ পৰা মুক্ত কৰিবলৈ বদ্ধপৰিকৰ, আমি সকলোৰে লগত মিলি কাম কৰিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো, এই বছৰ ১ হাজাৰ কোটি টকা অকল SOPD আৰু RIDF ৰ টকাৰে কাম কৰিছে। FMBAP scheme বন্ধ হৈ আছিল, বিভিন্ন anomalies ৰ কাৰণে। যোৱা বছৰৰ পৰা আকৌ আৰম্ভ হ'ল। আমাৰ সন্মানীয় সদস্য আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াই কৈছে আই নদীত একো হোৱা নাই। তেখেতে এই বিষয়ে অৱগত নহয়, আই নদীত ১২৫ কোটি টকাৰে কাম কৰিছোঁ, মই নিজে গৈ চাই আহিছো। তাৰ পৰা তেখেতে জপিয়াই গৈ পালে জীয়াধল নদীত। তেখেতে গম নাপাই জীয়াধল নদীত প্ৰায় ৬০ কোটি টকা খৰছ কৰি আমি নতুন RME project কৰিছো, মানে ready made embankment। যোৱা বছৰৰ শেষত পানী হৈছে। আমাৰ সাধাৰণতে এপ্ৰিল মাহৰ পৰা বানপানী হোৱা শুনা যায়। ধেমাজীত যোৱা বছৰ বানপানী হোৱা শুনা পাইছে নেকি? যোৱা বছৰ ধেমাজীত পানী হোৱা নাই। কাৰণ তাত আমি জীয়াধল নদীখনৰ দুয়োকাষে ৬০ কোটি টকা দি ready made embankment কৰিছিলো। It is a new technology, তাৰ কাৰণে শেষত গৈ কুমটীয়া বুলি এটা অঞ্চলত আৰু জীয়াধল নদীৰ দলং আছে, তাৰ পৰা পাঁচ কিলোমিটাৰ দূৰত এটা মথাউৰি ভাঙিছিল। তেতিয়া অলপ অঞ্চল প্লাৱিত হৈছিল। মানে ৮০ শতাংশ বানপানী ধেমাজীত নিয়ন্ত্ৰণ হৈছে। ইয়াৰ পিছত মৰিগাওঁ জিলাৰ কথা কওঁ, যোৱা বছৰ মৰিগাঁও জিলাত বানপানী হোৱা শুনিছিল নেকি।

মোৰামাৰিত মাথউৰি আৰু যদি ১০ কিলোমিটাৰ ভাঙিলে হেতেন মহা প্ৰলয়ৰ সৃষ্টি হলেহেতেন। আমি মানুহখিনি temporary কাম কৰি হলেও বচাবলৈ সক্ষম হৈছো। এইবাৰ ৩৫ কোটি টকাৰ আঁচনি দিছো যাতে তেখেতৰ সমষ্টিত মোৰামাৰি অঞ্চলটো বানপানীৰ পৰা ৰক্ষা কৰিব পাৰি। সমস্যাৰ কথাটো আমি কৈয়ে থাকো, কোনেও নকয় যে মই মোৰ সমষ্টিত ইমান টকাৰ কাম পাইছো। এইবাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নতুনকৈ এটা উপদেশ দিছিল যে য'ত মথাউৰি ভাঙিব, গোটেই মথাউৰি মেৰামতি কৰিব লাগিব। not that particular portion where breach occurred মোৰ সমষ্টিত এটাও মথাউৰি ভঙা নাই, য'ত ভাঙিছে, তাত দিছো। বিৰোধীৰ সমষ্টিয়ে হওঁক বা শাসক পক্ষৰ সমষ্টিয়ে হওঁক,কোনো মতলৰ নাই।

তাৰ পিছত আপোনালোকে চাওঁক এই বছৰ আমি শ্লুইচ গেট বনোৱাৰ ব্যৱস্থা কৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু আমি যথেষ্ট ঘূৰিলো আৰু এটা কথা উপলব্ধি কৰিছোঁ যে ৩০ কি.মি. এটা মথাউৰি বনাই দিয়া হৈছে, এই মথাউৰিৰ ক'তো এখনো গেট নাই। মথাউৰিটো মাটিৰে বনাই আছো, মাটিটো অজৰ অমৰ নহয়, গতিকে কি হয় মাটিখিনি এটা সময়ত গৈ এটা ঠাইত breach হয়, এইবাৰৰ পৰা আমি কি কৰিব খুজিছো যে এটা মথাউৰিত পাঁচ বা সাত কি.মি. য'ত low line area আছে বা দলনি আছে, তাত গেট বনোৱাৰ কাৰণে ব্যৱস্থা কৰিম। সেই গেট বনালে কি হ'ব, যদি তাৰ পৰা পানী ওলাই যায়, মথাউৰিৰ ওপৰত পানীৰ হেচাটো অলপ কম পৰিব। সেই কাৰণে গেটখন এইবাৰ আৰম্ভ কৰিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি বিশ্ব বেংকৰ পৰা ১২ শ কোটি টকাৰ project আৰম্ভ কৰিছোঁ। বেঁকী নদীত ইতিমধ্যে আৰম্ভ হৈছে, সন্মানীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে মই এইকেইদিন চাব যাবলৈ চেষ্টা কৰি আছিলো, সময়ৰ অভাৱৰ বাবে যাব পৰা নাই। যোৱাবাৰ গৈছিলো, এইবাৰো যাম। তাত অলপ land acquisition ৰ সমস্যা আছে। মই বৰপেটাৰ উপায়ুক্ত, আমাৰ বিভাগৰ অতিৰিক্ত মুখ্য সচিব সকলোকে ফোন কৰিছো যে অতি সোনকালে land acquisition ৰ সমস্যাটো সমাধান কৰিব লাগে আৰু কামখিনি সম্পূৰ্ণ হ'ব লাগে আৰু সমস্যা ক'ত ক'ত আছে আমি সকলো জানো।

মাননীয় উপাধ্যক্ষ মহোদয়, এটা ভাল খবৰ আছে, যে এই বছৰ ৩.৫০ হাজাৰ কোটি টকা ADB য়ে দিছে। সেইখিনিৰ পৰা আমি এইবাৰ ৩০ শতাংশ কাম আৰম্ভ কৰিব পাৰিম। এই ৩০ শতাংশ কাম আৰম্ভ কৰিলে আমাৰ বহুত জিলাত ব্ৰহ্মপুত্ৰৰ দাঁতি কাষৰীয়া অঞ্চলত গৰাখহনীয়া ৰোধৰ কাৰণে কাম কৰা হ'ব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি কি কৰিছো আগতে ব্ৰহ্মপুত্ৰত protection আছিল ১ কিলোমিটাৰত প্ৰায় ১৬ কোটি টকা, we have brought it down to 9.50 crore. মই আগতে কোনো বেয়া কাম হৈছে বুলি কোৱা নাই, কিন্তু technique টো অলপ পৰিৱৰ্তন কৰিছোঁ। মই মন্ত্ৰী হোৱাৰ আগতে ব্ৰহ্মপুত্ৰত per km Geo bag protection ৰ estimate খৰছ আছিল প্ৰায় ১৬ কোটি টকা। আমি কমাই ৯.৫০ কোটি টকালৈকে আনিছো, আমি পইচা বচাইছোঁ। কেনেকৈ কৰিছো technique টো অলপ পৰিৱৰ্তন কৰিছো।

Apron আগতে ৩০ মিটাৰ আছিল। Apron টো আমি ২০ মিটাৰ কৰিলো। Apron ৰ আগতে নতুন এটা নিয়ম কৰিছো। আমাৰ ব্ৰহ্মপুত্ৰ নদীত হওঁক বা উপনদীত হওঁক, উপনদীত ৬ কোটি আছিল সেইটো চাৰে তিনি কোটি টকালৈকে আনিছো প্ৰতিকিলোমিটাৰৰ protection. Apron বিলাক অলপ কমাই দিলো। Apron ৰ সন্মুখত তিনি লাইনকৈ porcupine ৰ বেৰ দিয়া আৰম্ভ কৰিছো। porcupine will be the part of geo bag.এই কামটো কিয় কৰা হৈছে যে পানীৰ সোঁতে আহি geo bag ত মাৰি দিয়ে। Geo bag উটুৱাই লৈ গুচি যায়। আমি ঘুৰি চালো আৰু চাই কি পালো যে, যদি আমি geo bag ৰ সন্মুখত porcupine ৰাখি দিওঁ, সোঁতটোৰে আহি porcupine ত মাৰিব, porcupine য়ে আগুৱাই দিব পাৰে। divert কৰিব। গতিকে geo bag টো উঠাই নিদিয়ে। গতিকে তেনেকুৱা কৰিছো ৩০ মিটাৰৰ ঠাইত ২০ মিটাৰ কৰিলো apron ব্ৰহ্মপুত্ৰত যি এই ১০ মিটাৰ নাইকিয়া কৰি দিলো তাত porcupine তিনি লাইনকৈ দিয়াৰ ব্যৱস্থা কৰিলো আৰু এইটো কৰি ১৬ কোটি টকাৰ পৰা উপাধ্যক্ষ ডাঙৰীয়া, ব্ৰহ্মপুত্ৰত চাৰে ৯ কোটি টকালৈকে আনিছো আৰু সপলো হৈছো। যোৱাবাৰ য'ত য'ত কৰিলো সকলোতে সফল হৈছো। য'ত য'ত porcupine দিছো, সকলোতে সফল হৈছো। মই গেৰাণ্টি সহকাৰে ক'ব পাৰো। য'ত য'ত porcupine আমি আগতে দিছো তাত বালি পৰি গৈছে। গতিকে এনেধৰণে আমি কাম কৰি আছো। উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেবিনেটত ক'লে কেৰল জলসম্পদ মন্ত্ৰী সকলো মন্ত্ৰীয়ে গৈ মাথাউৰি চাব লাগিব। মাথাউৰি সকলো মন্ত্ৰীয়ে চাই আহিছে। সদনত কওঁ য'ত ২৬ খন breach হৈছিল আমাৰ জলসম্পদ বিভাগৰ কৰ্মচাৰীসকলে যোৱাবছৰ কষ্ট কৰি ১২১ portion breach হোৱাৰ পৰা বচাইছে আৰু ২৬ টা মাথাউৰি, ৪১ টা ভাঙিছে। দুটা public cut হৈছে। এই ২৬ টাত আমি কাম কৰি আহিছো মাননীয় মন্ত্ৰী সকলে চাই আহিছে। যোৱা পৰহিও মই খবৰ লৈছো এতিয়ালৈকে earth work ৰ কাম almost

60% complete হৈছে আৰু যদি ২০ দিন আমি কাম কৰাৰ পৰিৱেশ পাওঁ মে' ১০ তাৰিখলৈকে মাটিৰ কাম কৰিব পাৰো, কিন্তু মাজত অলপ বৰষুণ হ'লে বন্ধ হ'ব। গতিকে ২৫ দিনমান working days পাম, 90% কাম হ'ব এই সদনত মই আশ্বস্থ কৰিছো। আগতকৈ দৃষ্টিভংগীটো সলনি হৈছে। দৃষ্টিভংগী সলনি হোৱাৰ কাৰণে এতিয়া চাওঁক যোৱা বছৰ উজনি অসমত আমি বানপানী দেখা নাই। ইতিমধ্যে ক'লো যে সকলোতকৈ ধেমাজীত পানী হয়। যোৱা বছৰ ৮০ শতাংশ পানী হোৱা নাই। শ্ৰীভূবন পেগু ডাঙৰীয়া ইয়াত আছে। মোৰ সমষ্টি অসমৰ ভিতৰত এটা অতি বানপানীৰ সময়ত ভয়াবহ পৰিবেশ হয়। এটা এটাকৈ মই উদাহৰণ দি ক'ম। যোৱা বছৰ মৰিগাওঁ জিলাৰ লাহৰীঘাটত কতো পানী হোৱা নাই। জাগিৰোড সমষ্টিৰ ৫ টা পঞ্চায়তত পানী হৈছে. নেলী, ধৰমতুল, আঁহতগুৰি মোৰ ঘৰ য'ত আছে কোনোবাই কোনোবাই ক'ব পাৰে, আমাক নিদিয়ে। যোৱা যদি আপোনালোকে গৈ চায়, মোৰ ঘৰৰ পিছফালৰ গোঁহালিত পানী হৈছে। কিয় পানী হৈছে কলং নদীৰ এটা মাথাউৰি বনাব লাগে পাঁচ কিলোমিটাৰ, এইবছৰ মই বনোৱা নাই। যোৱা বছৰতো মই বনোৱা নাই, এইবছৰো বনোৱা নাই। কিয় বনোৱা নাই এইটো মই দেখাব খুজিছো যে মন্ত্ৰী হৈ নিজৰ সমষ্টিলৈকে টকা লৈ নাযায়, নিজৰ ঘৰলৈকে টকা লৈ নাযায়। যোৱাবাৰো মোৰ সমষ্টি, মোৰ গাওঁত, মোৰ ঘৰৰ পিছফালে পানী হৈছে। ঘৰ ওখ নোহোৱাৰ কাৰণে পানী হৈছে। On record কৈছো যোৱা বানপানীত মোৰ ঘৰত পানী হৈছে ঘৰ ওখ হোৱাৰ কাৰণে পানী হোৱা নাই, গোঁহালিত পানী সোমাইছে। গোঁহালিৰ গৰু স্থানান্তৰ কৰিবলগীয়া হৈছে দুবাৰ। মোৰ ঘৰৰ পিছফালে ৩ কিলোমিটাৰ দূৰত কলংৰ ওপৰত ৫ কিলোমিটাৰ মাথাউৰি বনোৱালৈকে deliberately মই বনোৱা নাই। কিয় বনোৱা নাই যে এইটো ক'ব নালাগে যে মন্ত্ৰীয়ে হলে টকা লৈ যায় নিজৰ সমষ্টিলৈ। মই এইটো কাৰণে কৰা নাই। মোৰ সমষ্টি অসমৰ ভিতৰত সকলোতকৈ বানপানী প্ৰবল সমষ্টি আৰু ব্ৰহ্মপুত্ৰৰ যথেষ্ট গড়াখহনীয়া আছে। যোৱাবাৰ লাহৰীঘাটত মাথাউৰি বনালো, জাগিৰোডত বনোৱা নাই। জাগীৰোডত তাৰ আগৰ বছৰ বনাইছো। জাগীৰোডত ১০ কিলোমিটাৰ মাথাউৰি ২০১৬ চনত মই বিধায়ক হওঁতে মই বনাইছিলো। লাহৰীঘাটৰ অংশটো উন্মুক্ত হৈ আছিল। তাৰ কাৰণে মৰিগাওঁ জিলা second highest পানী হোৱা জিলা। যোৱাবছৰ মৰিগাওঁ জিলাত এতিয়াও ৮০ শতাংশ পানী হোৱা নাই। য'ত পানী হৈছে মোৰ ঘৰত পানী হৈছে। অহাবাৰ হয়তো কৰিম। এনেকুৱা এটা প্ৰৱণতা থাকে যে মন্ত্ৰী হৈ নিজৰ সমষ্টিতে কৰে, নিজৰ জিলাখনতে কৰে, সেই প্ৰৱণতাটোৰ পৰা দুৰত আহিব খুজিছো।

গতিকে উপাধ্যক্ষ ডাঙৰীয়া, নিশ্চয়কৈ আৰু কাম কৰিম। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত তেখেত যথেষ্ট স-হৃদয় সম্পন্ন। তেখেতে অসমৰ বানপানীক নাইকিয়া কৰিব খোজে কাৰণেই ৪ শ কোটি টকাৰ পৰা অসমত জলসম্পদৰ বাজেটত ১৫-১৬ শ কোটি টকা কৰিছে। গতিকে এই সমস্যাবিলাক আমি সমাধান কৰিম সকলোকে মই আশ্বস্থ কৰিছো। কিন্তু মই আকৌ কৈছো বানপানীক সমস্যা হিচাপে কৰাৰ কোনো কথা এই মূৰ্হুতত আমি ভবা নাই। Temporary কামটো কৰিমেই। কোনোবাই কোনোবাই ভাৰি আছে যে, আমাকতো কাম কৰি দিয়া নাই। কিন্তু যোৱাবছৰ আমি প্ৰায় Rule-50 ৰ অধীনত দেৰ শ কোটি কাম কৰিছে কাম কৰিছো temporary work.আৰু প্ৰত্যেক জিলালৈ flood bill ৰ নামত ১ কোটি দেৰ কোটিলৈকে টকা দিছে। সেইখিনি temporary work ৰ কাম আৰু Water Resources department ত temporary কৰিবই লাগিব। temporary নকৰিলে উপায় নাই। হঠাৎ ভাঙি দিয়ে। কেইদিনমান আগতে এটা উদাহৰণ দি শেষ কৰিম। মই মায়ঙৰ জাগি ভকত গাওঁলৈ যাওঁ নাৰেঙ্গী হৈ। মোক কোনেও

কোৰাও নাই। কোনোবা কোনোবাই ভিডিঅ'ত মই ফটো এখন দেখিলো WhatsApp ত। আমাৰ যে পানীখাইতী বুলি ৰেলৰে গেট এখন আছে উপাধ্যক্ষ মহোদয়, তেনেকুৰাটো পায়। তাৰ পৰা ১ শ মিটাৰমান আগত হঠাৎ নদীখন একসপ্তাহো নহয়, তিনিদিন মানত প্ৰায় ৫ মিটাৰ ভাঙি আহিলে। আৰু যদি ৭০ মিটাৰ আহিলে একেবাৰে ৰাষ্টা ডুবাই আহিলে হয়। মই হঠাৎ তাত নামি imediate কাম কৰালো। Next Day ৰপৰা কাম কৰি সেই অঞ্চলটো আমি এতিয়া সুৰক্ষিত কৰিছো। কিছুমান কথা কোৰা দিকদাৰ। সেই কামটো মই ৰিস্ক লৈ কৰিছো। টেণ্ডাৰ নোহোৰাকৈ কৰাইছো। কাৰণ এইটো যদি টেণ্ডাৰলৈকে ৰৈ থাকো, তিনিমাহ টেণ্ডাৰ লাগিব প্ৰচেচ হওঁতে, চেংশ্যন হওঁতে আৰু ৰাষ্টাইদিও উঠাই লৈ গুচি গ'ল হয়। ৰিক্সত কৰিছো। তেনেকুৰা ৰিক্সত বহুতেই কাম কৰো। টেম্পৰেৰি কাম কৰি আছো আৰু নিশ্চয়কৈ কৰিম আৰু বাজেট বঢ়াবলৈকে চেষ্টা কৰিম। কিন্তু আকৌ কৈছো আমাৰ সম্পদ হিচাপে অসম সম্পদ হওঁক। অসমৰ সমস্যা লৈ দেশত জনাজাত হ'ব নালাগে। কেন্দ্ৰীয় চৰকাৰৰ পৰা নিশ্চয়কৈ ধনৰ দাবী কৰিম। তেখেতলোকে দিছেও আমাক। ADB ৰ লোন, World Bank ৰ লোন আমাৰ 10% percent অসম চৰকাৰে দিব লাগে। 90% কেন্দ্ৰীয় চৰকাৰে দিয়ে। কেন্দ্ৰীয় চৰকাৰে আমাক সহায় কৰি আছে। সহায়ৰ কাৰণে হাত পাতিম, কিন্তু সমস্যা বুলি কৈ অসমৰ নাম অৱনমিত নকৰো। তাৰ কাৰণে মই সদস্য গৰাকীক এই তেখেতৰ যি resolution উঠাই লবলৈ মই অনুৰোধ জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়ক এটা মই অৱগত কৰিব খুজিছো যে, কাৰ্বি আংলংৰ ডিমা হাচাও এই দুটাত মাথাউৰি নথকাৰ কাৰণে চেংশ্যন দিবলৈ অসুবিধা।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** উপাধ্যক্ষ ডাঙৰীয়া আৰু এটা কথা কওঁ, আমাৰ যি চুক্তি, চুক্তিমতে আমি Autonomous Council area ত Sixth Scheule Autonomous Council area ত অসম চৰকাৰৰ পৰা পুঁজি পঠাব নালাগে। কিন্তু যেতিয়া মই মন্ত্ৰী হ'লো, তেতিয়া মই গম পালো যে আমাৰ বি.টি. আৰ ত Total Water Resource ৰ বাজেট হ'ল ১৮ কোটি। ঠিক তেনেকৈ ১৬ কোটি কাৰ্বি আংলঙত। তেতিয়া মই দেখিলো বানপানী হ'লে টি.ভিত নিউজ আহিব, পেপাৰত নিউজ আহিব, মইতো ক'ব নোৱাৰো এইটো বি. টি. চি ৰ হে বানপানী। তাত অসম চৰকাৰৰ কৰিবলগীয়া একো নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, যেতিয়া বৈঠালাংচুত বানপানী হয়, আপোনাৰ সমষ্টি বোকাজানত বানপানী হয়, তেতিয়া সেই বিষয়ে মই ক'ব নোৱাৰো যে এইটো কাৰ্বি অট'নমাচ কাউঞ্চিলে চাব। যোৱা দুটা বছৰত অসম চৰকাৰৰ পৰা বি টি আৰ লৈ এশ কোটিৰো অধিক টকা দিছো। আমি দুই বছৰত প্ৰায় দুশ কোটি টকা বি টি আৰক দিছো আৰু যোৱা দুই বছৰত আমাৰ অসম চৰকাৰৰ পৰা কাৰ্বি আংলঙক এশ কোটিতকৈ বেছি টকা দিছো। সেইটো আমি আৰম্ভ কৰিছো আৰু নিৰন্তৰভাৱে চলাই গৈ থাকিম।

**শ্ৰী দুৰ্গাদাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া কালি আপোনাৰ এই কথাটো উল্লেখ কৰিছিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মোৰ সমষ্টিতো ৪ কোটি টকা কামৰ বাবে দিছে। মই সেই বাবে মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

এতিয়া মাননীয় সদস্য আব্দুল বতিন খণ্ডকাৰ ডাঙৰীয়া আপোনাৰ সংকল্প প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী আব্দুল বাটিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মই মন্ত্ৰী মহোদয়ৰ চেষ্টাক নস্যাৎ কৰা

নাই। তেখেতৰ প্ৰচেষ্টাক মই ধন্যবাদহে যাঁচিছো।। কিন্তু এই বৃহৎ সমস্যা সমাধান কৰিবলৈ যিমানখিনি ৰিচ'ৰ্চৰ প্ৰয়োজন ৰাজ্যখনে বহন কৰাটো টান। সেই কাৰণে মই ৰাষ্ট্ৰৰ সমস্যা বুলি কৈছিলো আৰু ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰাৰ কথা কৈছিলো। মোৰ প্ৰস্তাৱৰ শেষ অংশ হ'ল জল সম্পদৰ সঠিক ব্যৱহাৰৰ যোগেদি। জল সম্পদৰ সঠিক ব্যৱহাৰৰ কথাটো মই উল্লেখ কৰিছো। যোৱা বছৰ মোৰ চকুৰ সন্মুখত মোৰ সমষ্টিত, তিনিখন গাওঁ বানপানীত জাহ গৈছিল আৰু তাত সকলো জাতি-জনগোষ্ঠীৰ লোক আছিল। তাত আপুনি নিজে গৈ ও দেখিছে। মই দেখা পাইছো যে ইয়াত এইবাৰ আঠ টা আঁচনি দিয়াৰ পিছতো মাত্ৰ এটাতহে আপুনি দিবলৈ সক্ষম হৈছে। মই কোৱা নাই যে আপুনি বিভেদ কৰিছে। কিন্তু অৰ্থৰ অভাৱত দিব পৰা নাই আৰু এইবাৰ অতি কমেও যদি আঠ-দহটা স্থানত অস্থায়ী কাম নকৰে তেনেহ'লে আৰু কেইখন মান গাওঁ বানপানীত গুচি যাব। লগতে চিৰাং জিলাৰ আই নদীৰ যি এশ পোন্ধৰ কোটি টকাৰ কাম লৈছে, পৰৱৰ্তী কামটো যাতে বঙাইগাওঁত লোৱা হওঁক। তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো। মই মোৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰি লৈছো। যিহেতু এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে আশ্বাস দিছে।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰৰ বাবে অনুমতি দিয়াত সদনৰ সমৰ্থন আছেনে ?

(সদনে সন্মতি প্ৰকাশ কৰে।)

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া জি-২০ ৰ ওপৰত আলোচনা হ'ব। সময়টো মই কৈ দিছো। বি জে পি দলৰ- ৪৫ মিনিট লগতে মন্ত্ৰীৰ ৰিপ্লাই আছে। কংগ্ৰেছ দলৰ-২৫ মিনিট, এ আই ইউ ডি এফৰ-১৫ মিনিট, এ জি পিৰ-১০ মিনিট, ইউ পি পি এলৰ-১০ মিনিট, বি পি এফৰ-১০ মিনিট, চি পি আই এমৰ -৫ মিনিট আৰু নিৰ্দলীয়ৰ-৫ মিনিট। এতিয়া মই কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো। আপোনালোকৰ ২৫ মিনিট আৰু এগৰাকীৰ নাম আছে, সেইটো চাই ল'ব।

**শ্ৰী কমলাক্ষ্য দে পুৰ কায়স্থ, বিধায়ক (উঃ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, জি-২০ এইবাৰ ভাৰতবৰ্ষত আৰম্ভ হৈছে। আমি জানো যে আমাৰ দেশত বিশখন ৰাষ্ট্ৰলৈ আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, ব্ৰাজিল, কানাডা, চীন, ইউৰোপ, ফ্ৰান্স, জাৰ্মানী, ভাৰত, ইণ্ডোনেচীয়া, ইটালী, জাপান, মেক্সিকো, ৰাছিয়া, চৌদি আৰব, দক্ষিণ আফ্ৰিকা, দঃ কোৰিয়া, তুৰস্ক, মাৰ্কিন যুক্তৰাষ্ট্ৰ, স্পেইন এই সকলোবোৰ দেশক লৈ জি-২০ গঠন কৰা হৈছে। ইয়াৰ উদ্দেশ্যটো হৈছে-অৰ্থনৈতিক স্থিতিশীলতা, অৰ্থনৈতিক পাৰস্পৰিকতা। অৰ্থাৎ আৰ্থিকভাৱে এইখিনি দেশ একেলগে লগ লাগি এই দেশবোৰো আগবাঢ়ি যাব পাৰে আৰু নিজৰ অৰ্থনীতি ভাৰতবৰ্ষৰ অৰ্থনীতিৰ লগত বিশ্বৰ অৰ্থনীতিত ভালদৰে সুচাৰু ৰূপত যাতে বাস্তৱৰূপী হয়, তাৰ বাবে ২০১১ চনৰ পৰাই বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈ আছে। ইতিমধ্যে আমি জানো যে জি ডি পিৰ ৮৫ শতাংশ অৰ্থাৎ বিশ্ব বাণিজ্যৰ ৮৫ শতাংশ এই বিশ খন দেশৰ নেতৃত্বতে হৈ থাকে আৰু দেখা পাওঁ যে এই আশী শতাংশ বিশ্বৰ প্ৰায় দুই আৰু তিনি শতাংশ জনসংখ্যা এই বিশখন দেশৰ ওপৰত নিৰ্ভৰশীল। এইবাৰ আমাৰ দেশত জি-২০ ৰ সন্মিলন মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ নেতৃত্বত, সভাপতিত্বত আৰম্ভ হৈছে। মোৰ প্ৰশ্নটো হৈছে যে কিছু সময়ৰ আগতে বি বি চি ৰ বিৰুদ্ধে এটা ৰিজ'লিউশ্যন লোৱা হৈছে। আমাৰ কথা হ'ল যে আমাৰ জি-২০ যেতিয়া হৈছিল তেতিয়া কিন্তু আমাক বি বি চি য়ে কৈ দিয়া নাই যে জি-২০ ৰ সন্মিলনখন কৰক। কাৰণ জি-২০ ৰ কথাটো আপোনালোকে জানে

যে যোৱা বছৰ ২০২১ চনত ইটালীত অনুষ্ঠিত হৈছিল আৰু তাৰ পিছত ইন্দোনেছিয়াত হৈছিল আৰু এইবাৰ ২০২৩ চনত ভাৰতবৰ্ষত অনুষ্ঠিত হৈছে। বাংলাদেশ জি-২০ ত অন্তৰ্ভূক্ত হোৱা নাই। কিন্তু এইবাৰ বাংলাদেশক আমন্ত্ৰণ কৰা হৈছে। বাংলাদেশৰ লগতে আৰু কেইখনমান ৰাষ্ট্ৰক বিশেষভাৱে আমন্ত্ৰণ কৰা হৈছে। এতিয়া বাংলাদেশ শ্ৰী লংকাক যদি জি-২০ ত সোমাই দিয়ে তেন্তে তেওঁলোকৰ দেশতো হ'ব। যিহেতু এইটো এটা continious process। এনেকুৱা কোনো কথা নাই যে কেৱল ভাৰতবৰ্ষতে হ'ব লাগিব। হয়তো আমি আৰু ১০-২০ বছৰৰ পিছতহে পাতিব পাৰিম। কথাটো হৈছে আমি পজিটিভভাৱে কথাবোৰ ভাবিব লাগিব। কথাতে কয় যে Negative mind never give us positive life. Negative mind এ আমাক positive life দিব নোৱাৰে। আমি সকলো কথা positively চিন্তা কৰিম। সেইকাৰণে মই ভাৱো আজিৰ দিনত যি পৰিৱেশ হৈছে, এনেকুৱা নহয় যে জি-২০ আমাৰ দেশতেই হৈছে। It is a continious process. এতিয়া কথা হৈছে যে আমাৰ মহিলা সকলক স্বাৱলম্বী কৰা। আমাৰ দেশৰ জলবায়ু, পৰিৱেশ ভাল কৰাৰ লগতে বিশ্বৰ যাতে ভাল এটা বাতাবৰণ সৃষ্টি হয়। গ্লবেলাইজেশ্যনৰ যোগেদি যাতে টেক্‌ন'লজিত আৰু আগবাঢ়ি যাব পাৰে এই সকলোবোৰ কথা আমি চাব লাগে আৰু আমি ইউৰোপীয়ান জি-২০ ৰ উন্নয়নশীল দেশবোৰ একেলগ হৈ নিশ্চয় আমি ভাল পৰিৱেশ এটা সৃষ্টি কৰিব পাৰো। আমি আজি বিধান সভাত জি-২০ লৈ কিয় আলোচনা কৰিছো? এই আলোচনা কৰাটো যদি পজিটিভ হয়, সঠিকভাৱে যাতে আলোচনা কৰা হয়, তেনেহ'লে আমাৰ আগন্তুক দিনত যিখিনি কৰিবলীয়া কাম আছে, কৰিব পাৰিম। আমাৰ ভাৰতবৰ্ষত জি-২০ ৰ নেতৃত্বত এক বছৰ থাকিব। সেই নেতৃত্বৰ সময়ত যাতে আমাৰ প্ৰধানমন্ত্ৰী মহোদয়ে আমাৰ দেশৰ গুৰুত্বপূৰ্ণ কথাবোৰ আলোচনা কৰিব পাৰে। তাৰ বাবে আমাৰ বিধান সভাৰ ফালৰ পৰা জলবায়ু তথা মহিলা সৱলীকৰণৰ কথা কোৱা হৈছে, দেশৰ অৰ্থনীতিৰ কথা কোৱা হৈছে। পৃথিৱীৰ পাঁচখন দেশৰ মাজত আমাৰ দেশো অন্তৰ্ভূক্ত হৈছে। আমি বিশ্বত প্ৰথম স্থান ল'বলৈ বিচাৰিছো। আমাৰ দেশ বিশ্ব গুৰু হোৱাটো বিচাৰিছো। তাৰ বাবে আমি প'জিটিভ হৈ কাম কৰিব লাগিব। আজিৰ দিনত আমি জি-২০ ৰ সদস্য পদ লাভ যেনেকৈ কৰিছো তেনেকৈ আমাৰ হৈ ইমেজ এটা সৃষ্টি কৰিব লাগিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,( উত্তৰ কৰিমগঞ্জ )ঃ** সেইখিনি বস্তু কৰি থাকো। G-20 ৰ সদস্য পদ লাভ কৰিছো, সভাপতিত্ব লাভ কৰিছো। ইয়াৰ লগতে আমাৰ image টোও build up কৰিব লাগিব। কথাটো হ'ল যে আমাৰ পৰা বেয়া message যাব নালাগে। কেতিয়াবা কেতিয়াবা আমাৰ দেশৰ বেয়া message যায়, সেইয়া আমি অস্বীকাৰ নকৰো। তাৰ কাৰণো আছে। কিছুমান Fundamentalist Group আছে যিয়ে কেতিয়াবা লগাই দিয়ে। মই specifically ক'ব বিচৰা নাই যে কোনটো Fundamentalist Group য়ে এনে কৰে। কিন্তু, আমাৰ পিছত Fundamentalist Group আছে যিয়ে সদায় এইখিনি বস্তু লগাই থাকে। যাতে বিশ্বৰ বুকুত আমাৰ বেয়া মানচিত্ৰ গঢ়ি তুলিব পাৰে। কেতিয়াবা কেতিয়াবা আমাৰ চৰকাৰৰো indulgence থাকে। গতিকে, আমি বিচাৰো, এই যিবোৰ কথা-বাৰ্তা হ'ব, আমাৰ চৰকাৰে যাতে indulgence নিদিয়ে। আমাৰ যেতিয়া সাম্প্ৰদায়িক কথা পতা হ'ব, তেতিয়া আমি যাতে নিৰপেক্ষ দিশেৰে চাই থাকো। সঁচা কথাক সঁচা আৰু মিছা কথাক মিছা ক'ব লাগিব। ৰাজনৈতিক স্বাৰ্থত যদি আমি কৈ থাকো তেন্তে কেনেকৈ হ'ব? বিশ্বৰ বুকুত আমাৰ অসম তথা ভাৰতবৰ্ষৰ যি status আছে, সেই ক্ষেত্ৰত সঁচা কথাখিনি ক'ব লাগিব। মিছা প্ৰতিচ্ছবি যাতে দিয়া নহয়। আমি কংগ্ৰেছৰ তৰফৰ পৰা

এইটোৰেই বিচাৰিছো যে G-20 ৰ যি উদ্দেশ্য আছে, সেই উদ্দেশ্যই যাতে বাস্তৱ ৰূপ লয় আৰু মহিলা, জলবায়ু, globalization, technologyৰ ক্ষেত্ৰত যি সংকল্প লোৱা হৈছে, তাত যাতে আগবাঢ়ি যাব পাৰে। G-20 ৰ সভাপতিত্ব আমাৰ এবছৰ থাকিব। গতিকে, আমাৰ স্বাৰ্থই যাতে ইয়াত সফল ৰূপ লয়। আগন্তুক দিনত ভাৰতবৰ্ষৰ ভাল প্ৰতিচ্ছবি বিশ্বৰ বুকুত হয় তাৰ বাবে মই শুভেচ্ছা জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী ৰামকৃষ্ণ ঘোষ।

**শ্ৰী ৰামকৃষ্ণ ঘোষ, (হোজাই)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, G-20 ৰ যি গুৰুত্ব সেইটো আমি বুজিব লাগিব। দুদিন আগত বিধান সভা চৌহদত G-20 ৰ ওপৰত Orientation Camp হৈছিল। তাত গৈ মই উপস্থিতিৰ যিটো সংখ্যা দেখিছিলো, সেইটো খুব দুখলগা আছিল। সেইটো দেখি মোৰ এনে ভাব হ'ল যে আমাৰ অসমতো যে G-20 ৰ পাঁচখন বৈঠক হ'ব তাৰ গুৰুত্বটো আমি বুজি পোৱা নাই। ইতিমধ্যে কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই যিটো ভাষণ দিলে, তাৰ পৰাও এনেই লাগিল যে তেওঁ G-20 ৰ গুৰুত্বটো বুজা নাই। তেখেতে কৈছে ভাৰতবৰ্ষই Presidency ল'লে, কিন্তু ভাৰতত কি হ'ল? উপাধ্যক্ষ মহোদয়, কথাটো সেই ক্ষেত্ৰত আৱদ্ধ হৈ থকা নাই। কথাটো হ'ল যে এই Forum টো ক'লৈকে যাব? আমি আগতে ৰাষ্ট্ৰসংঘত দেখিছিলো যে তেওঁলোকৰ security আৰু peace maintain কৰা duty আছিল। কিন্তু, আমি সমগ্ৰ বিশ্বৰ যি পৰিস্থিতি দেখিছো, এই পৰিস্থিতিত Extremism, employment বা economic cooperation ৰ ক্ষেত্ৰত বহুত অভাৱ হৈছিল। বিশ্বৰ বিভিন্ন প্ৰান্তত যিকোনো ক্ষেত্ৰত দুৰ্যোগৰ নিচিনা অৱস্থা হৈছিল। ক'ভিড-১৯ মহামাৰীৰ সময়ত আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ যি ভূমিকা আছিল, সেই ভূমিকাৰ বাবে G-20 ৰদেশবোৰে ভাৰতৰ নিচিনা দেশক মহত্ব দিয়াটো উপলব্ধি কৰিলে। সেই মহত্বটো দিয়াৰ বাবে আমাৰ কি লাভ হ'ল সেইটো বুজিব লাগিব। ইয়াৰ বৈঠক এখন অসমতো হৈ গ'ল। ভাৰতৰ বিভিন্ন প্ৰান্তত বিভিন্ন ৰাজ্যত ২০০ তকৈ অধিক মিটিং হ'ব। যিকোনো আন্তঃৰাষ্ট্ৰীয় মিটিং হ'লে দিল্লীতে হয়। কাৰণ আন্তঃগাঁথনি দিল্লীতে আছে। গতিকে, ভাৰতৰ বিভিন্ন ৰাজ্যৰ ২০০ তকৈ অধিক মিটিং হয়, তেন্তে সেই ৰাজ্যবোৰৰ পৰিস্থিতি কি হ'ব তাৰ মহত্ব বুজিব লাগিব। Technology ৰ ক্ষেত্ৰত হওঁক বা থলুৱা উৎপাদনৰ ক্ষেত্ৰত বা Tourism ৰ ক্ষেত্ৰত ইয়াৰ এটা promotion হ'ব। আমি দেখিছো বিভিন্ন দেশত যেনে চীন, আমেৰিকা, ইংলেণ্ডত Tourism ৰ ক্ষেত্ৰত foreign earnings বহুত আহে। কিন্তু, ভাৰতত মাত্ৰ ২-৩% হে আহে। আজি G-20 হোৱা বাবে আমি দেখিবলৈ পাম যে অসমতো ভৱিষ্যতলৈ পৰ্যটন ক্ষেত্ৰত বহুত আগবাঢ়ি যাব। ইতিমধ্যে আমাৰ আন্তঃগাঁথনি উন্নয়ন কৰাৰ বাবে অসম চৰকাৰে ভাল পদক্ষেপ এটা লৈছে। আমাৰ থলুৱা উৎপাদন বহুত হয়। থলুৱা উৎপাদনৰ ক্ষেত্ৰত One district one station ৰ আঁচনি এটা আমি দেখিছো। বাজেটতো ইয়াৰ বিষয়ে দিয়া হৈছে। আমাৰ বিভিন্ন জিলাত One district one product ৰ কথা আছে। এতিয়া এইবোৰৰ promotion হ'ব। Technology ত আমি বহুত আগবাঢ়ি আছো। Make in India project ত আমি দেখিছো গোটেই ভাৰতৰ পৰা promotion পাই আছো। এতিয়া G-20 অহাৰ পৰা আমি যিবোৰ উৎপাদন কৰিম, সেইবোৰ বাহিৰলৈ যাব পাৰিব। ইতিমধ্যে Export ৰ ক্ষেত্ৰত অসম বহুত আগবাঢ়ি যোৱা দেখা পাইছো। উপাধ্যক্ষ মহোদয়, মংগলদৈত Skill India University এখন হ'ব। তাৰ পৰা ওলোৱা Skilled labour বোৰে বিশ্বৰ বিভিন্ন দেশত G-20 ৰ বাবে কাম কৰাৰ scope পাব। বিশ্বৰ বিভিন্ন প্ৰান্তত Skilled labour

ৰ বহুত প্ৰয়োজন। Skilled labour ৰ বহুত আগৰ পৰাই প্ৰয়োজন আছিল কিন্তু আমি ভাৰতৰ পৰা চাপ্লাই দিব পৰা নাছিলো। যেতিয়া মোডী চৰকাৰ আহিল, তেতিয়াৰ পৰা আমি লক্ষ্য কৰিছো যে Skill ৰ ক্ষেত্ৰত বহুত গুৰুত্ব দিয়া হৈছে। এই গুৰুত্ব দিয়াৰ বাবে ভাৰতবৰ্ষখন বিশ্বৰ বুকুত জিলিকি উঠিছে আৰু সেই ক্ষেত্ৰত G-20 ৰ ভূমিকা বহুত ডাঙৰ হৈ থাকিব কাৰণ scope টো পাব লাগিব। আমি কেৱল Skilled labourer তৈয়াৰ কৰিলেই নহ'ব। আমি এটা সুযোগ পাব লাগিব আৰু এই সুযোগ G-20 য়ে আমাক দিব। সেই সুযোগ আমি ল'ব জানিব লাগিব আৰু স্কুল-কলেজ, গাঁৱে গাঁৱে সকলোকে জনাব লাগিব। তেতিয়াহে আমি G-20 ৰ গুৰুত্বটো বুজি পাম। যেতিয়ালৈকে আমি বুজিব নোৱাৰো তেতিয়ালৈকে আমি ধৰিব লাগিব যে আমি restricted economy ত সোমাই আছো। অৰ্থনীতিৰ ক্ষেত্ৰত যোৱা ৭০ বছৰ আমাৰ ভাৱ-ধাৰা আছিল যে ঘৰুৱা উৎপাদন বাহিৰত নাযায়, ঘৰতে থাকিব। Technology, Digitalization একোৱেই নাছিল। কিন্তু G-20 ৰ নিচিনা প্লেটফৰ্মৰ জৰিয়তে আমি যিবোৰ skill অৰ্জন কৰি আছো সেইটো digital, financial, production, technology ৰ নিচিনা সকলো ক্ষেত্ৰতে আমি প্লেটফৰ্ম পাম। এই প্লেটফৰ্মটো আমি বিশ্বৰ বিভিন্ন উন্নত দেশত লৈ যাব পাৰিম। এনে এটা সুযোগ অহাৰ বাবে ভাৰত চৰকাৰে যি পদক্ষেপ লৈছে তাৰ বাবে মই ধন্যবাদ দিবই লাগিব। অসমত বিশ্বৰ Delegatesবোৰ আহোতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যেনেধৰণৰ hospitalityদেখুৱাইছিল, সেই hospitality ৰ ক্ষেত্ৰত আমি কিন্তু আগবাঢ়ি গৈছো। মই দেখিছো, বিশ্বৰ বিভিন্ন Delegates বোৰ অসমত আহিলে কাজিৰঙাত গৈ তেওঁলোক আপ্লুত হয়। তেওঁলোকে গমেই পোৱা নাছিল যে অসমত কাজিৰঙাৰ নিচিনা ঠাই আছে। কাজিৰঙাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্যটকসকল আহে। পৰ্যটক সকলে আমাৰ ইয়ালৈ আহি আমাক যে foreign exchange দি যায় সেইটো আমি কোনেও ভৰা নাই। কিন্তু G-20 য়ে এইবোৰ প্লেটফৰ্ম আমাক দি গ'ল । G-20 ত যি ২০ খন দেশ আছে সকলোৱে এতিয়া গম পাব। সেই ২০ খন দেশৰ অধিকাংশই উন্নত দেশ। সেই Country ৰ পৰা বিদেশীসকল যদি অহা আৰম্ভ কৰে আমাৰ কিমান Foreign exchange earning হ'ব? গতিকে এইক্ষেত্ৰত মই কৈছো যে আমাৰ ভাৰত Skill ৰ ক্ষেত্ৰত যিমান আগবাঢ়ি গৈছো ইতি মধ্যে যিবিলাকৰ scope আমি পোৱা নাছিলো সেইবিলাক এতিয়া আমি পাই থাকিম। সেইকাৰণে মই ভাৱো যে G20 ৰ গুৰুত্ব আমি বুজিব লাগিব। G20 ৰ কথাটো আমি ঘৰে ঘৰে লৈ যাব লাগিব আৰু studentয়ে জানিব লাগিব, professor, শিক্ষক, intellectual, journalist সকলোৱে জানিব লাগিব। আমাৰ বিৰোধী কংগ্ৰেছ দলৰ নেতা কমলাক্ষ দে পুৰকায়স্থই যিধৰণে কৈ দিলে যে বাংলাদেশো আহিব ১০ বা ২০ বছৰ পিছত, সেইটো কি হ'ল? আজি চাওক terrorism ৰ ক্ষেত্ৰত কি হ'ল? Terrorism উন্নয়নৰ ক্ষেত্ৰত বাধা। এই বস্তুটোক যদি গোটেই বিশ্বৰ সমগ্ৰ ৰাষ্ট্ৰ বিলাকে নিজৰ মত বিনিময় কৰে, এই ক্ষেত্ৰত যদি আমি নিজে পদক্ষেপ লৈ আগবাঢ়িব পাৰো আৰু তেখেতসকলেও যদি আমাৰ cooperation আৰম্ভ কৰে, আপোনালোকে চাব আমি কিমান আগবাঢ়িব পাৰিম। সেইকাৰণে মই কৈছো যে ইয়াৰ গুৰুত্বটো অপৰিসীম আৰু গভীৰ। আমি তাৰ ভিতৰলৈ যাব লাগিব। যেতিয়ালৈকে আমি তাৰ ভিতৰলৈ যাব নোৱাৰিম,আমি তাৰ গুৰুত্বটো উপলব্ধি কৰিব নোৱৰিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন। আপোনাৰ দলৰ ১৫ মিনিট সময় আছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, G20 summit ৰ কিছু সভা আমাৰ আপোন চহৰ গুৱাহাটীত অনুষ্ঠিত হ'বলৈ গৈ আছে আৰু নিশ্চিতভাৱে এয়া আদৰণীয় আৰু আজি সমগ্ৰ ভাৰতৰ প্ৰায় ৫০ খন চহৰত ৩২ টা সত্ৰত ২০০ ত কৈও অধিক সভা অনুষ্ঠিত হ'ব আৰু সেই সভাৰ কিছু সভা যিহেতু আমাৰ ইয়াত পাতিবলৈ লোৱা হৈছে, আমি তেওঁলোকক hospitality দেখুৱাব লাগিব। তাত কোনো ত্ৰুটি কৰা উচিত নহয়। অসমীয়া মানুহ অতিথি পৰায়ণ জাতি হিচাপে আমি দেখুৱাই যাম।

মহোদয়, এইখিনিতে এটা কথা, বি জে পি দলৰ চৰকাৰখনে কিবা সৰু কথা এটা পালেই তাক সজাই পৰাই ইমান ধুনীয়াকৈ represent কৰি দিয়ে যে এইটো বহুত কিবাকিবি কৰি দিয়া বুলি দেখুৱায়। এইটো তেওঁলোকৰ credit বুলি ক'লেও কৰবাত কৰবাত আন্তঃ সাৰ শূণ্য হোৱা দেখা পাইছো। সৌ সিদিনা অসমত investment summit Advantage Assam হৈছিলে। তেতিয়া আমাক কোৱা হৈছিল যে ১০০০ কোটি টকাৰ investment অসমত হ'ব। এতিয়া সেই টকা পইচা ক'ত? Twin Tower আমি পোৱা নাই। যিসমূহ আমাক দেখুওৱা হয়, সেইবিলাকে যদি পোৱা নাই এইবাৰ যে G20 ৰ summit ত আমাক কি কি দি যাব আমি নাজানো। কিন্তু G20 ৰ বিষয়ে আমি এটা কথাই বুজি পাওঁ যে এইটো এটা গুৰুত্বপূৰ্ণ সংস্থা আৰু এই সংস্থাটোৱে Disaster risk Management ৰ ওপৰত কাম কৰে, তেওঁলোকে climate change ৰ ওপৰত কাম কৰে। ইয়াত বিশ্বৰ যিসমূহ প্ৰভাৱশালী দেশ আছে, তেওঁলোকৰ বিত্তীয় পলিচিৰ বিষয়ে কথা বতৰা হয়। সেইখিনি অৱশ্যে হোৱা উচিত। আজিৰ দিনলৈকে কিন্তু G20 ৰ Permanent Secretariat ক'ত হ'ব এতিয়ালৈকে স্থিৰ হোৱা নাই। এইবাৰ ভাৰতে যিহেতু সভাপতিত্ব কৰাৰ দায়িত্ব পাইছে, গতিকে ভাৰতৰ তৰফৰ পৰা এটা দাবী থাকিব লাগে যে এই Secretariat টো ভাৰতৰ ভিতৰতে কৰবাত হ'ব লাগে। এই বিষয়ে কেইবাটাও দেশে বিভিন্ন সময়ত দাবী কৰি আহিছে। কিন্তু হোৱা নাই। আজি শাসকীয় পক্ষৰ বিভিন্ন বিধায়কে কৈ আছে যে G20 অসমত হৈছে, ভাৰতত হৈছে, এইটো গৌৰৱৰ কথা। কিন্তু এইটো এটা process, হ'বই। G20 ৰ যিখিনি দেশ আছে ৫ টা গ্ৰুপত বিভক্ত কৰে। তেওঁলোকৰে এটা এটাকৈ ভাগত পৰে। এইবাৰ আমাৰ ভাগত পৰিছে। UK ত ২০০৯ চনত হৈছিল। Soudi Arab ত ২০২০ চনত পাইছিল। এইবাৰ যদি ভাৰতে পাইছে ২০২৫ চনত দক্ষিণ আফ্ৰিকাই পাব। গতিকে এইটো এটা process, এইটো গতানুগতিক কাম এটা হ'বলৈ গৈ আছে। কিন্তু আমি তাৰ পৰা কিছু আশা কৰিছো। আমাৰ আশাটো কিছু বিশাল। আমি বিচাৰো যে আমাৰ ৰাজ্যত বিদেশী মুদ্ৰা আহক। বিদেশী মুদ্ৰা বা অন্য ঠাইৰ পৰা মুদ্ৰা অহাৰ কাৰণে কি পথ আমি অৱলম্বন কৰিলে সঠিক হ'ব, সেই পথৰ আমি সন্ধান কৰিব লাগে। এইবছৰত যোৱা ২০২২ আৰু ২০২৩ বিত্তীয় বৰ্ষত অসমৰ পৰা যিমানখিনি সা-সামগ্ৰী বিদেশলৈ ৰপ্তানি হৈছে, তাৰ মুঠ value হ'ল ২৯০০ কোটি টকা। আজি অসমৰ চোপাশে ইমানবোৰ ৰাষ্ট্ৰ ৰৈ আছে, ইয়াৰ পৰা বিভিন্ন ঠাইলৈ যাবলগীয়া উৰণীয়া সেৱাসমূহ আছে। আমাৰ পৰা বিভিন্ন ৰাষ্ট্ৰত পথেৰেও যাত্ৰা কৰিব পৰা ব্যৱস্থা আছে। আমাৰ পৰা ৰপ্তানি খুৱ কমেই হয় কিন্তু আমদানি বেছি। এতিয়া অসমত বিপুল সংখ্যক Natural Resources আছে, ৰপ্তানি কৰিব পৰা বিভিন্ন পণ্য আমাৰ ওচৰত আছে। আমি বিদেশত বিক্ৰী কৰিব পৰা বিভিন্ন service আমাৰ ওচৰত আছে। কিন্তু সেই সময়ত আমি যেন কৰবাত নহয় কৰবাত থমকি ৰবলগীয়া হৈছে। কৰবাত সংযোগটো হৈ উঠা নাই যাৰকাৰণে কিজানি আমি আমাৰ ৰাজ্যখনক আগুৱাই লৈ যোৱাৰ বাবে সক্ষম হোৱা নাই।

মহোদয়, অসমত Act East Policy বুলি এটা বিভাগ আছে। Look East Policy ৰ আধাৰত যি Act East Policy হৈছে, সেই বিভাগে তেওঁলোকৰ কাৰ্য্যালয়ত শুধিবলৈ গ'লে কয় যে Asian Country বিলাকত আমি এইটো কৰিম, সেইটো কৰিম। কিন্তু মূলতঃ গৈ দেখা গৈছে যে আমি তেনেই ক্ষুদ্ৰ কিবা এটাহে লাভ কৰিছো। Act East Policy বা Look East Policy মাত্ৰ দেখুৱাবলৈ লোৱা এটা পলিচি নেকি যে ইয়াৰ দ্বাৰা আমি কোনো বিশেষভাৱে লাভান্বিত হ'ব পৰা নাই। আমাৰ সীমান্তৱৰ্তী ৰাষ্ট্ৰ ভূটানৰ গাড়ী অহৰ্নিশে আমাৰ ৰাস্তাৰে অহাযোৱা কৰি আছে, সা-সামগ্ৰী কিনি আছে। কিন্তু ভূটানে যিসমূহ গাড়ী কিনে, সেই সমূহ জাপানৰ পৰা কিনিছে। দুৰ্ভাগ্যটো তাতেই। এই ৰাষ্ট্ৰ সমূহৰ লগত আমাৰ সম্পৰ্কটো কেনেদৰে Buildup হৈ আছে, তেওঁলোকক আমি কি দি আছো আৰু তেওঁলোকে আমাক কি দি আছে? আমি বিভিন্ন সময়ত silk route ৰ কথা শুনি আহিছো। এটা সময়ত ৰপ্তানিৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা সেই ৰাস্তাটো কিন্তু আজিৰ সময়ত তেনেকৈ দেখা যোৱা নাই। গতিকে মহোদয়, আমি আশা কৰিম যে যিহেতু GWP ৰ ৮০ শতাংশ যাৰ হাতত আছে, তেওঁলোক যথেষ্ট ধনী ৰাষ্ট্ৰ। আমাতকৈও ধনী দেশ আছে অৰ্থনৈতিক ক্ষেত্ৰত আৰু সেই সমূহ ৰাষ্ট্ৰত দেখা গ'ল যে তৃতীয় বিশ্বৰ দেশ সমূহে গৈ কাম-কাজ কৰি তেওঁলোকৰ ৰাষ্ট্ৰৰ অৰ্থনীতি সমূহ উন্নত কৰিছে। উদাহৰণস্বৰূপে কিছুদিন আগতে আমি বিধানসভাৰ পৰা বাংলাদেশলৈ গৈছিলো। বাংলাদেশ আমাৰ ৰাজ্যৰ সমান এখন দেশ। সেই ৰাষ্ট্ৰৰ পৰা তেওঁলোকে বিদেশী মুদ্ৰা কিমান আনি আছে, তেওঁলোকে skilled আৰু unskilled, skilled ত তেওঁলোকে বহুখিনি পিছপৰি আছে। Unskilled লেবাৰৰ পৰাই তেওঁলোকে যিমানখিনি বিদেশী মুদ্ৰা আনিব পাৰিছে, তেতিয়াহ'লে অসমে কিয় নোৱাৰে? মই বিশ্বাস কৰো অসম চৰকাৰে আন একো নহ'লেও যদি চোদি আৰব বা ইউৰোপীয়ান ৰাষ্ট্ৰই হওক বা তুৰ্কীতে হওক, এনেকুৱা মধ্যপ্ৰাচ্যৰ যিসমূহ দেশ আছে, সেইসমূহত যদি আমাৰ skilled বা unskilled লেবাৰ পঠোৱাৰ কাৰণে ব্যৱস্থা কৰিব পাৰো। আমাৰ ঘোষ ডাঙৰীয়াই ইয়াৰ আগতে বক্তব্য দিছে যে তেওঁৰ জিলাৰ বহু সংখ্যক যুৱক-যুৱতী ওমান, তুৰ্কী ইত্যাদি দেশ সমূহত কৰ্মৰত অৱস্থাত আছে। এতিয়া আমাৰ কাষতে থকা দেশ সমূহত যদি যাব পাৰো, আমাৰ লৰাই যদি তেনেকুৱা skilled হৈ যাব পাৰে আৰু তেওঁলোকৰ কিছু techinical knowledge থাকে আৰু একেটা সময়তে যদি এটা বিদেশী ভাষাৰ ওপৰত তেখেতসকলৰ দখল থাকে, মই ভাৱো এনেকুৱা ৰাষ্ট্ৰ বিলাকত গৈ আয় উপাৰ্জন কৰি আমাৰ জাতীয় বা ৰাজ্যৰ অৰ্থনীতিলৈ বৰঙণি আগবঢ়াব পৰা যাব। এই চৰকাৰখনে skilled India ৰ কথা কৈ আছে আৰু এই ক্ষেত্ৰত কিছু কাম কাজো আগবঢ়াইছে। এইবাৰ দক্ষতা বিভাগে ITI সমূহ উন্নত কৰাৰ লগতে নতুন কিছুমান ITI কৰাৰ কথা চিন্তা কৰিছে। গতিকে ৰাজ্যৰ ভিতৰতে উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। বিদেশী উদ্যোগে হওঁক বা অন্য ঠাইৰ পৰা অহা উদ্যোগেই হওক। যোৱাকালি মই এজন মানুহক লগ পালো - তেও ক'লে আমি ভাৰতৰ জিঅ বেগ প্ৰস্তুত কৰা কোম্পানী। মই তেখেতক শুধিলো যে তেওলোকৰ ডাঙৰ কাষ্টমাক কোন ? তেখেতে অসমকে ডাঙৰ কাষ্টমাৰ বুলি ক'লে। গতিকে জিও বেগৰ দৰে আমি যিবোৰ সামগ্ৰী বাহিৰৰ পৰা ক্ৰয় কৰো সেইবিলাক যদি আমি নিজৰ ৰাজ্যতে প্ৰস্তুত কৰিব পাৰো তেনেহ'লে আমাৰ ৰাজ্য চৰকাৰে ৰেভিনিউ পাব আৰু একেটা সময়তে আমাৰ কৰ্মসংস্থান সৃষ্টি হ'ব। অসম কৃষি ক্ষেত্ৰত অৰ্থনীতিৰ ৰাজ্য। আজি আমাৰ অসমত যথেষ্ট পৰিমানে কৃষিজাত সামগ্ৰী উৎপন্ন হয়। মোৰ সমষ্টিতে যথেষ্ঠ ৰঙা লাও, আলু ইত্যাদি যথেষ্ঠ পৰিমানে উৎপাদন হৈছে। কিন্তু আজি ৰঙা লাওৰ মূল্য আমাৰ সমষ্টিত মাত্ৰ

পাঁচ টকা প্ৰতি কেজিত আৰু আলু ৰ মূল্য তিনি - চাৰিটকা প্ৰতি কেজি। আপোনালোকে দেখিছে গম ধানৰ উৎপাদন দিনে দিনে বৃদ্ধি পাইছে ।কিন্তু কেচা সামগ্ৰীখিনি ব্যৱহাৰ কৰিব পৰা উদ্যোগৰ কিন্তু অভাৱ দেখা গৈছে। আমাৰ ইয়াত উদ্যোগ প্ৰতিষ্ঠা কৰাৰ বাবে জি - টুৱেন্টিৰ দেশবিলাকক এপ্ৰোছ্ কৰিব পাৰো তেনেহ'লে উদ্যোগ স্থাপনৰ ক্ষেত্ৰত আমি এখোজ আগবাঢ়ি যাব পাৰো। আমি বিচাৰো আমাৰ দেশখনৰ উন্নয়ন হওঁক লগতে আমাৰ আলি পদুলিবিলাকো উন্নত হওঁক । আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি সপোন যে ভাৰতৰ শ্ৰেষ্ঠ পাচখন ৰাজ্যৰ ভিতৰত অসমখনো এখন হ'ব । সেই গোললৈ যাবলৈ হ'লে আমি উইমেন লীড ডেভল'পমেন্টৰ লক্ষ্যত উপনীত হ'ব লাগিব। আজি আমাৰ জনসংখ্যাৰ আধা অংশই মহিলা । আমি যদি এই আধা সংখ্যক মহিলাখিনিক উৎপাদনমুখী কামত নিয়োগ নকৰি ঘৰতে বহুৱাই সামান্য আত্মসহায়ক গোটত নিয়োগ কৰি ৰাখো তেন্তে নহ'ব। মহিলাসকলক উৎপাদনমুখী কৰি তুলিব লাগিব। আমাৰ বেংকৰ লেনদেন ইমান বৃদ্ধি পাইছে । আমাৰ মেনপাৱাৰ ইমান বৃদ্ধি পাইছে । একাউন্ট হোল্ডাৰ ইমান বৃদ্ধি পাইছে । এইখিনি কেৱল পৰিসংখ্যাতে থাকি যাব বাস্তৱত কিন্তু একো নহ'ব। কিছুদিন আগতে আমাৰ বিধান সভাৰ পৰাই সঁজাতি দল গৈছিল বাংলাদেশলৈ । তাত বাংলাদেশৰ পুৰুষসকলে কি কৰিছে আৰু মহিলাসকলে কি কৰিছে? বাংলাদেশ কিন্তু আমি উদাহৰণ হিচাপে ল'ব লগা ৰাষ্ট্ৰ হ'বই নালাগে কিন্তু আমি আমি বাংলাদেশৰ নাম ল'বলগীয়া হৈছে , বাংলাদেশ আমাৰ চুবুৰীয়া দেশ আৰু আমি তাত যাবলৈ একচেচ পাইছো আৰু সেইখিনি চাই আহিছো আৰু তাৰ বাবেহে মই ক'বলৈ পাৰিছো । বাংলাদেশৰ পুৰুষসকল আজি বিদেশত গৈ তাত কাম কৰাৰ সুযোগ লৈছে আৰু তাৰ বিপৰীতে মহিলাসকলে বাংলাদেশৰ গাৰমেন্ট ফেক্টৰিত কামত সোমাইছে। গাৰমেন্ট ফেক্টৰিত চোলাৰ বুটাম লগোৱাৰ পৰা চিলাই কাটিঙৰ গোটেইখিনি কাম কিন্তু মহিলাসকলেই কৰিছে তাত । সামান্তৰালভাবে তেওলোকে নিজৰ ঘৰ সংসাৰো চলাইছে । কিন্তু আমাৰ দূভাৰ্গ্য যে আমি যি বস্ত্ৰ পৰিধান কৰিছো তাৰ বুতামটোও কিন্তু অসমত প্ৰস্তুত নহয় । গতিকে আমি আশাবাদী আমাৰ ৰাজ্যত ঘৰুৱা উৎপাদন বৃদ্ধিৰ বাবে , জি এচ ডি পি ৰ বৃদ্ধিৰ কাৰণে , জি ডিপিৰ বৃদ্ধিৰ কাৰণে আমাৰ ৰাজ্যখনত উদ্যোগীকৰণৰ ওপৰত গুৰুত্ব দিয়া হওঁক । আমাৰ ট্যুৰিজিমক আৰু কেনেকৈ ফ্ৰেণ্ডলী কৰিব পাৰি , আমাৰ মানুহৰ আচাৰ ব্যাৱহাৰ কেনেকৈ গঢ়ি তুলিব পাৰি সেইখিনিৰ বাতাবৰন সৃষ্টিৰ প্ৰয়োজন আছে । অসমত মানুহে আগতে ভয় কৰিছিল আহিবলৈ কিন্তু আজি অসমত টেৰ'ৰইজিম নাই , ভয় ভিতি নাই এনেধৰণৰ পৰিবেশ সৃষ্টিৰ বাবে যদি ৰাজ্যখন আগবঢ়াই লৈ যাব পাৰি তেতিয়াহ'লে আমি ভাবিম যে অসমত বাহিৰৰ পৰা মানুহ আহিব , অসমক চাব আৰু অসমৰ উপাৰ্জ্জন হ'ব । অধ্যক্ষ মহোদয় আজি যদি আপোনালোকে চায় উচ্চেদৰ নামত বিভীষিকা , এনকাউন্টাৰৰ নামত বিভীষিকা - এই নিগেটিভ নিউজবিলাক যেতিয়া বাহিৰৰ মানুহে জানিব তেতিয়া কিন্তু এই ৰাজ্যৰ ছবিখন কিন্তু ভাল হৈ নাথাকিব । আমি উত্তৰ পূৰ্ব্বাঞ্চলৰ দুৱাৰদলিত থকা ৰাজ্যহিচাপে আৰু আমাৰ চৌপাযে কেইবাখনো ৰাষ্ট্ৰ থকা হিচাপে আমি আন্ত ৰাষ্ট্ৰীয় সম্পৰ্কটো যিধৰনে উন্নত হোৱাটো বিচাৰিছিলো বা আমি অনুভৱ কৰো । ঠিক তেনেকুৱাকৈ হৈ উঠা নাই । গতিকে মই আশা কৰিম এইদিশত চৰকাৰে গুৰুত্ব দিব । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীদূৰ্গাদাস বড়ো।

**শ্ৰীদূৰ্গাদাস বড়ো, (কলাইগাওঁ) ঃ** অধ্যক্ষ মহোদয় জি-২০ বিষয়ে আলোচনা বিলোচনা অকল দিল্লীতে নহয় ভাৰতৰ প্ৰতি ৰাজ্যতে আলোচনা হৈছে । কেইদিনমান আগতে চিকিমত গৈছিলো তাতে আলোচনা হৈছে তাতো সভা অনুষ্ঠিত হ'ব। কেইবাখনো ৰাজ্যত জি-২০ ৰ বিভিন্ন পৰ্য্যায়ৰ

সভা সমিতি হ'ব । অধ্যক্ষ মহোদয় জি-২০ ৰ আলোচনাত দুই এগৰাকী বক্তাৰ বক্তব্য শুনি এনেকুৱা লাগিছে যে এই জি-২০টো ডিবেটত আনিব বিচৰা যেন লাগিছে । আলোচনাত নহয় তৰ্কত আনিব বিচৰা যেন লাগিছে । প্ৰকৃততে জি-২০টো তৰ্কৰ বিষয় নহয় । পৃথিবীৰ অন্যতম উন্নত আৰু অতি উন্নত ৰাষ্ট্ৰসমূহৰ এটা গোট । অন্যতম উন্নত আৰু অতি উন্নত ৰাষ্ট্ৰসমূহৰ এই গোটবিলাকে কি আলোচনা কৰিব ? আজি গ্ল'বেল ৱাৰ্মিঙ বিশ্বজুৰি হৈছে- ডিফৰেণ্ট্ৰেশ্যন আৰম্ভ হৈছে , যিটো গোটেই মানব জাতিৰ বাবে ক্ষতিকাৰক । জীব জন্তুৰ কাৰণে ক্ষতিকাৰক । আপোনালোকে জানে পেপাৰত পঢ়িছে লণ্ডন চহৰখন যিমান ডাঙৰ সিমান ডাঙৰ এটা গ্লেচিয়াৰৰ টুকুৰা ফাটি আহিছে । সেইটো পৃথিৱীত কি ক্ষতি কৰিব পাৰে । সাগৰ তলীত বহু গভীৰলৈ গৰম গুছি গৈছে যাৰ ফলত মাইলজুৰি জলজ প্ৰাণী যিবিলাক আছে মৃত্যু হৈছে । সাগৰত যিবিলাক জীৱই বেলেন্সড কৰি থাকে সেইবিলাক মৃত্যুমূখত পৰিছে । এই বিষয়বিলাকেই আলোচনা হ'ব । গোটেই বিশ্বত ক্ষুধাতুৰ মানুহ বৃদ্ধি হৈছে এইবিলাক সমস্যা নিবাৰণৰ বাবে অতি উন্নত আৰু উন্নত দেশৰ মুৰব্বীসকলে আলোচনা বিলোচনা কৰি উপায় উলিয়াব । আমাৰ জি- টুবেন্টি যিবিলাক ৰাষ্ট্ৰ আছে তেওলোকে সদস্য ৰাষ্ট্ৰৰ বাহিৰেও কিছু ৰাষ্ট্ৰক নিমন্ত্ৰণ কৰে । মই এটাই কথা ক'ব বিচাৰিছো ইয়াৰ পিচত ২০২৪ চনত ব্ৰাজিলত অনুষ্ঠিত হ'ব । এইবাৰ জি - টুৱেন্টি আমাৰ দেশ ভাৰতে অনুষ্ঠিত কৰিবলৈ সুবিধা পাইছে । মই আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে জি টুৱেন্টিৰ সভাবিলাক গোটেইখিনি ডাঙৰ ডাঙৰ চহৰত নাপাতি ভাৰতৰ আন আন ৰাজ্য আৰু চহৰত পাতিবলৈ সিদ্ধান্ত লৈছে মই ভবা অনুসৰি যে জি- টুবেন্টিৰ বিষয়ে যাতে আমি সকলোৱে জ্ঞাত হওঁ । এডুকেটেড হয় লগতে এই পৃথিৱীজুৰি সৃষ্টি হোৱা সমস্যাসমূহ আলোচনা কৰি যাতে আমি ৰাজ্যৰ ফালৰ পৰা ৰাষ্ট্ৰক আমি পৰামৰ্শ আগবঢ়াব পাৰো। এনেকুৱা চিন্তাচৰ্চাৰে G20 গঠন হৈছিল। মই জানো আপোনালোকৰ আমাৰ যিবিলাক বে-চৰকাৰী অনুষ্ঠান আছে, ডাঙৰ ডাঙৰ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ, আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ এন জি অ' আছে, এই ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ, আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ এই ২০ খন দেশখৰ এন জি অ' বিলাকে একেলগে বহি G20 ৰ দেশৰ মুৰব্বী সকলক তেওঁলোকে ভৱা আৰু তেওঁলোকে কৰা চিন্তা পৰামৰ্শ এই G20 ত দিব পাৰে। এক মাত্ৰ নিৰ্বাচিত ৰাষ্ট্ৰ পতি বা প্ৰধান মন্ত্ৰী সকলে যে পৰামৰ্শ আগবঢ়াব সেইটো কথা নহয়। ইয়াত তেওলোকে এন জি অ' সকল ৰাষ্ট্ৰৰ আটাইতকৈ গুৰুত্ব পূৰ্ণ এন জি অ' যি মানুহৰ লগত জড়িত, যি মানুহৰ সমস্যাৰ লগত জড়িত, সেই এন জি অ' বিলাকে ৰাষ্ট্ৰৰ মুৰব্বী সকলৰ জৰিয়তে G20 ত আলোচনা কৰিব পৰা বৃহৎ স্কোপ আছে। গতিকে এই স্কোপ বিলাক আমাৰ ৰাষ্ট্ৰ প্ৰধান বিলাকে গ্ৰহণ কৰাতো আমি বিচাৰোঁ। মই এইখিনিতে আৰু এটা কথা কব বিচাৰিছোঁ। আমাৰ ২০০৬ চনৰ পৰা যি G20 হৈছে, সেই G20 ফৰমেলি ১৯৯৯ চনৰ ২৬ চেপ্তেম্বৰতে গোট বন্ধন হৈছিল যদিও ২০০৬ চনৰ পৰা কাম কৰা আৰম্ভ কৰিছে। তাৰমানে খুব বেছি বছৰ হোৱা নাই। বেছি বছৰ নহলেও এইটো এটা যুগ বন্ধন, এইটো এটা গোট, যিটো গোটে পৃথিৱীৰ সৰ্বশক্তিমান গোট বুলি কলেও ভুল নহয়। যে ভাৰতেও এগৰাকী অন্যতম প্ৰতিনিধি হিচাপে প্ৰধানমন্ত্ৰীও আছে। আমাৰ যি সকল ৰাষ্ট্ৰত এই সভা অনুস্থিত হয়, সেই ৰাষ্ট্ৰৰ মুৰব্বী গৰাকীয়ে সুযোগ এটা পাই, সেই সুযোগটো হৈছে তেওঁ কেনেকৈ গোটেই ২০ খন ৰাষ্ট্ৰক বা পৃথিৱীৰ শক্তিশালী গোটটোক লৈ যাব। আজি আমি দেখিবলৈ পাইছো বাতৰি কাকত, টেলিভিছনৰ জৰিয়তে আমাৰ কেইবাটাও আন্তঃৰাষ্ট্ৰীয় গোটে পৃথিৱীজুৰি যি মূল মূল সমস্যা আছে সেই মূল সমস্যা বিলাক ভাৰতৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আপুনি শান্তিৰ কথা কওঁক, গোটেই বিশ্বত ড্ৰাগছৰ কথাকে কওঁক, উগ্ৰপন্থীৰ সমস্যাৰ কথাকে কওঁক, শান্তিৰ কথাকে কওঁক গোটেই বিশ্বত ভাৰতৰ

প্ৰধানমন্ত্ৰী গৰাকীয়ে এই সুযোগটো গ্ৰহণ কৰিব পাৰিব। অন্তত এই G20 ৰ বছৰটোত। মই ভাৱো সেইটো যদি হয় এই G20 য়ে ভাৰতৰ কাৰণে এটা শক্তিশালী নেতৃত্ব লৈ G20 ক পথ প্ৰদৰ্শন কৰাৰ কাৰণে এটা সুযোগ পাইছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া জয়ন্ত বসুমতাৰী।

**শ্ৰীজয়ন্ত বসুমতাৰী, (চিডলী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত আৰু আমাৰ চৰকাৰৰ ফালৰ পৰা G20 ৰ বিষয়ে সদনত আলোচনা কৰাৰ কাৰণে এটা সুযোগ দিছে তাৰ কাৰণে ধন্যবাদ জনাইছোঁ। G20 আমাৰ ভাৰতত হ'বলৈ গৈ আছে আৰু অসমতো তেনেকৈ ৫খন মিটিং হ'ব তাৰ কাৰণে আমাৰ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ। তেখেতে আমাৰ উত্তৰ-পূৰ্বৰ যিমান ৰাজ্য আছে যোৱা স্বাধীনোত্তৰ কালৰ পৰা দেখা যে উত্তৰ-পূৰক পেলাই থোৱাৰ নিচিনা হৈছিল, কিন্তু এই চৰকাৰ অহাৰ পিছত আমি উত্তৰ-পূৰে গুৰুত্ব পাইছোঁ। ভাৰতৰ চুকে কোণে G20 ৰ মূহূৰ্তটো বুজাবলৈ বা G20 ৰ এটা awareness আনিবলৈ, G20ৰ দ্বাৰা আমাৰ কি লাভ হ'বলৈ গৈ আছে ইয়াৰ কাৰণে এই এৱাৰনেচৰ কাৰণে মিটিং ভাৰতৰ বিভিন্ন ৰাজ্যত কৰিবলৈ বিচৰাতো সচাকৈ আদৰণীয় বিষয়। বিৰোধী পক্ষৰ কিছুমান সদস্যসকল, আমাৰ দুৰ্গাদাস বড়ো ডাঙৰীয়াই যেনেকৈ কলে ময়ো তেনেকৈ অনুভৱ কৰিছোঁ। G20টো আমাৰ চৰকাৰী পক্ষত থকা বিধায়ক বা চৰকাৰী পক্ষক চাপোৰ্ট কৰা জনসাধাৰণে ভাৰতৰ নাগৰিক সকলে লাভান্বিত হ'ব তেনেকুৱা এটা তেওঁলোকৰ যিটো ভাৱভঙ্গী সেইটো দেখা গৈছে। গোটেই ভাৰতৰ যি ১৩৫ বা ১৪০ কোটি মানুহ আছে সকলো লাভান্বিত হ'ব। কাৰণ ভাৰত বৰ্ষ আজি G20ৰ Presidency পোৱাটো আমাৰ কাৰণে গৌৰৱৰ বিষয়। আৰু ইয়াত আমি ভাৰতৰ নাগৰিক হিচাপে গৌৰৱ কৰিব লাগে কিন্তু দেখা গৈছে যে সমালোচনা কৰা আৰু আমাৰ এজন বিধায়কে তাৎচিল্য সুৰত কৱ খুজিছে এই G20 ৰ summitক, যে ইয়াৰ দ্বাৰা কি হ'ব? আমি হয়তো গুৰুত্বটো বুজি পোৱা নাই। এই G20ৰ দ্বাৰা আমাৰ ভাৰত বৰ্ষ বিশ্বৰ ভিতৰত youth force 65% আমাৰ ভাৰতত আছে in between the age group 18-35 years. দেখা গৈছে যে অকল আমাৰ এই 65% youth force ৰ 19% হে ব্যৱহাৰ কৰিব পাৰিছোঁ। ১৯ শতাংশহে আজি চাকৰি বা কামত পঠিয়াব পাৰিছোঁ skill labourত জীৱন নিৰ্বাহ কৰিবলৈ সক্ষম হৈছে। মহিলা সকলৰ যদি চোৱা যায় তেতিয়া হলে কেৱল 5% বুলিয়ে কোৱা হৈছে dataত। এইখিনি আমি Skill India Mission এটা আমাৰ আছে, Skill India ৰ যোগেদি আমি যিহেতুকে 65% youth force আছে সেইটোৱে দেখা গৈছে আজি চীনত আমাতকৈ প্ৰপুলেছ্ন বেছি কিন্তু তেখেত সকলৰ youth force টো আমাতকৈ বহুত কম। ২৮ শতাংশ বুলি কৈছে, Japan economically develop কিন্তু তেখেত সকলৰ youth force টো বহুত কম আছে। আজিৰ তাৰিখত দেখা গৈছে যে আমাৰ ভাৰত বৰ্ষৰ কিছুমান ৰাজ্য পশ্চিমীয়া ৰাজ্য দক্ষিণ ভাৰতৰ কিছুমান ৰাজ্য তেওঁলোকে youth forceটো এনেকৈ স্কিল কৰি technical আৰু non technical ক্ষেত্ৰত যেনেকৈ তেওঁলোকে জাপানত শিক্ষক কৰি আছে বা অইন অইন দেশত উন্নত ৰাষ্ট্ৰত তেখেত সকলে শিক্ষকতা কৰি আছে। আজি দেখা গৈছে যে বিশ্বৰ কিছুমান industrial sector ত আমাৰ ভাৰতৰ চি ই অ' দেখিবলৈ পোৱা যায়, twitterত আছিল, facebook ত আছে তেনেকৈ বহুত ক্ষেত্ৰত আমাৰ ভাৰত বৰ্ষৰ যিটো IIT তাৰ পৰা passed কৰি যোৱা সেই ব্যক্তি সকলে আজি বিশ্বক নেতৃত্ব দি আছে। সেই কাৰণে এই G20 summit টো আমাৰ কাৰণে বৰদান। যে আমি prepare হ'ব লাগে। ইয়াত দেখা গৈছে যে আমাৰ youth force টো আমি য'ত youth force কম আছে

সেই ৰাষ্ট্ৰবোৰত আমি supply দিব পাৰোঁ। দেখা গৈছে মোৰ সমষ্টিৰ আমাৰ গেলেমপুৰ ভূটানৰ গাত লাগি থকা সেই গেলেমপুৰৰ যোগেদি ভূটানত আজি বেংগলৰ ফালৰ পৰা আমাৰ ইউ পি ৰ ফালৰ পৰা তেনেকৈ পশ্চিমীয়া ফালৰ পৰা technical labour বা skill labour বিলাকক ভূটানত চাপ্লাই কৰি আছে। কিন্তু আমি চিৰাং জিলা হিচাপে ভূটানত যি require তেওঁলোকক লেবাৰ বা স্কিল লেবাৰ বা semi skill লেবাৰ লাগে এইটো আমি চাপ্লাই দিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, ভূটানত যি Skill Labour লাগে আমি যোগান ধৰিব পৰা নাই। আজি জি-২০ যোগেদি আমি বিভিন্ন ক্ষেত্ৰত অগ্ৰণী ভূমিকা ল'ব পাৰো। শিক্ষাৰ ক্ষেত্ৰতে হওক বা কাৰিকৰী দিশতে হওক বিশ্বৰ কিছুমান অনুষ্ঠানত ভাৰতবৰ্ষই অগ্ৰণী ভূমিকা গ্ৰহণ কৰি কিছু পৰিমাণৰ হলেও উন্নতিৰ দিশত আগুৱাই যাবলৈ সক্ষম হৈছে। কৃষি বিভাগৰ ক্ষেত্ৰত বিজনী সমষ্টিৰ অন্তৰ্গত পানবাৰী অঞ্চলত যথেষ্ট পৰিমানৰ উন্নত খেতি কৰা হয় আৰু তাৰ পৰা নেমু টেঙা, হালধি লণ্ডনলৈ ৰপ্তানি কৰা হয়। যিমান চাপ্লাই দিব লাগে সিমান দিব পৰা নাই গতিকে কৃষি বিভাগটো G-20 summit is called as a premier forum for International Economic Cooperation. ক'ত ক'ত আমি পিছপৰি আছো, G-20 য়ে আগবাঢ়ি যোৱাত এটা সুযোগ আনি দিব। আজি যি সমালোচনাৰ নামত সমালোচনা কৰিব বিচাৰিছে এইটো সমালোচনা কৰা কথা নহয়। নিজৰ দেশৰ মান সন্মান ক'ত বঢ়োৱা হ'ব, এনেকৈ সমালোচনা কৰিলে সন্মান লাঘৱ কৰাহে হ'ব। আজি আমি জানিব পাৰিছো যে ভাৰতবৰ্ষ অৰ্থনীতি বিশ্বৰ পঞ্চম স্থানত আহি উপনীত হৈছে। আমি পৰ্য্যটন বা খেলা-ধূলাৰ ক্ষেত্ৰতো উন্নয়ন কৰিব পাৰিম। আমি এইটোৰ ক্ষেত্ৰত সুযোগ ল'ব লাগে। ১৮ পৰা ৩৫ বছৰৰ ভিতৰত আমাৰ যি ৬৫ শতাংশ যুৱক-যুৱতী আছে আমাৰ যিটো যুৱ প্ৰজন্ম, তেওঁলোকক উন্নয়নৰ সুবিধা দিব লাগে। আমাৰ প্ৰধান মন্ত্ৰী আৰু আমাৰ মুখ্যমন্ত্ৰীক আন্তৰিক শুভেচ্ছা যাঁচি এই সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কাৰণে এই বছৰ গৌৰৱৰ বছৰ যে এই বছৰত আমি জি-২০ ৰ সভাপতিত্ব কৰিব পাৰিছো। ১৯৯৯ চনত এচিয়াৰ Economic Crisis ৰ কাৰণে জি-২০ গঠন হৈছিল। প্ৰথমতে আছিল বিত্ত মন্ত্ৰী আৰু চেন্ট্ৰল বেংকৰ গৱৰ্ণৰ সকলক লৈ এই জি-২০ ৰ গঠন। পৰৱৰ্তী সময়ত বিত্ত মন্ত্ৰী আৰু চেন্ট্ৰল বেংকৰ গৱৰ্ণৰ ওপৰত গৈ ৰাষ্ট্ৰপ্ৰধান সকলক লৈ এই জি-২০ ৰ গঠন হ'ল। তেতিয়াৰ পৰা প্ৰত্যেক বছৰে একোখন একোখন ৰাষ্ট্ৰই জি-২০ ৰ সভাপতিত্ব কৰিবলৈ সুবিধা পায়। যোৱাবাৰ সভাপতিত্ব কৰিছিল ইণ্ডোনেচিয়াই, এইবছৰ আমি কৰিছো, নৰেন্দ্ৰ মোডীৰ কাৰ্য্যকালত। অহা বছৰ ব্ৰাজিলে সভাপতিত্ব গ্ৰহণ কৰিব। জি-২০ ৰ মূলত কাম-কাজ অৰ্থনৈতিক সহযোগিতাৰ বাবে মঞ্চ তৈয়াৰ কৰা হয়। আন্তঃৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বিষয় সমূহ আলোচনা আৰু সমাধানৰ ক্ষেত্ৰত জি-২০ ৰ বিশেষ ভূমিকা গ্ৰহণ কৰে। এই দেশ কেইখন হৈছে, Argentina, Australia, Brazil, Canada, China, France, Germany, India, Indonesia, Italy, Japan, South Korea, Mexico, Russia, Saudi Arabia, South Africa, Turkey, United Kingdom and United States । জি-২০ সদস্য সমূহে বিশ্বৰ প্ৰায় GDP ৰ ৮৫ শতাংশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ প্ৰায় ৭৫ শতাংশ আৱৰি আছে। বিশ্বৰ মুঠ জনসংখ্যাৰ দুই তৃতীয়াংশ এই জি-২০ ৰ দেশ সমূহত আছে। বৰ্তমান বাংলাদেশ, ইজিপ্ত, মৰিচাছ, নেদাৰলেণ্ড, নাইজেৰিয়া, চিংগাপুৰ, স্পেইন আদি দেশ সমূহ অতিথি হিচাবে আছে বা কাৰ্য্যনিৰ্বাহ

কৰি আছে। আমাৰ ৩০ নবেম্বৰ তাৰিখলৈ এই চলি থাকিব। শেহতীয়া ভাবে বাণিজ্য SDG, স্বাস্থ্য, কৃষি, শক্তি, জলবায়ু পৰিৱৰ্তন আৰু দুৰ্নীতি বিৰোধ আৰু গুৰুত্বপূৰ্ণ বিষয়ক সাঁমৰি লোৱা পৰিলক্ষিত হৈছে। ভাৰতবৰ্ষ এতিয়া উন্নয়নশীল দেশ নহয়, উন্নয়নমুখী দেশ। ভাৰতবৰ্ষৰ GDP Growth এই মুহুৰ্তত পৃথিৱীৰ ভিতৰত ১ নম্বৰ। অলপ আগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, এই মুহূৰ্তত ভিতৰত পৃথিবীৰ ভাৰতবৰ্ষ পঞ্চমখন বৃহৎ অৰ্থনীতি। অহা ৫ টা বছৰৰ ভিতৰত বা ২০৩০ চনৰ ভিতৰত তৃতীয় অৰ্থনীতিলৈ ভাৰতবৰ্ষ অগ্ৰসৰ হৈছে। অনুমান কৰা হৈছে যে, ২০৪০ চনৰ ভিতৰত ভাৰতবৰ্ষৰ ১০ মিলিয়ন ডলাৰতকৈ ওপৰত যাব আৰু ১০ বছৰৰ ভিতৰত ভাৰতবৰ্ষ উন্নত ৰাষ্ট্ৰত পৰিণত হ'ব। অসমৰ কাৰণে ভাল খবৰ, এইবাৰ যি জি-২০ হ'ল তাত আমাৰ গুৱাহাটী আৰু ডিব্ৰুগড়ত ৫ টা কাৰ্য্যসূচী পাইছো। ৩ খন ইতিমধ্যে শেষ হৈছে। চতুৰ্থখন অতি সোনকালে শেষ হ'ব। পঞ্চমখন অতি সোনকালে হ'ব। সাংসদ, বুদ্ধিজীৱি, মহিলা, যুৱক, শ্ৰমিক অথবা ব্যৱসায় সকলৰো পাৰস্পৰিক অংশ গ্ৰহণ থাকে। ভাৰতে জি-২০ সভাপতিত্ব লাভ কৰি One Earth, One Family and One Future আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ কাম কৰি আছে। জলবায়ু পৰিৱৰ্তন, সন্ত্ৰাসবাদ, মহামাৰী আদি বিষয়ৰ ওপৰত বিশেষ ভাবে গুৰুত্ব দিয়া হৈছে। বিশ্বৰ Fastest Growing Largest Economy আমাৰ ভাৰতবৰ্ষই জি-২০ দেশ সমূহৰ বাবে অন্যতম আদৰ্শ হৈ পৰিছে। আমাৰ ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰীৰ নেতৃত্বত ভাৰত বৰ্ষৰ সভাপতিত্বত জি-২০ চলিত বৰ্ষৰ বিশ্বত এক নতুন ইতিহাস হবলৈ সক্ষম হ'ব। অধ্যক্ষ ডাঙৰীয়া, অতি গৌৰৱেৰে কৈছো, এতিয়ালৈকে জি-২০ৰ যিখিনি অসমত অনুস্থিত হৈছে, সকলোৱে একে মুখে স্বীকাৰ কৰিছে, যে অসমে খুব ভাল ধৰণেৰে সকলোকে আদৰণী জনাইছে আৰু সুকলমে অনষ্ঠান পালন হৈছে। আমি ভিডিঅ সমূহ মাজে মাজে দেখা পাওঁ, চেষ্টাৰ আমি ক্ৰুটি কৰা নাই। প্ৰত্যেকজন বিদেশৰ পৰা অহা ব্যক্তিক বা দেশৰ ভিতৰৰ পৰা অহা ব্যক্তিক আমি যিমান পাৰি ভালকৈ আমি তেখেত সকলক আপ্যায়িত কৰিবলৈ চেষ্টা কৰিছো। আৰু এই ক্ষেত্ৰত সকলোৱে সহযোগিতা আগবঢ়াইছে। অধ্যক্ষ ডাঙৰীয়া জি ২০ ৰ সভাপত্তিত্ব কোনোবা এটা দলৰ বা কোনোবা এখন চৰকাৰৰ নহয়। জি-২০ ৰ সভাপতিত্ব দেশখনৰ । দেশখনৰ প্ৰত্যেক গৰাকী নাগৰিকৰ কৰ্তব্য। এই জি-২০ য়ে আমাৰ প্ৰেচিডেনচি এই এক বছৰীয়া কাৰ্য্যকালক সফলভাবে ৰূপায়িত কৰা আৰু পৰেত্যেকৰে সহযোগিতা বিচাৰিম। আমি প্ৰত্যেকৰে সহযোগিতা বিচাৰিছো। গতিকে এই ক্ষেত্ৰত সকলোৱে যাতে একগোট হয়, সকলোৱে যাতে ভালকৈ কৰিব পাৰো, তাৰ কাৰণে পৰৱৰ্তী যিখিনি সময় আছে, তাৰ কাৰণে সহযোগিতা বিচাৰিম আৰু সকলোকে ধন্যবাদ দিম, আপোনালোক সকলোৱে আজি এই আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে, মাননীয় অধ্যক্ষ মহোদয় আপোনাকো ধন্যবাদ জ্ঞাপন কৰিছো, এই গুৰুত্বপুৰ্ণ, ভাৰত বৰ্ষত হৈ থকা জি ২০ চামিটৰ উপলক্ষে আপুনি যি আলোচনা চক্ৰৰ কাৰণে সময় দিলে সদনত যি সময় ললে তাৰ কাৰণে আপোনাক মই ধন্যবাদ জনাইছো। প্ৰত্যেক জন সদস্যক ধন্যবাদ জ্ঞাপন কৰি বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, The House adjourned till 9-30 A.M. on 29th March, 2023.